
# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

৪৯ সংখ্যক প্ৰকাশ

২০১৭ চন


জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
শ্বহীদ বেদী
শ্বহীদ প্ৰণামো তোমাক



# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

## ৪৯ সংখ্যক প্ৰকাশ

## ২০১৭ চন

তত্ত্বাৱধায়ক ঃ ড° আঙ্গিৰস

সম্পাদক ঃ শ্ৰীজ্ঞানদ্বীপ বৰুৱা

**Mangaldai Mahavidyalaya Alochani :** The annual house journal of Mangaldai College, Published by Dr. Khagendra Kr. Nath, Principal, Mangaldai College on behalf of Mangaldai College Students' Union.

সম্পাদনা সমিতি ঃ

মঙলদৈ মহাবিদ্যালয় আলোচনী (২০১৬-১৭ চন)

সভাপতি ঃ ড° খগেন্দ্র কুমাৰ নাথ

উপদেষ্টা ঃ ড° বিজয় কুমাৰ শৰ্মা
শ্ৰীপৰেশ কুমাৰ শৰ্মা
ড° ৰুণজুন দেৱী

তত্ত্বাৱধায়ক ঃ ড° আঙ্গিৰস

সম্পাদক ঃ শ্ৰীজ্ঞানদ্বীপ বৰুৱা
বিশেষ সদস্য ঃ ড° প্ৰতিভা ডেকা
ড° বৰ্ণালী কলিতা
শ্ৰীখঞ্জনা ডেকা
শ্ৰীমহেশ্বৰ শৰ্মা
সদস্য ঃ শ্ৰীকুলদ্বীপ নাথ
শ্ৰীকৌস্তুভমণি চহৰীয়া
শ্ৰীহিমাংশু চহৰীয়া
শ্ৰীঅৰিন্দম ভৰদ্বাজ

বেটুপাত ঃ মানস
ডি. টি. পি. ঃ পদুমপাহি, মঙ্গলদৈ
মুদ্ৰণ ঃ ভৱানী অফ্‌ছেট প্ৰাইভেট লিমিটেড
ভৱানী কম্‌প্লেক্স, হাতীশিলা, পানীখাইতি, গুৱাহাটী-৭৮১ ০২৬, অসম

# শ্ৰদ্ধাঞ্জলি

যিসকল লোকে মানৱতাৰ হকে আৰু দেশৰ স্বতন্ত্ৰতাৰ বাবে আত্মবলিদান দিছিল; যিসকল সৈনিক দেশৰ নিৰাপত্তাৰ বাবে শ্বহীদ হ'ল; অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম অসম আন্দোলনৰ শ্বহীদসকল; যিসকল লোকৰ নিৰলস প্ৰচেষ্টা আৰু ত্যাগৰ ফলত মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল তথা নিৰন্তৰ শ্ৰীবৃদ্ধি প্ৰাপ্ত হৈছে ; যিসকলৰ আত্মবলিদানে আমাৰ বৰ্তমান সুৰক্ষিত কৰিলে আৰু তেওঁলোকৰ কৃতকৰ্মই আমাক প্ৰেৰণা যোগাই আহিছে, তেওঁলোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো লগতে দেশৰ ৰাজনীতি, প্ৰতিৰক্ষা, শিক্ষা, বিজ্ঞান, শিল্প-কলা, সংস্কৃতি আৰু ক্ৰীড়া জগতলৈ অমূল্য বৰঙণি আগবঢ়াই পৰলোকপ্ৰাপ্তি হোৱা আমাৰ জ্ঞাত-অজ্ঞাত প্ৰতিগৰাকী মহান ব্যক্তিৰ পূণ্যাত্মাৰ সদ্‌গতি কামনা কৰি শ্ৰদ্ধাঞ্জলি নিবেদিছো।

—সম্পাদনা সমিতি



# অধ্যক্ষৰ একলম

মঙলদৈ মহাবিদ্যালয় ঐতিহ্যমণ্ডিত দৰং জিলাৰ উচ্চ শিক্ষাৰ এক অগ্ৰণী অনুষ্ঠান। প্ৰথমতে ছাত্ৰ হিচাবে, আৰু পিছত শিক্ষক আৰু শেষত অধ্যক্ষ হিচাবে নিযুক্ত হোৱাৰে পৰা মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ বাবে নিৰলসভাৱে মনোনিবেশ কৰি আহিছো। এই দায়িত্ব পালন কৰোতে বৃত্তিগত দায়বদ্ধতাৰ মাজতে মোৰ চেতনা আৰু প্ৰেৰণাক সংকুচিত কৰি ৰখা নাই। প্ৰতিটো মুহূৰ্তত মনত ৰাখিছো— শিক্ষা ব্যৱস্থা হ'ল এখন দেশৰ বিবেক শক্তি; সভ্যতা, সংস্কৃতিৰ ভেটি তথা চালিকা শক্তি। জিলাখনৰ প্ৰতি গৰাকী ব্যক্তিয়ে আশা কৰে এই মহাবিদ্যালয়ে জিলাখনৰ বৌদ্ধিক নেতৃত্বৰ গৌৰৱময় পৰম্পৰা অক্ষুণ্ণ ৰাখক। জীৱনৰ যৌৱনোজ্জ্বল সময়ৰ জিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ সপোন আৰু সাধনাৰ থলী এই মহাবিদ্যালয়। দায়বদ্ধতাৰ এনে এক অনুভূতিৰ বিপৰীতে আছে বিভিন্ন সমস্যা। শিক্ষা প্ৰতিষ্ঠান হিচাপে শ্ৰেণীসমূহৰ নিয়মিত পাঠদান সুনিশ্চিত কৰা; পৰীক্ষা সমূহ পৰিচালনা কৰা; ছাত্ৰ একতা সভাৰ নিৰ্বাচন; কলেজ সপ্তাহ; নৱাগত আদৰণি সভা; খেল-ধেমালি অনুষ্ঠিত কৰা; প্ৰয়োজনীয় আন্তঃগাঁঠনি আদি ইত্যাদিৰ বিষয়ে অধ্যক্ষ হিচাপে চকু দিব লগা হয়। বিগত পাঁচটা বছৰৰ ভিতৰত মহাবিদ্যালয়খনৰ আন্তঃগাঠনিগত, বিদ্যায়তনিক আৰু প্ৰশাসনীয় ক্ষেত্ৰত বহুখিনি সংস্কাৰ আৰু গতিশীলতা সাধিত হৈছে। এই সময়ছোৱাৰ ভিতৰত আন্তঃগাথনিমূলক কেতবোৰ বিশেষ উল্লেখনীয় কৃতকৰ্ম হ'ল— অৰ্ধনিৰ্মিত প্ৰায় বৰ্জিত ৰূপত থকা বিজ্ঞান ভৱনটো সম্পূৰ্ণ কৰা, কেইবাটাও তিনিমহলীয়া ভৱন, আহল-বহল কেণ্টিন ভৱন নিৰ্মাণ কৰা, মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটো পূৰ্ণাংগ ৰূপ দিবলৈ প্ৰচেষ্টা হাতত লোৱা, সমুখৰ প্ৰায় সম্পূৰ্ণ হৈ উঠা তিনিমহলীয়া প্ৰশাসন ভৱন, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ উদ্যোগত সমুখৰ দেৱাল নিৰ্মাণ, পৰীক্ষা পৰিচালনা কক্ষ নিৰ্মাণ, উচ্চ ক্ষমতাসম্পন্ন জেনেৰেটৰ প্ৰতিষ্ঠা আৰু ল'কাৰ নিৰ্মাণ, বাস্কেট বলৰ ক'ৰ্ট নিৰ্মাণ আৰু বাহন ৰখা কেবাটাও 'ষ্টেণ্ড' নিৰ্মাণ আদি ইত্যাদি। এই সময়ছোৱাৰ ভিতৰতেই প্ৰশাসনৰ ক্ষেত্ৰত বিশেষকৈ বৃত্তীয় প্ৰশাসনৰ ক্ষেত্ৰত ভালেমান গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰা হৈছে। সেইবোৰৰ ভিতৰত বিশেষ উল্লেখনীয়বোৰ হ'ল—গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত অনাদায় হৈ থকা বৃহৎ পৰিমাণৰ ধনৰ বোজা পৰিশোধ; মহাবিদ্যালয় পৰিচালনা সমিতিৰ নামত, পৰীক্ষা পৰিচালনাৰ নামত আৰু কাৰ্যালয় পৰিচালনাৰ ক্ষেত্ৰত হোৱা অপচয় নিয়ন্ত্ৰণ আৰু ব্যয় সংকোচন, বেংকৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাচুল সংগ্ৰহ কৰা, নামভৰ্তি প্ৰক্ৰিয়াটো স্বচ্ছ তথা নিকা কৰি ৰখাৰ বাবে বিশেষ সতৰ্কতামূলক পদক্ষেপ গ্ৰহণ, পুথিভঁৰাল আৰু কাৰ্যালয়ত কম্পিউটাৰৰ যথা সম্ভৱ বহুল প্ৰয়োগ আদি। এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে মহাবিদ্যালয়খনৰ সকলো ধৰণৰ আৰ্থিক লেন-দেন সম্পূৰ্ণ নগদ ধনবিহীন (Cashless) কৰি তোলা।

এনে পদক্ষেপ সমূহৰ প্ৰতিফলন ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফল আৰু সংশ্লিষ্ট বিভিন্ন ক্ষেত্ৰত দেখা পোৱা গৈছে। প্ৰতি বছৰে উত্তীৰ্ণৰ শতকাৰ হাৰ বৃদ্ধিৰ লগতে মহাবিদ্যালয়ৰ নামভৰ্ত্তিৰ ক্ষেত্ৰত এক প্ৰতিযোগিতাৰ পৰিৱেশ সৃষ্টি হৈছে আৰু উচ্চ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ ব্যাপক ৰূপত আগমণ ঘটিছে।

মহাবিদ্যালয়খনত অভাৱ আৰু কৰিবলগীয়া কামৰ সীমা নাই। ই দৰাচলতে এক নিৰৱচ্ছিন্ন শেষ নোহোৱা যাত্ৰা। তৎসত্বেও যিমান সোনকালে পাৰি মহাবিদ্যালয় পুথিভঁৰালটো যুগ সাপেক্ষভাৱে অত্যাধুনিক কৰাৰ প্ৰয়োজন আছে। বিজ্ঞান শাখাৰ পৰীক্ষাগাৰ সমূহ আধুনিক কৰাৰ প্ৰয়োজন আছে আৰু আধুনিক সা-সুবিধাৰে এটা ছাত্ৰাবাস নিৰ্মাণ কৰাটো তাৎক্ষণিকভাৱে প্ৰয়োজন। এই প্ৰয়োজন কেইটি পূৰ কৰিবলৈ চিন্তা-চৰ্চা কৰি থকা হৈছে।

মহাবিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত অধ্যাপক, অধ্যাপিকাসকলৰ অক্লান্ত পৰিশ্ৰম তথা সহযোগিতা, কাৰ্যালয়ৰ কৰ্মচাৰী, গ্ৰন্থাগাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ সহযোগিতা অবিহনে এই সাফল্য লাভ কৰা সম্ভৱ নহ'লহেতেন। কলেজ পৰিচালনা সমিতিৰ সদস্যসকলে দেখুওৱা ইতিবাচক দৃষ্টিভংগীয়ে এই কৰ্মৰাজি ৰূপায়ণ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিছে। বিগত দশকটোত অসমৰ শিক্ষা খণ্ডত দেখিবলৈ পোৱা গতিশীলতাৰ প্ৰভাৱ তথা প্ৰতিফলনো এই মহাবিদ্যালয়ত ঘটিছে, আমি তাৰ সুফলো লাভ কৰিছো।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয় পৰিয়ালটোৰ আমি সকলো সদস্য, অভিভাৱকসকল, দৰংবাসী ৰাইজ— সকলোৱে মিলি আমাৰ সমগ্ৰ মানৱতাৰ প্ৰতি অৱদান আগবঢ়াৰ বিচৰাৰ সপোন, ৰাষ্ট্ৰৰ প্ৰগতিত অংশীদাৰ হোৱাৰ সপোন, বৌদ্ধিক জগতত মহাবিদ্যালয়খনক জিলিকাই তোলাৰ সপোন, জীৱন আৰু জীৱিকা নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰিবলৈ অহৰ্নিশ জাগ্ৰত থাকিবলৈ আৰু সংকল্পবদ্ধ হ'বলৈ পুনৰ এবাৰ আহ্বান জনালোঁ। ধন্যবাদ।

ড° খগেন্দ্ৰ কুমাৰ নাথ
অধ্যক্ষ
মঙলদৈ মহাবিদ্যালয়



ড° খগেন্দ্ৰ কুমা[illegible], অধ্যক্ষ

মঙলদৈ মহাবিদ্যালয়

# আলোচনী সম্পাদনা সমিতি



ডo খগেন্দ্ৰ কুমাৰ নাথ
সভাপতি



ড০ বিজয় কুমাৰ শৰ্মা
উপদেষ্টা



শ্ৰীপৰেশ কুমাৰ শৰ্মা
উপদেষ্টা



ড০ ৰুণজুন দেৱী
উপদেষ্টা



ড০ প্ৰতিভা ডেকা
বিশেষ সদস্যা



ড০ বৰ্ণালী কলিতা
বিশেষ সদস্যা



শ্ৰীখঞ্জনা ডেকা
বিশেষ সদস্যা



শ্ৰীমহেশ্বৰ শৰ্মা
বিশেষ সদস্য



ড০ আঙ্গিৰস
তত্ত্বাৱধায়ক



শ্ৰীজ্ঞানদ্বীপ বৰুৱা
সম্পাদক



শ্ৰীকুলদ্বীপ নাথ
সদস্য



শ্ৰীকৌস্তুভমণি চহৰীয়া
সদস্য




শ্ৰীঅৰিন্দম ভৰদ্বাজ
সদস্য



শ্ৰীহিমাংশু শৰ্মা
সদস্য

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

**ৰচনা**

শ্ৰী প্ৰভাত চৌধুৰী

**সুৰ আৰু স্বৰলিপি**

কুমাৰ আনন্দ নাৰায়ণ দেৱ

**তাল**

দাদ্‌ৰা

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি।।১।।
অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী:
বিকশিত [illegible] শতদল
তোমাৰ [illegible] ।।২।।
বিয়পি পৰিছে [illegible] আজি
তোমাৰ জ্যোতিৰ্ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।



মঙ্গলদৈ মহাবিদ্যালয় ছাত্র একতা সভা (২০১৬-১৭ বর্ষ)ৰ বিষয়ববীয়াসকল ঃ

বাওঁফালৰ পৰা ক্ৰমে ঃ ৰাজীৱ ডেকা, অনুপ জ্যোতি নাথ, জীমণি ডেকা, কল্যাণ হিমাংশু নাথ, কুলদ্বীপ নাথ, অপূৰ্ব ডেকা, জ্ঞানদ্বীপ বৰুৱা, আৰলিন চিবলীনা, পল্লৱ নাৰায়ণ দেৱ, সত্যৱতী ডেকা, প্ৰণৱ কুমাৰ নাথ।

# সূচীপত্ৰ—


| | | |
|---|---|---|
| ✦ তত্ত্বাৱধায়কৰ চিন্তা | ড° আঙ্গিৰস | ৪ |
| ✦ সম্পাদকীয় | জ্ঞানদ্বীপ বৰুৱা | ৫ |


## প্ৰবন্ধ


| | | |
|---|---|---|
| ✦ সময় সম্পৰ্কে ভাৰতীয় ধাৰণা | ড° আঙ্গিৰস | ৭ |
| ✦ আধুনিক অসমীয়া ভাষাৰ কাণ্ডাৰী হেমচন্দ্ৰ বৰুৱা | প্ৰভাত চৌধুৰী | ১২ |
| ✦ সোঁৱৰণীৰ কাঁচিয়লি ৰ'দত প্ৰয়াত পুৰন্দৰ শৰ্ম্মা | তৰুণ চন্দ্ৰ শৰ্মা | ১৪ |
| ✦ দৰঙী সংস্কৃতিত এভুমুকি | ড° বিজয় কুমাৰ শৰ্মা | ২০ |
| ✦ প্ৰাণীৰ আত্মৰক্ষামূলক বৰণীকৰণ | ড° লীনা শইকীয়া | ৩৩ |
| ✦ পৃথিৱীৰ উন্মুক্ত পঢ়াশালিখন.... | ড° মুকুট শৰ্মা | ৩৫ |
| ✦ বিপ্লৱী নায়ক ঋষি অৰবিন্দ | মৌচুমী কংস বণিক | ৩৮ |
| ✦ **Indo-China Relations- Past, Present and Future** | **Fajrin Zinnat Fayjie** | ৪০ |
| ✦ মংগলদৈ কলেজ ছায়েন্স ফ'ৰাম, জ্ঞান অন্বেষণৰ বাট পোনায়.... | ধনজিতা দাস | ৪৩ |
| ✦ **Live, Laugh, Love** | **Ankita Tamuli** | ৪৫ |
| ✦ এখন মননশীল উপন্যাস 'অন্তৰাগ' | কৌস্তুভমণি চহৰীয়া | ৪৮ |
| ✦ দেৱভাষা সংস্কৃত | বিকাশ শৰ্মা বৰুৱা | ৪৯ |
| ✦ যোগ শিক্ষাৰ বিষয়ে কিছু .... | নীহাৰিকা ডেকা | ৫২ |
| ✦ জি এছ্ টি : **Goods and Service Tax** | প্ৰাণজিৎ কলিতা | ৫৩ |
| ✦ **Important Facts and Demonetization** | Khairuz Zaman Ahmed | ৫৪ |
| ✦ লিওনাৰ্ডো দ্যা ভিন্সিৰ সেই ৰহস্যময়ী চিত্ৰখন | চুমী হাজৰিকা | ৫৫ |
| হাঁহো আহা | মিছ্ জেৰিফা খানম | ৫৬ |
| ✦ ভাৰতৰ সংসদীয় ব্যৱস্থা | লিচামণি কলিতা | ৫৭ |
| ✦ ব্ৰেইন ড্ৰেইন | চাজিদ আলম | ৫৯ |
| ✦ সম্ৰাট অশোকৰ ৰাজনীতি : এক আলোকপাত | জুৰিআনা চুলতানা আহমেদ | ৬০ |
| ✦ আধুনিকতাত ডুব যোৱা যুৱ সমাজ | মৃন্ময় নাৰায়ণ কলিতা | ৬৩ |
| ✦ মাদক দ্ৰব্য আৰু যুৱ প্ৰজন্ম | চুমন ডেকা | ৬৪ |
| ✦ মোৰ হাৰ্টথ্ৰৱ | হিমাংশু শৰ্মা | ৬৫ |
| ✦ মোৰ ভৱিষ্যত পৰিকল্পনা মতে নহ'লে "কোনে ৰিক্স ল'ব?" | ৰাকেশ ডেকা | ৬৭ |
| ✦ ব্যৰ্থতাই সফলতাৰ সপোন | চাজিদুল আক্ৰম | ৬৮ |
| ✦ বাঙ্গালোৰত এভুমুকি | জীমণি ডেকা | ৬৯ |
| ✦ সোঁৱৰণীৰ পাতত ছিকিম ভ্ৰমণ | মনালিছা শৰ্মা | ৭২ |
| ✦ আধুনিক ভাৰতবৰ্ষ নিৰ্মাণত চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদান | বিকাশ শৰ্মা বৰুৱা | ৭৩ |
| ✦ স্বদেশ প্ৰেম | ৰাজিবুল আলি | ৭৬ |
| ✦ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰু ইয়াৰ তাৎপৰ্য | নিশান্ত নিয়ৰ বৰা | ৭৭ |

# সূচীপত্ৰ—

## গল্প


| | | |
|---|---|---|
| ✦ শৰবিদ্ধ হিয়াৰ সেন্দুৰীয়া ডায়েৰী | আৰলিন চিবলীনা | ৭৯ |
| ✦ হেৰুৱা অতীতৰ সুবাস .... | নাজৰিন ইয়াচমিন | ৮৪ |
| ✦ এইবাৰ লগ পালে নিশ্চয় মাতিম.... | অৰ্পণা বড়া | ৮৬ |
| ✦ সোণাৰুৰ হালধীয়া হাঁহি | জেমিমা চৌধুৰী | ৮৯ |
| ✦ বৰ্তমান | নচিবা বেগম | ৯১ |
| ✦ আবেলিৰ হেঙুলীয়া আভা | জয়শ্ৰী দেৱী | ৯২ |
| ✦ পদবী বিহীন চিপাহী | নীলোৎপল বড়া | ৯৪ |
| ✦ পৰাজেয়-অপৰাজিতা | মাহমুদুল হাচান | ৯৬ |
| ✦ এটি নীলা চৰাই | গোলাম নবী আজাদ | ১০১ |
| ✦ নীলা খামৰ চিঠি | মিৰ চাহিল ইৰফান | ১০২ |
| ✦ নীলাখামৰ চিঠি | ধৰিত্ৰী বৰুৱা | ১০৩ |

# সূচীপত্ৰ—

## কবিতা


| | | | |
|---|---|---|---|
| ✦ | ইঙ্গিত | ড° আঙ্গিৰস | ১০৪ |
| ✦ | **Solicitous Monsoon** | **Dr. Pabitra Kr. Nath** | ১০৫ |
| ✦ | দেউতাৰ ঘোযা | প্ৰশান্ত কুমাৰ নাথ | ১০৬ |
| ✦ | বিদায় | লভিতা কাকতি | ১০৭ |
| ✦ | আই অসমী | ৰূপজ্যোতি হাজৰিকা | ১০৮ |
| ✦ | নিসংগতা মোৰ প্ৰথম প্ৰেমিক | সংগীতা তামুলী | ১০৯ |
| ✦ | ফাগুনৰ পছোৱাজনী | চুমন ডেকা | ১০৯ |
| ✦ | পলাশ | গাৰ্গী বৰুৱা | ১১০ |
| ✦ | মাতাল ৰাতি | বনশ্ৰী ভট্টাচাৰ্য্য | ১১০ |
| ✦ | **Serenade Beside the Way** | **Hirdayananda Deka** | ১১১ |
| ✦ | **Until We Meet Again** | **Saurav Kalita** | ১১১ |
| ✦ | নাৱে লৈ ভটিয়াম . . . . | সাগৰ নীল কোঁৱৰ | ১১২ |
| ✦ | মায়াবী | খনিন্দ্ৰ মোহন নাথ | ১১৩ |
| ✦ | প্ৰতিচ্ছবি | আদিত্য ৰাভা | ১১৪ |
| ✦ | মাথোঁ অপেক্ষাত মই | ইনাক্ষী আৰ. ডি | ১১৫ |
| ✦ | **The puppet of Dream** | **Nabanil Chakravorty** | ১১৬ |
| ✦ | মঙলদৈ মহাবিদ্যালয় | ৰীতুমণি ডেকা | ১১৭ |
| ✦ | মঙলদৈ মহাবিদ্যালয় | ফুলেশ্বৰ নাথ | ১১৮ |
| ❐ | বিভাগীয় প্ৰতিবেদন | | ১১৯ |
| ❐ | **Principals of Mangaldai College** | | ১৩৩ |
| ❐ | ২০১৬-১৭ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ | | ১৩৪ |
| ❐ | মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্বাৱধায়কসকল (১৯৫৮-১৯৫৯ বৰ্ষৰ পৰা ২০১৬-২০১৭ বৰ্ষলৈকে) | | ১৩৪ |

# তত্ত্বাৱধায়কৰ চিন্তা

যেতিয়া কোনো এজন জ্ঞান সাধকে কোনো সত্য উপলব্ধিৰ চেষ্টাত অধ্যয়নৰ গভীৰতাত নিমগ্ন হৈ পৰে তেওঁ সেই কামৰপৰা অহা বা আহিবলগীয়া খ্যাতি, যশস্যা, পাৰিতোষিক অথবা অন্যান্য বৈষয়িক সা-সুবিধাৰ প্ৰতি ভ্ৰূক্ষেপহীন হৈ পৰে, সেইবোৰৰ প্ৰাপ্তিৰ প্ৰলোভনত তেওঁ সেই কৃচ্ছ সাধনত নিমগ্ন নহয়। মন, মগজুৰ এক গভীৰ স্তৰত উপলব্ধ হোৱা কিবা এক তৃপ্তিত তেওঁ জ্ঞান সাগৰৰ গভীৰতালৈ গৈ থাকে। ইয়াত গভীৰৰপৰা গভীৰতৰ স্থানত তেওঁৰ ন ন উপলব্ধিয়ে যি তৃপ্তি প্ৰদান কৰে সেই প্ৰাপ্তিক সমুদ্ৰ তলিত পোৱা ৰং, বিৰঙৰ মণি-মুকুতাৰ লগত তুলনা কৰিব পাৰি। সেই বাবে জ্ঞান সাধনাকো এক উচ্চ স্তৰৰ সুকুমাৰ কলা বুলি ক'ব পাৰি। সূক্ষ্ম তথা গভীৰ মননশীলতাৰ সময়ছোৱাত মানুহৰ দ্বেষ, ঈৰ্ষা আদি অৱগুণবোৰৰো বিলুপ্তি ঘটে। সত্যৰ অনুসন্ধান হোৱা বাবে, এই যাত্ৰাই সুন্দৰৰ সন্ধান দিয়া বাবে মননশীলতাৰ এই যাত্ৰাক এক আধ্যাত্মিক যাত্ৰা, ঈশ্বৰ অনুসন্ধানৰ এক যাত্ৰা বুলি ক'ব পাৰি।

এনে ধৰণৰ জ্ঞান সাধনাই অধ্যয়নকাৰী গৰাকীক এক তৃপ্তি প্ৰদান কৰাৰ উপৰিও তেওঁ আহৰণ কৰা জ্ঞানৰাশিয়ে মানৱ সমাজক উপকৃত কৰে। দৰাচলতে মানুহৰ জীৱনৰ সফলতাৰ যথাৰ্থ মাপ-কাঠি তেওঁ আহৰণ কৰা বৈষয়িক সম্পদ আৰু তাৰ পৰা পোৱা সুখতকৈ তেওঁৰ কৃত-কৰ্মই কিমান বেছি মানুহক উপকৃত কৰিলে সেয়াহে হোৱা উচিত।

মানৱ সভ্যতাৰ উত্তৰণৰ যি ইতিহাস তাত আমি সততে বহু মনিষীৰ নাম পাওঁ যি সকলে আমি সাধাৰণ মানুহে সুখ বুলি যি বুজো তেনে সুখ একোৱেই পোৱা নাছিল। গেলিলিও, গ্ৰেগৰ মেণ্ডেল, আইনষ্টাইন, টমাছ আলভা এডিছন, মেৰি কুৰী, মহাত্মা গান্ধী, যীশুখ্ৰীষ্ট, চক্ৰেটিছ, বুদ্ধ- আকস্মিকভাৱে বাছি লোৱা তথা মনলৈ অহা এই কেইগৰাকী বিজ্ঞানী তথা বিশ্ব মনিষীৰ কৃতকৰ্মই মানৱ জাতিক অভূতপূৰ্বভাৱে উপকৃত কৰিছে। তেওঁলোকে তেওঁলোকৰ কৰ্মক্ষেত্ৰত কৰা সাধনাৰ বাবে অশেষ ক্লেশ সহিব লগা হৈছিল— সাধাৰণ মানুহে বুজা সুখৰ পৰা তেওঁলোক বঞ্চিত আছিল। অথচ তেওঁলোকৰ জীৱন যথাৰ্থতে সাৰ্থক হৈছিল।

আমি অধিকাংশ মানুহেই যিসকলে মানৱ সভ্যতাৰ উত্তৰণৰ ক্ষেত্ৰত একো অৰিহণা আগবঢ়াব নোৱাৰো, অৰিহণা আগবঢ়োৱা লোকসকলৰ কৃতকৰ্মৰ ফলবোৰ ভোগ কৰো আৰু সুখ নিদ্ৰাত নিমজ্জিত হওঁ। সেয়া আহৰণৰ প্ৰয়াসত জীৱনটো অতিবাহিত কৰো, প্ৰতিযোগিতা তথা প্ৰতিদ্বন্দিতাত লিপ্ত হওঁ আৰু এইদৰে সমাজলৈ অসূয়া-অশান্তি, ধ্বংস যজ্ঞ, যুদ্ধ-বিগ্ৰহ আহ্বান জনাওঁ। এনে সুখ বৈভৱময় জীৱনক সফল তথা সাৰ্থক জীৱন বুলি ক'ব নোৱাৰি।

মহাবিদ্যালয়ৰ শিক্ষা জীৱনৰ সময়ছোৱাত জ্ঞান সাধনাই আমাৰ চেতনাক কি দৰে আলোড়িত কৰিলে তাৰ সাক্ষ্য আমি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনত ৰাখি থৈ যোৱাৰ প্ৰয়াস কৰিব পাৰো, কৰা উচিত। মহাবিদ্যালয়খনৰ বৌদ্ধিক প্ৰাচুৰ্য্য অথবা দৈন্যক এই আলোচনীখনে প্ৰতিফলিত কৰে। এই কথাটোৰ প্ৰতি আমি সচেতন হোৱা উচিত।

ধন্যবাদ—

(ড° আঙ্গিৰস)

# সম্পাদকীয়



সময়ৰ টিকনিৰ লগে লগে আমি যেন ক্রমশঃ গতি কৰি আছো যান্ত্রিকতাৰ মাজলৈ। সময়ৰ নিষ্ঠুৰতাত যেন অসমীয়া কৃষ্টি-সংস্কৃতিৰ আঁত হেৰাই গৈছে। আজিৰ মানৱ জাতি ভীষণ ব্যস্ত। আমিবোৰে ব্যস্ততাৰ মাজতেই যেন নিজকে হেৰুৱাই পেলাইছো।

হেঁপাহ আছিল ভূপেনদাৰ মহাবাহু ব্রহ্মপুত্রৰ পাৰত বহি লুইতৰ অপৰূপ সৌন্দর্যৰ আকণ্ঠ পান কৰাৰ, হেঁপাহ আছিল জ্যোতিপ্ৰসাদৰ লুইতৰ পাৰৰ ডেকা হৈ ধমনীত লাচিতৰ তেজ লৈ আগবাঢ়ি যোৱাৰ, হেঁপাহ আছিল হীৰুদাৰ কবিতাৰ উম লোৱাৰ......। কিন্তু আজি যেন আমি স্তব্ধ। এক বিকৃত মানসিকতাই গোটেইবোৰ ছানি ধৰিছে। লুইতৰ পাৰ যেন আজি অসংযত ভোগবাদ, বিকৃত যৌনৰুচিৰ বাসনাৰ কবলত পৰিছে। আজি শিক্ষিত নিৰনুৱাৰ হতাশা, ক্ষোভ! কেউফালে দুৰ্নীতিয়ে গ্ৰাস কৰিছে।

বৰ্তমানৰ যুৱ প্ৰজন্মৰ একাংশক আধুনিকতাৰ ৰঙীণ পোহৰে চকু চাট মাৰি ধৰি পথভ্ৰষ্ট কৰি তুলিছে। আধুনিকতাৰ পোহৰে আমাৰ অজ্ঞানতাৰ অমানিশা আৰু সমাজৰ দ্বন্দ্ব খৰিয়াল দূৰ কৰিব পৰা নাই। কেৱল যেন আমাৰ মাজত মোহ উপৰুৱা ৰঙৰ সমাহাৰ ঘটাইছে। আমি ৰঙীণ স্বপ্ন দেখিছো সঁচা, কিন্তু সেই স্বপ্নৰ পোহৰত ভৱিষ্যতৰ নিশ্চয়তা নাই, অথচ সেই ৰঙা-নীলাবোৰতে আমি নিজক পাহৰি নাচি আছো।

নিঃসন্দেহে আধুনিকতাৰ ইতিবাচক দিশবোৰ আমাৰ সকলোৰে কাম্য। আধুনিকতাই বহুক্ষেত্ৰত নৱ জোঁৱাৰ আনিছে, আশাৰ ঢলেৰে বহুতকে ধুৱাই নিছে আৰু নতুনত্বৰ ৰসস্বাদন কৰাইছে। সেয়া আধুনিক চিন্তাধাৰাৰ ৰূপতেই হওক নাইবা আধুনিক লাইফ ষ্টাইলৰ মাজেদিয়ে হওঁক। কিন্তু এই আধুনিকতাক আদৰি লোৱাৰ নামত এচাম যুৱক-যুৱতীয়ে যি অসংযত বা অসামাজিক আচৰণ গ্ৰহণ কৰিছে, সেয়া নিশ্চয় আমাৰ বাবে শুভ সংকেত নহয়। কাৰণ কোনো সামাজিকভাৱে দায়বদ্ধ লোকে আধুনিকতাক আদৰি লোৱাৰ নামত, বৰ্তমান প্ৰজন্মৰ দহজনে অৰ্ধ উলংগ হৈ ৰাজপথত ঘূৰি ফুৰা নাইবা আধুনিকতাৰ বলিয়ালিত বৰ্জনীয় দ্ৰব্য সেৱন কৰাটো মানি নল'ব। নতুনক আদৰি লোৱাৰ নামত আমি কৰা এনে অদ্ভূত আচৰণবোৰে সমাজক ধ্বংসৰ গৰাহত ঠেলি পঠিয়াব। এই ভয়ংকৰী দিশবোৰৰ প্ৰতি সমাজ সচেতন লোকসকলে সকীয়নি দিছে। কিন্তু তাৰ প্ৰতি ভ্ৰুক্ষেপ নকৰি আধুনিকতাৰ ভ্ৰষ্ট দিশবোৰৰহে জয় গান গাই আছো। আমি সকলোৰে এইটো মনত ৰখা উচিত যে স্বৰ্গৰ দেৱতা আৰু অসুৰ সকলে সমুদ্ৰ মন্থন কৰোতে অন্য বহুতো সামগ্ৰীৰ লগতে অমৃত আৰু গৰল দুয়োটাই ওলাইছিল আৰু তাৰ মাজৰ পৰা একমাত্ৰ অমৃতহে দেৱতাসকলে পান কৰিছিল, যিয়ে দেৱতাসকলক অমৰত্ব প্ৰদান কৰিছিল। ঠিক একেদৰে আধুনিকতাৰ অমৃত সদৃশ বিষয়বোৰহে আমি সমাজত আগবঢ়াই দিব লাগে। যিয়ে আমাৰ কৰ্মৰাজি আৰু চিন্তা চৰ্চাক অমৰত্ব প্ৰদান কৰিব পাৰে।

বৰ্তমান এচাম যুৱ প্ৰজন্মৰ মাজত এটা ডাঙৰ ব্যাধি হৈছে

'Social Media'। তেওঁলোকে Social Media ত বিভিন্ন ধৰণৰ বিতর্ক, উচ্চ চিন্তা-ধাৰা জড়িত কথাৰে আলোড়নৰ সৃষ্টি কৰিব পাৰে সঁচা কিন্তু আলোচনীত প্রকাশ কৰিবলৈ বিচৰা এটি প্রবন্ধ পাবৰ বাবে হাবাথুৰি খাবলগীয়া হয়। বর্তমান সময়ত যুৱ চামৰ মাজত হোৱা জ্ঞান আৰু কলা সাধনাৰ প্রতি অনাকর্ষণ, অনীহা আৰু বিৰক্তিৰ বাবে হয়তো বৃহৎ সংখ্যক লোকৰ মাজত নিৰলস অধ্যয়নৰ প্রতি শ্রদ্ধাবান লোকৰ সংখ্যা কমি গৈছে, সাহিত্য সংস্কৃতি ধ্বংসৰ মাজলৈ ঠেলি দিয়া হৈছে। পশ্চিমীয়া বেপৰুৱা সংস্কৃতিক আদৰি অসমীয়াৰ বৰগীত, বিহুগীতৰ কথা পাহৰি গৈছো। এনেকৈয়ে আমাৰ এদিন সমাজ সংস্কৃতি লুপ্তপ্রায় হৈ যাব। সেয়ে আজিৰ যুৱ প্রজন্মই হাতত কলম লৈ আগবাঢ়ি আহিব লাগিব সমল গোটাবলৈ, এখন সুস্থ সমাজৰ নেতৃত্ব বহন কৰিবলৈ।

বিদ্যালয়, মহাবিদ্যালয়ৰ আলোচনীখনেই হৈছে বৌদ্ধিক, মানসিক প্রতিভা বিকাশৰ এখন উচ্চ স্থল, য'ত নীলা ৰংবোৰৰ মাজতেই প্রতিফলিত হয় হাজাৰ জনৰ প্রতিভা। সেয়ে ভৱিষ্যৎ প্রজন্মক অনুৰোধ জনাও যাতে বিভিন্ন পাঠ্যপুথি, বাতৰি কাকত, আলোচনী, দূৰদর্শন, ইন্টাৰনেট আদিত উপলব্ধ জ্ঞানৰাজি মনৰ মাজতেই সীমাৱদ্ধ নকৰি কলমটো এক সমল হিচাপে ব্যৱহাৰ কৰে।

বিগত বর্ষ কেইটামানত বিভিন্ন কাৰণবশতঃ নিয়মীয়াকৈ আলোচনী প্রকাশ নোহোৱা বাবে এইবেলি প্রথমৰে পৰা আলোচনীখন প্রকাশ কৰিবলৈ অহোপুৰুষার্থ চেষ্টা অব্যাহত ৰাখিছিলোঁ। এই বছৰৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে অভিজ্ঞতাৰ ভিত্তিত কেইটামান সমস্যাৰ উল্লেখ কৰিব বিচাৰিছোঁ—

◆ বছৰৰ প্রত্যেক সময়ত ছাত্র-ছাত্রীয়ে আলোচনীত প্রকাশৰ বাবে লিখনি সমূহ জমা দিবলৈ এটা বাকচৰ অভাৱ। ◆ লিখনিসমূহৰ 'Proof reading' তথা সম্পাদনা সম্পৰ্কীয় স্পষ্ট নীতিৰ অভাৱৰ লগতে আলোচনী পৃষ্ঠা সংখ্যা কাগজৰ গুণগত মান আদিৰ স্পষ্ট নীতিৰ অভাৱ। এই বিষয়ত ছাত্র একতা সভাৰ বিষয়ববীয়া সকলে কার্যভাৰ লোৱাৰ লগে লগে লিখিত আকাৰত এটা স্পষ্ট নির্দেশনা লাভ কৰিলে আলোচনীখন প্রকাশত যথেষ্ট সুবিধা হ'ব বুলি অনুভৱ কৰিছো।

সদৌ শেষত, আলোচনী প্রকাশৰ ক্ষেত্রত সম্পাদনা সমিতিৰ বিষয়ববীয়া তথা সদস্য সকলে আগবঢ়োৱা দিহা-পৰামর্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধ্যক্ষ মহোদয়লৈ সশ্রদ্ধ সেৱা আগবঢ়ালো, তেখেতৰ সক্রিয় ভূমিকাৰ বাবে আলোচনী খন প্রকাশত যথেষ্ট উৎসাহ লাভ কৰিছিলো। শ্রদ্ধাৰ তত্বাৱধায়ক ড° আঙ্গিৰস ছাৰে লিখনি সমূহৰ বাছনি, সম্পাদনা তথা আৰ্হি পাঠ, ডি.টি.পি., ছপাশালৰ সৈতে যোগাযোগ আদি গুৰুত্বপূর্ণ দায়িত্ব বহন কৰিছে। আৰ্হি পাঠৰ ক্ষেত্রত অধ্যাপিকা ড০ ৰুণজুন দেৱী, ড০ বর্ণালী কলিতা, মৌচুমী কংস বণিক মহাশয়া আৰু অধ্যাপক ড০ বিজয় শর্মা ছাৰে যথেষ্ট সহায় কৰিছিল। এই চেগতে তেওঁলোকলৈ ধন্যবাদৰ শৰাই আগবঢ়ালোঁ। লগতে বিভিন্ন লিখনিৰ জৰিয়তে আলোচনী প্রকাশত সহায় কৰা লেখক-লেখিকাসকললৈ সম্পাদনা সমিতিৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত সকলোৰে পৰা অনিচ্ছাকৃত ভুলৰ বাবে মার্জনা বিচাৰিলোঁ।

জ্ঞানদ্বীপ বৰুৱা
সম্পাদক
সাহিত্য আৰু আলোচনী বিভাগ
ছাত্র একতা সভা
২০১৬-১৭ বর্ষ, মঙলদৈ
মহাবিদ্যালয়।

প্ৰবন্ধ

# সময় সম্পৰ্কে ভাৰতীয় ধাৰণা

ড° আঙ্গিৰস
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ

জীৱন কালত মানুহে জগতত এনে কেতবোৰ পৰিঘটনাৰ সন্মুখীন হয় যাৰ ফলত মানুহৰ মগজুৱে কিছুমান অনস্তিত্বশীল বিষয়বস্তুকো অস্তিত্বশীল বুলি অনুভৱ কৰিবলৈ লয়। উদাহৰণস্বৰূপে, পোহৰ বাধাগ্ৰস্ত হোৱাৰ ফলত সৃষ্টি হোৱা ছাঁ ; পোহৰৰ অনুপস্থিতিত সৃষ্টি হোৱা আন্ধাৰ; মহাশূন্য আকাশ; পূব, পশ্চিম আদি দিশসমূহ। মহাশূন্য আকাশৰ অনুভূতিৰ সৃষ্টি হয় - ইন্দ্ৰিয় গ্ৰাহ্য দ্ৰব্যসমূহৰ অৱস্থিতিৰ ব্যৱধানৰ বাবে। এই দ্ৰব্যসমূহৰ অৱস্থিতিৰ তুলনাৰ জৰিয়তে দিশৰ অনুভৱ হয়। ছাঁ-আন্ধাৰ; আকাশ, দিশ আদিৰ দৰে অথচ তাতোকৈ অধিকতৰ জটিল এনে অন্য এটা বিষয় হ'ল সময়। জগতত নিৰন্তৰ ঘটনা কিছুমান মাত্ৰ সংঘটিত হৈ থাকে। দৰাচলতে নিৰন্তৰ ঘটনাৰ প্ৰবাহকে জগত বুলি ক'ব পাৰি। এই ঘটনা সমূহৰ সংঘটনৰ অনুক্ৰমণ, বিৰতি, ব্যৱধান আদিয়ে আমাৰ মনত এক অস্তিত্বশীল সত্তাৰ ৰূপত সময়ৰ অনুভূতি তথা ধাৰণা সৃষ্টি কৰে। সময় আৰু আকাশ অনস্তিত্বশীল সত্তাৰ একোটা ভ্ৰমাত্মক ধাৰণা যদিও সকলো অস্তিত্বশীল বিষয়বস্তুৰ অস্তিত্ব তথা সংঘটন সময় আৰু আকাশৰ বাবেই সম্ভৱ হয়।

অন্য সকলো জীৱৰ দৰে মানুহৰো জৈৱিক অস্তিত্বৰ বাবে তথা সুখানুভূতিৰ বাবে শৰীৰ আৰু মনৰ বিকাশৰ ভিন ভিন স্তৰত ভিন ভিন প্ৰয়োজন পূৰ কৰিবলগীয়া হয়। এই প্ৰয়োজনবোৰ যথাযথৰূপে পূৰ কৰাৰ বাবে মানুহে কৰিবলগীয়া কামৰ পৰিকল্পনা কৰিবলগীয়া হয়। এনে পৰিকল্পনাৰ বাবেও সময় নামৰ ধাৰণাটোক ব্যৱহাৰ কৰিবলগীয়া হয়। ব্যক্তিগত জীৱনৰ দৰে সমাজ, ৰাষ্ট্ৰ, সমগ্ৰ মানৱ জাতি আদি জনসমষ্টি সমূহৰ সমূহীয়া প্ৰয়োজন সমূহ সম্পাদন কৰিবলৈয়ো একেদৰে এই সময়ৰ ধাৰণাৰ প্ৰয়োগ কৰিবলগীয়া হয়।

আমাৰ জীৱনৰ বিভিন্ন কাৰ্যকলাপ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ, পৰিকল্পনা কৰিবলৈ, জগতৰ বিভিন্ন ঘটনা পৰিঘটনা পৰ্যবেক্ষন কৰিবলৈ বিভিন্ন জাগতিক বিষয়বস্তু তথা ঘটনা পৰিঘটনাৰ মাজত তুলনাৰ জৰিয়তে ভ্ৰান্তিময় তথা অনস্তিত্বশীল যদিও সময় নামৰ ধাৰণাটোক এনে দক্ষতাৰে আমি (মানুহে) ব্যৱহাৰযোগ্য কৰি তুলিলো যে এতিয়া সময় এক অনস্তিত্বশীল বিষয় মাত্ৰ বুলি ভবাটোহে ভ্ৰমাত্মক যেন হৈ পৰিল। মানুহৰ সভ্যতাৰ যিমান উত্তৰণ ঘটিছে; মানুহ বোধ আৰু চেতনা যিমানে উন্নততৰ হৈ গৈ আছে মানুহে সিমানেই অধিক দক্ষতাৰে সময়ৰ ধাৰণাক ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে। আমি ভিন ভিন ব্যক্তিয়ে যিবোৰ কথাক জীৱনৰ সফলতা বুলি চিনাক্ত কৰো, সেই সফলতা লাভৰ মূল উপায় তথা গুণ হ'ল সময়ৰ কাম সময়ত সম্পাদন কৰা আৰু তাৰ বাবে প্ৰয়োজনীয় দক্ষতা।

আমি সততে সময়ৰ একক হিচাপে ব্যৱহাৰ কৰা ঘণ্টা; মিনিট, চেকেণ্ড, দিন, মাহ, পক্ষ, বৰ্ষ আদি এককবোৰ পৃথিৱীৰ আহ্নিক গতি, বাৰ্ষিক গতি, সূৰ্যোদয়, সূৰ্যাস্ত আদি পৰিঘটনাৰ সতে সম্পৰ্কিত। জগতখন আছে কাৰণে জাগতিক পৰিস্থিতিবোৰ আছে। আমাৰ বাবে পৰ্যবেক্ষণ কৰিবলৈ সহজসাধ্য আৰু তুলনামূলক ভাৱে স্থিৰ নীতিৰ দ্বাৰা পৰিচালিত হোৱা বাবে আমি সূৰ্য আৰু চন্দ্ৰ কেন্দ্ৰিক সময় গণনা কৰা কৌশলত অভ্যস্ত। কিন্তু আমি সূৰ্য চন্দ্ৰক বাদ দি অন্য নক্ষত্ৰ, অন্যান্য তাৰকাৰাজ্যৰ ওপৰত আলম কৰিও সময় গণনাৰ

অন্য একক সৃষ্টি কৰি ল'ব পাৰোঁ। কিন্তু পৰিবৰ্তনশীল এই দৃশ্যমান অশ্বাশ্বত জগতখনেই যদি নাথাকিলহেঁতেন অথবা বিশ্বব্ৰহ্মাণ্ডৰ জাগতিক পৰিস্থিতি সমূহৰ ওপৰত আলম নকৰাকৈ সময় সম্পৰ্কে অনুভৱ কৰিবলৈ চেষ্টা কৰিলেই সময়ৰ অনস্তিত্বশীলতাৰ কথা বুজিব পৰা যায়। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ পূৰ্বৰ পৰিস্থিতিত আমি সময়ৰ কি একক ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ম? কোনটো ঘটনাক অতীত বুলি ক'ম, কোনটো ঘটনাক ভৱিষ্যত বা বৰ্তমান বুলি ক'ম? সেই পৰিস্থিতিত এক মুহূৰ্ত আৰু সহস্ৰকল্প সময়ৰ ব্যৱধান বুলি কিবা থাকিবনে? সেই পৰিস্থিতিত অতীত, বৰ্তমান, ভৱিষ্যত, ঘণ্টা, মিনিট, চেকেণ্ড, দিন, মাহ, বৰ্ষ আদি খণ্ডিত সময় নাথাকে। সেই পৰিস্থিতিয়েই হ'ল ত্ৰিকালাতীত বা অখণ্ড কাল। এইটো এটা চিত্তাকৰ্ষক কথা যে ঋক বৈদিক যুগতে বৈদিক ঋষি সকলে ত্ৰিকালাতীত পৰিস্থিতিৰ কথা চিন্তা কৰিবলৈ সক্ষম হৈছিল। এই ক্ষেত্ৰত ঋকবেদৰ দশম মণ্ডলৰ "নাসদীয়" নামেৰে খ্যাত ১২৯ নং সূক্তটো উল্লেখনীয়। ইয়াত বিশ্ব সৃষ্টিৰ পূৰ্বৰ পৰিস্থিতিৰ বিৱৰণ দিবলৈ যত্ন কৰা হৈছে এইদৰে- সেই সময়ত দেৱতা সমূহ নাছিল, দিন নাছিল, ৰাতি নাছিল, আকাশ নাছিল, আন্ধাৰক আবৃত্ত কৰি ৰাখিছিল আন্ধাৰে....

মাণ্ডুক্য উপনিষদৰ প্ৰথম শ্লোকটোত কোৱা হৈছে— ওঁ স্কাৰ ৰূপী পৰম ব্ৰহ্ম অতীত, বৰ্তমান, ভৱিষ্যতৰ সমস্ত সত্বাত নিমজ্জিত হৈ থাকে, আনকি ত্ৰিকালাতীত পৰিস্থিতিতো ই বিৰাজমান। এই শ্লোকটোত ব্যৱহাৰ কৰা ত্ৰিকালাতীত শব্দটো মনকৰিবলগীয়া। ই কোনো কল্পনাবিলাসী মনে সৃষ্টি কৰা শ্ৰুতি মধুৰ শব্দৰ উদ্ভট প্ৰয়োগ নহয়। এই ত্ৰিকালাতীত শব্দটোত এই উপনিষদ খনৰ ৰচয়িতা ঋষি গৰাকীৰ সূক্ষ্ম মননশীলতাই জগত সৃষ্টিৰ পূৰ্বৰ পৰিস্থিতিতো সময়ৰ স্বৰূপ উপলব্ধি কৰাৰ প্ৰয়াস আৰু তেনে পৰিস্থিতিতো অব্যক্ত ব্ৰহ্মাৰ স্বৰূপ অনুভৱ কৰাৰ প্ৰয়াস পৰিস্ফূট হৈছে।

মনু সংহিতাৰ পঞ্চম শ্লোকটোত বিশ্ব সৃষ্টিৰ বিষয়ে অনুৰূপ বিৱৰণ পোৱা যায়। মনু সংহিতাৰ ২৪ নং শ্লোকটোত স্বয়ম্ভু মনুৱে সূৰ্যাদিৰ ক্ৰিয়া স্বৰূপ কাল, অয়ন, ঋতু আদি সৃষ্টি কৰিছিল বুলি উল্লেখ আছে। সেই হিচাপে প্ৰতিটো প্ৰলয়ৰ পিছত সৃষ্টিৰ আৰম্ভণিতহে সময়ৰ উৎপত্তি হয়। ভাৰতীয় সৃষ্টিতত্ত্ব মতে সৃষ্টি, স্থিতি আৰু প্ৰলয় প্ৰক্ৰিয়াৰ মাজেদি জগত বাৰম্বাৰ প্ৰৱহমান হৈ থকাৰ দৰে সময়ো চক্ৰাকাৰে উদ্ভৱ হয়, গতিশীল হৈ থাকে আৰু বিনাশপ্ৰাপ্ত হয়।

এই সূক্তটোৰ কথাখিনিয়ে আধুনিক যুগৰ বহু খ্যাতিমান পদাৰ্থ বিজ্ঞানীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সূক্তটোত থকা কথাখিনি অত্যাধুনিক বিজ্ঞান মনস্কতাৰে পুষ্ট। এই ক্ষেত্ৰত বিশিষ্ট জ্যোতিৰ্বিজ্ঞানী কাৰ্ল ছাগানৰ এটা উদ্ধৃতি প্ৰণিধানযোগ্য—

"The Hindu religion is the only one of the words great faiths dedicated to the idea that the cosmos itself undergoes and immense in-deed an infinite number of deaths and rebirths! It is the only religion in which the time scale corresponds to those of modern scientific cosmology"

অন্য এটা প্ৰসংগত তেওঁ কৈছে—

"The dance of Nataraja (Tandava) signifies the cycle of evolution and destruction of the cosmic universe".

জাগতিক প্ৰসংগত সময়ৰ যি উপলব্ধি সিও দৰাচলতে আপেক্ষিক — স্থান সাপেক্ষ। আধুনিক বিজ্ঞানৰ ভাষাত সময়ৰ প্ৰসাৰণ (Time dila-tion) নামৰ এক পৰিঘটনাৰ বাবে মহাকাশ ভ্ৰমণ কালত সময়ৰ গতি পৃথিৱীতকৈ পৃথক হয়। এই পৰিঘটনাটোক সৰল ভাৱে ক'বলৈ হ'লে— এটা স্থবিৰ স্থানত থকা ঘঁড়ী এটাৰ সময় গতিশীল স্থানৰ ঘঁড়ী এটাৰ সময়তকৈ খৰতকীয়া। ভ্ৰমণকাৰী যানখনৰ গতিৰ দ্ৰুতি যিমানে বৃদ্ধি পাব

সিমানে এই তাৰতম্য বৃদ্ধি পাব। এটা উদাহৰণ লোৱা হওক— দুজন যঁমজ ভায়েকৰ এজনে পোহৰৰ বেগৰ ৯৫% বেগত যদি মহাকাশত দহ বছৰ ভ্ৰমণ কৰে, পৃথিৱীত উভতি আহি ৩২ বছৰ সময়ৰ পাৰ্থক্যত ভায়েকক লগ পাবহি। অৰ্থাৎ যাত্ৰাৰ সময়ত তেওঁলোকৰ বয়স যদি ২০ বছৰ আছিল তেন্তে যাত্ৰাৰ অন্তত মহাকাশত থকা ভায়েকৰ বয়স হ'ব ৩০ বছৰ আৰু পৃথিৱীত থকা ভায়েকজনৰ বয়স হ'ব ৫২ বছৰ। অথচ এই ক্ষেত্ৰত দুয়োজনৰে হাতত থকা ঘঁড়ী দুটাৰ কোনোটোৱেই বিজুতি ঘটা নাছিল। সময়ৰ এই আপেক্ষিকতা অথবা অনিশ্চয়তাৰ আবিষ্কাৰ আধুনিক পদাৰ্থবিজ্ঞানী সকলে প্ৰমাণ কৰিছে যদিও এই ধাৰণাও কিন্তু অতি প্ৰাচীন কালতে ভাৰতীয় চিন্তাবিদ সকলে বুজিব পাৰিছিল। বিভিন্ন পৌৰাণিক কাহিনীত, আৰু তাত্ত্বিক আলোচনাত এই উপলব্ধিৰ প্ৰমাণ পোৱা যায়। এই বোৰৰ ভিতৰত মহাভাৰত, বিষ্ণুপুৰাণ আৰু ভাগৱতত পোৱা বলৰাম আৰু ৰেৱতীৰ কাহিনীটো বেছ জনপ্ৰিয়। কাহিনীটোৰ মতে ৰৈৱত ৰজাই নিজ দুহিতা ৰেৱতীৰ বাবে উপযুক্ত বৰৰ কথা আলোচনা কৰিবলৈ দুয়োৱে ব্ৰহ্মলোকলৈ গৈ ব্ৰহ্মাক সাক্ষাৎ কৰিছিল (বিষ্ণুপুৰাণত ৰৈৱত ৰজাৰ নাম কুকুদ্মি বুলি পোৱা যায়)। এই যাত্ৰা কালত তেওঁলোকে অনুভৱ কৰিছিল কেইটামান মাত্ৰ মুহূৰ্ত অতিক্ৰম কৰা বুলি। কিন্তু তেওঁলোক পৃথিৱীলৈ উভতি আহি উপস্থিত হয় ২৭ মহাযুগৰ (১০৮ টা যুগ) পিছত। সেইদৰে বিষ্ণুপুৰাণ তথা মৎস্য পুৰাণত পাৰ্থিৱ মানৱ সময়, পিতৃলোকৰ সময়, দেৱলোক আৰু ব্ৰহ্মলোকৰ সময়ৰ তাৰতম্যৰ বিষদ বিৱৰণ দিয়া হৈছে। সেইমতে মানুহৰ এমাহ পিতৃলোকত এদিন; এবছৰ মানৱ সময় দেৱলোকত এদিন; এহেজাৰ মহাযুগ অৰ্থাৎ এক কল্পত ব্ৰহ্মলোকত এক দিবা; দুহেজাৰ মহাযুগ অৰ্থাৎ দুই কল্প মানৱ সময় ব্ৰহ্মলোকত এক অহোৰাত্ৰ (বিষ্ণু পুৰাণ- অধ্যায় ৩)। ইয়াৰ পৰাও ভাৰতীয় মনীষিসকলে উপলব্ধি কৰা সময়ৰ আপেক্ষিক ধাৰণাৰ কথা বুজিব পৰা যায়।

খণ্ডকালৰ হিচাপ নিকাচ সমূহৰ ভিতৰত বৰ্ষ গণনা পদ্ধতিৰ ক্ষেত্ৰত পৃথিৱীৰ কেবাটাও প্ৰাচীন সভ্যতাই অতি প্ৰাচীন কালতেই আশ্চৰ্যকৰ উৎকৰ্ষ লাভ কৰিছিল। ইউৰোপৰ দুটা প্ৰাচীন সভ্যতা গ্ৰীক আৰু ৰোমান সকল এই ক্ষেত্ৰত ভাৰতীয় বৈদিক সভ্যতা, মায়া সভ্যতা; ইজিপ্ত, মেছপটেমিয়া আৰু চীনা সভ্যতাতকৈ পিছপৰা আছিল। মায়ানসকলে কেবা সহস্ৰ বছৰ জোৱা কেলেণ্ডাৰ এক নিজা পদ্ধতিৰে নিৰ্ভুল ভাৱে প্ৰস্তুত কৰিছিল আৰু কলম্বাছ পূৰ্ব যুগত মায়া অঞ্চলত এই কেলেণ্ডাৰ সণ্চালনিকৈ প্ৰচলিত আছিল। মায়া সভ্যতা আৰু ইজিপ্তৰ পিৰামিদবোৰ বৰ্ষ গণনা পদ্ধতিৰ সতে সম্পৰ্কিত আছিল বুলি কিছুমান পণ্ডিতে মত পোষণ কৰে।

সময় গণনাৰ প্ৰাচীন ভাৰতীয় পদ্ধতি আশ্চৰ্যকৰ আছিল। প্ৰাচীন ভাৰতীয় সমগ্ৰ জ্যোতিৰ্বিদ্যা আৰু জ্যোতিষবিদ্যা দৰাচলতে সময় গণনাৰে এক অন্য ৰূপ আছিল বুলি ক'ব পাৰি। এইক্ষেত্ৰত সূক্ষ্মাতিসূক্ষ্ম (micro) এককৰ পৰা আৰম্ভ কৰি বিশাল (macro) একক ব্যৱহাৰ কৰা হৈছিল। সূৰ্য সিদ্ধান্তত মূৰ্ত আৰু বিমূৰ্ত সময়ৰ বিভাজন কৰা হৈছে। ৪ চেকেণ্ড = ১ প্ৰাণ = ৪ নিমেষ সময়ৰ ওপৰৰ একক সমূহ মূৰ্ত আৰু তাতকৈ সৰু পৰমাণু, অণু, ক্ৰুটি আদিবোৰ বিমূৰ্ত একক বুলি কোৱা হৈছে।।

এই আলোচনাত এনে কেইটামান মাত্ৰ এককৰ কথা উল্লেখ কৰা হ'ল—

এক পৰমাণু সময় = আধুনিক ১৭ মাইক্ৰ চেকেণ্ডৰ সমান।

(এক মাইক্ৰচেকেণ্ড হ'ল এক চেকেণ্ডৰ এক লাখ ভাগৰ এক ভাগ অৰ্থাৎ $১০^{-৬}$ চেকেণ্ড)

দুই পৰমাণু সময় = ১ অনু সময়

৩ অনু = ১ ত্ৰশ ৰেণু

৩ ত্ৰশ ৰেণু = ১ ক্ৰুটি

১০০ ক্ৰুটি =১ বেধ

৩ বেধ = ১ লৱ

৩ লৱ = ১ নিমেষ

৩ নিমেষ = ১ ক্ষণ

৫ ক্ষণ = ১ কাষ্ঠা

(মনু সংহিতাত ১৮ নিমেষত ১ কাষ্ঠা বুলি পোৱা যায়— শ্লোক নং ৬৪)
১৫ কাষ্ঠ = ১ লঘু
১৫ লঘু = ১ দণ্ড
২ দণ্ড = ১ মুহূৰ্ত
৩০ মুহূৰ্ত = ১ অহোৰাত্ৰ
৩০ অহোৰাত্ৰ = ১ মাহ
২ মাহ = ১ ঋতু
২ মাহ = ১ অয়ণ
২ অয়ণ = এক সম্বৎসৰ
৪ লাখ ৩২ হাজাৰ বছৰ — কলিযুগ
৮ লাখ ৬৪ হাজাৰ বছৰ— দ্বাপৰ
১২ লাখ ৭৬ হাজাৰ বছৰ— ত্ৰেতা
১,৭২৮ হাজাৰ বছৰ— সত্য যুগ
চাৰি যুগক একেলগে এক মহাযুগ বুলি কোৱা হয়।
৭১ মহা যুগ = ১ মন্বান্তৰ
এহেজাৰ মহাযুগ = ১ কল্প ( ৪.৩২ শতকোটি বছৰ) = ব্ৰহ্মাৰ এক দিবাকাল
দুহেজাৰ মহা যুগ = ২ কল্প = ব্ৰহ্মাৰ — ১ অহোৰাত্ৰ

উল্লেখযোগ্য যে বাৰ, মাহ, বছৰ, যুগ আদিৰ দৰে মন্বান্তৰ তথা কল্প সমূহৰ নামো পোৱা যায়। মৎস্য পুৰাণত উন (ত্ৰিশ) টা কল্পৰ তালিকা পোৱা যায় আৰু বায়ু পুৰাণত ৩৩ (তেত্ৰিশ) টা কল্পৰ নাম পোৱা যায়। বৰ্তমান চলি থকা মন্বান্তৰটো হ'ল বৈবশ্বত আৰু কল্পটো হ'ল শ্বেতবৰাহ কল্প।

এই বোৰ এককৰ উপৰিও এইবোৰৰ মাজে মাজে আৰু অজস্ৰ একক পোৱা যায় যিবোৰ জ্যোতিষ বিদ্যাত অথবা সাধাৰণ ভাৰতীয় লোকেও দৈনন্দিন জীৱন উল্লেখ কৰে। উদাহৰণস্বৰূপে, পক্ষ; তিথি; পল, বিপল, অনুপল যাম; আদি ইত্যাদি।।

ভাৰতবৰ্ষৰ ভিন্ ভিন্ প্ৰান্তত বৰ্ষ গণনাৰ ভিন্ ভিন্ পৰম্পৰা প্ৰচলিত আছিল। সম্ভৱতঃ এনে কাৰণতে বিভিন্ন পুৰাণ, মনুসংহিতা, মহাভাৰত, বৃহৎ জাতক, সংহিতা, জ্যোতিষৰ গ্ৰন্থ আদিত সমগ্ৰ গণনাৰ এই একক সমূহৰ মান কেতিয়াবা কেতিয়াবা পৃথক হোৱা দেখা যায়। কেতিয়াবা কেতিয়াবা একেটা শব্দ বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ হোৱা দেখা যায়। উদাহৰণস্বৰূপে যুগ শব্দটোকে কেতিয়াবা ৫ বছৰৰ একোটা কালক (মকৰ ৰাশিত থকা ধনিষ্ঠা নক্ষত্ৰৰ সতে চন্দ্ৰ সূৰ্য্য মিলিত হোৱা সময়ৰ ব্যৱধান); ১২ বছৰীয়া একোটা কালক (বৃহস্পতি গ্ৰহই কুম্ভ ৰাশিত ১২ বছৰৰ মূৰে মূৰে প্ৰৱেশ কৰা সময়) আৰু কেতিয়াবা ৬০ বছৰৰ একোটা কালকো (বৃহস্পতি মকৰত থকা সময়তে যেতিয়া চন্দ্ৰ সূৰ্য্যও ধনিষ্ঠাত মিলিত হয়) একোটা যুগ বুলি কোৱা হয়।

শৈৱ দৰ্শনত সময়ক প্ৰকৃতিৰ এটা গুণ বুলি কোৱা হৈছে। সৃষ্টিৰ ৩৬ তত্ত্বৰ ভিতৰত এটা হ'ল সময়। প্ৰকৃতিয়ে সৎচিদানন্দ পৰমাত্মাক সময় (কাল), আকাশ (নিয়তি); জ্ঞান (বিদ্যা) ; মোহ (ৰাগ) আৰু শক্তি (কল) ৰ দ্বাৰা বন্ধনযুক্ত কৰি জন্মচক্ৰলৈ আনে। শিৱৰ কৃপাত এই পাঁচ বন্ধনৰ পৰা মুক্ত হ'লে পুনৰ চিৎ স্তৰ লাভ কৰে। শিৱক ত্ৰিকালাতীত স্বৰূপ মহাকাল বুলিও কোৱা হয় (শিৱ সহস্ৰনাম)।।

হিন্দু ধৰ্মত সময়ক কাল বুলি কোৱা হয়। কাল শব্দৰ অন্য এটা অৰ্থ হ'ল মৃত্যু। যম দেৱতাক সময়ৰ দেৱতা বুলি কোৱা হয়।

মদভাগৱত গীতাত শ্ৰীকৃষ্ণই নিজকে একাধিকবাৰ সময় বুলি ঘোষণা কৰিছে। সেইবোৰৰ ভিতৰত অধ্যায় ১০ শ্লোক ৩০ ত আৰু অধ্যায় ১১ শ্লোক নং ৩২ ত নিজকে সময় (কাল) বুলি ঘোষণা কৰিছে।

জগতৰ দৃশ্যমান প্ৰপঞ্চ ৰাজিক সময়ৰ ধাৰণা অবিহনে বুজিব নোৱাৰি বাবেই জৈন দাৰ্শনিক সকলে সময়কো এক অজৈৱ শ্বাশ্বত অনস্তিকায় দ্ৰব্য বুলি ঘোষণা কৰিছিল। বৈদিক ভাষাত সময়ৰ যি খণ্ড আৰু অখণ্ড কাল জৈন দৰ্শনত সেয়া ব্যৱহাৰিক কাল আৰু পৰমাৰ্থিক কাল বুলি কোৱা হৈছে।

বৈশেষিক দৰ্শনৰ প্ৰবক্তা মহৰ্ষি কনাডেও সময়ক এক নিত্য, নিৰাৱয়ব, অখণ্ড, অতিন্দ্ৰীয় দ্ৰব্য বুলি ঘোষণা কৰিছিল।

এই দৰে দেখা যায় সময় সম্পৰ্কে বিজ্ঞান, দৰ্শন, ধৰ্ম, ৰহস্যবাদ, সাহিত্যত ভাৰতীয় মণিষী সকলে অতি উচ্চ বোধ, চেতনা তথা কল্পনাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। আধ্যাত্মিকতাৰে সংপৃক্ত ভাৰতীয় সংস্কৃতিত প্ৰতিটো কথাতে— খাওঁতে, বহোতে, যাত্ৰা কৰাৰ সময়ত, স্বপ্নফল বিচাৰৰ বাবে সপোন দেখাৰ সময়, উৎসৱ-পাৰ্বন, যাগ-যজ্ঞ অনুষ্ঠান

সম্পন্ন কৰা, জীৱনৰ বিভিন্ন বৈদিক সংস্কাৰ সমূহ পালন কৰা, কৃষি কৰ্ম, গৃহ নিৰ্মাণ, ৰাস্তা-ঘাট আদি নিৰ্মাণ আদি ইত্যাদি প্ৰতিটো কথাতে সময়ৰ শুভাশুভ পৰ্যন্ত বিচাৰ কৰাৰ পৰম্পৰা বিদ্যমান। সময়ানুবৰ্তিতাৰ বাবেই নিশ্চয় ভাৰতৰ ভৌতিক সভ্যতাও এটা সময়ত সমৃদ্ধিশালী আছিল। কিন্তু বৰ্তমান যুগত আমাৰ জাতীয় চৰিত্ৰত যেন কেৰোণ লাগিছে— সময়মতে কোনো কাম সম্পাদন কৰাৰ ক্ষেত্ৰত প্ৰায়ে সোৰোপাৰ দৰে আচৰণ কৰা দেখা যায়। ভাৰতৰ ইতিহাস চৰ্চাৰ পৰম্পৰাৰ ক্ষেত্ৰটো এনে এক নেতিবাচক দিশ দেখিবলৈ পোৱা যায়। প্ৰাচীন শিলালিপি সমূহত প্ৰায়ে সময়ৰ উল্লেখ থকা দেখা নাযায়। বিভিন্ন আবিস্কাৰ, যুদ্ধ বিগ্ৰহ, কীৰ্তি-কৰ্ম সমূহৰ বিৱৰণ থকা গ্ৰন্থসমূহত উক্ত কাৰ্যসমূহৰ সম্পাদন কালৰ উল্লেখ নকৰাটো প্ৰায়ে চকুত পৰে। সম্প্ৰতি বিশ্বত যিবোৰ দেশ অৰ্থনৈতিক তথা বৈষয়িক দিশত উন্নতিৰ শিখৰত উপনীত হৈছে, সেই দেশৰ বাসিন্দাসকলৰ সময়ানুৱৰ্তিতা এক প্ৰশংসনীয় জাতীয় চৰিত্ৰৰ ৰূপত দেখা যায়। ব্ৰহ্মবিদ হ'বলৈ হ'লে ভ্ৰমাত্মক খণ্ড কাল, শ্বাশ্বত অখণ্ড কাল, আকাশ আদি বিষয়সমূহ আৰু ক্ষণ ভঙ্গুৰ জগতৰ আপেক্ষিক ইন্দ্ৰিয়গ্ৰাহ্য ভ্ৰমাত্মক জ্ঞানৰ বিষয়ে উপলব্ধি কৰা প্ৰয়োজন। এই নিৱন্ধটোত সময় সম্পৰ্কে হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে এক চমু পৰিচয়মূলক আলোচনা মাত্ৰ কৰা হ'ল।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১) উপনিষদ— সম্পাদনা তথা অনুবাদ ঃ অতুল চন্দ্ৰ সেন, সীতানাথ তত্বভূষণ আৰু মহেশ চন্দ্ৰ ঘোষ; হৰফ প্ৰকাশনী, কলেজ ষ্ট্ৰীট, কলিকতা, ১৯৯৪

২) শ্ৰীমদ্ভাগৱত গীতা।

৩) বৃহৎ বিষ্ণু পুৰাণ— সম্পাদনা তথা অনুবাদ ঃ শ্ৰীবেণী মাধৱ শীল; অক্ষয় লাইব্ৰেৰী, কলিকতা, ১৪০২ ভাস্কৰাব্দ।

৪) মৎস্য পুৰাণম্— সম্পাদনা তথা অনুবাদ ঃ পঞ্চানন তৰ্কৰত্ন, নৱভাৰত পাব্লিচাৰ্ছ, কলিকতা, ১৩১৬ ভাস্কৰাব্দ।

৫) ঋকবেদ সংহিতা— সম্পাদনা তথা অনুবাদ ঃ ৰমেশ চন্দ্ৰ দত্ত, হৰফ প্ৰকাশনী, কলিকতা, ২০০০।

৬) মনু সংহিতা— সম্পাদনা তথা অনুবাদ ঃ শ্ৰীযুক্ত শ্যামাকান্ত বিদ্যাভূষণ।

৭) মহাভাৰত।

৮) ভাৰতীয় দৰ্শনত এভূমুকি— ড০ বন্দনা পূজাৰী, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, ২০১২, ISBN- 978-81-7665-395-4।

৯) A Brief Histrory of Time– Stephen Hawking, ISBN- 0553-17325-1, Bantam Books, New-York.

১০) Cosmos– Carl Sagan, ISBN-978-0-375-50832-5, Random House, New York, 2002.

১১) Brihat Jatak (Barah Mihir)- Translated and Edited : B. Suryanarayan Rao, ISBN- 978-81-208-1396-0, Motilal Banarasidas Publishing, Delhi, 1986.

১২) Surya Siddhanta- Ebenzer Burgess, ISBN-1162575093, Kessinger Publishing, 2010.

১৩) Jainism and Prakrit in ancient and Medieval India- A Jagadish Chandra Jain & Narandra Nath Bhattachary.


(দৰং আৰু ওদালগুৰি জিলা ব্ৰাহ্মণ সভাৰ চত্বাৰিংশৎ সংখ্যা ২০১৬-১৭ বৰ্ষৰ 'সৌৰজ্যোতি'ত প্ৰকাশিত একে শিৰোনামৰ প্ৰবন্ধ এটিৰ পৰিবৰ্দ্ধিত ৰূপ)

❑❑❑

প্ৰবন্ধ

# আধুনিক অসমীয়া ভাষাৰ কাণ্ডাৰী হেমচন্দ্ৰ বৰুৱা

প্ৰভাত চৌধুৰী
(মহাবিদ্যালয় সংগীতৰ ৰচয়িতা)

উনবিংশ শতিকাৰ দ্বিতীয় দশকত অসমৰ ৰাজনৈতিক পৰিৱৰ্তন ঘটি প্ৰচলিত ছশ বছৰীয়া আহোম সাম্ৰাজ্যৰ পতন আৰু সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বৃটিছ ঔপনিৱেশিক শাসন ব্যৱস্থাৰ ধ্যান ধাৰণা, নতুন জীৱন শৈলী আৰু শাসন ব্যৱস্থা। এই বিদেশী শাসকসকলৰ চেষ্টাতে দেশখনত আধুনিক পঢ়াশালি গঢ় ল'লে। সাধাৰণ মানুহৰ ল'ৰা-ছোৱালীয়ে তাত শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিলে। শাসন ব্যৱস্থাত সহায় কৰিবলৈ চুবুৰীয়া বংগদেশৰপৰা আমদানি কৰা কাকতী মহৰিসকলৰ প্ৰৰোচনাত পৰি শাসক গোষ্ঠীয়ে সাতাম পুৰুষীয়া অসমীয়া ভাষাটো বঙালী ভাষাৰ অপভ্ৰংশ বুলি পতিয়ন গ'ল। দেশৰ চৰকাৰী কাম-কাজ আৰু শিক্ষাৰ মাধ্যম অসমীয়া গুচি বঙালী হ'ল। লগে লগে অসমীয়া ভাষা সংস্কৃতিলৈ নামি আহিল কাল অমানিশা। ধৰ্ম প্ৰচাৰৰ বাবে অহা আমেৰিকান বেপ্টিষ্ট মিছনাৰী সকলৰ লগত তিনি গৰাকী শিক্ষিত অসমীয়াই চলোৱা নিৰলস সংগ্ৰাম আৰু চেষ্টাত প্ৰায় ত্ৰিছ বছৰ পাছত দেশত পুনৰ অসমীয়া ভাষাই মান্যতা লাভ কৰিলে। সেই ত্ৰিমূৰ্ত্তি আছিল আনন্দ ৰাম ঢেকীয়াল ফুকন গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা। মৃতপ্ৰায় ভাষাটোক এই ত্ৰিমূৰ্ত্তিৰ আশাশুধীয়া প্ৰচেষ্টাই সঞ্জীৱনী দান কৰিলে। সেয়ে পদ্মনাথ গোঁহাঞি বৰুৱাই তেখেতৰ "নীতি শিক্ষা" (মাজৰ ছোৱা) নামৰ পুথিৰ এটি কবিতাত হেমচন্দ্ৰ বৰুৱাৰ গুণানুকীৰ্ত্তন কৰিছে এনেদৰে—

"হেমৰ কোষেৰে ওখদৌল বান্ধি
ভাষাক সাৰথি কৰি
নুমাবলগীয়া অসমীয়া নাম
ৰাখিলে জিলিকা কৰি।।"

১৮৩৫ চনৰ ডিচেম্বৰ মাহৰ ৯ তাৰিখে হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল অবিভক্ত শিৱসাগৰ জিলাৰ ৰজাবাহৰ নামৰ গাঁৱত। তেখেতৰ পিতৃৰ নাম আছিল মুক্তা ৰাম বৰুৱা আৰু মাতৃৰ নাম ৰূপহী। বাৰ বছৰ বয়সত পিতৃ বিয়োগ ঘটাত দদায়েক লক্ষীনাথ বৰুৱাই তেওঁলোকৰ পৰিয়ালটোক কৰ্মস্থলী শিৱসাগৰলৈ লৈ যায়। হেমচন্দ্ৰই পিতৃ জীয়াই থাকোতেই ন বছৰ বয়সৰ পৰা ঘৰতে সংস্কৃত শিকিবলৈ আৰম্ভ কৰিছিল। দদায়েকে হেমচন্দ্ৰক তেওঁ কাম কৰা কাৰ্যালয়তে শিক্ষা নবিচ হিচাপে নিযুক্তি দি কাম শিকাৰ সুযোগ দিলে। কাৰ্যালয় চুটি হোৱাৰ পাছত আৰু পুৰা ভাগত সংস্কৃতৰ শিক্ষা গ্ৰহণ অব্যাহত থাকিল। সেই সময়ত ৰক্ষণশীল বৰ্ণ হিন্দু অসমীয়া সমাজত ইংৰাজী শিকাতো ঘৃণনীয় কাম বুলি গণ্য হৈছিল। সেইবাবে হেমচন্দ্ৰই কোনো ইংৰাজী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰাটো দদায়েকে বিচৰা নাছিল। কিন্তু হেমচন্দ্ৰৰ একান্ত ইচ্ছা ইংৰাজী শিকাৰ। তেওঁ সংগোপণে বিভিন্ন বিজ্ঞ ব্যক্তিৰ পৰা ইংৰাজী বিষয়টো ভালদৰে আয়ত্ব কৰিবলৈ সক্ষম হ'ল। তেখেতে সংস্কৃত বঙালীৰ লগতে ইংৰাজীতো ব্যুৎপত্তি লাভ কৰিলে কোনো আনুষ্ঠানিক শিক্ষা নোলোৱাকৈ একমাত্ৰ প্ৰৱল ইচ্ছা শক্তি আৰু একাগ্ৰতাৰ বাবে। তেখেতৰ মেধাৰ পৰিচয় পাই বৃটিছ বিষয়াই জুডিচিয়েল বিভাগৰ কমিচনাৰৰ কাৰ্যালয়ত চুপাৰিনটেণ্ডেট পদত নিযুক্ত কৰে আৰু সেই পদতেই তেখেতে গুৱাহাটীৰ কাৰ্যালয়ৰপৰা অৱসৰো গ্ৰহণ কৰে।

উনবিংশ শতিকাৰ ৰক্ষণশীল বৰ্ণহিন্দু সমাজখনৰ প্ৰচলিত কু-সংস্কাৰ, কু পৰম্পৰাৰ বিপৰীতে হেমচন্দ্ৰ বৰুৱাৰ চিন্তাধাৰাত দেখা গৈছিল যুক্তিবাদী আৰু বৈজ্ঞানিক মানসিকতা। সেই সময়ত চুবুৰীয়া দেশ বংগদেশত ৰজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আদি মনিষীৰ

সংস্কাৰকামী আদৰ্শৰে অনুপ্ৰাণিত হৈছিল হেম চন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি শিক্ষিত অসমীয়া ডেকা। গুণাভিৰাম বৰুৱাৰ দৰে বিধবা বিবাহ কৰোৱা নাছিল যদিও বিপত্নীক হোৱাৰ পাছত তেখেতে দ্বিতীয় বিবাহ কৰোৱা নাছিল। দ্বিতীয় বিবাহ নকৰোৱাৰ যুক্তি তেওঁ এনেদৰে ডাঙি ধৰিছিল—

"মোৰ ভাৰ্য্যাৰ মৃত্যু নহৈ মোৰ হোৱা হ'লে তেওঁৰ কি অৱস্থা হ'লহেঁতেন? তেওঁ মৰিছে; তথাপি মোৰ ইচ্ছা হ'লেই মই এটা কিয়? তিনিটা বা অধিক বিয়া কৰাব পাৰো, কিন্তু বিধবা হোৱাৰ পাছত পুনৰ বিয়াৰ নাম লোৱাৰ মানেই তেওঁৰ জাতি গ'লহেঁতেন আৰু তেওঁ জীৱন্ততে মৰা যেন হৈ থাকিলহেঁতেন। ই কেনে অসংগত আৰু অযুগুত!!! এতেকে পুনৰায় বিয়া কৰোৱা মোৰ উচিত নহয়।"

জাতিত ব্ৰাহ্মণ হৈয়ো তেওঁ জাত পাতৰ বিৰোধী আছিল আৰু অব্ৰাহ্মণ লোকৰ হাতে ৰন্ধা খাদ্য গ্ৰহণ কৰিছিল। সেই সময়ৰ সমাজ ব্যৱস্থাত এনে কামৰ ফলত মানুহ জাতিভ্ৰষ্ট হৈছিল। মৃত্যুৰ পিছত শৰীৰটো শুকান কাঠৰ দৰে হৈ পৰে। সেয়ে মৃত দেহটোক লৈ একো সংস্কাৰৰ আৱশ্যক নহয়। মৃত্যুৰ পাছত তেওঁৰ শৰীৰটো পুৰি নেপেলাই বা পুতি নথৈ জনবসতিৰ আঁতৰত গৰু গাড়ীৰে লৈ গৈ পেলাই দিয়াৰ তেওঁ পোষকতা কৰিছিল।

হেমচন্দ্ৰ বৰুৱাক আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি গঢ়োতা বুলিব লাগিব। আনুষ্ঠানিক শিক্ষা নোহোৱাকৈ তেখেতে একাধিক ভাষাৰ জ্ঞান আহৰণ কৰিছিল। বৰুৱাদেৱে ১৮৫৯ চনত 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' নামেৰে ১৬৮ পৃষ্ঠাৰ এখন বিস্তৃত ব্যাকৰণ পুথি প্ৰকাশ কৰে। তাৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ 'পঢ়াশলীয়া অভিধান', 'আদিপাঠ' (তিনিটা খণ্ড), 'পাঠ মালা'ৰ বাহিৰেও ইংৰাজী পুথি 'Way to health' ৰ অসমীয়া ভাঙনি 'গা ভালে ৰাখিবৰ উপায়' লিখি প্ৰকাশ কৰে।

সেই সময়ৰ অসমীয়া সমাজখনক প্ৰতিফলিত কৰি লিখা ব্যংগ নাটক 'কাণীয়াৰ কীৰ্ত্তন'ৰ বাহিৰে উপন্যাসধৰ্মী ব্যংগ পুথি 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী' তেওঁৰ ভিন্নধৰ্মী ৰচনা। তেখেতৰ একমাত্ৰ ইংৰাজী পুথি হ'ল 'Marriage system of the people of Assam'।

সাহিত্যৰ উপৰিও সাংবাদিকতাৰ জগতখনতো তেওঁৰ অৰিহণা যথেষ্ট। 'আচাম নিউজ' নামৰ দ্বিভাষিক সাদিনীয়া কাকতখন তেওঁ সম্পাদনা কৰিছিল। কাকতখন প্ৰায় তিনিবছৰ চলিছিল। সেই সময়ত 'অৰুণোদই' কাকতৰ আখৰ জোঁটনি প্ৰচলিত আছিল। হেমচন্দ্ৰ বৰুৱাই সেই জোঁটনিৰ ঠাইত পোন প্ৰথমবাৰৰ বাবে আধুনিক অসমীয়া জোঁটনিৰ ব্যৱহাৰ কৰে যি আজি অসমীয়া সাহিত্যত প্ৰচলিত।

হেম চন্দ্ৰ বৰুৱাৰ আটাইতকৈ ডাঙৰ কৃতি হ'ল 'হেমকোষ' অসমীয়া অভিধান। তেখেতৰ জীৱনজোৰা সাধনাৰ ফল এই অভিধানখন কিন্তু জীৱিত কালত প্ৰকাশ কৰি উলিয়াব নোৱাৰিলে। তেখেতৰ মৃত্যুৰ চাৰিবছৰ পাছত ২২,৩৪৬ টা শব্দৰে চৰকাৰী খৰছত অভিধান খনৰ প্ৰথম সংস্কৰণ ছপা হৈ ওলায় ১৯০০ চনত। এই সংস্কৰণটো সম্পাদনা কৰিছিল সেই সময়ৰ অসম উপত্যকাৰ কমিচনাৰ কৰ্ণেল পি.আৰ.টি. গাৰ্টন আৰু হেমচন্দ্ৰ গোস্বামীয়ে।

বৰুৱাদেৱ অত্যন্ত সময় সচেতন আৰু মিতব্যয়ী ব্যক্তি আছিল। লগতে তেখেত আছিল অত্যন্ত পৰিশ্ৰমী। জীৱনৰ সঞ্চিত ধন সম্পত্তি ইচ্ছাপত্ৰ যোগে বিভিন্ন জনক দি থৈ গৈছিল। শেষ বয়সত তেওঁ বাত ৰোগত আক্ৰান্ত হৈ ১৮৯৬ চনত গুৱাহাটীত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ পাছত কিন্তু তেখেতৰ শৰীৰটো কৃতজ্ঞ অসমীয়া ডেকা সকলে হিন্দু নিয়ম অনুসৰি কাঠ সংস্কাৰ কৰে। আধুনিক অসমীয়া ভাষাৰ এই গৰাকী মহান কাণ্ডাৰী হেমচন্দ্ৰ বৰুৱাদেৱৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰাটো প্ৰতিজন অসমীয়াৰে কৰ্তব্য।

**সহায়ক গ্ৰন্থ ঃ**

১। হেম চন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা, কৃতি আৰু কৃতিত্ব— ড° ঊষা ৰাণী বৰুৱা
২। অৰুণোদয় যুগৰ সাহিত্য— ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্য।

❏❏❏

প্ৰবন্ধ

# সোঁৱৰণীৰ কাঁচিয়লি ৰ'দত প্ৰয়াত পুৰন্দৰ শৰ্ম্মা

তৰুণ চন্দ্ৰ শৰ্মা
অতিথি অধ্যাপক, স্নাতকোত্তৰ অসমীয়া বিভাগ

সাহিত্যৰ এটা বিশিষ্ট অংগ হিচাপে জীৱন বৃত্তৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। পৃথিৱীৰ সকলোবোৰ সাহিত্যতেই এই শ্ৰেণীৰ লেখা কম বেছি পৰিমাণে পোৱা যায়। জীৱন বৃত্তৰ জৰিয়তে ব্যক্তি একোজনৰ অন্তৰ পুৰুষটোক জানিব পাৰি। ব্যক্তি জীৱনৰ কথাকে ব্যক্ত কৰা জীৱন বৃত্তৰ উদ্দেশ্য যদিও মানুহ এজনৰ সকলো কথাই ইয়াত স্থান পাব নোৱাৰে। Life of Dr. Johnson ৰ প্ৰখ্যাত লেখক Johnson ৰ মতে "Amass of notes and documents is no more a mountation of egges and omlette." জীৱন বৃত্ত সম্পূৰ্ণ বস্তুনিষ্ঠ বাবে ইয়াত লেখকৰ ভাব কল্পনা প্ৰয়োগ কৰিব নোৱাৰি।

ওপৰত উল্লেখ কৰা কথাখিনি চকুৰ আগত ৰাখি আমি মঙলদৈৰ একালৰ এগৰাকী নামজ্বলা শিক্ষাবিদ, ৰাজনীতিজ্ঞ, আইনজ্ঞ, সমাজসেৱক, প্ৰয়াত পুৰন্দৰ শৰ্ম্মাৰ জীৱনবৃত্ত বিহংগম দৃষ্টিত বিবৃত কৰিবলৈ প্ৰয়াস কৰিছো। মঙলদৈ চহৰৰ নিকটৱৰ্ত্তী বামুণপাৰা গাঁৱত পুৰন্দৰ শৰ্ম্মাৰ জন্ম হৈছিল ইং ১৯০৩ চনত। তেওঁৰ পিতৃ-পিতামহৰ বাসস্থান আছিল হাজৰিকাপাৰাত। তাৰপৰা সপৰিয়ালে আহি তেওঁৰ পিতৃ বামুণপাৰাৰ স্থায়ী বাসিন্দা হয়। তদানীন্তন বামুণপাৰাৰ অতি সম্ভ্ৰান্ত লোক পদ্মনাথ শৰ্ম্মাৰ জ্যেষ্ঠা দুহিতা দেৱযানীৰ সৈতে দেৱভূষণ বিবাহ সূত্ৰত আৱদ্ধ হয়। দেৱযানীৰ গৰ্ভতে পুৰন্দৰ শৰ্ম্মাৰ জন্ম হয়। পদ্মনাভ শৰ্ম্মা আছিল ইংৰাজ আমোলৰ মঙলদৈ মহকুমাধিপতি কাৰ্যালয়ৰ চিৰস্তাদাৰ। পিছত ইংৰাজ চৰকাৰে তেওঁক অসম লেজিচ্‌লেটিভ কাউন্সিলৰ সদস্য আৰু অনাৰেৰী মেজিষ্ট্ৰেট্ হিচাপে মনোনীত কৰে। দেৱভূষণ শৰ্ম্মা পোনতে মহকুমাধিপতি কাৰ্যালয়ৰ পেস্কাৰ আছিল আৰু পিছত তেওঁ চিৰস্তাদাৰ পদ লাভ কৰে। তেওঁ ইংৰাজী ভাষাত যুগুতোৱা নথি-পত্ৰবোৰে তদানীন্তন ইংৰাজ মহকুমাধিপতিক অতিশয় সন্তুষ্ট কৰিছিল। মহকুমাধিপতিয়ে প্ৰশংসা কৰি কৈছিল ঃ "The English writing style of Devbhusan Sarma is unparallel." এইজনা দূৰদৰ্শী পুৰুষে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ প্ৰভৃতি মহানুভৱ ব্যক্তিৰ আদৰ্শৰ দ্বাৰা গভীৰভাৱে অনুপ্ৰাণিত হৈ বিধৱা বিবাহ প্ৰচলনৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। দেৱভূষণ শৰ্ম্মাৰ পাঁচগৰাকী পুত্ৰ তিনি গৰাকী কন্যা আছিল। পুৰন্দৰ শৰ্ম্মা আছিল তেওঁৰ দ্বিতীয় পুত্ৰ। প্ৰথম পুত্ৰ নবীন শৰ্ম্মা আছিল সুদক্ষ আইনজীৱি (বি.এ., বি.এল), তৃতীয় গৰাকী পুত্ৰ ডম্বৰুধৰ শৰ্ম্মা আছিল মঙলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ কৃতবিদ্য শিক্ষক। চতুৰ্থ পুত্ৰ অন্নদাচৰণ শৰ্ম্মা আছিল এ.চি.এচ্. বিষয়া আৰু পঞ্চম পুত্ৰ চক্ৰধৰ শৰ্ম্মা আছিল অসম ক'অপাৰেটিভ এপে' বেংকৰ বিষয়া। এওঁলোক আটাইকেইগৰাকীৰেই পৰলোকপ্ৰাপ্তি ঘটিছে।

পুৰন্দৰ শৰ্ম্মাই মঙলদৈত স্কুলীয়া শিক্ষা সাং কৰি গুৱাহাটীৰ কটন কলেজত অধ্যয়ন কৰে। ১৯২৩ চনত কটন কলেজৰ পৰা অৰ্থনীতি বিষয়ত সন্মানসহ (অনাৰ্চ) স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে কলিকতা বিশ্ববিদ্যালয় লৈ যাত্ৰা কৰে আৰু স্নাতকোত্তৰ মহলাত নামভৰ্ত্তি কৰে। ইং ১৯২৭ চনতউক্ত বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতকোত্তৰ ডিগ্ৰী আৰু

ইং ১৯২৮ চনত বি. এল. ডিগ্ৰীও লাভ কৰে। মঙলদৈ লৈ ঘূৰি আহি কিছুদিন ওকালতি কৰে। কিছুদিন ওকালতি কৰাৰ পিছত তেখেতে ভাৰতৰ জাতীয় কংগ্ৰেছত যোগদান কৰি সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰি কংগ্ৰেছৰ এগৰাকী একনিষ্ঠ সেৱকৰূপে আত্মনিয়োগ কৰে। তেতিয়াৰে পৰা তেখেতে কংগ্ৰেছৰ এগৰাকী অগ্ৰগণী নেতাৰূপে পৰিচয় দিবলৈ সক্ষম হয়। ইং ১৯৩৭ চনত তেখেত কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে ৰঙামাটি (বৰ্তমান মঙলদৈ) বিধান সভা সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয়। তেতিয়াৰে পৰা একেৰাহে ইং ১৯৫৬ চনলৈ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি তেখেতে এক অভিলেখ স্থাপন কৰি গৈছে। ইং ১৯৫১ চনত কিছুদিনৰ বাবে তেখেত অসম বিধান সভাৰ অধ্যক্ষও আছিল। অসমৰ এগৰাকী সিংহ পুৰুষ দেশভক্ত তৰুণৰাম ফুকনৰ তেখেত অতিশয় স্নেহৰ পাত্ৰ আছিল। এসময়ত দেশভক্ত ফুকনে তেখেতক অসমৰ কংগ্ৰেছৰ মন্ত্ৰীসভাত যোগদান কৰিবলৈ পৰামৰ্শ দিছিল; কিন্তু মন্ত্ৰী হৈ চিলঙত থাকিলে সমষ্টিৰ লোকসকলৰ অভাৱ-অভিযোগৰ কথা ভালদৰে উপলব্ধি কৰি কাৰ্য সম্পাদন কৰিব নোৱাৰিব বুলি ভাবি তেখেতে মন্ত্ৰীপদ লবলৈ অস্বীকাৰ কৰিলে। মন্ত্ৰীত্বৰ সলনি লোকেল বোৰ্ডৰ চেয়াৰমেন হিচাপে কাৰ্য নিৰ্বাহ কৰি মঙলদৈ মহকুমাৰ পিছপৰা অঞ্চলবোৰৰ উন্নতি সাধন কৰিবলৈ তেখেতে দৃঢ় প্ৰতিজ্ঞ হয়। ইং ১৯৩৫ চনৰ পৰা ইং ১৯৪০ চনলৈ আৰু ইং ১৯৫০ চনৰ পৰা ইং ১৯৫৬ চনলৈ মঙলদৈ মহকুমাৰ লোকেল বোৰ্ডৰ চেয়াৰমেন নিৰ্বাচিত হয়। স্কুল বোৰ্ডৰ চেয়াৰমেন হিচাপেও তেখেতে কেইবাবছৰো কাৰ্যনিৰ্বাহ কৰিছিল। অসমৰ শ্ৰেষ্ঠ লোকেল বোৰ্ডসমূহৰ চেয়াৰমেন সকলৰ ভিতৰত তেখেতে স্থান লাভ কৰিছিল। বিধায়ক আৰু লোকেল বোৰ্ডৰ চেয়াৰমেন হিচাপে বিভিন্ন জনহিতকৰ কাৰ্য সম্পন্ন কৰি বিশেষ সুখ্যাতি আৰু অত্যন্ত জনপ্ৰিয়তা লাভ কৰা বাবে তদানীন্তনৰ অনেক লোকে তেখেতক মঙলদৈ মহকুমাৰ 'মুকুটবিহীন ৰজা' (Uncrowned king of Mangaldai Sub-division) আখ্যা দিছিল। মঙলদৈ মহকুমাৰ গাঁওসমূহৰ উন্নতিৰ বাবে তেখেতে বিশেষ আঁচনি গ্ৰহণ কৰি চিকিৎসা, পানী যোগান আৰু শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। প্ৰতি গাঁৱতে একোটাকৈ পুখুৰী, সম্ভৱপৰ অঞ্চলত অন্ততঃ এমাইল ব্যাসাৰ্দ্ধত একোখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিছিল। হৰিশিঙা, মাজবাট, ভেৰগাঁও, বৰবৰি, কুৰুৱা, বুঢ়ীনগৰ, ৰঙামাটি আদি ভিতৰুৱা ঠাইত নিজে আগভাগ লৈ একোখন দাতব্য চিকিৎসালয় পাতি দিয়াৰ ব্যৱস্থা কৰিছিল। তাৰ উপৰিও তেখেতে দুনী, দেওমৰনৈ, পশ্চিম ৰঙামাটি, বুঢ়া, খৈৰাবাৰী, ভেৰগাঁও, দুমুনীচকী আদি উচ্চ ইংৰাজী বিদ্যালয়ত পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বও এসময়ত লৈছিল। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৈ থকা কালত সেই শিক্ষানুষ্ঠানসমূহ গঢ়ি উঠাত সহায় কৰিছিল। ৰাজনৈতিক নেতা হিচাপে পুৰন্দৰ শৰ্ম্মা এগৰাকী বিচক্ষণ আৰু প্ৰতিভাশালী ব্যক্তি আছিল আৰু সেইবাবেই তেখেতে এখন মৰ্য্যাদাপূৰ্ণ আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। বিধায়ক হৈ থাকোতে তেখেতৰ ঘৰলৈ অসমৰ বিভিন্ন ঠাইৰ অনেক গণ্য-মান্য ব্যক্তিৰ আগমন হৈছিল। পূৰ্বৰ কংগ্ৰেছ আমোলৰ বহু সংখ্যক মন্ত্ৰী তেওঁৰ বাসস্থানলৈ অহা আমি দেখিছো। সেইসকলৰ ভিতৰত বিষ্ণুৰাম মেধি, মতিৰাম বৰা, সিদ্ধিনাথ শৰ্ম্মা, অমিয় কুমাৰ দাস, ৰূপনাথ ব্ৰহ্ম, কামাখ্যা প্ৰসাদ ত্ৰিপাঠি, মহেন্দ্ৰ মোহন চৌধুৰী প্ৰভৃতিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেতিয়া মন্ত্ৰী আহিলে আগে আগে চাইৰেণ্ বজোৱা গাড়ীও নাছিল, এদল নিৰাপত্তা ৰক্ষীও নাছিল. মন্ত্ৰীৰ সৈতে গাড়ীত দুজন বা তিনিজনমান লোকহে আহিছিল।

পুৰন্দৰ শৰ্ম্মা আছিল মঙলদৈ মহকুমাৰ প্ৰথম স্নাতকোত্তৰ ডিগ্ৰীধাৰী। তেখেত আছিল এগৰাকী অধ্যয়নশীল ব্যক্তি। বিভিন্ন সংস্কৃত শাস্ত্ৰও তেওঁ অধ্যয়ন কৰিছিল। বিভিন্ন ধৰ্মালোচনী সভাত তেখেতে নানা শাস্ত্ৰ বিশেষকৈ বিভিন্ন পুৰাণৰ শ্লোক

আবৃত্তি কৰি সাৰগৰ্ভ বক্তৃতা দিয়া আমি শুনিছো। শ্ৰীমদ্ভাগদ্‌গীতাৰ দ্বিতীয় অধ্যায়ত যি স্থিতপ্ৰজ্ঞ ব্যক্তিৰ কথা শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত কৈছিল পুৰন্দৰ শৰ্ম্মা তেনে এগৰাকী স্থিতপ্ৰজ্ঞ লোক আছিল সেই কথা স্বীকাৰ কৰিব লাগিব। গীতাৰ শ্লোক চাৰি ফাঁকি আমি এই প্ৰসংগত উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলো। সেই শ্লোক কেই ফাঁকি হ'ল-

"দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ।
বীতৰাগভয়ক্ৰোধঃ স্থিতধীৰ্মুনিৰুচ্যতে।। (৫৬)
যঃ সৰ্বত্ৰানভিস্নেহস্তত্তৎ প্ৰাপ্য শুভাশুভম্।
নাভিনন্দতি ন দ্বেষ্টি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা।।" (৫৭)

তেখেতক স্থিতপ্ৰজ্ঞ বুলি এই কাৰণেই কোৱা হ'ল যে, তেখেতৰ পাৰিবাৰিক জীৱন আছিল অতি বেদনাদায়ক। দুবাৰ বৈবাহিক বান্ধোনত আৱদ্ধ হৈও তেওঁ সংসাৰত অকলশৰীয়া হৈছিল। তেখেতৰ প্ৰথম পত্নী আছিল দেশভক্ত তৰুণৰাম ফুকনৰ ভতিজা ছোৱালী। এটি পুত্ৰ আৰু এজনী কন্যা সন্তানৰ জন্ম হোৱাৰ কেইবছৰমানৰ পিছতে তেখেতৰ সেই গৰাকী জীৱন সংগিনীয়ে ইহলোক ত্যাগ কৰে। সন্তান দুটিৰ লালন-পালনৰ স্বাৰ্থতে অনিচ্ছা সত্বেও তেখেতে দ্বিতীয়বাৰ বিবাহ পাশত আৱদ্ধ হ'ব লগাত পৰে। কিন্তু বিধাতাৰ কি নিষ্ঠুৰ পৰিহাস। তেখেতৰ এই গৰাকী পত্নীও সৰহকাল জীয়াই নাথাকিল। অকালতে তেখেতৰো জীৱন বন্তি নিৰ্বাপিত হ'ল। তেখেতৰ সেই এমাডিমা সন্তান দুটিক মাতৃতুল্যা বৌৱেক সৰোজ দেৱীয়েহে তুলি-তালি ডাঙৰ-দীঘল কৰিলে। তেখেতৰ জীৱনলৈ আকৌ দুৰ্যোগ নামি আহিল। ভৰ যৌৱনত ভৰি দিয়া একমাত্ৰ পুত্ৰই তেখেতক শোক সাগৰত পেলাই মৃত্যু বৰণ কৰিলে। ছোৱালীজনীক পঢ়াই-শুনাই উপযুক্ত কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা, আইনজ্ঞ (পিছত অসমৰ এড্‌ভোকেট জেনেৰেল) পাচু গোপাল বৰুৱালৈ বিয়া দিছিল। তেৱোঁ অকালতে মৃত্যু বৰণ কৰিলে। ইমানবোৰ শোকাবহ ঘটনাৰ পিছতো তেখেতে ধৈৰ্য্য ধৰি সমাজৰ প্ৰতি বহুমূলীয়া সেৱা আগবঢ়াই গ'ল। তেখেতে এটা সাধাৰণ খেৰি ঘৰতে জীৱন অতিবাহিত কৰি গ'ল। তেখেতৰ বৈঠকখানা (বৰ্তমানৰ ড্ৰয়িংৰুম) ও এটা সাধাৰণ খেৰি ঘৰ আছিল। অসমৰ অনেক বৰেণ্য ব্যক্তিয়ে সেই সাধাৰণ বৈঠকখানাতে বহি তেখেতৰ সৈতে নানা ধৰণৰ আলাপ-আলোচনা কৰি গ'ল। প্ৰাচুৰ্য্যময় জীৱন যাপনৰ প্ৰতি অনিহা থকাৰ বাবেই তেখেতে ভাল ঘৰ এটা সজাৰ কথা, গাড়ী এখন কিনাৰ কথা আৰু মঙলদৈ চহৰ বা গুৱাহাটীত একঠা মাটি কিনাৰ কথা চিন্তাকে কৰা নাছিল। গতিকে তেখেতক 'স্থিতপ্ৰজ্ঞ' আখ্যা দিয়াত বাধা ক'ত। কানসমনীয়া পুত্ৰৰ অকাল বিয়োগতো তেখেত অবিচলিত হৈ আছিল।

মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ তেওঁ প্ৰধান স্থপতি আছিল। ইং ১৯৫১ চনত মঙলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত পোন প্ৰথমে গজালি মেলা মহাবিদ্যালয়খন এতিয়া এজোপা বিৰাট মহীৰূহত পৰিণত হৈছে। তেখেতে প্ৰতিষ্ঠা কালৰে পৰা ইং ১৯৬৬ চনৰ ছেপ্তেম্বৰ মাহলৈ মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে থাকি অৱসৰ গ্ৰহণ কৰে। ইং ১৯৫১ চনৰপৰাই ইং ১৯৬০ চনলৈ তেখেতে অবৈতনিক অধ্যক্ষ হিচাপে কাৰ্য সম্পাদন কৰি এই চালুকীয়া অনুষ্ঠানটিলৈ যি মহৎ বৰঙণি আগবঢ়ালে সেই কথা মঙলদৈ বাসীয়ে চিৰদিনৰ বাবে মনত ৰাখিব লাগিব। প্ৰতিষ্ঠা কালৰেপৰা বহুদিন অৰ্হতাসম্পন্ন অধ্যাপকৰ অভাৱ হোৱা বাবে তেখেতে নিজে ইংৰাজী, বাণিজ্যিক ভূগোল (Commercial Geography) আৰু পৌৰবিজ্ঞান (Civics) পঢ়াইছিল। মহাবিদ্যালয়ৰ স্থায়ী ভৱন নিৰ্মাণৰ বাবে ইং ১৯৫৩ চনত উপস্থপাৰা গাঁৱত অসম চৰকাৰৰ পৰা প্ৰায় ৫০ বিঘা মাটি লাভ কৰে আৰু তদানীন্তন মঙলদৈৰ মহকুমাধিপতি কুসুম কুমাৰ ফুকনে মহাবিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। সেই সময়ত মঙলদৈত লোহা, চিমেণ্ট, টিনপাত আদি প্ৰচুৰ পৰিমাণে মজুত নথকাত তেখেতে চিলঙৰ পৰা বিশেষ অনুমতি পত্ৰ

আনি নিয়ন্ত্ৰিত দৰত সেই সমলবোৰ অনোৱাৰ ব্যৱস্থা কৰিছিল ৰঙাপাৰা আৰু বৰপেটা ৰোডৰ পৰা। তেখেতৰ অক্লান্ত চেষ্টাৰ ফলত অৱশেষত ভৱন নিৰ্মাণ হ'ল আৰু ইং ১৯৫৬ চনত এই নৱনিৰ্মিত ভৱনলৈ মহাবিদ্যালয় স্থানান্তৰিত হ'ল। একেৰাহে ১৫ বছৰ মহাবিদ্যালয়ৰ গভাৰ্ণিং ব'ডিৰ সম্পাদক হিচাপে নিঃস্বাৰ্থ সেৱা আগবঢ়োৱা ৰামেশ্বৰ শৰ্মা, বি.এল. দেৱৰ কথা তেখেতে সততে সুঁৱৰি আছিল। পুৰন্দৰ শৰ্মাদেৱে ১৯৫১ চনৰ ২০ ছেপ্তেম্বৰৰ পৰা ১৯৬৬ চনৰ ১১ ছেপ্তেম্বৰলৈ সুদীৰ্ঘ ১৬ বছৰ কাল মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে বহুমূলীয়া সেৱা আগবঢ়োৱাৰ উপৰিও মহাবিদ্যালয়ৰ গভাৰ্ণিং ব'ডিৰ সম্পাদক আৰু সদস্যৰূপেও সেৱা আগবঢ়াইছিল। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ উদ্দেশ্য সম্পৰ্কে তেখেতে কৈ গৈছে— "We are living in an age in which there are opportunities for our young men in social work, public life and administration. It is my earnest hope that the college will give them not only elements of general knowledge but also that bent of mind and attitude of reasons which will make them responsible citizens of our country." স্থানীয়ভাৱে অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ হোৱাত শিক্ষাদানত ব্যাঘাত নহ'বৰ বাবে তেখেতে উত্তৰপ্ৰদেশ, বিহাৰ, মাদ্ৰাজ (চেন্নাই), কেৰালা, পশ্চিমবংগ প্ৰভৃতিৰ পৰাও ইংৰাজী, ৰাজনীতি বিজ্ঞান, ভূগোল আদি বিষয়ৰ পাৰদৰ্শী শিক্ষক বিচাৰি আনিছিল। সেই সকলৰ ভিতৰত কে. এম্ পানিকৰ, তাৰাচৰণ ৰাষ্টগী, মদনলাল চতুৰ্বেদী, ডঃ বেবি আব্ৰাহাম, এচ্. এন্. নাগ আদিৰ নাম উল্লেখ কৰিব পাৰি।

পুৰন্দৰ শৰ্ম্মা মানৱ দৰদী লোক আছিল। দুখীয়া-দৰিদ্ৰলোকক তেখেতে বৰ পুতৌ কৰিছিল। তেখেতৰ ঘৰত কোনো কাম-বন নকৰাকৈ আশ্ৰয় লৈ থকা কেইবাজনো মানুহ আমি দেখিছিলো। তেখেতৰ ঘৰত কাম-বন কৰা ছোৱালী এজনীক তেখেতৰ জীপ গাড়ীৰ ড্ৰাইভাৰজনৰ সৈতে বিয়া পাতি দিছিল। তিনিগৰাকী পুৰুষবো তেখেতে নিজা খৰচত বিয়া পাতি দিছিল। মহাবিদ্যালয়ৰ চকিদাৰজনক তেখেতে অত্যন্ত মৰম কৰিছিল। মঙলদৈ মহকুমাৰ অনেক পুৰণি ইতিবৃত্ত তেখেতৰ নখ দৰ্পণত আছিল। কিয়নো তেখেতৰ সৈতে খোজকাঢ়ি ফুৰিবলৈ যাওঁতে সেই বৃত্তান্তবোৰ তেখেতে কৈছিল। মঙলদৈ মহকুমাৰ বঙলাগড় আৰু টাঙনিৰ হাট দুখন আগতে চাহ বাগিছাৰ অধীনত আছিল। সেই হাট দুখন (শুক্ৰবাৰ আৰু শনিবাৰে হোৱা) তেখেতে লোকেল বোৰ্ডৰ অধীনলৈ আনে। এইটো তেখেতৰ এক অন্যতম কৃতিত্ব।

মুঠতে প্ৰয়াত পুৰন্দৰ শৰ্ম্মা একালত মঙলদৈ মহকুমাৰ যে আটাইতকৈ সন্মানীয় ব্যক্তি আছিল সেই কথা তেখেতৰ সাত শতৰুৱেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। পৰৱৰ্ত্তী কালত অৱশ্যে কিছুসংখ্যক লোকে তেখেতৰ জনপ্ৰিয়তাত আতংকিত হৈ ৰাজনৈতিক ক্ষেত্ৰৰ পৰা তেখেতক এঘৰীয়া কৰাৰ প্ৰয়াস কৰাত তেখেতে সক্ৰিয় ৰাজনীতি একেবাৰে ত্যাগ কৰিবলৈ বাধ্য হয়। দেশত জৰুৰী আইন ঘোষণাৰ পিছত ইং ১৯৭৭ চনত মোৰাৰজী দেশাই, জগজীৱন ৰাম প্ৰভৃতি কংগ্ৰেছৰ বলিষ্ঠ নেতাই দল ত্যাগ কৰি জনতাদল গঠন কৰাত তেখেতেও কংগ্ৰেছ ত্যাগ কৰি জনতাদলত যোগদান কৰিছিল। জনতাদলৰ প্ৰাৰ্থী হিচাপে মঙলদৈ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ তেখেতক অনুৰোধ কৰিছিল যদিও তেখেতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰিলে।

প্ৰয়াত পুৰন্দৰ শৰ্ম্মা যে কংগ্ৰেছৰ একনিষ্ঠ সেৱক আছিল সেই কথা আগতে উল্লেখ কৰি অহা হৈছে। তাৰ এটি উদাহৰণ দিবলৈ প্ৰয়াস কৰা হ'ল। তেওঁৰ ককায়েক প্ৰয়াত নবীন চন্দ্ৰ শৰ্ম্মা তদানীন্তন মঙলদৈ মহকুমাৰ এগৰাকী নামজ্বলা অধিবক্তা আৰু জনপ্ৰিয় লোক আছিল। ১৯৫৭ ইং চনত হোৱা বিধান সভাৰ নিৰ্বাচনত তেওঁ চক্ৰৱৰ্ত্তী ৰাজা গোপালাচাৰীৰ স্বতন্ত্ৰ দলৰ প্ৰাৰ্থীৰূপে প্ৰতিযোগিতা

কৰিছিল। নিৰ্বাচনত কিছুদিনৰ আগতে প্ৰচাৰ চলাবৰ বাবে প্ৰয়াত হীৰালাল পাটোৱাৰী দেৱে দুখন গাড়ী দিছিল আৰু মঙলদৈৰ আন এজন ব্যৱসায়ী প্ৰয়াত কবি চহৰীয়াদেৱেও এখন ট্ৰাক দিছিল। সেইদিনা কুৰুৱা অঞ্চললৈ প্ৰচাৰৰ বাবে যোৱাৰ প্ৰস্তুতি চলিছিল। মোৰ পিতৃ প্ৰয়াত কণক চন্দ্ৰ শৰ্ম্মা পুৰন্দৰ শৰ্ম্মাৰ নিজা মোমায়েক আছিল। তেওঁ পুৰন্দৰ শৰ্ম্মাক ককায়েকৰ সৈতে কুৰুৱালৈ যাবলৈ পৰামৰ্শ দিছিল। লোকেল বোৰ্ডত চেয়াৰমেন হৈ থাকোঁতে তেওঁ সেই অঞ্চলত বহুতো জনহিতকৰ কাম কৰা বাবে সেই অঞ্চলৰ মানুহেৰ তেওঁক বৰ ভাল পাইছিল শ্ৰদ্ধা কৰিছিল। সেইবাবে এদিনৰ বাবে হ'লেও তেওঁ তালৈ গৈ তাৰ মুখিয়াল মানুহখিনিক লগ ধৰি ককায়েকৰ হকে প্ৰচাৰ চলাবলৈ মোমায়েকে পৰামৰ্শ দিছিল, কিন্তু সেই পৰামৰ্শ তেওঁ গ্ৰহণ নকৰি মোমায়েকক এই বুলি ক'লে যে তেওঁ যিহেতু কংগ্ৰেছ কৰ্মী সেইবাবে স্বতন্ত্ৰ দলৰ হকে প্ৰচাৰ চলালে তেওঁৰ ভাৱমূৰ্তি বেয়া হ'ব। মই সেই সময়ত সেই ঠাইত উপস্থিত আছিলো বাবে গোটেই কথাখিনি নিজ কাণে শুনিছিলো। তেতিয়া কংগ্ৰেছৰ জয়-জয়, ময়-ময় অৱস্থা আছিল বাবে প্ৰয়াত নবীন শৰ্ম্মা নিৰ্বাচনত হাৰিল। প্ৰয়াত শৰ্ম্মাদেৱে নিজৰ ৰাজনৈতিক প্ৰভাৱ খটুৱাই কোনো মানুহকে আনকি নিজৰ নিকটতম আত্মীয়কো চাকৰি-বাকৰি দিবলৈ চেষ্টা কৰা নাছিল। বৰ্ত্তমান শাসকীয় দলৰ মূধাফুটা নেতাবিলাকে যিকোনো চাকৰি ওলালেই তেওঁলোকৰ দীঘল হাতেৰে সেই চাকৰি তেওঁলোকৰ লগা ভগা এলেকৰ পেলেকক দিবলৈ প্ৰভাব বিস্তাৰ কৰে। বিধায়ক হৈ থকা স্বত্বেও প্ৰয়াত শৰ্ম্মাদেৱে তেওঁৰ ডাঙৰ ভাগিন প্ৰয়াত ভৱেন শৰ্ম্মাই (ACS) পৰীক্ষা দিওঁতে তেওঁ কোনো প্ৰকাৰৰ সহায় কৰা নাছিল। "মামাই মোক অলপ সহায় কৰিলে মই প্ৰথম শ্ৰেণীৰ হাকিম হ'ব পাৰিলোহেঁতেন।"— বুলি প্ৰয়াত ভৱেন দাদাই মোৰ আগত কৈছিল। তেওঁ অসমৰ মুখ্য নিৰ্বাচনী বিষয়া হিচাবে অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ আৰু তেওঁৰ ভাতৃ প্ৰয়াত তিলক চন্দ্ৰ শৰ্ম্মা দুয়োগৰাকীয়ে মোমায়েক (পুৰন্দৰ শৰ্ম্মা)ৰ ঘৰতে থাকি মঙলদৈ চৰকাৰী হাইস্কুলত পঢ়িছিল। প্ৰয়াত তিলক চন্দ্ৰ শৰ্ম্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈ উক্ত বিশ্ববিদ্যালয়তে অধ্যাপনা কৰিছিল।

প্ৰয়াত পুৰন্দৰ শৰ্ম্মাৰ বাসস্থান খন এখন অতিথিশালাৰ দৰে আছিল। আমি সৰুৰে পৰা তেওঁৰ ঘৰত চাহ-জলপান, ভাত-পানীখোৱা, ৰাতি থকা বহু আলহী-অতিথি দেখা পাইছিলো। ঘৰুৱা কাম কৰা ৩/৪ জনী ছোৱালী আছিল। প্ৰয়াত কামাখ্যা শৰ্ম্মা নামৰ এজন লোক বৃদ্ধাৱস্থালৈ তেওঁৰ ঘৰতে আছিল। তেওঁ একো কাম-বন কৰা আমি দেখা নাছিলো। ওড়িয়্যাৰ ভীল সম্প্ৰদায়ৰ এহাল তিৰি-মুনিহো বেজপাৰাত থকা তেওঁৰ পামত শাক-পাচলিৰ খেতি কৰা আৰু গৰু প্ৰতিপালন কৰা হিচাপে ৰাখিছিল। পামৰখীয়া মতা মানুহজনৰ নাম আছিল পাথানি আৰু মাইকী মানুহজনীৰ নাম আছিল গুঞ্জুৰী। তেওঁলোকৰ মুখৰ পৰাই আমি প্ৰথম 'টংকা', 'হেলা', 'আজ্ঞে', 'মুঁই' ইত্যাদি ওড়িয়া ভাষাৰ শব্দ শুনিছিলো। শৰ্ম্মাদেৱৰ পৰলোক প্ৰাপ্তিৰ পিছত সেই পামৰ ভালেখিনি মাটি তেওঁৰ ভতিজাক শ্ৰীদেৱব্ৰত শৰ্ম্মাই বেজপাৰা উচ্চ ইংৰাজী বিদ্যালয়ক দান কৰাত বিদ্যালয় কৰ্তৃপক্ষই সেই বিদ্যালয়খন প্ৰয়াত পুৰন্দৰ শৰ্ম্মাৰ নামত উছৰ্গা কৰে। লোকেল বোৰ্ডৰ চেয়াৰমেন হৈ থাকোঁতে চৰকাৰী জীপত ভ্ৰমণ কৰিছিল যদিও তেওঁৰ ঘাই বাহন আছিল চাইকেল। ওকালতি কৰি থাকোঁতে তেওঁ চাইকেলেৰে কাছাৰীলৈ গৈছিল আৰু কলেজলৈ যাওঁতেও তেওঁৰ চাইকেলেই সংগী আছিল। সদায় ৰাতিপুৱা আৰু আবেলি ওচৰৰ ঠাইবোৰ পদব্ৰজে ভ্ৰমণ কৰিছিল। তেওঁৰ লগত ফুৰিবলৈ গ'লে পুৰণি মঙলদৈৰ অনেক কথা তেওঁৰ মুখৰপৰা শুনা গৈছিল। তেওঁৰ মুখৰ পৰা শুনা বহুতো গুৰুত্বপূৰ্ণ তথ্যৰে সমৃদ্ধ কাহিনী তেতিয়াই লিপিবদ্ধ কৰি নোথোৱা বাবে বহুতো ক্ষেত্ৰত এতিয়া

আফচোচ্ কৰিবলগীয়া হৈছে। তেওঁ নিজেও একো লিখি থৈ যোৱা নাই।

বৰ্ত্তমানৰ ঠাইত মহাবিদ্যালয় স্থাপন হোৱাৰ সময়ত আৰু তাৰ বহুদিন পিছতো মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে খোৱা পানীৰ অভাৱ আছিল। দমকল বহুৱাইছিল যদিও তাৰ পানীবোৰত অতিমাত্ৰা আয়ৰন আছিল বাবে সেয়া খোৱাৰ অনুপযোগী আছিল। সেই সময়ত আমাৰ গাঁৱত (বামুণপাৰাত) পঞ্চায়তে বহুওৱা এটা দমকলত আয়ৰন বিহীন পৰিষ্কাৰ পানী পোৱা গৈছিল। প্ৰয়াত শৰ্ম্মাদেৱে ভজন চকিদাৰৰ হতুৱাই ঠেলা গাড়ীৰে ২দিনৰ মূৰে মূৰে সেই দমকলৰ পৰা পানী নিয়াই ছাত্ৰ-ছাত্ৰীৰ খোৱা পানীৰ ব্যৱস্থা কৰিছিল। আমি তিনিবছৰীয়া স্নাতকৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰাৰ পিছতেই ইংৰাজীৰ প্ৰবক্তা প্ৰয়াত তাৰা চৰণ ৰাষ্টগী ছাৰ টংলা মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ যোৱাত ইংৰাজীৰ বিষয় শিক্ষক শ্ৰীজিতেন্দ্ৰ নাথ চক্ৰবৰ্ত্তী ছাৰৰ দ্বাৰা ইংৰাজী বিষয়ৰ পাঠদানৰ ব্যৱস্থা কৰিছিল। তাৰ পিছত তেওঁ বহু চেষ্টা কৰি শ্ৰীউষসী ঘোষক ইংৰাজী বিষয়ৰ স্থায়ী প্ৰবক্তা হিচাপে নিযুক্তি দিছিল। প্ৰয়াত দীপ্তি বৰুৱা ছাৰে এই মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত মঙলদৈ চহৰত ভাৰাঘৰৰ বৰ অভাৱ আছিল। প্ৰয়াত শৰ্ম্মাদেৱে বৰুৱাছাৰৰ ভাৰাঘৰৰ অসুবিধা উপলব্ধি কৰি মঙলদৈ চহৰৰ মাজ মজিয়াত থকা তেওঁৰ ভনী জোৱায়েক প্ৰয়াত পদ্মানন্দ গোস্বামীৰ ঘৰতে কিছু দিন থকা-খোৱাৰ ব্যৱস্থা কৰিছিল।

মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰ কথা পূৰ্বতে উনুকিয়াই আহিছো যদিও এইক্ষেত্ৰত আৰু কেইটামান কথা উল্লেখ কৰিব থাকি গ'ল। সেইবোৰৰ এটা প্ৰধান কথা হ'ল মঙলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত আই.এ. শ্ৰেণী (কলা শাখা) আৰম্ভ হওঁতে কেইটামান বিভাগৰ অধ্যাপকৰ অভাৱ হৈছিল। তেতিয়া প্ৰয়াত শৰ্ম্মাদেৱে উক্ত বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰয়াত বকদুল আলি, প্ৰয়াত ধৰ্মনাথ শৰ্ম্মা শাস্ত্ৰী আদিৰ দ্বাৰাও ইংৰাজী, সংস্কৃত প্ৰভৃতি বিষয়ৰ শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। মঙলদৈ লোকেল বোৰ্ডৰ কাৰ্য্যালয় সহায়ক প্ৰয়াত জীৱন চন্দ্ৰ শৰ্ম্মাক মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ যাৱতীয় কাম-কাজ চলাবলৈ নিয়োগ কৰিছিল। সেই সময়ত মঙলদৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা নাছিল বাবে পেট্ৰ'মাক্স লাইটৰ দ্বাৰাহে শ্ৰেণীত পাঠদানৰ ব্যৱস্থা কৰা হৈছিল। তেতিয়া সন্ধিয়াৰ পৰাহে শ্ৰেণী আৰম্ভ হৈছিল। বৰ্তমানৰ ঠাইত মহাবিদ্যালয়ৰ স্থায়ী ভৱন নিৰ্মাণ হোৱাৰ বহুদিনৰ পিছলৈ বিজুলী সংযোগ নোহোৱা পৰ্য্যন্ত মেণ্ঠেল লাইটৰ পোহৰতে সন্ধিয়াৰ শ্ৰেণী সমূহত পাঠদানৰ ব্যৱস্থা চলি আছিল।

"তেহিনু দিৱস গতাঃ"— সেই দিন গ'ল। এতিয়া অট্টালিকাৰে মহাবিদ্যালয় প্ৰাংগন সুশোভিত হ'ল। সন্ধিয়াৰ শ্ৰেণীসমূহ কেতিয়াবাই বন্ধ হ'ল। বিজুলী বাতিৰে নিশাৰ বিদ্যালয় প্ৰাংগন সুশোভিত হ'ল। একালৰ 'ডাইনী'গাঁও ৰম্যপুৰীত পৰিণত হ'ল। লাহে লাহে মহাবিদ্যালয়ৰ অন্যতম স্থপতি প্ৰয়াত পুৰন্দৰ শৰ্ম্মাৰ স্মৃতিও ম্লান হৈ আহিল যেন লগা হ'ল। যুগৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ মনৰো পৰিবৰ্তন হয়। মনৰ পৰিবৰ্তনৰ লগে লগে অতীতৰ অনেক স্মৃতি মানুহৰ মনৰ পৰা অন্তৰ্হিত হয়। তথাপি এদিনৰ বাবে হ'লেও এই গৰাকী বিচক্ষণ ৰাজনীতিজ্ঞ, সমাজ সেৱক, শিক্ষাবিদ মহৎ ব্যক্তিক সুঁৱৰিবলৈ পাহৰিলে উত্তৰ পুৰুষ সকলৰ কোনোবাই আমাক ধিক্কাৰ দিব। 'কীৰ্ত্তিৰ্যস্য স জীৱতি"- কীৰ্ত্তিমন্ত লোকসকলৰ স্মৃতি মানুহৰ মানস পটত চিৰদিন জিলিকি থাকে এই কথাও অৱশ্যে চিৰসত্য।

❒❒❒

প্ৰবন্ধ

# দৰঙী সংস্কৃতিত এভুমুকি

ড° বিজয় কুমাৰ শৰ্মা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

দৰং জিলা অসমৰ জিলা সমূহৰ এক অন্যতম জিলা। দৰং জিলাৰ প্ৰাচীন ইতিহাস গৌৰৱোজ্জ্বল। কিন্তু দুখৰ কথা যে এইবোৰৰ বিষয়ে লিখিত তথ্যৰ অভাৱ। পুৰণি কাহিনী বা কিংবদন্তি আৰু প্ৰাচীন ভগ্নাৱশেষ সমূহৰ মাজেৰে দৰং জিলাৰ ঐতিহ্যৰ আভাস পাব পাৰি।

দৰং জিলাক দৰং দেশ নামেৰে জনা গৈছিল। কিংবদন্তি অনুযায়ী দেৱতাই ৰঙ্গ কৰা বাবে এই ঠাইৰ নাম দৰং হোৱা বুলি কোৱা হয়। কোনোৱে দ্বাৰম্, (অৰ্থাৎ দুৱাৰমুখ) শব্দৰ পৰা দৰং হোৱা বুলিও কয়। অমৰ কোষৰ মতে ৰঙ্গ দেশৰ দ ত অৱস্থিত বাবে 'দ' ৰঙ্গ দৰং। যিয়েই নহওক ঠাইৰ নামৰ উৎপত্তিৰ বিষয়ে ভিন্ন মত থাকিলেও এই অঞ্চলৰ অধিবাসী দেৱতুল্য। সহজ-সৰল জীৱন-ধাৰণ পদ্ধতি, নিৰ্জু, স্বাৰ্থত্যাগী, সহযোগিতাৰ মনোভাৱেৰে সমাজ পাতি থকা এই অঞ্চলৰ লোক অসমৰ বিভিন্ন ঠাইত হোৱা প্ৰাকৃতিক, সামাজিক, ৰাজনৈতিক বিপ্লৱ আদিৰ পৰা বহুপৰিমাণে মুক্ত। আনকি শেহতীয়া মান-মৰাণৰ আক্ৰমণৰ সময় ছোৱাতো এই অঞ্চলৰ লোক বহু পৰিমাণে নিৰাপদে আছিল বুলি জনা যায়। মাথোন প্ৰাকৃতিক দুৰ্যোগ বানপানীয়ে মাজে সময়ে জুৰুলা কৰা বাবে ক্ষতিগ্ৰস্ত হোৱা দেখা যায়।

এই 'দেশ'ত অনেক পণ্ডিত লোকে তেওঁলোকৰ পাণ্ডিত্য প্ৰকাশৰ স্বাক্ষৰ আছে। প্ৰাক্ শঙ্কৰী যুগৰে পৰা বৰ্তমানলৈ তেনে অনেক লোকৰ আবাস দৰং জিলাৰ সাহিত্য সংস্কৃতিৰ দিশত বৰঙণি অধিক। পীতাম্বৰ সিদ্ধান্ত বাগীশকে আৰম্ভ কৰি অনেক লোকে সংস্কৃত সাহিত্যৰ ভড়াল বিশেষকৈ কৌমুদী, ব্যাকৰণ আদি ৰচনাৰে চহকী কৰিছে। পাণ্ডিত্যৰ পৰিধি সুদূৰ দক্ষিণ ভাৰতলৈ বিয়পি পৰা বাবে দৰঙৰ (পুৰণি দৰং) শিঙৰিৰ পৰা (শৃঙ্গটিকা) শৈৱ সাধক এজন দক্ষিণ ভাৰতলৈ নিয়া বুলি আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী দেৱে উল্লেখ কৰিছে। অসমীয়া ব্যাস ৰাম সৰস্বতীয়ে দৰঙী কোচ ৰজাৰ আমোলত মহাভাৰতৰ দৰে বিশাল গ্ৰন্থৰ অনুবাদ সমাপন কৰিছে। গোবিন্দ মিশ্ৰই সংস্কৃত গীতাৰ সাৱলীল অসমীয়া অনুবাদ কৰি উপহাৰ দিছে। আধুনিক যুগৰ সাহিত্য-সংস্কৃতিৰ সাধক সকলৰ কথা নকলোৱেই বা। দৰং ভাষা-সংস্কৃতি গৱেষণাৰ বাবে মেটমৰা সমলেৰে সমৃদ্ধ। অসমৰ অন্যত্ৰ বিৰল অথচ দৰঙৰ জীৱন্ত আৰু জনমনৰ চিন্তাক প্ৰবাহিত কৰি থকা সাংস্কৃতিক সমল সমূহ এনেধৰণৰ—

১। ভাষা- যাক দৰঙী উপভাষা নামেৰে নামকৰণ কৰা হৈছে। এই বিষয়ে তলত আলোচনা কৰা হৈছে।

২। লোক সাহিত্য- লোক সাহিত্যৰ দিশত দৰং চহকী। অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত- আইনাম, ধাইনাম, বিয়ানাম, নিচুকণি গীত, সাধুকথা, ফকৰা যোজনা, পটন্তৰ আদিৰ উপৰিও এই অঞ্চলৰ উল্লেখযোগ্য মৌখিক সাহিত্য বা লোক সাহিত্যৰ ভিতৰত ছিয়াগীত, চেৰাঢেক, ওজাপালিৰ গীত, খুলীয়া ভাউৰীয়াৰ বহুৱাৰ গীত, ঢেপাচুলীয়া গীত, নাঙেলী আদি বৈশিষ্ট্যপূৰ্ণ।

৩। লোক পৰিবেশ্য কলাই সামৰা ওজাপালি (ব্যাস গোৱা ওজাপালি আৰু সুকনানী ওজাপালি)ৰ পদ পৰিবেশন অসমৰ অন্য ঠাইৰ ওজাপালিৰ তুলনাত বৈচিত্ৰ্যপূৰ্ণ। তেনেদৰে দৰঙৰ খুলীয়া ভাউৰীয়া

আন এক পুৰণি দৃশ্য শ্ৰব্য অনুষ্ঠান। **খুলীয়া ভাউৰীয়াত** ওড্ৰ মাগধী নাট্য প্ৰবৃত্তি থকালৈ লক্ষ্য ৰাখি ড° নবীন চন্দ্ৰ শৰ্মাদেৱে এই অনুষ্ঠানক প্ৰাক্ শঙ্কৰী যুগৰ পৰা চলি অহা বুলি মত পোষণ কৰিছে। সহজ-সৰল জনগণে পৰিৱেশন কৰা এই অনুষ্ঠানত জটিলতা তথা কোনো তত্ত্ব (আধুনিক অৰ্থত) নাই যদিও ৰামায়ণ, মহাভাৰতৰ বিষয়বস্তুক নাট্যৰূপ প্ৰদান কৰি, মহাকাব্যৰ শিক্ষা প্ৰচাৰ তথা সেই শিক্ষা লাভেৰে জনগণে সাধাৰণ জীৱন যাপন কৰাৰ বাবে মানসিক শক্তি প্ৰদান কৰি আহিছে। আমোদ প্ৰমোদৰ বাবে তাত ব্যৱহাৰ কৰা বহুৱা চৰিত্ৰই জীৱনৰ জটিলতা আঁতৰাই হাস্য মধুৰ পৰিবেশেৰে জীৱন নিৰ্বাহৰ ইঙ্গিত যেন বহন কৰি আহিছে।

**ঢেপা ঢুলীয়া** দৰঙৰ আন এক এদনীয়া সম্পত্তি। মৰিগাঁও জিলাত ঢেপাঢুলীয়াৰ দৰে দল আছে যদিও সেই কলাৰ লগত দৰঙী ঢেপাঢুলীয়াৰ পাৰ্থক্য লক্ষ্য কৰা যায়। তিন তৰপীয়া চামৰাৰে ঢোলৰ মুখখন চাই তাত পানী ভৰাই (বাহিৰৰ তৰপত ফুটা এটা কৰি) বজোৱা ঢোলৰ পানী চিটিকি পৰা দৃশ্যৰ লগত বৃষ্টি তথা উৰ্বৰাবাদৰ ধাৰণা নিহিত আছে। জীৱনবৃত্তৰ অনুষ্ঠান তথা আন মাঙ্গলিক কাৰ্য্যত অপৰিহাৰ্য এই ঢুলীয়া দলে ৰাজহুৱা অনুষ্ঠানটো ঢোল বজাই, কুস্তি দেখুৱাই, দুটা দলৰ মাজত বাদী, চেও, পদ আদিৰে প্ৰতিযোগিতা (যুঁজ বোলা হয়) কৰি গণ চিত্ত আকৰ্ষণ কৰি আহিছে। ঢুলীয়া দলে বিভিন্ন বাদী আৰু নাচ দেখুৱাই দলৰ কৃতিত্ব প্ৰকাশ কৰে। ঢুলীয়াৰ পদো আকৰ্ষণীয়।

খুঞ্জুৰী নাম, চেও চাপৰি নাম, ঠিয় নাম, দিহা নাম, দেহ বিচাৰৰ গীত আদি আন পৰিবেশ্য কলা সমূহো দৰঙী গণচিত্তৰ জ্যোতি প্ৰকাশক।

**নাঙেলী** মৌখিক পৰম্পৰাত পৰিবেশন কৰা হয় যদিও বৰ্ত্তমান মঞ্চত পৰিবেশ কৰা নাঙেলীয়ে পৰিবেশ্য কলাৰ শাৰীত ঠাই লবলৈ আৰম্ভ কৰিছে। গৰু-ম'হৰ গৰখীয়াই মুকলি পথাৰত নাঙেলী গীত গায়। দৰঙৰ কোনো অঞ্চলত মাঘ বিহুত উৰুকাৰ দিনাৰ পৰা বছৰটোৰ বাবে নাঙেলী গোৱা শেষ কৰে। আগেয়ে কোনো ডেকাৰ লগত গাভৰুৰ প্ৰেম-পিৰিতি অথবা কোনো লোকৰ পৰকীয়া প্ৰীতি থাকিলে উৰুকাৰ দিনা সেইবোৰ ৰাজহুৱা কৰা হৈছিল। নাঙলী মাৰাৰ (গোৱাৰ) ভয়ত তেনে কাৰ্য্যৰ পৰা ডেকা-গাভৰু অথবা আন লোক বিৰত আছিল। সেয়েহে নাঙেলীক সামাজিক অনুশাসনৰ মাধ্যম বুলি বিবেচনা কৰা হৈছিল। বৰ্ত্তমান সময়ত মঞ্চত পৰিবেশন কৰা নাঙেলীত এটা সময়ৰ ম'হ গৰখীয়া আৰু গৰু গৰখীয়াৰ কাজিয়া এখন দেখুওৱা হয় যদিও ই আলচতে তেনে নহয়। দৰ্শকৰ মনোৰঞ্জনৰ বাবে এইয়া নাঙেলীৰ দ্বিতীয় অস্তিত্ব বোলা যুগুত। ডেকা গাভৰুৰ প্ৰেম পিৰিতিক ৰাজহুৱা কৰাৰ নাঙেলী এটাৰ নমুনা এনে ধৰণৰ ঃ

ঐ অমুকা (ডেকাজনৰ নাম) হান দমৰা ঐ
অমুকী (ডেকেৰী জনীৰ নাম) হান কাঢ়লী গাই
চাৰিব— পাৰো মই ঐ
বান্ধিব— নোৱাৰো ঐ
পঘা চিঙি চিঙি — যায়। (খালী ঠাইত যৌন গন্ধী শব্দ ব্যৱহাৰ কৰি গায়)

**চিয়াগীত** দৰঙৰ ৰাতি খোৱা সম্প্ৰদায়ে তেওঁলোকৰ সেৱাৰ (ধৰ্মীয় অনুষ্ঠান) প্ৰসঙ্গত পৰিবেশন কৰে। বিভিন্ন প্ৰসঙ্গত গোৱা বিভিন্ন চিয়া গীত আছে। চিয়াগীতবোৰক ভকত সমাজে সদাচাৰ বুলিও কয়। চিয়াৰ সদাচাৰবোৰ এনে ধৰণৰ— গুৰুচাপা চিয়া, তেলজলৰ চিয়া গুৱা-পানৰ চিয়া, পত্ৰধৰা চিয়া, জননী অনা চিয়া, সঙ্গ পাতা চিয়া, প্ৰেম ৰসৰ চিয়া, গুৱাৰ চিয়া, জীৱ ধৰা চিয়া, থালিক যোৱা চিয়া, পূজা-অৰ্চনাৰ চিয়া, ভক্তিতত্ত্বৰ চিয়া, মেৰুৰ চিয়া, নগাবেহাৰৰ চিয়া, সঙ্গপাতা চিয়া, ভকত বিদায়ৰ চিয়া আদি। ৰাতিখোৱা বা বৰখেলীয়া ভকতৰ দৰে কাচোমেৰীয়া, পুথিনেচীয়া ভকতবো চিয়া আছে কিন্তু পাঠ বেলেগ ধৰণৰ।

কেইটামান চিয়াৰ দিহা উল্লেখ কৰা হ'ল ঃ

গুৰু চাপা চিয়া ঃ

ক) অ' হৰি মোৰ ক'লৈ গৈছিলা
প্ৰভু মোৰ ক'তে আছিলা
বৈকুণ্ঠৰ গোসাঁই— নাথ নাৰায়ণ
ক'তে ক'তে আছিলা হৰি।

জননী অনা চিয়া ঃ

খ) অ' আইচ জননী আই এ
সচঙলে পাৰ চলাই
জননী কৰণি আমি দুই বৈনী
জীউতে জীউ লুকাই।

সংগ পাতা চিয়া ঃ

গ) অ' আৰে চৈ- কোন থানে আছা বন্ধু ঐ
যিজনাত প্ৰকাশে অপাৰ লক্ষণ
সিজনাৰ হাটতে বেহাও গৈ।
ইত্যাদি।

**মহৌ খুন্দা** আন এক দৃশ্য শ্ৰব্য অনুষ্ঠান। আঘোন মাহৰ পূৰ্ণিমা তিথিত এদল লোকে হাতত বাঁহৰ টোকন লৈ গৃহস্থৰ ঘৰে ঘৰে মহৌখুন্দা পদ গাই ফুৰে। পিছত শুকান কলপাতেৰে গা মেৰিয়াই লোৱা লোক এজনে ভালুকৰ অভিনয় কৰে। মহৌখুন্দা পদটো গোৱা শেষ হ'লে ভালুকক মাতে—

আহা ভালুকী আহাৰে
খৰকি নাচন দিয়া ৰে
বাঁহৰ পাত চিকি মিকি
আমাক লাগে সিকি সিকি ইত্যাদি।

মথেনীৰ পদ, পাচেতি উৎসৱৰ দিনা গোৱা দধি মথনৰ আৰু কৃষ্ণৰ ঘুণুচা যাত্ৰাৰ পদ অভিনয়ৰ বেলিকা গোৱা গীত-পদ তথা নাট্য ৰূপ আন এক দৃশ্য শ্ৰব্য অনুষ্ঠান। দৰং জিলাৰ দেৱানন্দ সত্ৰৰ মথেনী, খটৰা সত্ৰ আৰু ঔতলা সত্ৰ পাচেতি উৎসৱৰ বাবে বিখ্যাত।

**চেৰা ঢেক** মুচলমান পুৰুষ সকলে মাৰে। চেৰাঢেক গোৱাক ঢেকমাৰা বোলে। চেৰাঢেক গাওতে কোনো বাদ্য যন্ত্ৰ ব্যৱহাৰ নকৰে। মাথোন মঞ্চত গোৱা সময়ত এটা আঠু পাৰি আনটো আঠু ঠিয় কৰি ৰাখি তাৰ ওপৰত ৰখা হাতখনেৰে কাণ এখন ঢাকি ৰাখে। অকলশৰীয়াকৈ কাম কৰি থাকোতে, পথাৰৰ পৰা আহোতেও ঢেক মাৰা হয়।

লোকপ্ৰথাই উৎসৱ অনুষ্ঠান সমূহকো সামৰে। দৰঙৰ উল্লেখযোগ্য উৎসৱ সমূহ হ'ল দেউল, মথেনী, পাচেতি, গোন্ধচৌপৰী সভা, জাগাৰ পূজা, গাছবিয়া, পুতুলা বিয়া, গুৰখীয়া সেৱা, দৰপূজা, বাঘপূজা, শিয়ালীৰ কাজ, মজুদিয়া, কাণীয়া সেৱা, বৰখেলীয়া সেৱা, গিয়েতি সেৱা আদি। তলত কেইটামান উৎসৱৰ বিষয়ে আলোচনা কৰা হ'ল ঃ

**দেউল ঃ-** গোটেই বহাগ মাহজুৰি দৰঙৰ ৰাইজে দেউল উৎসৱ পালন কৰে। বহাগৰ যি কোনো এটা দিনত কোনো এখন নিৰ্দিষ্ট ঠাইত দেউল হয়। দেউলত বিষ্ণু পূজা আৰু অধিবাসৰ দিনা হোৱা 'মেষদাহ' কাৰ্যই প্ৰাক্-আৰ্য সংস্কৃতিৰ লগত আৰ্য সংস্কৃতিৰ সমন্বয়ৰ ইংগিত বহন কৰিছে। মেষ হিৰণ্যকশিপুৰ ভনীয়েক হলিকাৰ প্ৰতীক। কোনোৱে আকৌ মেষ নামৰ দৈত্যৰ নিধন বুলিও কয়।

দেউল উপলক্ষে মাটিৰে সাত খলপীয়াকৈ বন্ধা ওখ ভেটিটোৰ ওপৰত মগৰ আঁৰি তাৰ ওপৰত ওখ বাঁহত 'জালপাশ' বা 'নাগপাশ' তৰি দিয়ে। দেউলৰ পূজা উত্তৰমুৱাকৈ অনুষ্ঠিত হয়। দেউলৰ বিষ্ণু পূজাৰ বাবে পণ্ডিত বেদাচাৰ্যই বিধি প্ৰণয়ন কৰিছিল। পৃথিৱীৰ বিভিন্ন ঠাইত বাঁহৰ ব্যৱহাৰ মনকৰিবলগীয়া। এসময়ত বাঁহক কেন্দ্ৰ কৰিয়েই এটা সংস্কৃতিৰ জন্ম হৈছিল। বাঁহ সৃষ্টি (লিংগ)ৰ প্ৰতীক। বাঁহত ঘঁহি জুই উলিওৱা, বাঁহৰপৰা নিত্য প্ৰয়োজনীয় বস্তু সাজি লোৱা, গজালিৰপৰা ক্ৰমান্বয়ে ডাঙৰ হৈ বাঁহজোপাই ৰূপ সলোৱাটো আদিম মানুহৰ আশ্চৰ্যৰ বিষয় আছিল। ইয়াৰ পৰা ভয় উপজিছিল। ভয়ৰপৰা ভক্তি ওপজাৰ ফলত আদিম মানৱে বাঁহপূজা কৰিছিল। বাঁহ পূজাৰ নিদৰ্শন দেউলত আছে। দেউলৰ ওপৰত ৰাইজৰ বিশ্বাস অপৰিসীম। সেই বিশ্বাসবোৰ এনেধৰণৰ—

(১) দেউলৰ ভেটিৰ চাৰিওফালে ঘূৰিলে পূৰ্বজন্মকৃত পাপ মোচন হয়।

(২) দেউলত সেৱা কৰিলে বসন্ত, কলেৰা আদি মাৰি-মৰক, অপায়-অমংগলবোৰ দূৰ হয়।

(৩) দেউলৰ ভেটিৰ মাটি হাঁহ উমনিত দিলে আটাইবোৰ কণীৰ

পোৱালী জগে আৰু পিলুৰ (হাঁহ পোৱালী) দেউল ঘূৰণি নহয়।
(৪) আলহী-অতিথি ঘৰলৈ আহে, ফলত গৃহলক্ষী সুপ্ৰসন্ন হয়।

এনেবোৰ বিশ্বাসৰ উপৰিও দেউলৰ প্ৰধান বৈশিষ্ট্য হ'ল ৰাইজক ধনী-দুখীয়া, জাতি-উপজাতিৰ ভেদাভেদ পাহৰাই একতাৰ সূত্ৰেৰে গাঁথিব পাৰে।

**মথেনী ঃ** আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা দেৱানন্দ সত্ৰত মথেনী উৎসৱ অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ মূল কাৰ্য হ'ল ৰাইজে পূৰ্বতে সাজি ৰখা নিৰ্দিষ্ট স্থানত দেৱতা আৰু অসুৰৰ প্ৰতীকী সাগৰ মন্থন আৰু দেৱতা-অসুৰৰ কাজিয়া। এই অনুষ্ঠান সন্ধিয়া অনুষ্ঠিত হয়। আবেলি সেই নিৰ্দিষ্ট স্থানত দধিমন্থন হয়। দিনৰপৰা মথেনীখলাত মেলা বহে।

**পাচেতি ঃ** দেৱানন্দ সত্ৰ, খটৰা গোসাঁই ঘৰ আৰু ঔতলা সত্ৰত যথাক্ৰমে ভাদ আৰু আহিন মাহৰ সংক্ৰান্তি আৰু কাতি আৰু আঘোণ মাহৰ সংক্ৰান্তিৰ দিনা পাচেতি উৎসৱ পালন কৰে। কৃষ্ণ জন্মৰ পাঁচদিনৰ দিনা পাচেতি উৎসৱ অনুষ্ঠিত হ'বলগীয়া দিন যদিও দৰঙী লোকৰ সুবিধাৰ্থে একো একোটি নিৰ্দিষ্ট দিনত এই অনুষ্ঠান উদ্‌যাপন কৰে। খটৰা পাচেতিৰ অধিবাসৰ দিনা দধিমন্থন, পিছদিনা খলাত কুশৰ মূৰ্তি স্থাপন আৰু তৃতীয় দিনাৰ বোকা ভাওনা মূল কাৰ্য। পাচেতি অনুষ্ঠানৰ প্ৰতি ভক্তি ভাবৰ লগত নিম্নোক্ত বিশ্বাসসমূহ জড়িত—
(১) কাপোৰ বব নজনা ছোৱালীয়ে গাখীৰ, চুৰা, ঘিঁউ, মৌ আৰু চেনি গোসাঁইঘৰলৈ আগবঢ়াবলৈ মানস কৰিলে কাপোৰ বব জনা হয়। কাপোৰ বব জানিলে প্ৰথম কাপোৰখন গোসাঁইঘৰলৈ শৰা তুলিব লাগে।
(২) সন্তানহীন লোকে সন্তান কামনা কৰি নবিধ উপকৰণেৰে গোসাঁইঘৰলৈ নৈবেদ্য আগবঢ়ালে মনোকামনা পূৰ্ণ হয়।
(৩) দীৰ্ঘদিনীয়া ৰোগ-ব্যাধিৰ উপশম ঘটে।
(৪) গোসাঁই ঘৰৰ মূৰ্তি দৰ্শন কৰিলে পাপ মোচন হয়।
(৫) বিবাহযোগ্য ছোৱালীৰ সোনকালে দৰা আহে।
(৬) বিদ্যাৰ্থীয়ে সুফল পায়।
(৭) হালত নোযোৱা গৰু হালত যোৱা হয়।
(৮) অনাবৃষ্টিৰ সময়ত গোসাঁই ঘৰৰ হনুমানৰ মূৰ্তি বাহিৰলৈ উলিয়ালে বৰষুণ হয়।

ঔতলা সত্ৰৰ পাচেতিৰ বৈশিষ্ট্য হ'ল সংক্ৰান্তিৰ আগদিনা গোন্ধচৌপৰী সভা। পিছদিনা বিষ্ণু পূজাস্থলীত 'দশম'গ্ৰন্থখনি যশোদাৰূপী আবিয়ৈ ছোৱালীয়ে গামোচাৰে মেৰিয়াই কৃষ্ণজ্ঞান কৰি লগৰীয়াৰ সৈতে গোসাঁইঘৰ প্ৰদক্ষিণ কৰি যমুনা পাৰ হোৱা ভাও দিয়ে। ছ-জনী আবিয়ৈ ছোৱালীয়ে ছ-খন কাঁহীত পিঠাগুৰিৰ লাড়ু, চাউল, কল, কমলা, তামোল-পাণ আদি ভৰাই ওপৰত গামোচাৰে ঢাকনি দি বিষ্ণু পূজা হোৱা বেদীৰ ওপৰত থয়। লগতে বাঁহৰ টোপা বা মাটিৰ ভেটুৱাত চাউল-দাইল আদিৰে 'সিধা'ৰ যোগাৰৰ ভাৰ এখন, কাঁহী এখন জীয়া মাগুৰ মাছ বা শ'ল মাছ আৰু দৈৰ ভেটুৱা থয়। ওচৰতে পাঁচখন ধনু আৰু বাঁহৰ সৰু শলা পাঁচডালৰ মূৰত নাহৰৰ পাত বান্ধি পাঁচপাত কাঁড় থয়। কৃষ্ণ জ্ঞান কৰা দশমখন বেদীৰ ওপৰত থৈ যশোদাৰূপী ছোৱালীজনীয়ে বেদীলৈ কাঁড়কেইপাত নিক্ষেপ কৰে। তাৰ পিছত নাম-কীৰ্ত্তনেৰে অনুষ্ঠানটোৰ মূল কাৰ্যৰ সামৰণি পেলায়। অনুষ্ঠানটোৰ অন্তৰ্নিহিত তাৎপৰ্য বিশ্লেষণ কৰিলে সৃষ্টি কামনা বা উৰ্বৰতা কল্প লুকাই থকা দেখা যায়।

গোন্ধচৌপৰী সভা ঃ কৰ্পূৰ, অগৰু, চন্দন, কস্তুৰী, গোন্ধগাঠিয়ন আদিৰে সুবাসিত কৰি কৰা বাসুদেউ পূজাক গোন্ধচৌপৰী সভা বোলে। বাসুদেউ পূজা তিনি ধৰণে পোৱা যায়। সেইবোৰ হ'ল-
(১) ৰাতিপুৱাৰপৰা আৰম্ভ কৰি আবেলি শেষ কৰা বাসুদেউ পূজা 'একপৰীয়া সভা'।
(২) গধূলি আৰম্ভ কৰি পিছদিনা ৰাতিপুৱা শেষ হোৱা পূজা 'আদ্‌চৌপৰী'।
(৩) গধূলি আৰম্ভ হৈ পিছদিনা গধূলি

শেষ হোৱা পূজা 'গোন্ধচৌপৰী'।

চতুঃপ্ৰহৰ শব্দৰ পৰা চৌপৰ শব্দৰ নিষ্পত্তি হৈছে। চৌপৰ শব্দটোৱে দিনে-ৰাতিয়ে মুঠ চৌব্বিশ ঘণ্টা সময় আৰু পৰ শব্দটোৱে চৌব্বিশ ঘণ্টাৰ চাৰি ভাগৰ একাংশ সময়ক বুজায়।

আদ্‌চৌপৰী শব্দটোৱে চৌব্বিশ ঘণ্টাৰ আধা আৰু গৌন্ধচৌপৰী শব্দটোৱে চৌব্বিশ ঘণ্টা জুৰি হোৱা কাৰ্যক বুজায়।

সম্পূৰ্ণ চৌব্বিশ ঘণ্টা সময় ওজাপালিৰ মধুৰ সংগীতেৰে বাসুদেৱৰ উপাসনা কৰা আৰু অধিবাসৰ দিনা গোন্ধ কৰি তেওঁক জাগৃত কৰা বাবেই গৌন্ধচৌপৰী সভা খ্যাত।

গোন্ধ চৌপৰী সভাৰ বাবে নিৰ্দ্ধাৰিত পদ্ধতিত ৰভা দিয়া, বেদী সজা, পঞ্চবৰ্ণৰে বেদীত 'সৰ্বত্ৰভদ্ৰ' মণ্ডল সজা, বেদীৰ চাৰিওকোণত চাৰিটা কল পুলি পোতা, বেদীৰ ওপৰত চন্দ্ৰতাপ আঁৰা, চন্দ্ৰতাপত চোঁৱৰ আঁৰা, বেদীত বাসুদেৱৰ প্ৰতীক ৰূপে 'গীতা' বা 'ভাগৱত' প্ৰতিষ্ঠা কৰি আসন সজা, আসনত সোণ-ৰূপৰ অয়-অলংকাৰ ৰখা, জলপূৰ্ণ ঘট আদি প্ৰতিষ্ঠা কৰা বিশেষ তাৎপৰ্যপূৰ্ণ বিষয়।

গোন্ধচৌপৰী সভাৰ প্ৰথম দিনাক 'গোন্ধ' বোলে। গোন্ধ সন্ধিয়া আৰম্ভ হয়। অধিবাসৰ বাবে স্থাপন কৰা ঘটৰ পানীৰ লগত কস্তুৰী, গন্ধকলাই, চন্দন, গাঠিয়ন আদি মিহলাই গোন্ধতেল আৰু গন্ধমালা আদিৰে সুগন্ধি কৰি তোলা হয় বাবে অধিবাস অনুষ্ঠানৰ আন এটি নাম গোন্ধ। গোন্ধৰ দিনা পূজাৰ লগত সংগতি ৰাখি বিয়াহ গোৱা ওজাপালিয়ে পদ গায়। গোন্ধ উপলক্ষে ৰভাৰ তলত এটি ভোটা জ্বলায়। নাভিৰ সমান ওখকৈ এডাল কলগছ পুতি ওপৰৰ মূৰটো খুলি তাত এটি কোমোৰাৰ খোল বা মাটিৰ চৰু স্থাপন কৰে। তাত সৰিয়হ ভৰাই কপাহৰ গুটি থেতেলা কৰি অথবা এৰাঁসূতাৰ মহুৰা এটি বা পাঁজি কেইডালমান শলিতা হিচাপে সৰিয়হৰ মাজত সুমুৱাই দিয়ে। ভোটাটোৰ গুৰিত ভেটি এটা প্ৰস্তুত কৰে। পূজাৰ বাবে প্ৰস্তুত কৰা নৈবেদ্য এখন ভোটাটোৰ গুৰিত আগবঢ়াই বিধি পূৰ্বক ভোটা জ্বলায়। উপবাসে থকা দেউৰীয়াজনে গোটেই ৰাতিটো ভোটাৰ শলিতা জ্বলাই ৰাখে। বাসুদেউ পূজাৰ অধিবাস শেষ হ'লে ৰভাৰ তলত বাসগোৱা ওজাপালি অথবা খুলীয়া ভাউৰীয়া প্ৰদৰ্শন কৰে। গোন্ধৰ পূজা শেষ হোৱাৰ আগেয়ে সুগন্ধযুক্ত দ্ৰব্য মণ্ডপৰ চাৰিওফালে ছটিয়াই দিয়ে। পিছদিনা বিষ্ণু পূজা উপলক্ষে হোম হয়। হোমৰ অন্তত আবেলি ব্যাস গোৱা ওজাপালিয়ে নৃত্য-গীত পৰিবেশন কৰে।

**জাগাৰ পূজা ঃ** জাগাৰ পদটোৱে দৰং জিলাৰ পাতিদৰং, মাহৰিপাৰাৰ ৰুদ্ৰেশ্বৰ দেৱালয় আৰু ব্যাসপাৰাৰ ব্যাস ওজাৰ ঘৰত অনুষ্ঠিত হোৱা উৎসৱ বিশেষক সূচিত কৰে। জাগাৰ পূজাত অৰ্দ্ধনাৰীশ্বৰ শিৱক শাস্ত্ৰীয় আৰু লৌকিক পদ্ধতিৰে পূজা-উপাসনা কৰে। অৱশ্যে লোকজীৱনত জাগাৰ পূজা শিৱ-পাৰ্বতীৰ বিয়াৰূপে খ্যাত। শিৱ-পাৰ্বতী প্ৰজনন যাদুৰ লগত সম্পৃক্ত। প্ৰকৃতি আৰু পুৰুষ অবিহনে সৃষ্টি প্ৰক্ৰিয়া অসম্ভৱ। পুৰুষ প্ৰকৃতিৰ মিলনৰ প্ৰতীকাত্মক অভিব্যক্তি ব্যঞ্জিত কৰে অৰ্দ্ধনাৰীশ্বৰ ধাৰণাই। নাৰী পাৰ্বতী, ঈশ্বৰ- শিৱ, অৰ্দ্ধ- আধা। অৰ্থাৎ যি ৰূপৰ ধাৰণাত অৰ্দ্ধভাগ পুৰুষ আৰু অৰ্দ্ধভাগ প্ৰকৃতি সেয়েই অৰ্দ্ধনাৰীশ্বৰ।

অৰ্দ্ধনাৰীশ্বৰ বা লিংগ-যোনি উপাসনাৰ উদ্দেশ্য বিপদ-নাশন আৰু প্ৰজাপালক শক্তি এটাৰ উপাসনা।

জাগাৰ পূজাৰ উপাস্য দেৱতা এই অৰ্দ্ধনাৰীশ্বৰ বা লিংগ-যোনি। পাতিদৰঙত জেঠ-আহাৰ মাহৰ সংক্ৰান্তিৰ দিনা ২০/২৫ টা হোমেৰে জাগাৰ পূজা কৰা হয়। হোমৰ অন্তত ৰাতি কেইবাজোৰা ব্যাসগোৱা ওজাপালিয়ে হাতত 'মুদ্ৰা' (মুদুৰা) লৈ মুদ্ৰাৰ জন্মসহ শিৱ-পাৰ্বতীৰ মালচী গায়। মাহৰিপাৰাৰ ৰুদ্ৰেশ্বৰ দেৱালয়ত কাতি আৰু আঘোণ মাহৰ সংক্ৰান্তিৰ দিনা উক্ত নিয়মেৰে জাগাৰ পূজা কৰে।

**গাছ বিয়া আৰু বাঁহ পূজা ঃ** পৃথিৱীৰ বিভিন্ন ঠাইৰ লগতে

ভাৰতবৰ্ষৰ বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলত বাঁহক কেন্দ্ৰ কৰি এটা সংস্কৃতিৰ জন্ম হৈছিল। অসমৰ আদিম বাসিন্দাসকল এই সংস্কৃতিৰ বাহকৰূপে এতিয়াও আছে। টংলাৰ ওচৰৰ পলাহগড় আৰু অম্বাগাঁৱৰ উত্তৰে ওডোলা গাঁৱৰ ৰাইজে মিলি বহাগ মাহত বাঁহবিয়া উৎসৱ আৰু গাছবিয়া উৎসৱ পালন কৰে।

গাছবিয়া উপলক্ষে গাঁৱৰ ৰাইজ মিলি ব'হাগ মাহৰ গৰু বিহুৰ দিনা দুডাল বাঁহ কাটে। এডাল বাঁহ ওখ, আনডাল চুটি। ওখ বাঁহডালত বগা কাপোৰ মেৰিয়াই ২৫ টা মান ছোঁৱৰেৰে সজ্জিত কৰে। চুটি বাঁহডালত ফুলৰ মালা আদি মেৰিয়াই লৈ ৰাইজে মিলি সাতদিন ধৰি বাঁহ দুডাল বিভিন্ন গাঁৱলৈ নিয়ে। কোনো এখন গাঁৱত বাঁহ লৈ প্ৰৱেশ কৰাৰ লগে লগে সেই গাঁৱৰ ৰাইজে শ্ৰদ্ধা সহকাৰে বাঁহ কেইডালক কিছু সময় ৰাখি সেৱা জনাই মান সৎকাৰ কৰি বিদায় দিয়ে। ব'হাগ মাহত দৰঙত দেউল উৎসৱৰ পয়োভৰ হয়। সেয়ে প্ৰায়বোৰ দেউলখলালৈ এই বাঁহকেইডাল লৈ যোৱা হয়। তাত নিৰ্দিষ্টকৈ ৰখা ঠাইত কিছুসময়ৰ কাৰণে বাঁহকেইডাল ৰাখে। দেউলৰ ৰাইজে তাত বাঁহ দুডালক ঈশ্বৰ বা গোঁসাই জ্ঞান কৰি টকা-পইচা, কানি-কাপোৰ, হাঁহ-পাৰ, ছাগলী আদিৰে মান ধৰে। তাৰপৰা বিদায় দিলে বাঁহ দুডাল লৈ আহে। নিৰ্দিষ্ট দিনত স্থানীয় নিয়মেৰে বাঁহ দুডালৰ বিয়া পাতি বিসৰ্জন দিয়া হয়। টংলাৰ সমীপৰ পলাহড়ত বাঁহ বিসৰ্জন দিয়াৰ নিয়ম হ'ল- ওখ বাঁহডাল বলবান পুৰুষ এজনে হাতৰ তলুৱাত দাঙি লৈ সাত পাক ঘূৰাই পেলাই দিয়ে। ওডোলাত ওখ বাঁহডাল বোকা কৰি ৰখা পথাৰৰ নিৰ্দিষ্ট ঠাইত পুতি কোনো এজন লোক বাঁহডালৰ আগলৈ উঠি ভাঙে। বাঁহ দুডাল শিৱ-পাৰ্বতীৰ প্ৰতীক। ছিপাঝাৰ আদি অঞ্চলত একে পৰম্পৰা বাবে বঁটগছ আৰু আঁহত গছৰ বিয়া পতা হয়।

**পুতুলা বিয়া (পুতলা বিয়া) ঃ** টংলাৰ সমীপৰ পলাহগড় অঞ্চলত বাঁহ বিয়াৰ বাঁহ বিসৰ্জন দিয়াৰ অন্তত ৰাইজ মাজগাঁৱৰ গোঁসাইঘৰলৈ আহে। দুজন লোকে গোঁসাইঘৰৰ চালৰ পৰা দুমুঠা খেৰ উলিয়াই সেই খেৰত ভিন্ন ৰঙৰ সূতা মেৰিয়াই দুটা পুতলা সাজে। ইয়াৰে এটি দৰা আৰু আনটো কইনা পুতলা। পুতলা সজা লোক দুজনৰ এজন দৰাৰ বাপেক আৰু আনজন কইনাৰ বাপেকৰ প্ৰতীক। পুতলা দুটা সাজি গোঁসাই ঘৰৰ সন্মুখত থকা বটগছ দুজোপাত তুলি থয়। পিছদিনাখন গায়ন-বায়নেৰে লগ লাগি ৰাইজে পুতলা দুটা নমাই আনি হোম যজ্ঞৰে বিয়া পাতি দিয়ে। বিয়াত দৰা-কইনা বহা আসন কলপটুৱা। দৰা-কইনালৈ প্ৰীতি উপহাৰ স্বৰূপে ৰুমাল, টকা-পইচা বিয়ালৈ যোৱা লোকসকলে উচৰ্গা কৰে। বিয়াৰ সামৰণি পৰিলে গায়ন-বায়নেৰে গৈ দৰা-কইনাক নদীত উটুৱাই দিয়ে। উটুৱাবলৈ দোলাত লৈ যাওঁতে দোলাৰ পিছত যোৱা লোকসকলে দোলালৈ দলি চপৰা আদি দলিয়ায়। পুতলা উটুৱাই থৈ আহি ৰাইজে চাহ-জলপান খায়। বিয়াৰ কিছুদিন পিছত এখন গাঁৱৰ ৰাইজে আন এখন গাঁৱৰ ৰাইজক মাতি এটি ভোজ খুৱায় যিটো 'আঠ মঙলাৰ' ভোজ নামে খ্যাত।

অনুষ্ঠানটোৰ তাৎপৰ্য বিশ্লেষণ কৰিলে দেখা যায় বিবাহৰ উদ্দেশ্য যিহেতু সন্তান উৎপাদন তেনেকৈ পুতলা বিয়াৰ যোগেদি পৃথিৱীক শস্য শালিনী কৰাৰ ধাৰণা কৰিছিল।

**গুৰ্খীয়া সেৱা (গৰখীয়া সেৱা) ঃ—** ঘৰৰ অপায়-অমঙ্গল নাশৰ বাবে গৃহস্থই গৰখীয়াসকলক নিমন্ত্ৰণ কৰি খুৱাই-বুৱাই শুশ্ৰূষা কৰা অনুষ্ঠানটোৰ নামেই গুৰ্খীয়া সেৱা। নিঃসন্তান লোকে সন্তান কামনা কৰা, ৰুগীয়াৰ ৰোগ নিৰাময়, গৰু-ম'হ কুশলে থকা, হালোৱা গৰুৱে অসুবিধা নকৰাকৈ হাল টনা আদি কাম যাতে কৰিব পাৰে তেনে উদ্দেশ্য আগত ৰাখি গৃহস্থই গুৰ্খীয়া সেৱা পাতি গৰখীয়াক খুৱাই-বুৱাই, কাপোৰ, লৰু (এচাৰি) আদি দি ল'ৰা-ছোৱালীয়ে মাত মাতিব পৰা হ'বলৈ প্ৰাৰ্থনা জনায়। ইয়াৰ বাবে গুৰ্খীয়া সেৱা বিশেষ গুৰুত্বপূৰ্ণ।

**দৰপূজা ঃ** বিজয়া দশমীৰ দিনা

হাউলী মোহনপুৰত দৰঙী কোঁচ ৰজাৰ বংশধৰসকলে পূৰ্ব-পুৰুষৰ পৰম্পৰা ৰক্ষা কৰি পৰম আন্তৰিকতাৰে দৰপূজা কৰি আহিছে। বিজয়া দশমীৰ দিনা বিহিত পূজা সম্পাদনৰ পিছত দেৱীক বিসৰ্জন দিয়াৰ আগমুহূৰ্তত বিধিপূৰ্বক দৰপূজা আৰম্ভ কৰে। বলি বিধানেৰে কৰা এই পূজাৰ উদ্দেশ্য শক্তি সঞ্চয়। পুঠিমাৰীৰ ওচৰৰ মুৰাদেও মন্দিৰত দেৱ-দেৱীক পূজা-অৰ্চনা কৰোতে দায় দোষ লগাৰ ভয়তে পূজাৰ সামগ্ৰীয়ে যাতে ভয় নকৰাকৈ যথাবিহিত কাৰ্যত নিয়োজিত হ'ব পাৰে সেই উদ্দেশ্যে পৰাম্পৰাগতভাৱে দৰপূজা অনুষ্ঠিত হৈ আহিছে।

**বাঘপূজা ঃ** গৰখীয়া সবাহত বনৰজা (বাঘ)ৰ নামত এভাগ পূজা দিয়া হয়। দৰং জিলাৰ দক্ষিণ পশ্চিম অঞ্চলত বামুণ পূজা নামেৰে বাঘকেই পূজা কৰে। বিশেষ নিয়মেৰে বাঘক পূজা কৰে সৰাবাৰী অঞ্চলতো। সৰাবাৰীত ব'হাগ মাহত সাত বিহুৰ দিনা গৃহস্থই চৰু-হাড়ি ধুই ৰাতি ভাত ৰান্ধে। গৃহস্থৰ আটায়ে ভাত খাই উঠাৰ পিছত তিৰোতা এজনীয়ে বাঘদেৱতাক দিবৰ উদ্দেশ্যে ভোগ প্ৰস্তুত কৰে। ভোগ দিবৰ বাবে ঘৰৰ আগফালে মুকলি ঠাই এডোখৰ মচি-লেপি তাত খুতুৰা শাক এজোপা ৰুই ইয়াৰ ওচৰতে আগলতি কলপাত এখনত পাঁচ ভাগ অন্নভোগ আগবঢ়ায়। ভোগৰ লগত সাত শাকীৰ ব্যঞ্জন অপৰিহাৰ্য। অন্নভোগৰ লগত ধঁতুৰা ফুল, তামোল, দেৱতাই মুখ ধুবৰ বাবে কলৰ দোনা, ভোগ সুৰক্ষাৰ বাবে ধনুশৰ ওচৰতে থৈ বাঘ দেৱতাক নিমন্ত্ৰণ কৰিবৰ বাবে ডাবৰ এটা বজাই ঘৰৰ পৰিয়াল সকলো শুই পৰে। সেইদিনা যিকোনো কাৰণতেই ৰাতি ঘৰৰ ভিতৰৰ পৰা কোনো মানুহ নোলায়।

খৈৰাবাৰী নিকটস্থ পানীশালি গাঁৱতো শেষ ব'হাগৰ দিনা মাছ-মঙহেৰে সজ্জিত বিশেষ ভোগৰ নৈবেদ্যৰে বাঘ দেৱতাক পূজা কৰা হয়।

**শিয়েলীৰ কাজ ঃ** দৰঙত শিয়ালা বৈষ্ণৱৰ কাহিনীৰ বিশেষ সমাদৰ আছে। শিয়ালা বৈষ্ণৱৰ বংশধৰসকলে শিয়াল মৰিলে যথা নিয়মেৰে কাম-কাজ কৰে। সেই বংশৰ লোকসকলে শিয়াল নামাৰে।

**মজুদিয়া ঃ** মাৰি-মৰক, অপায়-অমংগল দূৰীকৰণৰ বাবে দৰঙৰ ৰাইজে জেঠ মাহত কলৰ ভেলৰ ওপৰত অথবা কলৰ দোনাৰে বিশেষভাৱে সজা নাৱত মাহ-প্ৰসাদ, পঠা-পাৰ, কণী, ফুলৰ মালা আদি স-ভক্তিৰে ভৰাই, ঢুলীয়া, কালীয়াৰ সংগীত, হৰিধ্বনি আদিৰে মুখৰিত পৰিবেশ গঢ়ি লৈ নৈত উটুৱাই দিয়ে। জেঠুৱা গোঁহাই বা বছৰেকীয়া গোহাঁই বুলি ৰাইজে পালন কৰা পৰ্বৰ দিনাই সচৰাচৰ মজু উটুৱায়।

জনজাতীয় লোকসকলে মজু উটুৱাৰ দিনা দিনৰ ভাগত গুৰুপূজা, ধনমেৰু, সনমেৰু, ভৰলী ভৰালী, গংগাৰ ব্ৰাই, গংগাৰ বুঢ়ী, নালাব্ৰাই, নালাবুঢ়ী, অগ্ৰংব্ৰাই, অগ্ৰংবুঢ়ী, বাঘৰাজা, যমৰাজা, হাতী গোঁহাই, খান্দুৰাজা, সাতোৰাজা, ভকতীয়া গোঁহাই, টেপামাৰা আদিক পূজা দিয়ে। ৰাতি গাঁৱৰ মানুহ খাই বৈ উঠাৰ পিছত মজু উটুৱাবৰ বাবে নিৰ্দিষ্ট কৰা লোককেইজনে গৃহস্থৰ ঘৰলৈ গৈ কলৰ দোনাৰে সজা ঘোঁৰা, বন্দুক, তৰোৱাল, চাবুক আদিৰে ঘৰৰ চাৰিওফালে ঘূৰি ঘৰৰ বেৰ আদিত কোবাই 'হাইয়া চাল্লি বেটী যাহ্ যাহ্ আহ্ ওলাই আহ্ বুলি কৈ বন্দুকেৰে গুলীওৱা শব্দ, চাবুকেৰে কোবোৱা শব্দ আৰু তৰোৱালে কটা ভাও দি গৃহস্থই ঘৰৰ দুৱাৰ মুখত থোৱা চুৱাভাতৰ টোপোলাটো লৈ আহে। তেনেদৰে সংগৃহীত টোপোলাবোৰ এখন ভেলত উটুৱাই দিয়ে।

**গড়ভাঙা ঃ** ব'হাগ মাহৰ সাত তাৰিখে ৰাজঘাটৰ দেউলৰ লগত সংগতি ৰক্ষা কৰি গড়ভাঙা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠান উপলক্ষে ভাল পুৰঠ বাঁহৰ ১০/১২ ফুট ওখকৈ কটা খুটা প্ৰতি শাৰীত সাতটাকৈ দুশাৰী পোতে। দুয়োশাৰী খুটা পূৰণ চিহ্নৰ দৰে বান্ধি ওপৰছোৱাত দুয়োফালে দুশাৰী বা তিনিশাৰী পথালিকৈ বাঁহ বান্ধে। দেউলৰ পূজাৰ অন্তত আবেলি সময়ত ৰাইজে পূৰ্বে নিৰ্বাচন কৰি থোৱা সবল সুঠাম ডেকা দুদলৰ

এদল গড়ত উঠে। গড়ৰ তলত থকা দলটোৰ সদস্যসকল গড়ত উঠিবলৈ যত্ন কৰিলে ওপৰৰ দলটোৱে বাধা দিয়ে। দুয়োদলৰ সংঘৰ্ষত এটা সময়ত গড়টো ভাঙে। গড়টো ভাঙিলেই উক্ত অনুষ্ঠানৰ সামৰণি পৰে। কোনো ঠাইত এনে অনুষ্ঠানক চাং সংঘৰ্ষ বোলে।

**খাম্পাহলা মহামায়া বুঢ়াগোঁহাইৰ দেউল ঃ** কলাইগাঁৱৰ নিকটৱৰ্ত্তী খাম্পাহলা বিল। বিলৰ দক্ষিণ পূব কোণত অৱস্থিত প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষেৰে পৰিপূৰ্ণ স্থানত বৰ্তমান ৰাইজৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছে এটি মন্দিৰ। মন্দিৰৰ ভিতৰত উত্তৰ দিশৰপৰা ক্ৰমে বুঢ়াগোহাঁই, ভগৱতী আই, মনসা, কামাখ্যা, কেঁচাইখাইতি, ধৰ্মৰ আসন আৰু বিগ্ৰহ। বাহিৰত দুৱৰী। ব'হাগ মাহৰ এক তাৰিখে উৎসৱ উপলক্ষে মন্দিৰ প্ৰাঙ্গণত জনজাতীয় পদ্ধতিৰে পূজা-অৰ্চনা কৰি মনসা, কামাখ্যা আৰু কেঁচাইখাইতিৰ সন্মুখত হাঁহ, পাৰ, ছাগলী আদি বলি দিয়ে। বলিৰ অন্তত মাহ-প্ৰসাদ খাই উৎসৱৰ সামৰণি পেলায়। ব'হাগৰ ছয় তাৰিখে দেউৰীয়াই গা-ভগীয়াকৈ পূজা-অৰ্চনা আৰু বলি-বিধান আগবঢ়ায়। সেই দিনা দেউল উৎসৱো অনুষ্ঠিত হয়।

**ভকত সেৱা ঃ** ভকত সেৱা উৎসৱটি পূৰ্ণধেৰীয়া বা বৰখেলীয়া ভকত, মহন্তসকলৰ মাজত সীমিত উৎসৱ। এই উৎসৱটিক ৰাতি সেৱা নামেৰেও জনা যায়। দৰং জিলাত পুথিনেচীয়া আৰু বৰখেলীয়া এই দুটা সম্প্ৰদায় দেখা যায়। কীৰ্তন, ঘোষা, ভাগৱত আদি পুথিত আস্থা বা নিচা থকা সম্প্ৰদায়টোক পুথিনেচীয়া বোলা হয়। বৰখেলৰ অংশীদাৰ বাবে আনটো সম্প্ৰদায় বৰখেলীয়া। দুয়োটা সম্প্ৰদায়ে অনুষ্ঠানৰ সময়ত যি গীত গায় সেয়া সদাচাৰ বা চিয়াগীত নামে পৰিচিত। চিয়াগীতৰ অৰ্থ ব্যঞ্জনালৈ লক্ষ্য কৰিলে ইয়াক চৰ্যাগীতৰ লগত ৰিজাব পাৰি। চৰ্যাগীতত থকা প্ৰতীকধৰ্মী শব্দৰ দৰে চিয়াগীততো প্ৰতীকী শব্দ কিছু পোৱা যায়। অপভ্ৰংশ স্তৰৰপৰা সৰকি আহি নব্য ভাৰতীয় ভাষাৰ ৰূপ পোৱাৰ সময়ত চৰ্যা শব্দই নতুন ৰূপ লোৱাৰ সপক্ষে যুক্তি দৰ্শাব পৰা যায়। শ্ৰীমন্ত শংকৰদেৱে অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰাৰ সময়ৰপৰা নৱবৈষ্ণৱ ধৰ্মৰপ্ৰভাৱে এই সম্প্ৰদায়ৰ ৰূপ অসমত কিছু পৰিমাণে সলাইছে। উত্তৰ পূব ভাৰত, নেপাল, ভূটান আদি দেশৰ লোকৰ মাজতো বৰখেলীয়া পৰম্পৰা প্ৰচলনৰ উমান পোৱা যায়।

ভকতসেৱা অনুষ্ঠানটোক 'ঠগি' বা 'সেৱা' নামেৰে জনা যায়। আইখান আৰু ডাঙৰীয়াৰ ঠগিয়েই প্ৰথম আৰু প্ৰধান। তাৰ পৰা ক্ৰমে পুৰুষ, মেৰু, নগাবেহাৰ আৰু ৰথী সেৱা।

পুৰুষৰ ঠগি কৰা ব্যক্তি গৰাকীয়ে মহন্ত আসন পায়। মেৰু ঠগি কৰা গৰাকীক উঠন মহন্ত বোলে। মেৰু সেৱা কৰিবৰ বাবে পাঁচগৰাকী মহন্তৰ প্ৰয়োজন। গৃহস্থৰ চোতালত ৰভাৰ তলত সোঁ-মাজতে এটা আৰু চাৰিকোণে চাৰিটা মণ্ডপ সাজি উলিয়ায় বিশেষ পাঁচজন মহন্তৰ আসন পাৰিবৰ বাবে। নগাবেহাৰত এটা মাথোন মণ্ডপৰ প্ৰয়োজন এজন মহন্তৰ আসনৰ বাবে। ৰথীত এখন ৰথাকৃতিৰ আসন তৈয়াৰ কৰি মহন্তগৰাকীক তাত বহুৱায়। গৃহস্থ মহন্ত জনেই ৰথী সেৱা কৰে। উক্ত সেৱাবোৰত গাহৰি, কুকুৰা, হাঁহ, পাৰ, মাছ, কণী আদিৰ প্ৰয়োজন হয়।

**ভেকুলীৰ বিয়া ঃ** শালিধানৰ খেতিৰ বাবে বৰষুণ অপৰিহাৰ্য। কোনো বছৰত বৰষুণ নোহোৱাৰ ফলত খেতিয়কে সময়মতে খেতি কৰিব নোৱাৰে। খৰাং বতৰত বৰষুণ দিয়াবৰ বাবে লোক সমাজে বৃষ্টি আনয়ন যাদুৰ ওপৰত আশ্ৰয় ল'ব লগা হৈছিল। এই যাদুৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হৈছিল কিছুমান কৃত্য। হুদুম পূজা, ঢেকীপোতা, উৰল টনা, ভেকুলীৰ বিয়া পতা, কমলা কুঁৱৰীৰ গীত গোৱা, দেৱজিত পঢ়োৱা বা দুৰ্গাবৰী ৰামায়ণ পঢ়োৱা, গোবৰ্দ্ধন যাত্ৰা অনুষ্ঠিত কৰোৱা, খটৰাসত্ৰত হনুমানৰ মূৰ্তি আনুষ্ঠানিকভাৱে বাহিৰলৈ উলিওৱা আদি কৃত্য বৃষ্টি আনয়ন যাদুৰ ওপৰত প্ৰতিষ্ঠিত।

ভেকুলীৰ বিয়া ৰাজহুৱা ভাৱে

অনুষ্ঠিত হয়। জ্যোতিষীৰ ওচৰত চাই বিয়াৰ বাবে এটি দিন নিৰ্দিষ্ট কৰা হয়। বিয়ালৈ দুই তিনিদিন থাকোতেই তিনিটা খহুৰা ভেকুলী ধৰি থয়। মানুহৰ বিয়াৰ দৰে ৰভা, মণ্ডপ আদিৰে সম্পূৰ্ণ আয়োজন কৰে। বিবাহ কাৰ্য আৰম্ভ হোৱা পূৰ্বে কইনা ভেকুলীজনীক সেন্দুৰৰ ফোঁট দি ফুলৰ মালা পিন্ধাই কলৰ দোনাৰে সজা সজ্জিত দোলা এখনত থয়। আন দুটা ভেকুলীৰ এটা দৰা আনটো মিতা। এদল লোক বিয়াঘৰীয়া হৈ ভেকুলী দুটা বিবাহ মণ্ডপলৈ আনে। বিবাহ কাৰ্য সম্পাদন কৰিবৰ বাবে দৰা-কইনাৰ মাক-বাপেকৰ প্ৰয়োজন। গতিকে ভেকুলীৰ মাক-বাপেক স্থানীয় ৰাইজৰপৰা ঠিক কৰা হয়। উক্ত বাপেক-মাক আগদিনা উপবাসে থাকি পিছদিনা বিবাহ কাৰ্য সমাধা কৰে। আন দুজন লোকে বিয়াৰ দিনা পিঠাগুৰি আৰু অন্যান্য ৰঙেৰে মুখ বোলাই, পুৰণি ছিগা ধূতি চোলা পিন্ধি ভাউৰীয়াৰ বহুৱা যেন হয়। এই দুজন দোলাভাৰী।

ভেকুলীৰ বিয়াত আয়তী সকলে পানী তোলে। সেই পানীৰে দৰা-কইনা নোৱায়। ইয়াৰ পিছত হোম অনুষ্ঠিত হয়। দৰা-কইনাৰ বাপেক হোৱা লোক দুজনে ভেকুলী দুটাক হাতেৰে ধৰি হোমৰ উদ্দেশ্যে সেৱা জনায়। বিয়াৰ অন্তত দৰা-কইনা আৰু মিতাক কলৰ দোলাত লৈ ঢেপাঢোল আৰু কালি বজাই গাঁও ফুৰায়। শেষত ভেকুলী কেইটা নদী বা পুখুৰীৰ পানীত এৰি দিয়ে।

দৰঙৰ সংস্কৃতি আন এক উল্লেখযোগ্য উপাদান হ'ল মঠ-মন্দিৰ সমূহ। দৰঙত অনেক পুৰণি কলীয়া মন্দিৰৰ ভগ্নাৱশেষ আছে। এই মন্দিৰ সমূহৰ উল্লেখযোগ্য শিৱ মন্দিৰ মাহৰিপাৰাৰ ৰুদ্ৰেশ্বৰ দেৱালয়। শিৱৰাত্ৰি আৰু জাগাৰ পূজাৰ বাবে বিখ্যাত। পদ্মাঝাৰৰ পদ্মাথান মন্দিৰৰ বিশেষত্ব পূজাৰ বাবে পুখুৰীৰ পানী লাউৰ খোলাত আনে। শানপাৰা দেৱালয় বসন্ত কালীন পানী তোলা উৎসৱৰ বাবে বিখ্যাত। পাতিদৰঙৰ অৰ্দ্ধনাৰীশ্বৰ শিৱ মন্দিৰ জাগাৰ পূজা, বাসন্তীপূজা, জগদ্ধাত্ৰী পূজা আৰু নিত্য অৰ্দ্ধনাৰীশ্বৰ পূজাৰ বাবে খ্যাত। লক্ষীমপুৰ (কলাইগাঁওৰ ওচৰত) কামাখ্যা, ঔতলাৰ গুৰখীয়া থান, মঙ্গলদৈৰ বুঢ়াগোঁহাই, নাৰিকলি শিৱ মন্দিৰ, মঠাঝাৰৰ শিৱ মন্দিৰ, ঢলপুৰৰ শিৱ মন্দিৰ, গণেশ কুৱৰীৰ গণেশ মন্দিৰ আদি পুৰণি উপাসনাৰ স্থান।

পুখুৰী সমূহেও দৰঙী জন-জীৱনক প্ৰভাৱিত কৰি আহিছে। দৰং জিলাত ন কুৰি ন পোন পুখুৰী থকাৰ প্ৰবাদ আছে। ৰজা আৰিমত্তৰ দিনত কেইবাটাও পুখুৰী খন্দোৱাৰ প্ৰবাদ আছে। ইয়াৰে বিখ্যাত লক্ষীমপুৰ পুখুৰী, আন এক উল্লেখযোগ্য পুখুৰী হ'ল বুঢ়ীনগৰ পুখুৰী। পুখুৰীক পাৰত হোৱা দেউলৰ দিনা যাত্ৰীসকলে এবটল পানী পুখুৰীৰ পৰা নিয়ে জ্বৰ ব্যাধি উপশমৰ বাবে। দিঘীৰ পুখুৰীৰ লগত কমলা কুৱৰীৰ কাহিনী জৰিত। পদ্মাঝাৰৰ পদ্মাথানৰ ওচৰৰ পুখুৰীৰ পৰা মন্দিৰৰ ব্যৱহাৰৰ বাবে নিয়া পানী লাউখোলাত নিয়া হয়। শানপাৰা দেৱালয়ৰ ওচৰৰ পুখুৰীৰ পৰা বসন্ত কালত পানী তোলে। প্ৰায়বোৰ মন্দিৰৰ লগত একোটাকৈ পুখুৰী সংলগ্ন হৈ আছে। প্ৰবাদ মতে মন্দিৰত পানী বা গাখীৰ দিলে পুখুৰীত ওলায়। আন এক কাহিনী মতে বহুতো পুখুৰীৰ পৰা ৰাইজে কাজ পাতিলে বাচন-বৰ্তন পাইছিল। এতিয়া সেইবোৰ নোলায়। কিছুমান পুখুৰীৰ মাজত জলশলা হিচাপে কাঠৰ খুটা বা দীঘল শিকলি থকা শুনা যায়। বহুতো পুখুৰী দেওলগা পুখুৰী। কিছুমান পুখুৰীৰ পানী মানুহ, গৰুৱে নাখায়। অভিশপ্ত বাবে। পুখুৰীক কেন্দ্ৰকৰি সাধুকথা, গীত-পদ, লোক কথা অনেক আছে। জনকল্যাণ, পূণ্য সঞ্চয়, ঋণ পৰিশোধ, খ্যাতি, প্ৰায়শ্চিত্ত আদিৰ বাবে পুৰণি পুখুৰী সমূহ খন্দা হৈছিল।

বিদ্বানলোক সকলৰ মাজত প্ৰচলিত এক পৰম্পৰা হ'ল সাঁচিপাতত লিখা আৰু পুথিদান কৰা। সাঁচিপাতৰ পুথিক হাতে লিখা পুথি নামেৰেও জনা যায়। দৰং জিলাত প্ৰাপ্ত হাতেলিখা পুথিবোৰ এনেধৰণৰ— (১) কৌমুদী বা স্মৃতি শাস্ত্ৰ আৰু দৰ্শন, (২) পূজা পদ্ধতি বা পূজা বিধি- দেৱ-দেৱী বিষয়ক

আৰু গ্ৰহপূজা বিষয়ক, (৩) ব্যাকৰণ আৰু কাব্য, (৪) জ্যোতিষ, (৫) ধৰ্মগ্ৰন্থ, (৬) বুৰঞ্জী, (৭) চিকিৎসা বিষয়ক মন্ত্ৰপুথি, (৮) চিকিৎসা বিষয়ক অমৰ আৰু (৯) অন্যান্য।

এইবোৰৰ উল্লেখযোগ্য পুথি হ'ল— ভগৱদ্‌গীতাৰ টীকা, শান্তিশতকৰ সুব্যক্ত পঞ্জিকা, কিৰাতাৰ্জুনীয় টীকা, স্মৃতি সাগৰ, স্মৃতি সাগৰসাৰ, গংগাজল, দশকৰ্মদীপিকা, শুদ্ধি কৌমুদী, দণ্ড কৌমুদী, প্ৰেত কৌমুদী, শ্ৰাদ্ধ কৌমুদী, দুৰ্গোৎসৱ কৌমুদী, সংক্ৰান্তি কৌমুদী, তীৰ্থ কৌমুদী, তত্ত্ব কৌমুদী, মলমাস কৌমুদী, নিৰ্ণয় কৌমুদী, সম্বন্ধ কৌমুদী, আহ্নিক কৌমুদী, বিবাহ কৌমুদী, অশৌচ কৌমুদী, তিথি কৌমুদী, পত্ৰ কৌমুদী, বিবাদ কৌমুদী, দায় কৌমুদী আদি। পূজা পদ্ধতিৰ অন্তৰ্গত পুথি সমূহ দেৱ-দেৱীৰ পূজা আৰু গ্ৰহ পূজা বিষয়ক। গৰ্ভগীতা,বুঢ়া গীতা, অষ্টাদশপৰ্ব মহাভাৰত, ৰামায়ণ, ৰামকীৰ্ত্তন, শ্ৰীশ্ৰীচণ্ডী, হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুচিস্তৱ, শংকৰস্তৱ, ভক্তি ৰত্নাৱলী, দেৱীৰ অষ্টোত্তৰ শতনাম, বিষ্ণুপুৰাণ, কালজঙ্ঘ বধ, পদ্মাপুৰাণ, শিৱ পুৰাণ, গৌতমৰ আশ্ৰমৰ বৰ্ণনা (ৰামায়ণ), হৰগৌৰী সম্বাদ, বঘাসুৰ বধ, মণিচন্দ্ৰ ঘোষ, বিদূৰ সম্বাদ, সিন্ধুৰাবধ, বিপ্ৰপুত্ৰ আনয়ন, যুধিষ্ঠিৰ সম্বাদ, পুৰুৰবা যযাতি সম্বাদ, নামঘোষা, কীৰ্ত্তন, ৰত্নাৱলী, ৰাম বিজয় নাট আদি।

জ্যোতিষ আৰু গণিত বিষয়ৰ অনেক পুথি পোৱা গৈছে। সেইবোৰৰ উল্লেখযোগ্য হ'ল— জ্যোতিষ মুক্তাৱলী, বৃহৎজাতক চণ্ডিকা, জ্যোতিষ ৰত্নমালা, জ্যোতিষাৰ্ণৱ, স্বপ্ন চৰিত, মুদুৰআধ্যা, জ্যোতিষ কল্পদ্ৰুম, অদ্ভূত গণনা, জাতকৰ্ম, অদ্ভূত দৰ্শন, কুকৰ চৰিত্ৰ, নষ্টজাতক সম্বাদ, গ্ৰহজাগ, বিবাহ কালযোগ, গ্ৰহদশা নিৰূপণ, গ্ৰহাদিৰ মিত্ৰামিত্ৰ কথা, অন্তৰ্দশা, তন্ত্ৰোক্তমুদ্ৰাধ্যায়, স্বপ্নতত্ত্ব, কাকচৰিত্ৰ, পুষ্পোৎসৱ গন্তি, গৰ্ভগণনা, বিযুপুৰুষ গণনা, পুষ্কৰ শান্তি, শিশুৰিষ্ট গণনা, স্বপ্নাধ্যায়, যোগ নিৰূপণ, নন্দিকেশৰ, গ্ৰহস্ফুট, প্ৰশান্ত পৃথিৱী, তিথি গণনা, চন্দ্ৰতত্ত্ব, সমুদ্ৰ লক্ষণ, ভীমৰ কালচক্ৰ গণনা আদি। গণিত বিষয়ৰ পুথিখন হ'ল স্বস্তিসম্বৎসৰ।

বুৰঞ্জী বিষয়ক পুথিৰ অন্যতম হ'ল— দৰঙ্গ ৰাজবংশাৱলী, কোচ ৰজাৰ ইতিহাস আৰু পীতাম্বৰ সিদ্ধান্ত বাগীশৰ বংশাৱলী। চিকিৎসা বিষয়ক মন্ত্ৰপুথি আৰু অমৰ দৰঙৰ বিভিন্ন ঠাইত পোৱা গৈছে। প্ৰায়বোৰ ৰোগৰ জৰা-ফুকা মন্ত্ৰ আৰু ঔষধৰ বাবে অমৰ আছে। মন্ত্ৰপুথি সমূহ কিছুমানৰ নাম উল্লেখ কৰা হ'ল— সৰ্বঢাক মন্ত্ৰ, শকুনি মন্ত্ৰ, সৰ্পৰ বিষ ঝাৰা মন্ত্ৰ, চাহানি মন্ত্ৰ, হাত বান্ধেনি মন্ত্ৰ, কৰতি পুথি, উতিখখণ্ড মন্ত্ৰ, ৰুদ্ৰস্তুতি, চূড়ামণি মন্ত্ৰ, বিহালি মন্ত্ৰ, মোৰৰ মন্ত্ৰ, নেউলী মন্ত্ৰ, ৰাম কাহিনী কবচ, কাঞ্চন বান্ধা, আহু মন্ত্ৰ, বাণ কাটা মন্ত্ৰ, খাণ্ডৱ দাহন, পাশুপাত, হাড়াকৰতি, ব্ৰহ্মকৰতি, ৰুদ্ৰকৰতি, বজ্ৰকৰতি, চক্ৰকৰতি, গা-বান্ধেনি, কালাম মন্ত্ৰ, দীক্ষা মন্ত্ৰ, কুবেৰ মন্ত্ৰ, ৰাজপীড়াৰ মন্ত্ৰ, হামুদেউ মন্ত্ৰ, ধৰণি মন্ত্ৰ, কুটভাঙ্গা মন্ত্ৰ, শান মন্ত্ৰ, ত্ৰিশূল মন্ত্ৰ, মণিৰাজ মন্ত্ৰ, মৰকুছিয়া মন্ত্ৰ, বীৰভদ্ৰ, কুইহাৰ শালৰ মন্ত্ৰ, সভামোহিনী, মানুহ বেয়া কৰা, কচকা মন্ত্ৰ, কান্দনি কালা মন্ত্ৰ, খখণ্ড মন্ত্ৰ, চূড়তোলা মন্ত্ৰ, শক্তিশেল মন্ত্ৰ, সন্ন্যাসী মন্ত্ৰ, নৰসিংহ মন্ত্ৰ, দেউহাৰা মন্ত্ৰ, পাশুপাত, খেতৰ মন্ত্ৰ, দোৱান, চামন মন্ত্ৰ, বৰ কালাপ, গা-বান্ধা মন্ত্ৰ, গা-মেলা মন্ত্ৰ, শিৰাৰ মন্ত্ৰ, চালাম মন্ত্ৰ, পেট কামোৰণিৰ মন্ত্ৰ, জুইয়ে পোৰা মন্ত্ৰ, গড়ু বজালি, নওবৈনী, নগৰ বান্ধেনি, ক্ষেত্ৰপাল, জলতুতি, আহুমন্ত্ৰ, শালিমন্ত্ৰ, ভূত বজালি, চোৰোতে ডাকা, তেজ ৰাখা, বিছাই ডাকা, সাগৰ মথনী, ৰামমূল, মুখভাঙ্গা, খখন, নাৰায়ণী কবচ, বাৰভনী, বিহালি, তিভভাঙ্গা, জলবান্ধা, গ্ৰহ বান্ধা, ডুমুনী মন্ত্ৰ, লেংঝাৰা মন্ত্ৰ, ভৈৰবী মন্ত্ৰ, সুপ্ৰসৱ মন্ত্ৰ, টনকাঝাৰা, গাৰোমন্ত্ৰ, কিলতোলা মন্ত্ৰ, বাতি চালান, বাঘবান্ধা, বেতচালান, নখদৰ্পণ, খাণ্ডৱ দাহ, ব্ৰহ্মবাণ, জুই মাৰা মন্ত্ৰ, ফোহাৰ মন্ত্ৰ, বান্ধেনি মন্ত্ৰ, চাপনি মন্ত্ৰ, সন্তাপ নাশ, মাছৰ কটা লাগা, উবাছ মন্ত্ৰ, ইক্ষুক মন্ত্ৰ, বামুনা ক্ষেত্ৰ, যক্ষমুনিৰ মন্ত্ৰ ইত্যাদি।

অমৰ সমূহৰ ভিতৰত আছে— বৈদ্য অমৰ, কূট অমৰ, টেঙুৰীয়াৰ অমৰ, এন্দুৰীয়াৰ অমৰ, শিৰাৰ অমৰ, একাংগীৰ অমৰ, গাঙটিয়াৰ অমৰ, গর্ভ হৰিণা ৰোগৰ অমৰ। প্ৰায়বোৰ ৰোগ, ব্যাধি ঝাৰা পুথিত ঔষদৰ বিধান দিয়া আছে।

অন্যান্য গ্ৰন্থ সমূহৰ ভিতৰত বিশেষকৈ— পাঁচালী, চৰিত সাহিত্য আৰু বিবিধ বিষয়ক পুথি সমূহক ধৰা হৈছে, সেইবোৰ হ'ল— সত্যনাৰায়ণৰ পাঁচালী, শনিৰ পাঁচালী, শীতলা, শাক্তানন্দ তৰঙ্গিনী ইত্যাদি। শংকৰ-মাধৱ সম্বাদ, শংকৰ চৰিত, গুৰু চৰিত, নাম মহিমা, গোবিন্দ চৰিত, শিৱাশিয়া বৈষ্ণৱ চৰিত, তত্ত্বসাৰ, চাণক্য সাৰ সংগ্ৰহ, কলি কাহিনী, পক্ষী পুৰাণ, বৰকাকত (খটৰা সত্ৰ), বৰখেলীয়া সম্প্ৰদায়ৰ চিয়াগীত, খোবা-খুবুনী চৰিত আদি। প্ৰায়বোৰ শীতলাৰ পাঁচালী জয়ৰামৰ ভণিতা থকা অভিমন্য ৰচিত শীতলা এখন পোৱা গৈছে।

দৰঙত কেইবাখনো সচিত্ৰ পুথি পোৱা গৈছে। সেইবোৰৰ ভিতৰত অন্যতম দৰংগ ৰাজ বংশাৱলী, ৰামায়ণ (লংকাকাণ্ড), ভাগৱতৰ অষ্টম স্কন্ধ আদি। কেইবাখনো জ্যোতিষ বিষয়ক পুথি আৰু পূজা বিধিত জ্যোতিষ বিষয়ক ৰেখা চিত্ৰ আৰু পূজাৰ যন্ত্ৰ অংকন কৰা আছে। কোষ্ঠী বা আখৰা সমূহ হাতে লিখা পুথিৰ নিদৰ্শন।

উল্লিখিত পুথিবোৰ সংস্কৃত আৰু অসমীয়া ভাষাত প্ৰধানকৈ লিখা হৈছে। সংস্কৃত ভাষাত লিখা জ্যোতিষ বিষয়ৰ কেইখনমান গ্ৰন্থ, পূজাবিধি, চণ্ডী আদি গ্ৰন্থ। চিকিৎসা বিষয়ক মন্ত্ৰ পুথিৰ কেইখনমানৰ প্ৰথম ছোৱা আৰবী ভাষা আৰু কেইখনমানৰ প্ৰথম ছোৱা বড়ো ভাষাত লিখা। গাৰো মন্ত্ৰ এখনো পোৱা গৈছে। ভাষাটো শুদ্ধনে অশুদ্ধ সেইয়া জনা নাই। ৰাম বিজয় নাটকখন ব্ৰজাৱলী ভাষাত ৰচিত।

দৰঙৰ সংস্কৃতিৰ বিষয়ে আলোচনা কৰোতে ভাষাৰ আলোচনাও অপৰিহাৰ্য। ভাষা মানুহৰ ভাৱৰ বাহন। প্ৰতিটো ভাষাৰে একাধিক আঞ্চলিক ৰূপ দেখা যায়। বিভিন্ন কাৰণত এই আঞ্চলিক ভিন্নতা গঢ় লৈ উঠে। এই ভিন্নতাই সেই ভাষা কোৱা লোকসকলৰ সাংস্কৃতিক ভিন্নতাকো প্ৰকাশ কৰে।

অসমত বিভিন্ন ভাষা-ভাষীলোকৰ উপৰিও অসমীয়া ভাষাৰে কেইবাটাও আঞ্চলিক ৰূপ দেখা যায়। দৰং জিলাৰ অধিবাসীসকলৰ মাজত প্ৰচলিত ভাষাটোক দৰঙী উপভাষা বোলা হয়। দৰঙী উপভাষাৰ অন্তৰ্গত এলেকাৰ অধিবাসী সকলৰ মাজতো আকৌ আঞ্চলিক ভিন্নতা লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে ছিপাঝাৰ এলেকাৰ কথিত ভাষাৰ লগত দেওমৰনৈ অঞ্চলৰ কথিত ভাষাৰ ভিন্নতা আছে। তেনেদৰে কলাইগাঁও, ভকতপাৰা, দলগাঁও আদি এলেকাতো ভাষাটোৰ কিছু ভিন্নতা লক্ষ্য কৰা যায়। এনে ভিন্নতাবোৰৰ বিষয়ে আলোচনা কৰাটো গৱেষণাৰ বিষয়। তথাপি দৰঙী উপভাষাৰ অন্তৰ্গত এলেকাৰ লোকে কোৱা ভাষা সাধাৰণ উল্লেখ কৰিবলৈ যত্ন কৰা হ'ল।

দৰঙী লোকৰ মুখত 'ঝ' ধ্বনিটোৰ প্ৰয়োগ দেখা যায়। যেনে- ঝিয়া, ঝলা, ঝাপি, ঝাপ, ঝহৌ-মহৌ, মান্য ভাষাত ব্যৱহাৰ হোৱা আনবোৰ ধ্বনিৰ প্ৰয়োগ একেধৰণৰ। ৰূপ গঠন (শব্দ) ৰ ক্ষেত্ৰতো অনেক বিশিষ্টতা লক্ষ্য কৰা যায়।

দৰঙী ভাষাত ৰ আৰু ন ধ্বনি ল লৈ পৰিবৰ্তন হোৱা দেখা যায়। যেনে- খৰালি > খল্লি; বৰালি > বল্লি; নোম > লোম।

বচন বুজাবলৈ এংকৰ, মোকৰ, থেক আদি বচন বোধন চিনৰ ব্যৱহাৰ যেনে— মোমা এংকৰ বা মোমাহাংকাৰ- মামাহঁতৰ, আমৈই মোকৰ- আমৈহতঁৰ, বৈনাক থেক- ভনীয়েকহঁত।

পৰসৰ্গৰ ব্যৱহাৰতো বিশিষ্টতা দেখা যায়। যেনে— থাকি- চোৰৰ থাকি থাকাই টান হৈছি।

চোৰৰ বাবে থকা টান হৈছে। (মান্য)

ধৰি— ধোহাৰ ধৰি চখু মেল্‌বা পাৰা নাই।

ধোৱাৰ বাবে চকু মেলিব পৰা নাই। (মান্য)

দিগি— আমাৰ দিগি একখোৱা যাবি।

আমাৰ ফালে এবাৰ যাবা। (মান্য)
পে— সি ঘৰৰ পে আইছি।
সি ঘৰৰ পৰা আহিছে। (মান্য)
বাজে— সিয়াৰ বাজে অইনে নেনেই।
তাৰ বাহিৰে আনে নিনিয়ে। (মান্য)
হেতি— তই হেতিয়ে যাক।
তোমাৰ লগতে যাক। (মান্য)
অব্যয়— দৰঙী উপভাষাৰ অব্যয় কেইটামান হ'ল—
তেও— ৰাইজে কামটা কৰবুৰে তেও একখোৱা চাই যাবি আহি।
তেনে— সি যেদি নকৰেই তেনে কি কৰ্‌বি?
নাইতু— সি পঢ়ক নাইতু হালত ধৰক্।
নহ'লি— চলিৰ মাকৰ দেখোন আজেৰিয়ে নাই নহ'লি ববি ঝীয়ায়ে আহচোন।
কিজেনি — সিয়াৰ কেজেনি জ্বৰ উঠচি নহলি নাহাকে নাথকেই।
হুংকু— তহঁত হুংকু যাবি (তহঁত হেনো যাবি)।
ওৰাই— ওৰাই বেন্ডাৰ, কাণ্ড চাউৰেই।
য়ে য়ে য়ে— য়ে য়ে য়ে চ'লতুই হাগিলা।
হিয়েহ— হিয়েহ ক'ৰপে নো ওলেলি আহি।

ভাষাটোৰ অৰ্থ পৰিবৰ্তনৰ দিশটোও মনকৰিবলগীয়া।

প্ৰসংগ অনুসৰি এটা শব্দৰ বেলেগ বেলেগ অৰ্থ হ'ব পাৰে। ১) তাৰ গালত মহে খাইছি। ২) বেৰাৰ গালত আলু গিটা আছেই। ৩) সিহাতৰ গালতে ঘৰটো। ৪) গালে গালে মানুহ আইছি। ইয়াৰ ১ম বাক্যৰ গাল দেহৰ অংশ নহয়। ২য় বাক্যৰ গাল কাষতে ৩য় বাক্যৰ গাল ঘৰৰ সীমাত, চতুৰ্থ বাক্যৰ গাল ঢেৰ অৰ্থত ব্যৱহাৰ হৈছে।

ঠিক তেনেদৰে ঃ

১) হৃদৰাখি কথা কবি। ২) চাৰি হৃদ ঠিকে ৰাখ্‌বি। ৩) গাৰ হৃদ যাৱা হৈছি। ইয়াৰ ১নং বাক্যৰ হৃদ স্থিৰভাৱে, ২নং বাক্যৰ হৃদ সীমা, ৩ নং বাক্যৰ ৰক্তস্ৰাৱ অৰ্থত ব্যৱহাৰ হৈছে। বৰিয়ে তিনমাহ গা ধোৱা নাই, ইয়াৰ অৰ্থ গা নোধোৱা নহয়, গৰ্ভৱতী হোৱাহে।

জতুৱা ঠাচ কিছুমানো বিশেষত্বপূৰ্ণ ঃ
অভাল ভালে- বাচি থকা পৰ্যন্ত
অৰঙে- দৰঙে- বহু দূৰে দূৰে
আইধৰত কে ৰাই ধৰ চাৰ- ইটোতকৈ সিটো বিপদ ডাঙৰ।
উহাতকে আলোৱাৰ মত মতি বেছি- শক্তিহীন জনে ক্ষমতা দেখুওৱা।
কতিৰ কাপোৰ মূৰত লৱা— আনন্দৰ আতিশয্য
খোদেলি দুৱাণ— খেলি-মেলি
ঘোৰাপাকৰ ঝোলঙা— মূলবস্তু
চভিয়াৰ মূৰ খাৱা— এলেহুৱা
তিন তাৰেলি খাৱা— আঘাত পাই ধোৱা কোৱা দেখা
থেলগুৰি বেলগুৰি— খেলি মেলি
নাবাজ বাজ লাগা— উখনা উখনি লাগ
নিঙিনি মুতক বানপানী বোলা— কম বস্তুক বহুত বুলি ভবা
ফালি ফোটা মাৰ— সাজি কাচি ওলা
বিয়াহৰ মুদুৰা— প্ৰধান আহিলা
হিবি জিবি লাগ— কোনটো কৰিম কোনটো নকৰিম
হেমেলি বেমেলি— ভয়ত বৰকৈ চিঞৰা
হোকাৰ পানী— অদৰকাৰী
টুপা পেৰীয়া ঘোৰা— দৰকাৰ নহ'লেও ব্যৱহাৰ কৰা
বৰা বেৰীয়া চোৰ— দুৰৰ নহয়, ওচৰৰে অনিষ্টকাৰী লোক
লাহনৰ গৃহস্থী— বিশৃঙ্খল

**প্ৰবচনৰ নমুনা ঃ**

১। আহ বৰ ডেকা ভোজ খাবা যাও।
২। বাপ জন্মত নাই গাই চাল্‌ঙী লৈ দোবা যায়।
৩। ঝিয়া দেখিলি সোধেই, বাকাৰা দেখিলি হাগেই।
৪। হাপাই আন্‌লা তিৰি শিয়াল হ'ল উপত্তে গিৰি।

মান্য ভাষা আৰু দৰঙী উপভাষাৰ শব্দ-ভাণ্ডাৰৰ পাৰ্থক্য স্পষ্ট। বন্ধনী চিনৰ ভিতৰত মান্য ভাষাত ব্যৱহাৰ কৰা শব্দ কেইটামান দি দৰঙী শব্দৰ নমুনা উল্লেখ কৰা হ'ল—
ঝীয়া (ছোৱালী), বুৰাপাই (ককা), দাদৌ (খুড়া), কৰ (ফুলৰকলি), ম'কফল (অমিতা), সফিৰাম (মধুৰিআম), সফুৰিকঠল (আনাৰস), ভিজেলুক (জলকীয়া), ঝোহ

(হাবি),মোক্‌চা (গামোচা), দেউল (বহুত), খণ্ডিকৰ (কামত পটু), চুৰা (জুলীয়া গুৰ), হদ্‌নাপাৰা (উৰাদিহ নোপোৰা), কাল্লা (কাঢ়লী), ডেনা (ডেউকা), ঝকৰা (কৰ্কৰা), গোলমাল (আলোচনা), গুদাম (বুটাম), তেলভকুৰা (পইতাচোৰা), জুৰবাহা (দিয়াশলাই), ডালুৰা (ধূৰ্ত্ত), হুকুচকুচ (লৰালৰি), গোমৰ (ৰহস্য), জুগুন্দি (ধান খেৰেৰে সাজি উলিওৱা জুই ৰখা যতন), আধেলিয়া (পিৰালি), ভাখেৰি (ভড়াল), হেবেলে (হ'বলা)।

তেনেধৰণৰ অৰ্থবহ শব্দ হ'ল- ঘেলউ-মেলউ, আপেন্তিয়া, আইলাপচু, গুৰখীয়া, ভেটুৰা, মাঝ, ঝুঝ, চৰপতি, দোবল, কেম্‌বা-কেম্‌বা, হতহতি, কুটকুটি, মতমতি, দপদপি, চটচটি, কুচকুচি আদি তথা দৰঙী জনজীৱনৰ যিবোৰ শব্দ অশ্লীল বুলি ভবা হয় মান্য ভাষাত সেইবোৰ শ্লিল, তেনেদৰে দৰঙী জনজীৱনৰ শ্লিল শব্দ মান্য ভাষাত অশ্লীল।

যেনে— চলিতোই হাগচি কটিখান ধুৱেই দি। ইয়াৰে কটি শব্দটো উজনিত নিষিদ্ধ। কামৰূপ জিলাত বাকলি গুচোৱা অৰ্থ বুজাবলৈ চেলেই দি শব্দ ব্যৱহাৰ কৰে— আলুটো চেলেই দি। দৰঙী ভাষাত চেলেই দি নিষিদ্ধ শব্দ। তেনেদৰে ঢাপ, পোকৰ, ফেদা, নুন, বাৰি আদি নিষিদ্ধ শব্দ বুলি গণ্য কৰা যায়।

দৰঙী লোকে বিভিন্ন প্ৰসংগত গালি গালাজ কৰা দেখা যায়। অনেক গালি পাৰা শব্দ তিৰোতা আৰু পুৰুষ ভেদে বেলেগ বেলেগ। আজি কালি পঢ়া-শুনা কৰা, ডেকা-ডেকেৰী সকলৰ ভাষাৰো কিছু বৈশিষ্ট্য দেখা যায়। তেওঁলোকে বিন্দাচ ঘূৰি ফুৰে। ফোন মাৰে, কলেজ যায় আদি শব্দৰ ব্যৱহাৰেৰে মান্য ভাষাৰ গঠনৰ পৰাও আঁতৰি আহি ভাষাৰ এটি নতুন ৰূপ দিবলৈ অগ্ৰসৰ হৈছে।

দৰঙী ভাষা-ভাষী সকলে উল্লিখিত শব্দবোৰৰ উপৰিও খেতি-বাতি, তাঁতশাল, উৎসৱ, বাদ্যযন্ত্ৰ, ঘৰ-দুৱাৰ সজা, কাপোৰ কানি, অয়-অলংকাৰ আদি, খেল-ধেমালিৰ যিবোৰ শব্দ ব্যৱহাৰ কৰে সেইবোৰে ভাষাটোৰ শ্ৰীবৃদ্ধিত সহায় কৰিছে।

প্ৰতিটো জাতিৰে সংস্কৃতিৰ নিজা নিজা বৈশিষ্ট্য আছে। ই মানুহৰ হৃদয়ৰ সম্পদ। আধুনিক যুগত বহুতো মানুহে বাহিৰৰ সম্পদৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায় যদিও এটা সময়ত নিৰানন্দই তেওঁলোকক হতাশ কৰি তোলে। বাহিৰৰ সম্পদতকৈ নিজৰ অন্তৰৰ সম্পদত গুৰুত্ব দিলেহে শিপাৰ সন্ধান পাব পাৰি।

❐❐❐

প্ৰবন্ধ

# প্ৰাণীৰ আত্মৰক্ষামূলক বৰণীকৰণ

ড° লীনা শইকীয়া
সহযোগী অধ্যাপিকা, জীৱ বিদ্যা বিভাগ

আত্মৰক্ষামূলক বৰণীকৰণ (Protective Colouration) হ'ল পৰিৱেশৰ লগত প্ৰাণীৰ দেহৰ ৰং, ভাজ আদি মিলাই নিজকে শত্ৰুৰ পৰা ৰক্ষা কৰাৰ বাবে অৱলম্বন কৰা অভিযোজন। ই আকৌ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনে- আক্ৰমণাত্মক (aggressive) বৰণীকৰণ, লোভদায়ক (alluring) বৰণীকৰণ, বিপদ সংকেত (warning) বৰণীকৰণ, লিংগজনক (sexual) বৰণীকৰণ।

কিছুমান প্ৰাণীৰ দ্বাৰা দেহৰ অবয়ব, আঁচ আৰু ছাঁ আদিৰে নাইবা কিছুমান ৰঙৰ দাগ, আঁচ বা বিভিন্ন ৰঙৰ অসমান একো একোটা অংশৰে পৰিৱেশৰ লগত মিলি থাকি শত্ৰুক ঠগোৱা হয়। ফলস্বৰূপে প্ৰাণীবোৰক লৰচৰ নকৰা পৰ্য্যন্ত শত্ৰুৱে দূৰৰ পৰা চিনিব নোৱাৰে; যেনে মেৰু অঞ্চলত বাস কৰা ভালুক, শিয়াল, শহাপহু আদি বগা ৰঙৰ আৰু বৰফত ইহঁতক একে ৰঙৰ বাবে ধৰিব নোৱাৰি। বহুতো মৰুভূমীয় প্ৰাণীৰ বৰণ বালিৰ লগত মিলি থকাকৈ বা লুকাই থকাকৈ বালিয়া ৰঙৰ হয়। বহুতো চৰাইৰ কণীৰ ৰং মাটিৰ লগত আৰু সিঁচৰিত হৈ থকা শিলবোৰৰ ৰঙৰ লগত মিলি যায়। মাছ,পোক, পতঙ্গ আৰু সাপৰ কিছুমান প্ৰজাতিৰ আকৌ পাতল ৰঙৰ আঁচ, ডাঠ ৰঙৰ আঁচ এটাৰ পিছত আনটো থাকে আৰু এনে আঁচ থকা ধৰণৰ বাবে ইহঁত চৌদিশৰ পৰিৱেশত লৰচৰ নকৰা পৰ্য্যন্ত ধৰিব নোৱাৰা হৈ পৰে। সেইদৰে জেব্ৰাকো ঘূৰি ফুৰিলেহে সিংহ আৰু নাহৰফুটুকী বাঘে চিনি উলিয়াব পাৰে।

কিছুমান পখিলাৰ আৰু ম'থৰ পাখিৰ ভিতৰফালে বা ভিতৰৰ পাখিৰ ওপৰত সৰু চকুৰ দাগ দেখা যায়। এই চকুৰ দাগে ইহঁতৰ শত্ৰুৰ আক্ৰমণৰ সময়ত ভুলকৈ পৰিচালিত কৰে, অৰ্থাৎ পাখিৰ শেষ অংশত থকা এই চকুৰ দাগৰ বাবে চিকাৰীয়ে সেইফালে আক্ৰমণ কৰে। ফলত মথ আৰু পখিলাই পাখিৰ কিছু অংশ হেৰুৱায় যদিও উৰি গৈ শত্ৰুৰ হাতৰ পৰা ৰক্ষা পৰে। বহুত প্ৰজাতিয়ে আকৌ অপকাৰ নকৰা প্ৰজাতিৰ ভাও ধৰি চিকাৰ ধৰে।

আক্ৰমণাত্মক বৰণীকৰণৰ ক্ষেত্ৰতো চিকাৰ পৰিৱেশৰ লগত মিলি থাকে বাবে চিকাৰীয়ে ধৰিব নোৱাৰে। বহুতো সাগৰীয় চৰাই যেনে সাগৰীয় গাল আৰু গঙ্গা চিলনী পাখিৰ ৰং বগাৰ ওপৰত নীলা বা মটীয়া বৰণৰ। ইয়ে ইহঁতক ওপৰৰ পৰা চালে সাগৰৰ লগত আৰু তলৰ পৰা চালে আকাশৰ লগত মিলি থকা যেন লাগে। বহুতো মাছ যেনে নীলা মাছ (blue fish), মেকেৰেল (mackerel) ৰ ক্ষেত্ৰত এনে ধৰণে ৰং হয় বাবে জলচৰ প্ৰাণীবোৰে ধৰিব নোৱাৰে। আক্ৰমণাত্মক বৰণীকৰণৰ দ্বাৰা শত্ৰুকো ভয় খুউওৱা হয়। বহুতো ম'থ আৰু পখিলাৰ পাখিত ডাঙৰ দাগ একোটা বা চকুৰ দাগ থাকে যাক মেৰুদণ্ডী প্ৰাণীৰ চকু যেন লাগে। যেতিয়া ইহঁতে জিৰণি লৈ থাকে তেতিয়া ই ঠগায়। যেতিয়া ই আমনি বা কিবা বাধা পায় তেতিয়া এই চকুৰ দাগ প্ৰকাশ কৰি পাখি কেইখন লৰচৰ কৰে। এনেদৰে হঠাতে এই চকুৰ দাগ দেখি চৰাই আদিয়ে ভয় খাই আঁতৰি যায়। যেনে- কেটেডন (Chatedon) মাছৰ ক্ষেত্ৰত নেজৰ ওচৰত এটা ডাঙৰ চকুৰ দাগ (Eye spot) থাকে আৰু মূৰটোত চকুৰ ওপৰেদি এটা বা দুটা দেহটোত থকা ক'লা পথালিকৈ থকা বেগুকেৰৰ পাৰ হৈ যায়। মাছটোৱে নেজডাল

প্ৰথমে লৰাই বৰ লাহে লাহে সাঁতোৰে। যেতিয়া কিবা বিপদ দেখে, ই লগে লগে বিপৰীত দিশেৰে বেগাই নিৰাপদ ঠাইলৈ সাতোঁৰ দিয়ে। তাকী কুকুৰা চৰায়ে সিহঁতৰ মিলনৰ সময়ত পাখিবোৰ বহলাই মেলি আৰু ৰঙীণ ঠেং কেইখন মূৰত থিয়কৈ দাঙি ধৰে। যিয়ে ইয়াৰ প্ৰতিদ্বন্দ্বীক ভয় খুৱায়।

প্ৰলোভিত বৰণীকৰণত কিছুমান মাংসভোজী প্ৰাণী যেনে মকৰা আদিয়ে যি ফুলত জিৰণি লৈ থাকে সেই ফুলৰ নিচিনা ৰং লয়। ফলত ফুলৰ ৰেণু গোটাবলৈ বা মৌ চুহিবলৈ যোৱা পোক পতঙ্গবোৰ প্ৰলোভিত হৈ ঠগ খায় আৰু মকৰাৰ খাদ্য হৈ পৰে। আকৌ বিপদ সংকেত বৰণীকৰণত বিষাক্ত, অখাদ্য বা অস্বাদু প্ৰাণীৰ দেহত ডাঠ ৰঙা আৰু হালধীয়া ৰং বিপদৰ সংকেত দিয়া ৰং হিচাপে দেখা যায়। এনে ৰংবোৰে ইহঁতৰ ভয় লগা ৰূপটোকে প্ৰকাশ কৰে আৰু কেতিয়াবা অবিষাক্ত সাপৰো এনে ৰং হোৱাত সেই সুবিধাটো লয়। বৰলৰ শক্তিশালী শুংবোৰ হালধীয়া ক'লা আৰু ৰঙা ৰঙৰ। বেছিভাগ ৰঙীণ মকৰা বিষাক্ত। কিছুমান পখিলা, বিষাক্ত জেঠী- হেল'ডাৰ্মা পাঙ্কটেমাম আৰু টাইগাৰ চালামেণ্ডাৰ, এম্বাইচট'মা টাইগ্ৰি নামৰ চকুৰ পৰা বিপদ জাননী দিয়া বৰণৰ হয়। এনেকুৱা বিপদ সংকেত দিয়া ৰং থকা প্ৰাণীৰ ওচৰলৈ শত্ৰু আহিবলৈ সাহ নকৰে।

ভাও জোৰা বৰণীকৰণৰ ক্ষেত্ৰত আকৌ কোনো প্ৰাণীৰ ৰং আন নিৰ্জীৱ প্ৰাণীৰ লগত মিল থকা দেখা যায়।

চিনাক্তকৰণ বৰণীকৰণ হৈছে কিছুমান একে প্ৰজাতিৰ প্ৰাণীৰ ক্ষেত্ৰত চিনি উলিয়াব পৰা দাগ থাকে যাৰ দ্বাৰা এটাই আনটোক চিনিব পাৰে। বহুতো পোক-পতংগ,পখিলা, ম'থৰ ক্ষেত্ৰত এনে চকুত পৰা দাগ থাকে আৰু কেৱল উৰিলেহে এইবোৰ চকুত ধৰা পৰে। সাগৰীয় চৰায়ে উৰাৰ সময়ত এই দাগৰ পৰাহে ইহঁতৰ কণীবোৰ চিনিব পাৰে। মিলনৰ সময়ত বহুতো পোক-পতংগই পাখিৰ ৰঙৰ ওপৰত নিৰ্ভৰ কৰে। কোনো প্ৰজাতিৰ কেঁকোৰাৰ মতাই মাইকীক দেখিলে তাৰ উজ্জ্বল ৰঙীন হাতোৰাক চিগ্নেল হিচাপে জোকাৰি মিলনৰ বাবে আহ্বান জনায়।

প্ৰকৃততে বৰণীকৰণৰ তাৎপৰ্য হ'ল কোনো প্ৰাণীক সি বাস কৰা পৰিৱেশত বাস কৰিবলৈ বা তিষ্ঠি থকাত সহায় কৰিবলৈ যথেষ্ট অৰিহণা যোগোৱা। পেন্থাৰৰ জেব্ৰাৰ দৰে দাগ থকা ছালখনে তাক তাৰ পৰিৱেশত ঠগাবলৈ যথেষ্ট সহায় কৰে। জেব্ৰাও ৬ মিটাৰ দূৰত্বৰ পৰা অস্পষ্ট বা চিনিব নোৱাৰা হৈ পৰে সাধাৰণতে তিনিটা চৰ্তত দিন দুপৰতে মুকলি ঠাইত, জোনাক ৰাতি আৰু গছৰ ডাঠ আঁৰত আৰু সন্ধিয়া সময়ত ওচৰৰ পৰাই। এই বৰণীকৰণে প্ৰাণীক তাৰ শত্ৰুৰ পৰা বচোৱাত সহায় কৰে আৰু তাৰ বংশ বৃদ্ধি কৰাটো সহায় কৰে।

অৱশ্যে এইটো ঠিক যে যিবোৰ প্ৰাণীৰ ক্ষেত্ৰত এনে বৰণীকৰণৰ অভাৱ দেখা যায় সেইবোৰো জীয়াই থাকে। কিছুমান চৰাইৰ শক্তিশালী ঠোঁট আৰু নখ থাকে যাৰ বাবে শত্ৰুৰ পৰা নিজক বচাবলৈ বৰণীকৰণৰ প্ৰয়োজন নহয়। আকৌ তীব্ৰ দৃষ্টি সম্পন্ন শত্ৰুক এনে বৰণীকৰণৰ দ্বাৰা ঠগোৱা অসম্ভৱ, সিহঁতে খোৱাৰ ক্ষেত্ৰত খাদ্যৰ বিশেষ নিৰ্বাচন কৰে। আকৌ বেছিভাগ প্ৰাণী বৰণ দৃষ্টি সম্পন্ন নহয়। কিন্তু মৌমাখি আৰু চৰায়ে উৰি ফুৰোতে চিকাৰী দুয়োৰে বাবে অভিজ্ঞতা আৰু স্মৰণৰ প্ৰয়োজন হয় যিহেতু ক্ষতিহীন প্ৰাণীয়ে ক্ষতিকাৰকৰ ৰূপ লয়। আকৌ অদ্ভূত বৰণীকৰণেও নিৰাপদ বাবে নিশ্চিত কৰিব নোৱাৰে, কিয়নো সিহঁত গোন্ধ আৰু শব্দৰ দ্বাৰাহে চিকাৰ হয়। অৱশ্যে ইয়াৰ বাবে দৃষ্টি শক্তি থকাও আৱশ্যক।

যিয়েই নহওক বৰণীকৰণ প্ৰাণীৰ আত্মৰক্ষাৰ অভিযোজনৰ এটা কৌশল হিচাপে গণ্য কৰা হৈছে।

❑❑❑

প্ৰবন্ধ

# "পৃথিৱীৰ উন্মুক্ত পঢ়াশালিখন...."

ড° মুকুট শৰ্মা
সহকাৰী অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ

সাম্প্ৰতিক সময়ত তথ্য-প্ৰযুক্তিৰ ক্ষীপ্ৰ বিকাশ আৰু প্ৰসাৰে এক গুৰুতৰ পৰিৱৰ্তনৰ সূচনা কৰিছে আমাৰ সমাজ জীৱনত। সমান্তৰাল ভাৱে ইয়াৰ বিশেষ প্ৰভাৱ অনুভৱ হৈছে শৈক্ষিক ক্ষেত্ৰখনতো। আধুনিক প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষাৰ মান অধিক উন্নত কৰাৰ নিৰলস প্ৰচেষ্টা চলোৱা হৈছে বৰ্তমান সময়ত। অতি ক্ষীপ্ৰ যোগাযোগৰ মাধ্যমসমূহৰ পয়োভৰত বিশ্ব-ব্ৰহ্মাণ্ডৰ যিকোনো তথ্যই এতিয়া থাউকতে লাভ কৰিব পাৰি। মুঠৰ ওপৰত আজিৰ তাৰিখত কেৱল তথ্য-প্ৰযুক্তিৰ সহায় লৈয়েই শিক্ষাৰ্থীয়ে প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰিব পৰা ব্যৱস্থা এটাই গঢ় লৈ উঠিছে। এয়া নিশ্চয় ভালৰেই কথা। পিছে তথ্য-প্ৰযুক্তিয়ে ভৰপক দিয়াৰ এই সময়তেই আমাৰ মনত খুন্দিয়াইছেহি কেতবোৰ অইন চিন্তাইহে। এনে সময়ত আমাৰ চিন্তাক হয়তো 'নেতিবাচক' বুলিব পাৰি; কিন্তু ভূগোল বিষয়ৰ এগৰাকী শিক্ষক হিচাবে এই চিন্তাৰ প্ৰাসংগিকতা তথা সময়োপযোগীতা নিশ্চয় আছে বুলি মই ভাবো। মনলৈ প্ৰশ্ন আহিছে- এতিয়াৰ শিক্ষা ব্যৱস্থাই (অথবা সামাজিক অৱস্থাই) এগৰাকী শিক্ষাৰ্থীক সম্পূৰ্ণ শিক্ষা দিব পাৰিছেনে?

এই ক্ষেত্ৰত ভূগোল বিষয়ৰ আলম লৈয়েই আমাৰ মনত উদয় হোৱা কেইটামান কথা উনুকিয়াব বিচাৰিছো। পোনতে কওঁ সাধাৰণ দৃষ্টিত পৃথিৱীৰ উপৰিভাগৰ পাহাৰ-পৰ্বত, সমতল-মালভূমি, নদ-নদী, বিল, সাগৰ-মহাসাগৰ, দেশ-মহাদেশ আদিৰ গঠন, বিতৰণ, বিৱৰ্তনৰ লগত মানুহৰ কাৰ্যকলাপৰ আলোচনাই হ'ল ভূগোল বিজ্ঞান বিষয়টিৰ মুখ্য উপাদান। ইয়াৰ পৰাই বুজিব পাৰি যে ই এটা সম্পূৰ্ণ প্ৰকৃতিৰ সৈতে সংপৃক্ত হৈ থকা বিষয়। যাৰ বাবে ইয়াৰ প্ৰায়োগিক ক্ষেত্ৰখন হৈছে আমাৰ প্ৰাকৃতিক উপাদানসমূহ। কিন্তু বাস্তৱ ক্ষেত্ৰত এই উপাদানসমূহৰ সৈতে শিক্ষাৰ্থীৰ পোনপটীয়া সংযোগ নাথাকিলে সম্পূৰ্ণ শিক্ষা লাভত কিছু পৰিমাণে হ'লেও বাধাৰ সন্মুখীন হয়। অপৈণত বয়সৰ হেতু প্ৰাৰম্ভিক পৰ্যায়ত ভূগোল বিষয়টিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনত কিছু জটিলতাৰ সৃষ্টি কৰা দেখা যায়। পৃথিৱীৰ আকৃতি ঘূৰণীয়া, অসমত যেতিয়া দিন হয় আমেৰিকাত তেতিয়া ৰাতি হয়, ইংলেণ্ডত আবেলি ৩-০০ বজাত এখন ক্ৰিকেট খেল হ'লে আমাৰ ইয়াত কিমান সময় হ'ব ইত্যাদি ধাৰণাবোৰ কোমলমতীয়া ছাত্ৰ-ছাত্ৰীসকলে সহজতে বুজি পোৱাত অসুবিধা হয়। সেয়েহে এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰী সকলক বিষয়টিৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ উদ্দেশ্যে অতি সাৱধানে কিছুমান প্ৰাকৃতিক সমলৰ সহায় লোৱাটো শিক্ষক-অভিভাৱকৰ পক্ষে অতি আৱশ্যকীয়। এই কথাখিনিৰ আলোচনাৰ বাবে মোৰ কেইটামান অভিজ্ঞতা ইয়াতে উল্লেখ কৰিব বিচাৰিছো।

**১ম অভিজ্ঞতা ঃ** মই তেতিয়া ৮ম/৯ম মানৰ ছাত্ৰ। পৃথিৱীৰ উপৰিভাগৰ কিছুমান কাল্পনিক ৰেখাৰ ওপৰত ভিত্তি কৰি দেশ-মহাদেশ সমূহৰ অৱস্থান নিৰ্ণয় কৰা হয়। এই

ৰেখাবোৰক অক্ষৰেখা আৰু দ্ৰাঘিমা ৰেখা বুলি কোৱা হয়। পৃথিৱীৰ উত্তৰ আৰু দক্ষিণ দুই মেৰু বিন্দুলৈ সংযোগ কৰা কাল্পনিক ৰেখাবোৰক দ্ৰাঘিমা ৰেখা আৰু তেনেদৰে পূৱা-পশ্চিমাকৈ অৰ্থাৎ বিষুৱ ৰেখাৰ সমান্তৰালকৈ অংকন কৰা ৰেখাবোৰক অক্ষৰেখা বোলা হয়। যেতিয়া অক্ষৰেখাই পৃথিৱীৰ কেন্দ্ৰৰ লগত কৌণিক দূৰত্বৰ সৃষ্টি কৰে সেয়া হ'ল অক্ষাংশ। তেনেদৰে দ্ৰাঘিমা ৰেখাই যেতিয়া প্ৰাথমিক দ্ৰাঘিমা ৰেখা আৰু পৃথিৱীৰ কেন্দ্ৰৰ লগত যি কৌণিক দূৰত্ব তৈয়াৰ কৰে সেয়াই দ্ৰাঘিমাংশ। এতিয়া মোৰ মূৰ কামোৰণি উঠা সমস্যাটো উদ্ভৱ হ'ল তাতেই। কাৰণ বহু চেষ্টা কৰিও অক্ষাংশ আৰু দ্ৰাঘিমাংশ ধাৰণাটো আয়ত্ব কৰিব পৰা নাই। তেতিয়া মোৰ ডাঙৰ দাদা আহি মোক ক'লে— তই বাৰিৰ পৰা এটা ৰবাব টেঙা লৈ আহ। ময়ো তৎক্ষণাৎ তেওঁৰ কথা মতে টেঙাটো চিঙি আনিলো। দাদাই টেঙাটো কটাৰি এখনেৰে সোঁ মাজেৰে সমানে দুচোৰা কৰিলে। তাৰ পাচত মোক দেখুৱালে চোৰা এই টেঙাটোৰ কোঁহবোৰৰ কাৰণে কিছু অন্তৰে অন্তৰে একোটাকৈ দাগ সৃষ্টি কৰিছে আৰু সেইবোৰ আহি টেঙাটোৰ সোঁমাজত একেলগ হৈছে। এইবোৰৰ দৰেই অক্ষাংশবোৰ আমাৰ পৃথিৱীৰ কেন্দ্ৰলৈ কল্পনা কৰিব পাৰি। লগে লগে মোৰ অক্ষাংশৰ ধাৰণাটো পৰিষ্কাৰ হৈ গ'ল।

**২নং অভিজ্ঞতা ঃ** পৃথিৱী যে ঘূৰণীয়া তাৰ এটা প্ৰমাণ হ'ল দিগন্ত ৰেখাই যেতিয়া পৃথিৱী চুই থাকে সেয়াও ঘূৰণীয়া। এই ব্যাখ্যাটোও মই ভালদৰে বুজি নাপাই দাদাই ওচৰলৈ দৌৰ দিলো। দাদাই ক'লে তুমি পথাৰৰ একেবাৰে মাজলৈ যাবা আৰু তাত গৈ আকাশখনে চাৰিওফালে চুই থকা একেবাৰে শেষ অংশটোলৈ ভালদৰে চাবা। ময়ো দৌৰি গৈ পথাৰ পালোগৈ আৰু যিমান পাৰি মাজ অংশলৈ গ'লো। অসুবিধা একো নাছিল কাৰণ ফাগুন-চ'ত মাহৰ উদং পথাৰ। মই আনন্দত আত্মহাৰা হৈ গ'লো আচৰিত। এয়া চাৰিওফালে আকাশখনে চুই থকা দৃশ্য সঁচাকৈ ঘূৰণীয়া বৃত্তাকাৰ। শেষত গোটেই পথাৰখনেই মোৰ গোলাকাৰ লাগি গ'ল। দাদাক আহি মই কব নাপালোৱেই মোৰ মুখ দেখিয়েই বুজি পাই দাদায়ো হাঁহিছিল।

**৩য় অভিজ্ঞতা ঃ** কলেজৰ উচ্চতৰ মাধ্যমিক শাখাৰ দ্বিতীয় বৰ্ষৰ ক্লাছ এটাত পাঠদান কৰি আছো। বিষয় হৈছে মাটিৰ গঠন আৰু প্ৰস্বেদন (Soil profile)। ছাত্ৰ-ছাত্ৰী সকলে মাটিৰ গঠন সম্পৰ্কে বুজি পাইছে কিন্তু মাটিৰ প্ৰস্বেদনটো ভালদৰে আয়ত্ব কৰিব পৰা নাই। মই এটা উদাহৰণ দিলো- তোমালোকে কেতিয়াবা ঘৰত খন্দা খাল বা পুখুৰী দেখিছানে? এই খাল বা পুখুৰী যেতিয়া শ্ৰমিকে কোৰৰ দ্বাৰা খান্দে তেতিয়া খালটোৰ ভিতৰৰ পৰা ইয়াৰ চাৰিওটা ঢাপত ওপৰৰ পৰা তললৈ কিছু ব্যৱধানত কিছুমান সাঁচ দেখিবলৈ পোৱা যায়। এই সাঁচবোৰেই মাটিৰ প্ৰস্বেদন— অৰ্থাৎ স্তৰ। মাটিৰ একেবাৰে ওপৰ অংশ কোমল মাটিৰ ৰং সাধাৰণতে বগা, তাৰ পিছত ধোঁৱা বৰণীয়া, ৰঙচুৱা আদি ধৰণৰ একো একোটা নিৰ্দ্দিষ্ট তৰপ পোৱা যায়। এই দৃশ্য দেখাৰ অভিজ্ঞতা কাৰোবাৰ হৈছে নেকি? উত্তৰ কোনো এজনৰ পৰা পোৱা নহ'ল। কাৰণ বৰ্তমান খাল-পুখুৰী আদি জে.চি.বি. ৰ দ্বাৰা খন্দা হয় বা বনুৱাই খান্দিলেও কোনেও তাত গৈ চোৱাৰ কোনো ইচ্ছা নাথাকে। এয়েই পৰিবৰ্তন। হঠাৎ মনটো তাহানিৰ কৈশোৰৰ সেই সোণোৱালী দিনবোৰলৈ উভতি গ'ল। যেতিয়া বিহাৰী শ্ৰমিক সকলে গাঁৱে গাঁৱে কোৰ আৰু টুকুৰী লৈ খাল, পুখুৰী খান্দিবলৈ আহিছিল। আমাৰ কিমান যে স্ফূৰ্তি! খন্দা হোৱা খালবোৰত নামি বিভিন্ন খেল-ধেমালি কৰা আৰু মসৃণ খালৰ ঢাপবোৰ চুই

চাই আনন্দত আত্মহাৰা হোৱা সেই দিনবোৰ সঁচাই আজি এক নষ্টালজিয়া। এয়াই আছিল বোধৰ প্ৰকৃতিৰ শিক্ষা। যাক আমি হয়তো জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম।

আজি কালিৰ শিক্ষা ব্যৱস্থাৰ যি দ্ৰুত বিকাশ তাত কোনো ছাত্ৰই বোধহয় পথাৰৰ মাজলৈ গৈ, ৰবাব টেঙা কাটি বা খালৰ ভিতৰৰ মাটিৰ স্তৰ অধ্যয়ন কৰাৰ সুবিধা নাপায়। তেওঁলোকে শ্ৰেণীকোঠাৰ পৰা ওলাই আহি "Internet, whats aap" আদিৰ জৰিয়তেই লাগতিয়াল তথ্য জ্ঞান আদি আহৰণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে এনেকুৱা এটা অৱস্থাৰ সন্মুখীন হৈছে মূলত সময়ৰ আহ্বানত। তেওঁলোকক তাৰ কাৰণে কোনো ক্ষেত্ৰত জগৰীয়া কৰিব নোৱাৰি। কিন্তু ভবাৰ অৱকাশ থাকে শিক্ষা আহৰণৰ দ্বাৰা তেওঁলোকে কিমান আত্মসন্তুষ্টি বা আনন্দ লাভ কৰিছে তাত।

ওপৰোক্ত অভিজ্ঞতাৰ দ্বাৰা এইটোকে প্ৰতিয়ন কৰিব পাৰি যে আজিৰ পৰা দুই-তিনি দশক আগলৈকে ছাত্ৰ-ছাত্ৰী সকলে (বিশেষকৈ গ্ৰামাঞ্চলৰ) পৰিৱেশৰ পৰা যথেষ্ট জ্ঞানৰ সমল লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু বৰ্তমান সেই ৰামো নাই, অযোধ্যাও নাই। তথাপিতো আজিৰ অভিভাৱক, শিক্ষকসকলে উঠি অহা প্ৰজন্মক তেনেদৰে শিক্ষা দিলে নিশ্চয়কৈ এক যোগাত্মক দিশৰ সূচনা হ'ব। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে লাগতিয়াল শিক্ষা আহৰণ কৰাৰ উপৰিও আমাৰ চৌপাশৰ পৰিবেশৰ বিষয়ে এক সুস্থ ধাৰণা গঢ় লৈ উঠিব আৰু ইয়াৰ সংৰক্ষণত তেওঁলোকে মনোনিবেশ কৰাত সুবিধা হয়। আশা কৰো নব্য প্ৰযুক্তি বিদ্যাৰ বলেৰে বলীয়ান হৈ উঠি অহা প্ৰজন্মই পৃথিৱীৰ উন্মুক্ত পঢ়াশালিখনৰপৰাও সমান্তৰালভাৱে জ্ঞান আহৰণ কৰিব; যাৰ জৰিয়তে সমাজখনে ভৱিষ্যতলৈও প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত কিছু হ'লেও অৰিহণা আগবঢ়াব।

❑❑❑

প্ৰবন্ধ

# 'বিপ্লৱী নায়ক ঋষি অৰবিন্দ'

মৌচুমী কংস বণিক
সহকাৰী অধ্যাপক, বাংলা বিভাগ

"দেৱতাৰ দীপ হস্তে আসিল ভবে সেই ক্ষুদ্র দূতে, বলো, কোন ৰাজা কবে পাৰে শাস্তি দিতে, বন্ধন শৃঙ্খল তাৰ-চৰণ বন্দনা কৰি কৰে অভ্যৰ্থনা—"

কবি গুৰু ৰবীন্দ্ৰনাথ যাক উদ্দেশ্য কৰি এই প্ৰশস্তি ৰচনা কৰিছিল, তেওঁ হ'ল ঋষি, অগ্নিযুগৰ বিপ্লৱৰ নায়ক, দাৰ্শনিক এবং সিদ্ধ যোগী শ্ৰীঅৰবিন্দ। প্ৰথম জীৱনত তেওঁ সশস্ত্ৰ সংগ্ৰামৰ সপক্ষে থিয় দি বহুতো দুঃসাহসিক অভিযানত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিছিল, পৰৱৰ্তী কালত তেওঁ অধ্যাত্ম সাধনাৰ প্ৰতীক হৈ লোকচক্ষুৰ অন্তৰালত দীৰ্ঘদিন অতিবাহিত কৰিছিল, পণ্ডিচেৰীত স্থাপন কৰিছিল বিশ্বজনীন মানৱধৰ্মৰ এক মহান কেন্দ্ৰ তেওঁ হ'ল ঋষি অৰবিন্দ।

অৰবিন্দৰ দেউতাক ড০ কৃষ্ণধন ঘোষ ইয়ং বেঙ্গলৰ উত্তৰ সাধক আছিল। বংগদেশৰ বুকুত যি নৱজাগৰণৰ সূত্ৰপাত হৈছিল, সাংস্কৃতিক চেতনা আৰু ৰাজনৈতিক আৰ্বতত যেতিয়া বংগদেশ সমগ্ৰ ভাৰতবৰ্ষৰ পথ প্ৰদৰ্শক হৈ উঠিছিল। এফালে প্ৰাচ্য সভ্যতাৰ আদৰ্শ, আনফালে পাশ্চাত্য সভ্যতাৰ বাস্তৱতা—এই দুয়োৰে সংমিশ্ৰণ ঘটিছিল 'বাঙালী' মননৰ চিন্তাধাৰত, কৃষ্ণধন ঘোষ আছিল এই ঐতিহ্যবাহী মানবিকতাৰ প্ৰতিভূ। অৰবিন্দৰ মাক স্বৰ্ণলতা দেৱী আছিল মনীষী আৰু স্বাধীন ভাৰতৰ মন্ত্ৰদ্ৰষ্টা ৰাজনাৰায়ণ বন্ধুৰ কন্যা। পিতা-মাতা আৰু ককাৰ পৰা উত্তৰাধিকাৰ সূত্ৰত অৰবিন্দই আয়ত্ব কৰিছিল স্বদেশপ্ৰেম, স্বাজাত্যাভিমান আৰু দীপ্ততীক্ষ্ণ পৌৰুষৰ লগত তীব্ৰবুদ্ধিৰ বহিঃ প্ৰকাশ। ১৮৭২ চনৰ ১৫ আগষ্ট কলিকতাত তেওঁৰ জন্ম হয়। সৰুৰে পৰাই অৰবিন্দ পাশ্চাত্য শিক্ষাৰ মাজতে ডাঙৰ হৈছিল। পাঁচ বছৰ বয়সতে তেওঁক কনভেণ্ট স্কুলত ভৰ্তি কৰা হৈছিল। ছাত্ৰ হিচাবে অৰবিন্দ আছিল অসাধাৰণ। তেওঁ ধুনীয়াকৈ ইংৰাজী উচ্চাৰণ কৰিব পাৰিছিল। তেওঁৰ আছিল তীক্ষ্ণ স্মৰণ শক্তি। ১৮৭৯ চনত সাত বছৰৰ অৰবিন্দ বিলাতত গৈছিল শিক্ষা লাভৰ উদ্দেশ্যত। বিলাতত অৰবিন্দ লেটিন, ইংৰাজী ইত্যাদি ভাষাত বুৎপত্তি লাভ কৰিছিল। স্কুলৰ শেষ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ তেওঁ বাৰ্ষিক ৮০ পাউণ্ড বৃত্তি লাভ কৰে। বৃত্তিৰ চৰ্ত অনুযায়ী তেওঁ কেমব্ৰিজত ভৰ্তি হ'ল। টাইপস পৰীক্ষাত অৰবিন্দ প্ৰথম স্থান অধিকাৰ কৰিছিল। ১৮৯০ চনত তেওঁ আই.চি.এচ. পৰীক্ষা দিলে আৰু সেই পৰীক্ষাত ৪ৰ্থ স্থান অধিকাৰ কৰে। অৰবিন্দ এই পৰীক্ষাত পাছ কৰিও চৰকাৰী চাকৰি কৰিব বিচৰা নাই কাৰণ তেতিয়া তেওঁৰ অন্তৰত স্বাধীন ৰাজনৈতিক ভাৱনাৰ স্ফুৰণ ঘটিছে। তেওঁ প্ৰথম ভাৰতীয় যিজনে নিজৰ ইচ্ছাত আই.চি.এচ. ৰ প্ৰলোভন ত্যাগ কৰিছিল।

ইংলেণ্ডত থকাৰ সময়ত অৰবিন্দৰ ভাব জগতত পৰিবৰ্তন ঘটিছিল। তেওঁৰ বিশ্বাস আছিল যে, এদিন এই পৃথিৱীত সাম্যবাদী সমাজ স্থাপিত হ'ব। তেওঁ দেউতাকৰ চিঠি আৰু বাতৰি কাকতৰ পৰা গম পালে যে পৰাধীন ভাৰতবৰ্ষৰ জনদৰ্শনৰ উপৰত বৃটিছ শোষণ আছিল হৃদয়হীন। ভাৰতত প্ৰতিমুহূৰ্তত ইংৰাজৰ হাতত দেশীয় মানুহ অপমানিত হৈছিল। এইবিলাক ঘটনাৰ কথা জানি তেওঁৰ মনত বৃটিছ বিৰোধী মনোভাৱ জাগ্ৰত হয়।

মাতৃভূমি ভাৰতবৰ্ষৰ পৰাধীনতাৰ যন্ত্ৰণা দূৰ কৰাৰ কথা তেওঁ চিন্তা কৰিছিল। কেমব্ৰিজত ছাত্ৰাৱস্থাত তেওঁ ভাৰতীয় ছাত্ৰবিলাকৰ 'সমিতি' গঠন কৰি সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ

কৰে আৰু তাত তেওঁ দেশপ্ৰেমমূলক ভাষণ দিছিল য'ত নিহিত আছিল বিপ্লৱৰ সুৰ। আই. চি. এচ. নোহোৱাৰ বাবে দেউতাকে তেওঁক পইচা দিয়া বন্ধ কৰি দিয়ে। অৰবিন্দৰ সন্মুখত তেতিয়া অনিশ্চয়তাৰ আন্ধাৰ। ১৯১৯ চনত বৰোদাৰ মহাৰাজ উচ্চ শিক্ষাৰ কাৰণে লণ্ডনলৈ গৈ অৰবিন্দক তেওঁ ব্যক্তিগত সচিব হিচাবে নিযুক্তি দিলে। পিছত অৰবিন্দ মহাৰাজৰ লগত বৰোদাত আহি বৰোদা কলেজত ইংৰাজীৰ অধ্যাপক পদত নিযুক্ত হ'ল আৰু মাত্ৰ ২৩ বছৰ বয়সত ১৮৯৫ চনত বৰোদা কলেজত ভাইস প্ৰিন্সিপাল হৈছিল।

ভাৰতবৰ্ষত আহি অৰবিন্দই অনুভৱ কৰিলে যে ভাৰতীয় ভাষা আয়ত্ব কৰিব লাগিব। তেওঁ গুজৰাটি, মাৰাঠী ভাষা আয়ত্ব কৰিছিল। বাংলাভাষা নতুনকৈ শিকিব লগা হৈছিল কাৰণ বিদেশত থকা অৱস্থাত তেওঁৰ বাংলা ভাষাৰ লগত কোনো সম্পৰ্ক নাছিল। তেওঁ বঙ্কিমচন্দ্ৰ আৰু স্বামী বিবেকানন্দৰ লেখা পঢ়িবলৈ ল'লে। এজনৰ লেখাত তেওঁ পালে অনুপ্ৰেৰণা দেশ প্ৰেমত উদ্বুদ্ধ হোৱাৰ কাৰণে, আনজনৰ লেখাৰ মাধ্যমেৰে তেওঁৰ চিৰন্তন ভাবাত্মাৰ লগত পৰিচয় ঘটিল। পৰৱৰ্তী কালত 'হিন্দু প্ৰকাশ' সংবাদ পত্ৰত তেওঁ উদ্দীপনাময় ভাষাত দেশাত্মবোধক প্ৰবন্ধ লিখিবলৈ ল'লে।

১৮৮৫ খ্ৰীঃত জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল। গোপাল কৃষ্ণ গোখলে, সুৰেন্দ্ৰ নাথ বন্দোপাধ্যায়, মদন মোহন মালব্য কংগ্ৰেছত যোগ দিছিল। তেতিয়া কংগ্ৰেছে ইংৰাজৰ ওচৰত আবেদন-নিবেদন নীতি প্ৰয়োগ কৰিছিল। অৰবিন্দই এই নীতি সমৰ্থন কৰিব পৰা নাছিল। তেওঁ আৰম্ভণিৰ পৰা সৰ্বাত্মক বিপ্লৱৰ মতবাদত বিশ্বাসী আছিল। এই সময়ত অৰিবন্দৰ জীৱনত এটা যুগান্তকাৰী পৰিবৰ্তন ঘটে। তেওঁ ১৩ বছৰ পিছত বৰোদাৰ পৰা কলিকতাত আহিল, বঙ্গবিভাজন বিৰোধী আন্দোলনত যোগদান কৰে। যাদৱ পুৰত স্থাপিত হ'ল 'বাংলা জাতীয় বিদ্যালয়'। এই বিদ্যালয়খনৰ দায়িত্ব ভাৰ অৰবিন্দৰ উপৰত অৰ্পণ কৰা হ'ল। 'বন্দেমাতৰম' পত্ৰিকাত প্ৰবন্ধ লিখি তেওঁ কাৰাৰুদ্ধ হ'ল কিন্তু শেষত প্ৰমাণৰ অভাৱত তেওঁ মুক্তি লাভ কৰে। ১৯০৮ খ্ৰীষ্টাব্দত অৰবিন্দ আৰু ৪৭ জন বিপ্লৱীক ইংৰাজ চৰকাৰৰ বিৰুদ্ধেও ষড়যন্ত্ৰ আৰু ধ্বংসাত্মক কাৰ্যকলাপৰ অভিযোগত গ্ৰেপ্তাৰ কৰে আৰু গোচৰ আৰম্ভ হয়। আদালতত মামলাৰ শুনানিত অৰবিন্দই কৈছিল— "আমি দেশে স্বাধীনতাৰ আদৰ্শ প্ৰচাৰ কৰিছো। এই কাজ যদি আইন বিৰুদ্ধ হয়, তেনেহ'লে আমি স্বীকাৰ কৰছি যে, আমি দোষী"। দেশবন্ধু চিত্তৰঞ্জনৰ পৰিচালনাত অৰবিন্দ গোচৰৰ বিচাৰত নিৰ্দোষী প্ৰমাণিত হয়।

পৰৱৰ্তী কালত তেওঁ 'কৰ্মযোগিন' নামে ইংৰাজী পত্ৰিকা সম্পাদনা কৰে। ক্ৰমে চিন্তাৰ পৰিবৰ্তনৰ ফলত তেওঁৰ মনত আধ্যাত্মিক ভাৱনাৰ উদয় হয়। ১৯১০ চনত অলক্ষিতে, সকলৰ অগোচৰত তেওঁ চন্দন নগৰত গ'ল তাৰ পৰা গ'ল দক্ষিণ ভাৰতৰ পণ্ডিচেৰীত। তেওঁৰ জীৱন তেতিয়া সম্পূৰ্ণভাৱে আধ্যাত্মিক সাধনাত নিয়োজিত আৰু তেতিয়া 'ঋষি অৰবিন্দ' নামত বিশ্ব বিখ্যাত হয়। দেশবাসীয়ে এক নতুন অৰবিন্দক পালে। অৰবিন্দই কৈছিল —"যুগ যুগান্তৰ ভাৰতমৰে নি, তাৰ সৃষ্টিৰ শেষ কথা এখনও বলা হয়নি, সে বেঁচে আছে নিজেৰ জন্য নয়, সমগ্ৰ পৃথিৱীৰ জন্য।"

১৯৫০ চনৰ ৫ ই ডিচেম্বৰত পণ্ডিচেৰীত মহাযোগী অৰবিন্দৰ মহাপ্ৰয়াণ ঘটে। তেওঁ প্ৰথম জীৱনত আছিল মহাবিপ্লৱী, সশস্ত্ৰ পন্থাত ভাৰতৰ বুকুত বিপ্লৱৰ সূচনা কৰিছিল। পৰৱৰ্তী কালত হৈ উঠিছিল আধ্যাত্মিক জগতৰ মধ্যমণি। বিশ্বব্যক্তিত্বৰ ইতিহাসত এয়া এক অবিস্মৰণীয় ঘটনা। এই মহাপুৰুষ জনাক অন্তৰৰ গভীৰ শ্ৰদ্ধা জনাই ৰবীন্দ্ৰ নাথে লিখিছিল—

"অৰবিন্দ, ৰবীন্দ্ৰেৰ লহ নমস্কাৰ
হে বন্ধু, হে দেশবন্ধু, স্বদেশ আৰ তাৰ
বাণী মুক্তি তুমি।"

❑❑❑

Article

# Indo-China Relations- Past, Present and Future

**Fajrin Zinnat Fayjie**
**4th Semester, B.A.**

The Peoples Republic of China and India are two neighboring countries. Both of these two has rich cultural heritage, were homes of ancient civilizations. While China has the highest population of the world, India is second to China in respect of population. Both of these two countries are attraction for the world's modern economic giants as two lucrative markets. While China has permanent membership in the Security Council of UNO, which India does not. These two countries shares common boarders of 3380 KM. These two Countries are rapidly growing economy of the world. While China is the largest communist country of the world, India is the largest democracy of the world. Having these phenomena in the background this neighborhood of these two countries has grown Economic, religious, political relation. Both of them benefitted by each other and at the same time have been confronting clash of interests also. Thus, the international relation between these two countries is sweet and sour since remote past and is a matter of focal attention and grave concern of the observers of International relation in recent times.

Buddhism entered into China in the Third century BC during the rule of Han Empire. Later within thirteen century AD several hundred pilgrims visited India. Some of them came to study in the Indian Universities, Nalanda being the prominent among them. Among them Fa-hien(AD 399-412), Hiuen Tsang(AD 630-644), I Ching(673-685) left important account on India and on their stay here. These Pilgrims brought scriptures from India to China. Some Sanskrit scriptures were translated. Through these religious contact society and culture of China was deeply influenced. Huge numbers of Buddhist sculpture were created. Scholars opine that the Pagodas in China, the Chinese martial art, particularly the Shaolin Kung Fu, the Acupuncture system of treatment, traditional Chinese herbal medicine bear Indian influence.

The silk Road served as a major trade route between India and China. During the 19th century, China's growing opium trade with the British Raj triggered the first and second opium wars.

Relations between contemporary China and India have been characterized by border disputes, resulting in three military conflicts- the Sino- Indian war of 1962, the Chola incident in 1967 and the 1987 Sino-Indian Skirmish. The two neighbours fought a short border war in 1962 and since then, although much water has flowed down the Yangtze, a sense of mistrust has consistently dogged their bilateral ties. Both countries have successfully rebuilt diplomatic and economic ties since the late 1980s. In 2008,

China became India's largest trading partner and the two countries have also extended their strategic and military relations.

India faces trade imbalance heavily in favour of China and the two countries failed to resolve their border dispute. India remains wary about china's strong strategic bilateral relation with Pakistan. Several issues have played India China relations through the past year. The most important of them concerned the emergence of Jammu and Kashmir as a new issue area between the two. The Chinese decision to provide stapled visas for Indians from the state of Jammu and Kashmir has become a major diplomatic problem. Rivalry in the oil sector between these two developing giants is aggressive.

China has acknowledged after being in denial for many years, that it is constructing a hydro-power plant on the Tsangpo or the Brahmaputra and is also planning other project, Chinese and India relations continued to deteriorate during the rut of the 1960s and the early 1970s in opposite proportions to the warming Chinese and Pakistani relations. The crisis came when China backed Pakistan in its 1965 war with India.

A more genuine warming in relations was made possible by Rajib Gandhi's visit to China in December 1988 after Nehru's visit in 1954. In an agreement in 1954, the famous Panchsheel principle of international diplomacy, an Indian formulation, was formally codified. The two governments agreed the bold annual diplomatic consultations between their respective committee on economic and scientific Cooperation and establish a joint working group on finding a solution to the boundary issue. This was confined by the December, 1991 visit of Chinese premier Lipeng to India and the May 1992 reciprocal visit to China of Indian president Ramaswami Venkataraman. Good relations and mutual confidence were high on the agenda when during Sharad Pawar's July 1992 visit to Beijing, the two militaries agreed to develop not only academic, scientific and technological exchanges but also military exchanges. Atal Behari Vajpayee to China in June 2003 during which prime minister Vajpayee and China premier Wen Jiabao signed a Declaration on co-operation as well as nine protocols on bilateral co-operation. The two leaders reaffirmed their commitment of 1993 and 1996 to maintaining peace and tranquility along the border and to take steps codify the line of actual control. Following the change of government in India from May 2004 onwards, the leaders of both countries have met again several times in the bilateral summit in New Delhi in April 2005. In April 2011, during the BRICS summit in Sanya, Hainan, China, the two countries agreed to restore defense co-operation.

Recently the Doklam standoff has again embittered the relation between the countries. In spite of all those, both countries have in recent times tried and accomplished to fuse diplomatic and economic ties and the two countries relations are expected to become closer in the present day. Japan is seen as a rival for both China and India. Present day Sino-Indian relations stand at a crossroads. On one hand there is growing military and economic competition while

on the other there is increasing co-operation.

Though relations between these two Asian behemoths warmed up, after the visit of the Chinese president Xi Jingping to India in September, 2014 and the visit of Indian Prime Minister Narendra Mohi to China in May, 2015, the relations have once again hurtled downfall as they pursue their foreign policy agendas. China has agreed to import rice, non-leasmenti and basmati varieties from seventeen registered mills in India. These mills are in Punjab, Haryana, Uttar Pradesh and Madhya Pradesh. The sixth edition of India-China joint Training Exercise "Hand in Hand 2016" was held in Pune, Maharashtra.

The unresolved "border issue" has always been a thorn in Sino-Indian relations. Tibet has always been the core issue in Sino-Indian relations. Arunachal Pradesh inhabited by Moinbas, Lhohas and Daibameis is controlled by India and claimed by China. A major part of the state, formerly called the North-East frontier Agency is disputed by China as the legality of the Simla Accords is not recognized by it. Tawang came under Indian administration, but China has not relinquished its claims on most of Arunachal Pradesh including Tawang, Aksai Chin is one of the two main disputed border areas between China and India, the other bezing part of Arunachal Pradesh. In 1962, China and India fought a brief war over Aksai Chin and Arunachal Pradesh, but in 1993 and 1996, two countries signed agreements request the line of Actual Control. The Shaksgam Valley is controlled by China and claimed by India. Conflict between the two countries started again when India gave shelter to Dalai Lama because Dalai Lama was demanding sovereignty of Tibet which is denied by china. The McMahon Line was part of the 1914 Simla convention between British India and Tibet, an agreement rejected by China. The 1962 Sino-Indian war was fought in both of these areas. An agreement to resolve the dispute was concluded in 1996 including "confidence building measures" and a mutually agreed line of actual control. In 1950 s Jawaharlal popularized a slogan Hindi-Chini Bhai-Bhai to applause China.

There is a positive future for the bilateral relationship because the two countries share many common interests in a wide variety of areas. Both countries face similar problems in domestic economic and social development and can share the experiences and support. As developing countries, China and India can strengthen co-ordination in global institutions to protect their national interests. The key to achieving this partnership is to abolish both the cold war mentality and the concept of sphere of influence. Upgrading the current Sino-Indian strategic and Economic dialogue meetings to a higher level, strengthening co-ordination and communication in regional and global institution, nurturing a more positive image of each other both in government and society are important measures. To achieve a fully co-operative relationship, both countries must demonstrate the political will to re-assess and re-configure the narrative that defines it.

❑❑❑

প্ৰবন্ধ

# মংগলদৈ কলেজ ছায়েন্স ফ'ৰাম, জ্ঞান অন্বেষণৰ বাট পোনায়....

ধনজিতা দাস
ষষ্ঠ ষাণ্মাসিক, স্নাতক, বিজ্ঞান

"One person can make a difference and everyone should try"
—J.F. Kennedy.

কেনেডীয়ে কোৱাৰ দৰে difference বা পৰিৱৰ্তনৰ এটা যি ধাৰণা সেইটো আনিছিল ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত সেই সময়ত মংগলদৈ মহাবিদ্যালয়ত বিজ্ঞান শাখাত অধ্যয়নৰত কেই গৰাকী মান ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনৰ বিজ্ঞান শাখাৰ আটাইবোৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সমূহীয়া সংগঠন এটাৰ জন্ম দি। সেই সময়ৰ ছাত্ৰ গৌতম কুমাৰ দাস, দীপা শৰ্মা, দিব্যজ্যোতি ডেকা আদিয়ে চিন্তা-চৰ্চা কৰি ছাত্ৰ-ছাত্ৰীসমূহৰ উমৈহতীয়া সংগঠন অৰ্থাৎ মংগলদৈ কলেজ ছায়েন্স ফ'ৰাম গঠনৰ উদ্দেশ্যে সেই বছৰ ২১ ফেব্ৰুৱাৰী তাৰিখে এখন সভা আহ্বান কৰে। বিজ্ঞানৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থকা উক্ত সভাখনত সভাপতিত্ব কৰে সেই সময়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী ড° ৰাণু চৌধুৰীয়ে আৰু উপস্থিত থাকে আন অধ্যাপক-অধ্যাপিকা দীপাৰাণী দেৱী, প্লাৱিতা পাটোৱাৰী, ড° কমলা কান্ত বৰা আদি। উক্ত সভাখনতে মংগলদৈ কলেজ ছায়েন্স ফ'ৰাম গঠনৰ সিদ্ধান্ত গৃহীত হৈছিল। সেই মৰ্মে ফ'ৰামৰ দুখন সমিতি গঠিত হৈছিল- এখন পৰামৰ্শ সমিতি আনখন কাৰ্যকৰী সমিতি। পৰামৰ্শদাতা সমিতি খনত অধ্যক্ষ প্ৰমুখ্যে সকলো অধ্যাপক-অধ্যাপিকা অন্তৰ্ভুক্ত আছিল আৰু কাৰ্যকৰী সমিতিখনত ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা সভাপতি নিৰ্বাচিত কৰা হৈছিল পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ অবিনাশ বৰুৱা, সম্পাদক প্ৰাণী বিজ্ঞানৰ ছাত্ৰ গৌতম কুমাৰ দাস, উপ-সভাপতি প্ৰাণী বিজ্ঞানৰ ছাত্ৰ কৌশিক জ্যোতি নাথ আৰু সহঃ সম্পাদিকা ৰসায়ন বিজ্ঞানৰ ছাত্ৰী প্ৰিয়ংকা চহৰীয়াক।

**লক্ষ্য-উদ্দেশ্য ঃ**

সংগঠনটোৰ প্ৰধান উদ্দেশ্য সমূহ হ'ল-

(১) মংগলদৈ তথা দৰং জিলাৰ বিজ্ঞান শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অৰিহণা আৰু সজাগতাৰ সৃষ্টি কৰা।

(২) ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰা, বৈজ্ঞানিক মনোভাৱ জাগ্ৰত কৰা।

(৩) ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৃষ্ট কৰি শৈক্ষিক, বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধন কৰা।

(৪) সমাজৰ পৰা দুৰ্নীতি, অন্ধবিশ্বাস আদি আঁতৰাই এখন সুস্থ সবল আৰু শিক্ষিত সমাজ গঢ়ি তোলাৰ প্ৰয়াস কৰা।

**কাৰ্য ঃ**

বিজ্ঞানৰ জ্ঞান-অন্বেষণৰ অবিৰত যাত্ৰাত যোগ দি কিঞ্চিৎ কাম কৰাৰ উপযুক্ত সুযোগ বা "Plat-form" হৈছে, মংগলদৈ কলেজ ছাত্ৰ ফ'ৰাম। আৰম্ভণীৰ সময়ছোৱাত বিত্ত অহাৰ কোনো থল নথকাত উদ্যমী উদ্যোক্তা সকলে সদস্য সকলৰ পৰা আৰু মহাবিদ্যালয়ৰ কিছু সংখ্যক অধ্যাপক-অধ্যাপিকাৰ পৰা ধন সংগ্ৰহ কৰি ২০১৪ চনৰ ৫জুন তাৰিখে 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰে। উক্ত দিনা পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মংগলদৈ অঞ্চলৰ বিভিন্ন বিদ্যালয়-প্ৰতিষ্ঠানৰ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু বঁটা বিতৰণেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

২০১৫ বৰ্ষত মংগলদৈ কলেজ ছাত্ৰ ফ'ৰাম কাৰ্যকৰী সমিতিৰ সভাপতি আৰু সম্পাদকৰ দায়িত্ব ভাৰ বহন কৰে ক্ৰমে গৌতম কুমাৰ দাস আৰু ৰসায়ন বিজ্ঞান বিভাগৰ খনীন্দ্ৰম বৰুৱাই। উক্ত সমিতিখনে সেই বছৰৰ ১ছেপ্টেম্বৰত "DBT Star College Scheme" ৰ অৰ্থ সাহায্যত মহাবিদ্যালয়ত জিলা ভিত্তিক বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতা অনুষ্ঠিত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ আৰু DBT ৰ সমন্বয়ক তথা ৰসায়ন বিজ্ঞানৰ মুৰব্বী অধ্যাপক ড° অতুল প্ৰসাদ শিকদাৰৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীৰ উক্ত সমিতিখনে জিলাখনৰ প্ৰায় ১৫ খন বিদ্যালয়-প্ৰতিষ্ঠানৰ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণেৰে সৃজনীমূলক বিজ্ঞান প্ৰদৰ্শনী অনুষ্ঠিত কৰি সকলোৰে প্ৰশংসা বুটলে।

২০১৬ চনৰ ২৭ ফেব্ৰুৱাৰীত অসম বিজ্ঞান সমিতি মংগলদৈ শাখাৰ সহযোগিতাত মংগলদৈ কলেজ ছাত্ৰ ফ'ৰামৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে জিলা ভিত্তিক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ASTEC ৰ অৰ্থ সাহায্যত মংগলদৈ কলেজ ছায়েন্স ফ'ৰামে অসম বিজ্ঞান সমিতি শাখা আৰু IRAC মংগলদৈ মহাবিদ্যালয়ৰ সহযোগিতাত ২০১৭ চনৰ ২৮ ফেব্ৰুৱাৰীত দৰং জিলাৰ বিভিন্ন বিদ্যালয়-প্ৰতিষ্ঠানৰ ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণৰে "ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস" অনুষ্ঠিত কৰে। বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি উক্ত দিনা জনপ্ৰিয় কথোপথন অনুষ্ঠান, বিজ্ঞানৰ মডেল প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। জনপ্ৰিয় কথোপকথন অনুষ্ঠানত মংগলদৈৰ বিশিষ্ট চিকিৎসাবিদ ডাঃ ৰমাকান্ত বৰা, বিজ্ঞানী খলিলুৰ ৰহমান, খাৰুপেটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুধিন চন্দ্ৰ হাজৰিকাই অংশ গ্ৰহণ কৰে। অসম বিজ্ঞান সমিতি, মংগলদৈ শাখাৰ সম্পাদক তথা ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° কমলা কান্ত বৰাৰ তত্ত্বাৱধানত মংগলদৈ কলেজ ছায়েন্স ফ'ৰামৰ কাৰ্যকৰী সমিতিৰ সভাপতি হিচাপে থাকে শ্ৰীঅৰিন্দম ভৰদ্বাজ আৰু সম্পাদিকা হিচাপে লেখিকা নিজে।

মংগলদৈ কলেজ ছায়েন্স ফ'ৰাম মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ একমাত্ৰ অৰাজনৈতিক অনুষ্ঠান। অনুষ্ঠানৰ আৰম্ভণিত বহু উদ্যমী সংগঠক ছাত্ৰ-ছাত্ৰীখিনিৰ অপৰিসীম কষ্ট, ত্যাগ আৰু চিন্তা জড়িত হৈ আছে।

অনুষ্ঠানটোৰ বিত্ত অহাৰ কোনো পথ নাই। মহাবিদ্যালয়খন DBT ৰ অন্তৰ্ভুক্ত আৰু অঃ বিঃ সঃ ৰ মংগলদৈ শাখাৰ কেন্দ্ৰ হোৱাৰ সুবাদতে অনুষ্ঠানটোৰ আয়োজনবোৰ কম-বেছি পৰিমাণে সফল কাম হৈছে। তাৰ ফলশ্ৰুতিত আজি দৰং জিলাৰ একমাত্ৰ বিজ্ঞান শাখাৰ মহাবিদ্যালয়খনৰ আৰু বিদ্যালয়-প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বৈজ্ঞানিক ভাৱ-ধাৰাক মুকলি মুৰীয়াকৈ প্ৰকাশ কৰাৰ মঞ্চ এখন লাভ কৰিছে। সময়ৰ তাগিদাৰে লক্ষ্য কৰি অঞ্চলটোক আৰু অধিক উজ্জিৱীত কৰাৰ প্ৰয়োজন আছে।

❐❐❐

Article

# Live, Lough, Love

**Ankita Tamuli**
**6th Semester, B.Sc.**

Dear all, first let me have the honor to remind you that the things you are going to read in this piece of writing is neither any part of an untold story nor any so exclusive topic that needs a huge conference or discussions. The title might be common and heard by almost everyone but I am sure none of us has thought or tried to execute in true sense. If you relate the piece of writing to any of your passed circumstances of life please try to recapitulate the things in such sense if the things have been the opposite of the circumstances arose at that time what would have been the situation today.

(1) Just crossing the age of 4 we all had experienced our childhood in colorful books, mates of our ages and the most important thing: the thrill and excitement of exploring new and newer things. Surely we learn more and more things from academics those we persue till our educational tour of life end but may be with the course of gathering knowledge and the lust of winning the rat race of life we stop living in actual sense. Living life doesn't mean to achieve the target only, by any how or any means. It also doesn't mean the theory of "Party all Night" funda too; but it means a beautiful art of balancing your work and the amusements. Life means a complete book where you get full combo experience of thrill, excitement, exploration, romance, struggle and even failure. Every day ends with the hope of a blazing sun for the next day but in between the darkness of night arise. People assume the darkness of night to be unpleasant, gloomy or very depressingly the sorrow; but have we tried to feel that how beautiful the moon shines at night? We in every sad situation accuse the almighty that Why only we have to suffer these problems of life, let it be the unhappiness of having a monotonous life, not able to spend good times with near and dear ones or having an emotional turning in life. May I have the honor to state you that the supreme power to whom we accuse has written this piece or fold in our destiny because he knows we can easily go through this hurdle of life easily. The only thing is that we have to give time to ourselves to activate the life immunity system. Let the things be treated in the way that it is just a small pixel of the whole snap of life and one pixel cannot destroy the whole picture of life. There are thousands of humans on earth and astonishingly all have definite valid problems. But as we all know if there is

a problem there is also a solution attached to it. The delay is that we are not having the sense to find the path to the solution. If there is happiness there must be sorrow also otherwise life will be a big bore.

Never ever forget 3 things in life. These are:

1. Only you can make a change in yourself, no one can impose or inject anything to make you successful or happy. So " Let your smile change the world but never let the world to change your smile"

2. If you have the will to change the world no one can stop you because; "you are not only a drop of an ocean but you are the entire ocean in a single drop."

3. A lion always has to sustain lonely to rule his territory. So if you are lone it is not the time to cry for the isolation but the moment to prove you are worthy.

(2) Start your day with a smile to make the life blaze like the sun. It is very commonly seen today in the busy schedule of life that people have forgotten to smile genuinely. All there exists a fake face with a fake smile. Don't know why this has arisen up or why the people have stated the formula of double standard. It may be to prove their superiority in the rat race of life or to grab someone's position, pulling the other down if they cannot rise up. All these enactment to show own self to be worthier then the other people have forgotten the actual meaning of humanity. Guys, why we can't be genuine to ourselves and also to others and rejuvenate the style and attitude. If someone is sad or feeling miserable and is seeking some moral support, if you can or able to please be the company and console to strengthen his spirit, if any divine power resides in the planet it will bless you. On the other hand try to smile, grin and laugh genuinely nor to impress or flatter others. It will boost your inner spirit.

Many people now a days fall in depression because of intolerable pressure of day to day work, competition or different ups and downs. As mentioned earlier, in every problem there resides a solution why not be firm with a fixed decision, thank god to give the absolute power to endure it and let it end in that very moment. Telling and to execute these formulate capsules of life is not very easy in life because we are humans but not robots that you put a software and delete the unwanted applications. It needs simultaneous exercise, the promise to self that we will not regret but the absolute firm decision that we will be happy and must be to make every future days sensible, splendid and remarkable.

God has given you one life. Make it worthy by taking good decisions and appreciate all good things of life depriving negative vibes. Be happy, laugh in every joyful situation and try to make others smile too. You will surely be remembered in good times and even in times when you want people by your side.

(3) Indian modern society is very much influenced by the glimpses of Bollywood where most of the times it is seen that two

persons of opposite gender falls in love they struggle and finally all ends with a happy ending. But in genuine situation of life we the youths to find that specific beloved falls in prey of lust, one who genuinely love used to be utilized by the other person to whom is committed. Stealthily and silently when the need is full filled there comes the end of the rainbow of life. Dear all, please forgive me if the words become harsh in the succeeding paras because though it is painful to accept the things I am going to through the light upon is absolutely true.

No one in the world except your mother comes to you without any need. Please forgive me but isn't it true? Not every relationship is having a deadly ending for sure but the percentage of true love is very little. I other words we should define today's era love to be the combination of feelings (if exists), stimulations and the fear of being alone. Love is not a Nano science. It is a beautiful thing that will absolutely come at least once in everyone's life but if you protest it by saying with a firm no; I would like to ask you please ask your soul and listen it once again. Can love make you weak or it is that supreme power that will make you stronger, happier and more mature than previous times? Love is not spending hours with the one you feel for or buying expensive stuffs to flatter him/her. It doesn't also mean express every time how or what you feel but it is the absolute commitment to you and your partner that you are exclusively for him or her not playing with his or her thought.

Life is a mixture of good and bad incidentes. Where the good things give you utmost pleasure the bad experiences make the good times valuable. Do justice to yourself. Make every step encouraging, live simple life where simple fun exists , happiness and a dedication towards living it. Make it wonderful by maintaining few little things to be optimize and not being selfish to avoid those who love you genuinely.

❐❐❐

প্ৰবন্ধ

# এখন মননশীল উপন্যাস 'অন্তৰাগ'

কৌস্তুভমণি চহৰীয়া
তৃতীয় ষাণ্মাসিক, স্নাতক, কলা

বিশ্ব কৰ্মকাৰৰ শ্ৰেষ্ঠতম সৃষ্টি মানুহ। সেই মানুহ, যি মানুহে উত্তুংগ গিৰি পদানত কৰে, চন্দ্ৰৰ বুকুত সপোন ৰচে। যি মানুহে নিজৰ পথ নিজে নিৰ্মাণ কৰে আৰু তাকে কৰি তেওঁ নিজকে নিৰ্মাণ কৰি থাকে। যি মানুহে সুন্দৰৰ সাধনাৰে জীৱন কৰে মহীয়ান, সন্ধান কৰে মহাজীৱনৰ আলোক পথৰ।

কিন্তু এই সকলো মানৱীয় মৰ্য্যাদা ধূলিত মিহলি কৰি দিয়ে বাৰ্ধক্যৰ অন্তহীন বীভৎস্য যন্ত্ৰণাই। সুদীৰ্ঘ জীৱনৰ অন্তহীত সাধনাৰে লাভ কৰা অৰ্থপূৰ্ণ অনুভূতিখিনিৰ পৰা জীৱনৰ বিয়লি বেলাত ৰয় মাথো শূন্যতা— ভীষণ শূন্যতা। যি শূন্যতাই মৃত্যুক কৰি তোলে পৰম কাম্য।

হোমেন বৰগোহাঞিৰ অন্যতম চিন্তা উদ্ৰেককাৰী উপন্যাস 'অন্তৰাগ'ৰ পাতে পাতে ফুটি উঠিছে এই সত্য। এই সত্যৰ পোহৰে আমাক বাট দেখুৱাই দিয়ে অনাগত ভৱিষ্যতৰ। যি ভৱিষ্যতত আমাৰ বাবেও বৈ থাকিব পাৰে কৰুণ বাৰ্ধক্যই। কিন্তু বাৰ্ধক্য বুলিলেই যন্ত্ৰণা, হতাশা, শূন্যতা আৰু মৃত্যুলৈ জীৱনৰ অন্তহীন প্ৰতীক্ষাকে বুজায় নে? বুজাই নেকি নে মৃত্যুক কাম্য কৰি তুলিবৰ বাবেই প্ৰয়োজন এনে ভয়াবহ বাৰ্ধক্যৰ? নিশ্চয় নুবুজাই আচলতে বাৰ্ধক্যও জীৱনৰ বাকী কালচোৱাৰ দৰেই সমানে গুৰুত্বপূৰ্ণ আৰু উপভোগ্য হৈ উঠিব পাৰে।

জীৱনৰ বাকী স্তৰবোৰৰ দৰেই বাৰ্ধক্যৰো কিছুমান নিৰ্দিষ্ট ৰং আছে। বাৰ্ধক্যই এজন মানুহক আনি দিব পাৰে পৰিয়াল আৰু আত্মীয়-স্বজনৰ মৰম আৰু শ্ৰদ্ধা, বয়স আৰু অভিজ্ঞতাই আনি দিয়া সামাজিক মৰ্য্যাদা, পো-বোৱাৰী, নাতি-নাতিনীৰে সৈতে প্ৰাণৰ সম্পৰ্কই ভৰাই ৰখা দিনটোৰ প্ৰতিটো মুহূৰ্ত্ত, লঘু ব্যস্ততাৰে পাৰ হৈ যোৱা দিনবোৰত প্ৰকৃতিৰ নিৱিড় সান্নিধ্য আৰু অতীতৰ স্মৃতি ৰোমন্থনৰ সুখ। এই সকলোবোৰেই লগ লাগি বাৰ্ধক্য জীৱনৰ মন প্ৰাণ ভৰাই ৰাখিব পাৰে আৰু সকলোৰে মাজত শেষ সময়লৈকে সুখৰ হাঁহি মাৰি থাকি এজন বৃদ্ধই চকু মুদিব পাৰে। জীৱনৰ এই শেষ মধুৰ পৰিণতিয়ে গোটেই জীৱনটো বা দি যাব পাৰে অনন্য মৰ্য্যাদা। হয়তো জীৱনৰ এই বিয়লি বেলাত জীৱনটো সুন্দৰ হিচাপে অনুভৱ কৰিবলৈকে সমগ্ৰ জীৱনযুৰি চলে সুন্দৰৰ সাধনা।

তথাপি, এজন মানুহে অকলেই সৃষ্টি কৰিব পাৰেনে এনে এটা পৰিৱেশ, এনে এখন ঘৰ য'ত তেওঁ সম্পূৰ্ণ মানৱীয় মৰ্য্যাদা সহকাৰে চকু মুদি জীৱনটো সফল কৰি তুলিব পাৰে? নিশ্চয় নোৱাৰে। তেওঁলোকৰ বাৰ্ধক্যৰ কালচোৱা মৰম, শ্ৰদ্ধা, আৰু শুশ্ৰূষাৰে ভৰাই ৰখাৰ দায়িত্ব সম্পূৰ্ণ আমাৰ। আমি তেওঁলোকৰ পো-বোৱাৰী, নাতি-নাতিনী সকলে তেওঁলোকক পৰিপূৰ্ণভাৱে জীয়াই থকাৰ সুযোগ দিয়াতো আমাৰ একান্ত কৰ্তব্য। আমি ইয়াক অৱহেলা কৰি মানৱীয় মৰ্য্যাদাবোধত আঘাট হানিব নোৱাৰো।

উপন্যাসখনৰ জৰিয়তে বৰগোহাঞিদেৱে এই শুভ বাৰ্তাটিয়েই আমাৰ মাজলৈ প্ৰেৰণ কৰিছে। কিন্তু আজি আমাৰ সমাজে যেন সেই বাৰ্তা গ্ৰহণৰ পৰা বহুদূৰত অৱস্থান কৰিছে। জীৱনটোৰ কিছুমান অৰ্থহীন লৰা-ধপৰা, ব্যস্ততাৰ মাজত নিজকে হেৰুৱাই কোনোপধ্যে আমি আমাৰ জ্যেষ্ঠজনৰ বাবে অলপ সময় উলিয়াব নোৱাৰো, তেওঁলোকক বুজিবলৈ চেষ্টা নকৰো, তেওঁলোকৰ

সুবিধা-অসুবিধাবোৰে আমাৰ চিন্তাত ঠাই নাপায়। তেনেহ'লে আমিয়েই তেওঁলোকৰ বাৰ্ধক্যলৈ নমাই অনা নাইনে বীভৎস্য যন্ত্ৰণা? বৰ্তমান দ্ৰুত গতিত আধুনিকীকৰণ হ'বলৈ ধৰা আমাৰ সমাজ ব্যৱস্থাত আমাৰ জ্যেষ্ঠ সকল আৰু আমি দুটা বিপৰীত যুগৰ প্ৰতিনিধি। তেওঁলোক প্ৰাচীন যুগৰ আৰু আমি নতুন যুগৰ। তেওঁলোকে যিমানেই প্ৰাচীনক ধৰি ৰাখিব বিচাৰে,আমি সিমানেই আধুনিকতাৰ দৌৰত দৌৰিছো। আমি সৃষ্টি কৰা এই প্ৰজন্মৰ ব্যৱধানেই তেওঁলোকৰ সৈতে আমাৰ প্ৰাণৰ সম্পৰ্ক বিচ্ছিন্ন কৰা নাইনে? এইদৰেই আমি তেওঁলোকৰ অকলশৰীয়া কৰি তোলা নাইনে? যদি আমি মানসিকভাৱে ইমানেই পিছপৰা, তেন্তে আমি কিহত আধুনিক?

জীৱনক জয় কৰিবলৈ, সঁচা অৰ্থত মৰ্য্যাদা সম্পন্ন ভাৱে জীয়াই থাকিবলৈ আমি অন্তৰৰ পৰাই আধুনিক হ'ব লাগিব। জীৱনটো পৰিপূৰ্ণ ভাৱে যাপন কৰাৰ নিৰলস প্ৰচেষ্টাত আমিও জিকি জিকি অৱশেষত হাৰি যাব পাৰো, যদিহে এতিয়াই আমি সেই চিন্তাৰ প্ৰতি দায়িত্বশীল নহও, যি চিন্তাৰ বীজ 'অন্তৰাগ'ৰ জৰিয়তে বৰগোহাঞি ছাৰে আমাৰ হৃদয়ত ৰোপণ কৰিলে।

❑❑❑

প্ৰবন্ধ

# দেৱভাষা সংস্কৃত

**বিকাশ শৰ্মা বৰুৱা**
**দ্বিতীয় ষাণ্মাসিক, স্নাতক, কলা**

"সংস্কৃতস্য সেৱনং, সংস্কৃতায় জীৱনম্।
লোকহিতসমৃদ্ধয়ে ভৱতু তনুসমৰ্পণম্।।

সংস্কৃতম্ অতীৱ মনোৰমা ভাষা— সংস্কৃত অতি মধুৰ ভাষা। এই ভাষা অতি শুদ্ধ, সৰল, মধুৰ আৰু নৈতিক জ্ঞান সম্পন্ন। সংস্কৃত ভাষা প্ৰায় সকলো ভাৰতীয় ভাষাৰে জননী। ইয়াক 'দেৱভাষা' বুলিও কোৱা হয়। কাৰণ অনাদি কালৰে পৰাই দেৱতাসকলে ইয়াক তেওঁলোকৰ ভাষা হিচাপে ব্যৱহাৰ কৰি আহিছে বুলি ভবা হয়।

ভাৰতবৰ্ষৰ প্ৰতিষ্ঠা দুটা হৈছে- সংস্কৃত আৰু সংস্কৃতি। সমগ্ৰ ভাৰতবৰ্ষই এই সংস্কৃত ভাষাৰ ক্ষেত্ৰ। ই কেৱল মাত্ৰ এটা সংস্কৃতিপূৰ্ণ ভাষা নহয়, অথবা কোনো বিশেষ ধৰ্মীয় কৰ্মানুষ্ঠান যেনে- পূজা-পাৰ্বণ, যাগ-যজ্ঞত ব্যৱহৃত মন্ত্ৰৰাজিৰ সমাহাৰো নহয়, ই হৈছে প্ৰাচীন ভাৰতৰ ঋষি-তপস্বী-মনীষী অথবা তত্ত্বদৰ্শী ব্যক্তিসকলৰ গভীৰ চিন্তাধাৰাৰ সাধনালব্ধ জ্ঞান সমুদ্ৰ। তেওঁলোকে সংস্কৃত ভাষাতেই সুবৃহৎ মহাকাব্য আৰু পুৰাণ সমূহ, শাস্ত্ৰ ভাগৱত-উপনিষদ-বেদ সমূহ নিৰ্গূঢ় দৰ্শন, সুবিশাল কাব্যৰাশি আৰু অনেক ধাৰাত বিভক্ত নানা গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। পৃথিৱীত যিমানবিলাক ভাষা আছে, সেইসকলোবোৰৰ ভিতৰত সংস্কৃত ভাষাৰ সাহিত্যই হৈছে আটাইতকৈ চহকী আৰু বিশাল। সংস্কৃত সাহিত্যত মানৱ সত্বাৰ আধ্যাত্মিক, নৈতিক, আৱেগিক, বৌদ্ধিক, দৈহিক আৰু মানসিক এই সকলো দিশৰে প্ৰতিফলন ঘটিছে। বহল পৰিসৰৰ তথা বিজ্ঞান সন্মত তত্ত্ব কথা নিহিত এই সংস্কৃত ভাষা-সাহিত্য প্ৰত্যেক জন সুকীয়া ব্যক্তিত্বসম্পন্ন ভাৰতীয়ৰ আদৰ্শ। গতিকে সংস্কৃত ভাষা-সাহিত্যৰ অবিহনে ভাৰতীয়ত্বৰ কথা কল্পনা কৰিব নোৱাৰি। সেয়েহে কোৱা আছে—

"ৱিনা বেদং ৱিনা গীতাং ৱিনা ৰামায়ণীং কথাম্।

ৱিনা কবিং কালিদাসং কুত্র স্যাদ্ ভাৰতীয়তা।।"

'সংস্কৃত' শব্দটিৰ অৰ্থ হৈছে সুসংগঠিত। এই কামদায়িনী আৰু সুখ প্ৰদায়িনী সংস্কৃত ভাষাই মানুহক প্ৰয়োজনীয় সকলোখিনি দিব পাৰে। মানুহৰ আচাৰ-ব্যৱহাৰ, বিদ্যা-বুদ্ধি-জ্ঞান, ৰোগ নিবাৰণৰ উপায়, প্ৰযুক্তিমূলক জ্ঞান আদি সংস্কৃত ভাষাৰ পৰাই লভিব পাৰি। শান্তি-মৈত্ৰী-সমন্বয়, শৃংখলা, সুখ-সম্পদ, প্ৰেম-প্ৰীতি, ভাৱ-ধাৰণা, শাৰীৰিক চৰ্চা সকলোৰে উৎকৰ্ষ সাধন এই ভাষাৰ মাধ্যমত হয়। সেয়েহে কোৱা আছে—

"শান্তি-মৈত্ৰী-সুখপ্ৰসৱিনী
প্ৰেম-প্ৰীতি-ভাৱবিলাসিনী
কামধেনুৰিব বিভবস্তাৰিনী
প্ৰসৰতু সুৰভাৰতী
বিজয়তে সুৰভাৰতী।।"

কিছুমান মানুহে ভাবে যে সংস্কৃত ভাষাটো বৰ কঠিন ভাষা। কিন্তু এনেকুৱা কোনো কথা নাই। স্বাভাৱিকতে এটা ভাষা কঠিন অথবা সৰল নাথাকে, ভাষাটো কেৱল সৰল বা প্ৰৌঢ় হৈ থাকে। গতিকে যেতিয়া মানুহে সৰল সংস্কৃতত কথা-বতৰা পতা শুনিব বা ক'বলৈ চেষ্টা কৰিব তেতিয়া অতি সোনকালে সংস্কৃত ভাষাটো আয়ত্ব কৰি ল'ব পাৰিব। অৱশ্যে সংস্কৃত ভাষাৰ শিক্ষা পদ্ধতিটো কিছু অধিক উন্নতি হ'লে অৰ্থাৎ হিন্দী-ইংৰাজী বা প্ৰাদেশিক ভাষাৰ মাধ্যমেৰে যদি সংস্কৃতত শিক্ষা নিদি সংস্কৃতৰ মাধ্যমেৰেই শিকোৱা হয় তেতিয়াহ'লে ইয়াৰ বিস্তাৰ আৰু প্ৰসাৰ অতি ব্যাপক হাৰত বৃদ্ধি পাব। সংক্ষেপতে সংস্কৃত ভাষাটো ক'বলৈ হ'লে কেইটামান কথাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগে—

(ক) বৰ্ণ সঠিক স্থানৰ পৰা উচ্চাৰণ,
(খ) বৰ্ণৰ স্বৰৰ সঠিক উচ্চাৰণ,
(গ) দেৱনাগৰী আখৰৰ সম্যক জ্ঞান,
(ঘ) সংস্কৃত ব্যাকৰণৰ বিভক্তি, প্ৰত্যয়, পুৰুষ, বচন, শব্দৰূপ আৰু ধাতুৰূপৰ সম্যক জ্ঞান।

সম্প্ৰতি অৱশ্যে "সংস্কৃত সম্ভাষণ শিবিৰ" নামেৰে এটি অভিযানৰ জৰিয়তে সংস্কৃত ভাষাটো অতি কম সময়ৰ ভিতৰত শিকাটো সুলভ হৈ পৰিছে। এই "সংস্কৃত সম্ভাষণ অভিধা"ৰ প্ৰধান উদ্দেশ্য হৈছে "জাতি-ধৰ্ম নেওচি সকলোকে লৈ ৰাষ্ট্ৰৰ ভাৱাত্মক একতা অটুট ৰখা।" এটা ভাষা শিকাৰ বাবে নিজৰ অভিৰুচি থকাটো খুবেই দৰকাৰ। "সম্ভাষণ"ৰ দ্বাৰা সংস্কৃত শিকিলে দুই তিনিমাহৰ ভিতৰত ক'ব পৰা যায়। ইয়াৰ বাবে "সম্ভাষণ সন্দেশঃ"কে আদি কৰি সংস্কৃতৰ বিভিন্ন মাহেকীয়া পত্ৰিকা বা আলোচনীবোৰৰ সহায় লব পাৰি। তদুপৰি বিভিন্ন স্থানত অনুষ্ঠিত কৰা "সংস্কৃত বৰ্গ" সমূহত ভাগ লব পাৰি। সুন্দৰ সুমধুৰ সংস্কৃতত গীত, নাটক, কবিতা, বাৰ্তালাপ আদি শিকিবৰ কাৰণে ভাৰত চৰকাৰৰ "মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়"ৰ অধীনস্থ "ৰাষ্ট্ৰীয় সংস্কৃত সংস্থানে"ও সংস্কৃত ভাষাৰ আৰু অধিক প্ৰচলনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। "অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰ" ৰাষ্ট্ৰীয় সংস্কৃত সংস্থানৰ দ্বাৰাই পৰিচালিত এটি কেন্দ্ৰ। এই কেন্দ্ৰৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষতে এঘাৰ মহীয়া পাঠ্যক্ৰমৰ প্ৰচলন কৰা হৈছে। ভাৰতবৰ্ষত প্ৰচলিত সহস্ৰাধিক কেন্দ্ৰৰ অসমতো শতাধিক কেন্দ্ৰ সম্প্ৰতি চলি আছে আৰু ইয়াৰে দৰং জিলাৰ মঙলদৈ মহাবিদ্যালয়তো এটা কেন্দ্ৰ চলি আছে। সংস্কৃত ভাষা অৱশ্যে ডাকযোগে পঢ়াৰ সুবিধাও আছে।

সংস্কৃত সাহিত্যৰ উল্লেখনীয় পুথি বিষ্ণুশৰ্মাৰ "পঞ্চতন্ত্ৰ"ৰ সাধুসমূহৰ পৰা বহুতো নীতি শিক্ষাৰ লগতে নাৰায়ণদেৱ ৰচিত "হিতোপদেশ"ৰ গল্প-সমূহৰ পৰা বহুতো উপদেশমূলক কথা আৰু ৰাজনীতিৰ জ্ঞান লভিব পাৰি। সংস্কৃত সাহিত্যৰ পুথিসমূহে অৱশ্যে পাঠকসকলক ভাল বেয়াৰ সম্যক জ্ঞান দি ভাল কাম কৰিবলৈ আৰু অসৎ কৰ্মৰপৰা আঁতৰি থাকিবলৈ উপদেশ দিছে। সংস্কৃত সাহিত্যৰ পুথিসমূহ পঢ়িলে সংস্কৃতত পাৰ্গতালি, কথা-বতৰাত চতুৰালি আৰু নীতি শাস্ত্ৰৰ জ্ঞান জন্মে। প্ৰায় দুহেজাৰ বছৰ ধৰি শিশুসকলৰ মাজত "হিতোপদেশ" গ্ৰন্থখনে জ্ঞানৰ মৌকোঁহ বিলাই আহিছে। এটা কথা উল্লেখ নকৰিলে ভুল হ'ব যে সংস্কৃতত ৰচনা কৰা

প্ৰায় অধিকাংশ শ্লোকে নীতিপূৰ্ণ শ্লোক। গতিকে ভাৰতবৰ্ষৰ ঐতিহ্যৰ প্ৰতীক, গৰিমাৰ প্ৰতীক সংস্কৃত পঢ়িলে কেৱল আনন্দ লভাই নহয়, বহুতো নজনা কথা জানিব পাৰি।

সাম্প্ৰতিক সময়ত এই ভাষা সাহিত্যই বৈজ্ঞানিক তত্ত্ব কথাৰ আধাৰৰূপে স্বীকৃতি লাভ কৰি বিশ্বৰ উন্নত ৰাষ্ট্ৰসমূহৰ দৃষ্টি আকৰ্ষণ কৰিছে। কিন্তু পৰিতাপৰ বিষয় যে ভাৰতবৰ্ষৰ গৌৰৱ সংস্কৃতক আমাৰ সমাজত এতিয়াও এচাম মানুহে কেৱল মাত্ৰ ধৰ্মীয় অনুষ্ঠানত জড়িত বিষয় বুলিহে গণ্য কৰে। বৈদিক যুগত আমাৰ ভাৰতবৰ্ষত তত্ত্বদ্ৰষ্টা ঋষিসকলে কিছুমান সাংকেতিক চিহ্ন বা প্ৰতীকৰূপত দৈৱীবাক সংস্কৃত অৰ্থাৎ দেৱনাগৰী লিপিত স্বকীয় জ্ঞানৰাশি সমূহ বিভিন্ন বৈদিক সাহিত্য কৰ্মত লিপিবদ্ধ কৰিছিল। বাহিৰাজগতৰ লগত আমাৰ সম্পৰ্কবোধৰ ক্ষেত্ৰত সংস্কৃত সাহিত্যই এক নতুন পথৰ সন্ধান দিয়ে আৰু এক সুখময় জীৱনৰ ভেঁটি প্ৰতিষ্ঠা কৰে। সংস্কৃত সাহিত্যৰ শ্ৰেষ্ঠ কবি কালিদাস প্ৰভৃতি অন্য মহান কবিসকল যেনে বাল্মিকী, ভৱভূতি, ভাস, বেদব্যাস, মাঘ, ভাৰৱি এওঁলোকে তেখেতসকলৰ অমূল্য ৰচনা ৰাজিৰে সংস্কৃত সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। সংস্কৃতৰ ভাৱষ্যতো অতি উজ্জ্বল। সমগ্ৰ দেশৰ সকলো ঠাইতে সংস্কৃত পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। বিশ্বৰ ৩৫ খন দেশত সংস্কৃতৰ অধ্যয়ন চলি আছে। ১১০ টা বৈজ্ঞানিক গৱেষণা সংস্থাত সংস্কৃত শাস্ত্ৰ বিষয়ক অধ্যয়ন চলি আছে। কম্পিউটাৰ বৈজ্ঞানিক সকলেও সংস্কৃত অধ্যয়ন আৰম্ভ কৰিছে। ভাৰতত সম্প্ৰতি ৭০ লাখ লোকে সংস্কৃতৰ অধ্যয়ন কৰি আছে। ৮ খন সংস্কৃত বিশ্ববিদ্যালয় আছে। এটা সমীক্ষা অনুসৰি ক'ব পাৰি যে অহা ৫-১০ বছৰৰ ভিতৰত ভাৰতত সংস্কৃতৰ চিত্ৰত উজ্জ্বল পৰিবৰ্তন দেখা যাব। মহাপুৰুষসকলেও ভৱিষ্যতে বাণী কৰিছে— "সংস্কৃত ভাষাৰ নৱোদয় আৰম্ভ হৈছে। একৈশ শতাব্দী হিন্দী শতাব্দী হ'ব, সংস্কৃত শতাব্দী হ'ব।" গতিকে নিজৰ মহিমাৰ দ্বাৰাই সংস্কৃত সমগ্ৰ ভাৰতবৰ্ষত বৰ্তি থাকিব। সেয়েহে কোৱা আছে—

"য়াৱদ্ ভাৰতবৰ্ষং স্যাদ, য়াৱদ বিন্ধ্যহিমাচলৌ।
য়াৱদ্ গংগা চ গোদা চ তাৱদেৱ হি সংস্কৃতম্।।"

বিঃ দ্ৰঃ- প্ৰবন্ধটো যুগুতাওতে "বদতু সংস্কৃতম" নামৰ পুথিখনৰ আৰু কেইটামান পুৰণি প্ৰবন্ধৰ সহায় লোৱা হৈছে।

❐❐❐

প্ৰবন্ধ

# যোগ শিক্ষাৰ বিষয়ে কিছু ....

নীহাৰিকা ডেকা
চতুৰ্থ ষাণ্মাসিক, স্নাতক, কলা

'যোগ' আৰু 'যোগী' এই শব্দ দুটা সকলোৰে চিনাকী। কিন্তু ইয়াৰ প্ৰকৃত অৰ্থ খুউব কম সংখ্যক মানুহেহে বুজি পায়। বহুত সংখ্যকৰ মতে, যোগ এক কঠোৰ সাধনা, কেৱল তপস্বী লোকেহে যোগ সাধন কৰে, তেওঁলোকে গৃহ ত্যাগ কৰে আৰু বিবাহ পাশত আৱদ্ধ হ'ব নোৱাৰে। অৱশ্যে এই ধাৰণা এতিয়া সলনি হৈছে।

ইংৰাজী Yoga (যোগ) শব্দটো সংস্কৃত 'যুজ' (Yuj) শব্দৰ পৰা আহিছে। 'যুজ' শব্দৰ অৰ্থ হ'ল মিলন বা একত্ৰিকৰণ। সংস্কৃত 'যুঁজ' শব্দৰ সমাৰ্থক শব্দ ইউৰোপীয় ভাষাতো পোৱা যায়। যেনে— ইংৰাজী Yoke, ফৰাচী Youg, জাৰ্মান Jach, গ্ৰীক Zuges, লেটিন Jugum, ৰুচ Lgo আৰু স্পেনীয় ভাষা Yugo ইত্যাদি।

শৰীৰ আৰু মনক প্ৰণালীবদ্ধ ভাৱে প্ৰশিক্ষণ দি শৰীৰ, মন আৰু আত্মাৰ মাজত সংহতি আৰু ঐক্য স্থাপন কৰাই যোগ। যোগৰ বিভিন্ন সংজ্ঞা পোৱা যায়- (i) ঋক বেদত কৈছে— "যুজ্যতে অনেন ইতি যোগঃ"

(ii) ৰামায়ণত কৈছে— "যোগ সমতাৱস্থা জীৱাত্মা পৰমাত্মানো"

(iii) মহা নিৰ্বাণ তন্ত্ৰৰ মতে — "যোগ জীৱাত্মা- পৰমাত্মানো ঐক্যম"।

(iv) শ্ৰীমদ্ভাগৱত গীতাৰ মতে— "সমত্বম যোগ উচ্যতে"
"যোগঃ কৰ্মসু কৌমাকাম"।

(v) ঋষি পতঞ্জলিৰ মতে — "যোগঃ চিত্ত বৃত্তি নিৰোধঃ"

যৌগিক শিক্ষাক সামগ্ৰিক শিক্ষা বুলিও কোৱা হয়। শাৰীৰিক, মানসিক, আবেগিক, আধ্যাত্মিক আৰু সামাজিক ভাৱে বিকশিত কৰি সুস্থ সবল আৰু পৰিপক্ক কৰাত যোগ সাধনাই ভূমিকা গ্ৰহণ কৰে। বৰ্তমান গোটেই বিশ্বতে অৰাজকতা, শত্ৰুতা, দুৰ্নীতি বিৰাজমান। সমাজৰ পৰা এইবোৰ দূৰ কৰিবলৈ আৰু মানুহৰ মাজত অহিংসা, সত্যতা, সহমৰ্মিতা, ঈশ্বৰ বিশ্বাসী, সহনশীল আদি গুণৰ বিকাশ একমাত্ৰ যৌগিক শিক্ষাৰ দ্বাৰাহে সম্ভৱ। আসন, প্ৰাণায়াম, ধাৰণা, ধ্যানতে যোগৰ পৰিধি সীমাবদ্ধ নহয়। যোগ এক জীৱন ধাৰণৰ প্ৰণালী। যৌগিক অভ্যাসে কৰ্ম দক্ষ হ'বলৈ, এৰা-ধৰা, বুজাপৰা, সকলোকে সমানে চাবলৈ শিকায়, জীৱনৰ প্ৰতিটো সুখ-দুখৰ অৱস্থাত ভাৰসাম্য বজাই ৰাখি নিজৰ কাম কৰিবলৈ মানসিকভাৱে প্ৰস্তুত কৰে।

ভাৰতৰ "মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়" (Ministry of Human Resource Development) ৰ অন্তৰ্গত (NCERT) এ মাধ্যমিক বিদ্যালয়ত যোগ শিক্ষাক কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (CBSE) ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। এই পাঠ্যক্ৰমত ৮০% ব্যৱহাৰিক আৰু ২০% তাত্বিক। যোগৰ আৰম্ভণি ভাৰতবৰ্ষত বুলি প্ৰমাণ পোৱা গৈছে। বৰ্তমান উন্নত দেশ আমেৰিকা, অষ্ট্ৰেলিয়া, জাপান আদি দেশতো যোগৰ প্ৰসাৰ আৰু প্ৰচাৰ বহুল ৰূপত হৈছে। দেশবোৰৰ মাজত একতা আনিবলৈ যোগেই একমাত্ৰ মাধ্যম বুলি সকলোৱে স্বীকাৰ কৰিছে। যোগৰ গুৰুত্ব অনুভৱ কৰিয়েই সংযুক্ত ৰাষ্ট্ৰ সংঘ (United Nations Organisation) ইং ২১ জুন তাৰিখটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰিব লৈছে। ভাৰতকে ধৰি বৰ্তমান প্ৰায়বোৰ দেশে ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি ইয়াক বহুলভাৱে গ্ৰহণ কৰিব ধৰিছে।

❑❑❑

প্ৰবন্ধ

# জি এছ্ টি ঃ Goods and Service Tax

প্ৰাণজিৎ কলিতা
তৃতীয় ষাণ্মাসিক, স্নাতক, কলা

যোৱা ত্ৰিশ জুনৰ দিনা মাজ নিশাৰ পৰা ভাৰতবৰ্ষত এখন নতুন আইন প্ৰযোজ্য হয়। জি এছ টি (Goods and Service Tax) নামেৰে বিখ্যাত এই আইন খনক স্বাধীন ভাৰতবৰ্ষৰ সৰ্ববৃহৎ কৰ সংস্কাৰ হিচাপে আখ্যা কৰা হৈছে। জি এছ টি বিধেয়ক খন লোকসভা আৰু ৰাজ্য সভা উভয় সদনতে গৃহীত হোৱাৰ পিছত দেশৰ ৰাষ্ট্ৰপতিয়ে ইয়াত স্বাক্ষৰ প্ৰদান কৰাৰ লগে লগে ই আইনত পৰিণত হয়। এই নতুন আইনখন সমাজৰ প্ৰতিজন ব্যক্তিৰ সুযোগ সুবিধা আৰু লাভা লাভৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা হেতুকে আমি প্ৰত্যেকে ইয়াৰ বিষয়ে থূলমূল ভাৱে জ্ঞাত হোৱা প্ৰয়োজন।

জি এছ টি বলৱৎ হোৱাৰ আগলৈকে ভাৰতত বিভিন্ন সামগ্ৰী আৰু সেৱা সমূহৰ বিক্ৰী আৰু ক্ৰয়ৰ ওপৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ সমূহৰ দ্বাৰা বিভিন্ন ধৰণৰ কৰ আৰোপ কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিভিন্ন সামগ্ৰীৰ ওপৰত উৎপাদন শুল্ক, অতিৰিক্ত উৎপাদন শুল্ক, অতিৰিক্ত সীমা শুল্ক, বিশেষ অতিৰিক্ত শুল্ক আদি নানা ধৰণৰ কৰ প্ৰযোজ্য হৈ আছিল। লগতে ৰাজ্যিক চৰকাৰ সমূহৰ দ্বাৰা ভেট, বিক্ৰী কৰ, ক্ৰয় কৰ, মনোৰঞ্জন কৰ, লটাৰী কৰ, প্ৰৱেশ কৰ আদি প্ৰযোজ্য হৈ আছিল। নতুন আইনখন প্ৰযোজ্য হোৱাৰ পিছত এই বিভিন্ন ধৰণৰ কৰ সমূহ নোহোৱা হৈ যায় আৰু সকলো বিলাক সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত মাত্ৰ এবিধ কৰ জি এছ টি প্ৰযোজ্য হয়। কোনো এবিধ সামগ্ৰী বা সেৱাৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতবৰ্ষত জি এছ টি হাৰ একেই হ'ব। আগতে কোনো এবিধ সামগ্ৰীৰ ওপৰত বেলেগ বেলেগ ৰাজ্যই ভিন ভিন কৰ আৰোপ কৰাৰ ফলত একেবিধ সামগ্ৰীৰে দেশৰ বিভিন্ন ঠাইত বিভিন্ন কৰৰ হাৰ আৰু বিক্ৰী মূল্যৰ ব্যৱধান দেখা গৈছিল। জি এছ টিৰ জড়িয়তে এবিধ সামগ্ৰী বা সেৱাত একে হাৰৰ কৰ আৰোপৰ ফলত বিক্ৰী মূল্যৰ এই ব্যৱধান প্ৰায় নোহোৱা হৈ যায়। তদুপৰি ইয়াৰ ফলত সামগ্ৰী সমূহৰ ওপৰত ধাৰ্য্য কৰা কৰৰ বোজা বহুখিনি লাঘৱ হয়। ফলত প্ৰায়বোৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য হ্ৰাস হয়। উপভোক্তা সমূহৰ এইটোৱেই জি এছ টিৰ পৰা হ'ব পৰা আটাইতকৈ ডাঙৰ লাভ। সামগ্ৰীৰ কৰৰ হাৰ হ্ৰাস হৈ স্বাভাৱিক গুণাগুণ অটুট থকাৰ স্বত্বেও দাম কমাৰ ফলত উৎপাদক তথা ব্যৱসায়ী সকলেও প্ৰতিযোগিতাত সহজতে সফল হ'ব পাৰিব, লগতে সহজে এই সামগ্ৰী সমূহে বিদেশৰ বজাৰ দখল কৰিব পাৰিব।

জি এছ টি দুটা অংশত বিভক্ত। কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ (Central Goods and Service Tax, CGST) আৰু ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (State Goods and Service Tax, SGST) । কিছুমান সামগ্ৰীৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ (CGST) আৰোপ কৰি কৰ সংগ্ৰহ কৰে। বাকী আন কিছুমান সামগ্ৰীৰ ওপৰত ৰাজ্যিক চৰকাৰ সমূহে ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (SGST) আৰোপ কৰি কৰ সংগ্ৰহ কৰিছে। ইয়াৰে যিটো অংশই সামগ্ৰী আৰু সেৱা কৰ আৰোপ কৰে সেই অংশই হে কৰ জমা কৰিব পাৰে। অৰ্থাৎ আনটো অংশৰ তাত কোনো ধৰণৰ হস্তক্ষেপ নাথাকিব।

GST ৰ প্ৰয়োগৰ ফলত পূৰ্বতে কৰ নিৰ্ধাৰণ আৰু কৰ আদায়ৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা কিছুমান নোহোৱা হৈ আগতকৈ কিছু সুচল হ'ব। জি এছ টিত তথ্য আৰু প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ ফলত কৰ দাতা সকলে অনলাইন যোগে কৰ পৰিশোধ, কৰ ৰিটাৰ্ণ, কৰ সম্পৰ্কীয় অভিযোগ আদি কৰিব পাৰিব। কৰ পৰিশোধৰ ক্ষেত্ৰত এনে ধৰণৰ স্বচ্ছতাই কৰ সম্পৰ্কে ব্যৱসায়ী সকলৰ মাজত নিশ্চয়তা বৃদ্ধি পাব আৰু দেশত ব্যৱসায় কৰাৰ সুবিধা বৃদ্ধি পাব। তদুপৰি কৰ ব্যৱস্থাত প্ৰযুক্তিৰ প্ৰয়োগৰ ফলত সামগ্ৰী আৰু সেৱাৰ কৰ সংগ্ৰহৰ ব্যয় হ্ৰাস পাব ফলত দেশত কৰৰ পৰা অহা নিগুট ৰাজহৰ পৰিমাণ বৃদ্ধি পাব। মুঠৰ ওপৰত জি এছ টিয়ে দেশৰ অৰ্থনৈতিক বিকাশৰ গতি ক্ষীপ্ৰতৰ কৰি তুলিব।

প্ৰথম অৱস্থাত জি এছ টিৰ হাৰ ৫, ১২, ১৮ আৰু ২৮ শতাংশ নিৰ্ধাৰণ কৰা হৈছিল। অৰ্থাৎ কোনো এবিধ সামগ্ৰী বা সেৱাৰ ক্ষেত্ৰত ইয়াৰে যিকোনো এটা কৰৰ হাৰ প্ৰযোজ্য হ'ব। কিন্তু পিছত GST ৰ নূন্যতম কৰৰ হাৰ ৩শতাংশ স্থিৰ কৰা হয়। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ বিত্তমন্ত্ৰী মাননীয় অৰুণ জেট্‌লীৰ অধ্যক্ষতাত অনুষ্ঠিত পোন্ধৰ সংখ্যক জি এছ টি পৰিষদৰ বৈঠকত সোণ আৰু হীৰাৰ ওপৰত কৰ আৰোপ কৰাৰ বাবে এই নূন্যতম কৰ নিৰ্ধাৰণ কৰা হয়। সমাজত কু প্ৰভাৱ পেলাব পৰা বিভিন্ন সামগ্ৰী যেনে- বিড়ি, চিগাৰেট আদিত সৰ্বোচ্চ ২৮ শতাংশ কৰ আৰোপ কৰা হৈছে। আনহাতে কিছুমান অত্যাৱশ্যকীয় সামগ্ৰীক জি এছ টিৰ আওটাৰ বাহিৰত ৰখা হৈছে। তেনে কিছুমান সামগ্ৰী হ'ল- গাখীৰ, চাউল, মাছ, কণী, গুৰ, বাদাম, সতেজ ফল-মূল, চাহপাত, শাক-পাছলি, ছপা কিতাপ, বাতৰি কাকত, নিমখ আদি।

এনেদৰেই এই নতুন আইনখনে দেশৰ কৰ সংস্কাৰৰ লগতে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত প্ৰভাৱশালী ভূমিকা পালন কৰিব বুলি বুজা গৈছে।

❏❏❏

# Important Facts and Demonetization

**Khairuz Zaman Ahmed**
**4th Semester, B.Sc.**

1. First Demonetization in India took place on 12th Jan, 1946 with the banning of 500, 1000 and 10,000.
2. The second demonetization in the history of India took place on 16th Jan, 1978 in presence of finance ministry H.M Patel, party being the Janata Party in the banning of 1000, 5000 and 10,000 currencies.
3. 25 Paisa was banned on 30 June, 2011.
4. The news of demonetization was first published on a Gujrati newspaper named 'Akila' on 1st April, 2016.
5. First cashless state in India - Goa.
6. First cashless village in Gujrat- Akodara.
7. Before India, recent demonetisation took place in pakistan in 2015.
8. Still old notes are being used for land registry in U.P.
9. On the day of 9th November the day on which demonetisation starts working total currencies of old notes of 500 and 1000 in circulation in the whole country was 17.77 lakh crore.
10. RBI Governor Urjit Patel signs the new 500 and 2000 currencies.
11. On 24the Nove. old notes can be deposited but not exchanged.

❏❏❏

প্ৰবন্ধ

# লিওনাৰ্ডো দ্যা ভিন্সিৰ সেই ৰহস্যময়ী চিত্ৰখন

চুমী হাজৰিকা
৬ষ্ঠ ষাণ্মাসিক, স্নাতক, কলা

মানুহে সৃষ্টি কৰা কিছুমান বস্তুৱে যুগে যুগে বিশ্ববাসীক আকৃষ্ট কৰি আহিছে। যেনে- চীনৰ প্ৰাচীৰ, আগ্ৰাৰ তাজমহল, মিচৰৰ পিৰামিড, পেৰিচৰ টাৱাৰ ইত্যাদি ইত্যাদি। সেইদৰে ফ্ৰান্সৰ নতুন মিউজিয়ামৰ বুলেটপ্ৰুফ আইনাৰ বাকচত শ শ বছৰ বন্দী হৈ থকা ভূৱন মোহিনী মনালিছাৰ মানৱসৃষ্ট এটা অন্যতম শিল্প যিয়ে নিতৌ হাজাৰ হাজাৰ দৰ্শকক কৌতুহল যোগাই আহিছে।

পৃথিৱীৰ ইতিহাসৰ ৰহস্যময়ী চিত্ৰখন হৈছে বিখ্যাত চিত্ৰকৰ লিওনাৰ্ডো ড্যা ভিন্সিৰ অমৰ সৃষ্টি। এক অপূৰ্ব হাঁহিৰ গৰাকী সেই নাৰী গৰাকী। হাজাৰ হাজাৰ মানুহৰ মনত সেই ৰহস্যময়ী হাঁহিৰে সপোন ৰচনা কৰিছিল সেই নাৰী গৰাকীয়ে। সেই অপৰূপ লাৱণ্যময়ীক দেখি সেই সময়ৰ ডেকাবোৰ প্ৰেমৰোগত ধাৰাশায়ী হৈ পৰিছিল। সেই ৰূপ-ঐশ্বৰ্যৰ অধিকাৰীয়েই হ'ল 'মনালিছা'। লিওনাৰ্ডো ড্যা ভিন্সিয়ে অংকন কৰা এই চিত্ৰখনে বহু বছৰ পুৰণি যদিও আধুনিক যুগতো এই ছবিখনৰ বাবে অসংখ্য প্ৰশ্নৰ অৱতাৰণা হয়। সকলোৰে মনত কৌতুহলৰ সৃষ্টি হয় মনালিছাক লৈ। প্ৰকৃততে মনালিছা হ'ল ৰোমৰ এগৰাকী দৰিদ্ৰ পৰিয়ালৰ জীয়ৰী। ফ্ৰান্সেকো ডা গিও কাণ্ডো নামৰ ফ্লোৰেন্সবাসী এগৰাকীৰ তৃতীয় পত্নী অথচ প্ৰথম আৰু শেষ প্ৰেম।

ফ্লোৰেন্সৰ গিও কাণ্ডো বংশৰ শেষ পুৰুষ আছিল ফ্ৰান্সেস্কো। সেয়ে গিও কাণ্ডো বংশ ৰক্ষাৰ ভাৰ পৰে ফ্ৰান্সেস্কোৰ ওপৰত। তেঁৱেই গিও কাণ্ডো বংশ ৰক্ষা কৰিব লাগিব। ফ্ৰান্সেস্কোই বিভিন্ন নাৰীৰ লগত যৌৱনৰ লীলা-খেলা কৰি শেষত মোন্না ভান্না নামৰ এগৰাকী যৌৱন পুষ্ট গাভৰুক বিয়া কৰালে। বহুদিন বাগৰি গ'ল কিন্তু বংশ ৰক্ষাৰ কোনো লক্ষণ দেখা নগ'ল। লাহে লাহে মোন্না ভান্না ৰুগীয়া হৈ আহিল। অৱশেষত মোন্না ভান্না জীৱনৰ চৰম অতৃপ্তিত চিৰনিদ্ৰাত পৰিল।

ফ্ৰান্সেস্কোৰ কান্ধত গধুৰ বোজা গিও কাণ্ডো বংশ ৰক্ষাৰ বাবে। তেওঁ পুনৰ বিয়া কৰোৱাত বাদে আন একো উপায় নাছিল। ফ্ৰান্সোস্কোই মোনাবিচেচ নামৰ গাভৰু এগৰাকীক বিয়া কৰালে। মোনাবিচেচে ঘোঁৰা চলাই খুব ভাল পাইছিল। কিন্তু সেই ঘোঁৰাই কাল হ'ল মোনাবিচেচৰ। এদিন মোনাবিচেচে চাইন্স নামৰ এটা ডাঙৰ ঘোঁৰাৰ পৰা উফৰি পৰিল আৰু লগে লগে মোনাবিচেচে চিৰকালৰ বাবে চকু মুদিলে। দুগৰাকীকৈ পত্নী হেৰুৱাই ফ্ৰান্সেস্কো ভাগি পৰিছিল।

দিন বাগৰি গ'ল। মোনাবিচেচৰ মৃত্যুৰ তিনি মাহৰ পাছত ফ্ৰান্সেস্কোই বিয়া কৰালে এগৰাকী অতি দৰিদ্ৰ পৰিয়ালৰ মৰমৰ জীয়াৰী লিছা, মানে মনালিছাক। অতি দৰিদ্ৰ আছিল লিছাহঁতৰ ঘৰখন। কিন্তু ফটাকানিত সোণ থকাৰ দৰে সেই দুখীয়া ঘৰতেই জনম লৈছিল অপূৰ্ব ৰূপ-সৌন্দৰ্যৰ অধিকাৰী লিছাই। লিছাৰ লাৱণ্যময়ী ৰূপ দেখি ফ্ৰান্সেস্কো আনন্দত আত্মহাৰা হ'ল। ফ্ৰান্সেস্কোই অতদিনে বিচাৰি ফুৰা প্ৰেম অৱশেষত বিচাৰি পালে। লিছাৰ প্ৰেমত ফ্ৰান্সেস্কো মতলীয়া হ'ল। লিছা অন্তঃসত্বা হ'ল। ফ্ৰান্সেস্কোক বুজাব নোৱাৰা আনন্দই আৱৰি ধৰিলে। লিছাৰ ৰূপ-লাৱণ্য চিৰ যুগমীয়া কৰি ৰখাৰ কথা ভাবি ফ্ৰান্সেস্কোই পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰকাৰ লিওনাৰ্ডো দ্যা ভিন্সিক আমন্ত্ৰণ কৰি আনিলে। লিছাৰ ৰূপ দেখি লিছাৰ প্ৰতিচ্ছবি অংকন কৰিবলৈ ভিন্সি ৰাজি হ'ল। লিছা সদায় ভিন্সিৰ ঘৰলৈ যায়।

ভিন্সিয়ে লিছাৰ চিত্ৰ অংকন কৰে। এইদৰে ছবিখন অঁকা প্ৰায় শেষ হৈ আহিছিল, এনেতে ফ্ৰান্সেস্কোৰ জীৱনলৈ পুনৰবাৰ নামি আহিল ঘোৰ অমানিশা। ঘৰৰ চিৰি বগাই থাকোতে লিছা চিৰিৰ পৰা পিছলি পৰিল। পৃথিৱীৰ বিখ্যাত বিখ্যাত চিকিৎসক সকলক মতাই অনা হ'ল। কিন্তু সময়ে কাকো উভতি নাছায়। সময়ে লিছাক নিজৰ পিঠিত বহুৱাই বহু দূৰলৈ লৈ গ'ল। লিছা হৈ ৰ'ল স্মৃতি। লিওনাৰ্ডো ড্যা ভিন্সিৰ তুলিকা পৰি লিছা হৈ পৰিল অন্তহীত ৰহস্যৰ এক ইতিহাস।

বিশ্ববাসীয়ে আজি পাঁচশ বছৰ ধৰি একোটি মাত্ৰ হাঁহিক লৈ ৰহস্যৰ সাগৰত ডুব গৈ আছে। যিটো ভাবিলে আচৰিত লাগে। এই বিখ্যাত ছবিখনৰ বিষয়ে মানুহৰ কল্পনাৰ ওৰ পৰা নাই আৰু ওৰ পৰাৰ নিশ্চয়তা নাই। কিন্তু মনালিছাৰ সেই হাঁহিটো, মুখখন বহুতেই সহজভাৱে লব পৰা নাই। বহুতে কয় লিছাৰ হাঁহিটোৰ কোনো গভীৰ অৰ্থ নাই। ই হ'ল কোনো মূৰ্খ নাৰীৰ সাৰমৰ্মহীন পৰিতোষৰ অভিব্যক্তি। কোনোৱে কয় মনালিছাই হঁহাই নাছিল। খাদ্যপ্ৰাণৰ মাত্ৰা দেহত প্ৰয়োজনতকৈ বেছি হোৱা বাবে মুখমণ্ডলত তেনে এক চাপ পৰিছিল।

আমি মনালিছাৰ সেই চিত্ৰখনত এটা কথা লক্ষ্য কৰিব পাৰো যে, মনালিছাৰ পশ্চাদ পটত যি প্ৰাকৃতিক দৃশ্যৰাজি আছেতাৰ বাওঁফালটো যেন সোঁফালতকৈ যথেষ্ট তললৈ বিয়পি আছে। আকৌ বাওঁফালটোত মনালিছাক সোঁফালতকৈ বেছি ওখ যেন লাগে। পুনৰ মুখমণ্ডলৰ সোঁফালটো ঢাকি ধৰি বাওঁফালটো নিৰীক্ষণ কৰিলে অনুভৱ হয় যেন মনালিছাই দুখমনেৰে কিবা চিন্তাতহে মগ্ন হৈ আছে। আনহাতে সোঁফাল বাওঁফালটো ঢাকি ধৰি সোঁফালটো নিৰীক্ষণ কৰিলে এনে লাগে যেন গাভৰু লিছাই এটি সুন্দৰ হাঁহি মাৰি আছে। প্ৰায়বোৰ সাহিত্যিক, ঔপন্যাসিক, সমালোচক, শিল্পীয়ে কব খোজে যে মনালিছাৰ সোঁফাল আৰু বাওঁফালৰ প্ৰভেদৰ বাবে সৃষ্টি হৈছে এই ৰহস্য। এইদৰে বিভিন্নজনে বিভিন্ন মন্তব্য আগবঢ়াইছে মনালিছাৰ এই ৰহস্যজনক হাঁহিটোৰ ওপৰত। যি চিৰদিনৰ বাবে ৰহস্যৰ উৎস হৈ ৰ'ব।

❐❐❐

# হাঁহো আহা

মিছ জেৰিফা খানম
চতুৰ্থ ষাণ্মাসিক, স্নাতক, বিজ্ঞান

* এখন হোটেলত দুজন পাঞ্জাবী ৰুটি খাবলৈ সোমাল। এজনে হিন্দীতে ক'লে- ভাই চাহাব দু ৰুটি দিজিয়ে। কিন্তু হোটেলত থকা এজনেও বুজি নাপালে। অৱশ্যে ৰুটি শব্দটো বুজি পায় ৰুটি আনি দিলে। এনেতে খাই থাকোতে জলকীয়াই অতি ধৰাত এজনে চিঞৰি উঠিল, 'আৰে ভাই পানীলাও, পানী লাও।' তেতিয়া হোটেলত কাম কৰা এজনেও আহি লাহেকৈ ক'লে- নহয় চৰ্দাৰজী। এয়া ৰঙালাউহে।

* হোটেল এখনত চিঙৰা খাই ভাল নোপোৱাত গ্ৰাহকজনে ক'লে- আজিৰ চিঙৰাটো খাই একেবাৰে ভাল লগা নাই। পৰহিৰটো খুব ভাল লাগিছিল। দোকানী ঃ এইটোও পৰহিৰে ডাঙৰীয়া।

* এজন মানুহে এখন হোটেললৈ গৈছিল। তেওঁৰ বৰ গৰম লগাত তেওঁ কোটটো এখন চকীত থ'লে আৰু এখন কাগজ কোটটোত আলপিন মাৰি লিখিলে যে- "মোৰ কোটটো নিবলৈ চেষ্টা নকৰিব, কাৰণ মই এজন বক্সিং চেম্পিয়ন।" এনেকৈ লিখি মানুহজন ওলাই গ'ল। কিছু সময় পাছত তেওঁ আহি দেখে যে, কোটটোৰ পৰিবৰ্তে এখন কাগজহে আছে আৰু তেওঁ লগে লগে কাগজখন লৈ পঢ়িলে যে "তুমি কোটটো ঘূৰাই আনিবলৈ আশা নকৰিবা কাৰণ মই এজন দৌৰ চেম্পিয়ন।

প্ৰবন্ধ

# ভাৰতৰ সংসদীয় ব্যৱস্থা

লিচামণি কলিতা
চতুৰ্থ ষাণ্মাসিক, স্নাতক, কলা

ভাৰতবৰ্ষ গণতান্ত্ৰিক দেশ। বিশ্বৰ ভিতৰত সৰ্ববৃহৎ গণতান্ত্ৰিক গণৰাজ্য ভাৰতবৰ্ষত সংসদীয় গণতন্ত্ৰৰ প্ৰচলন আছে। বৃটিছৰ সুদীৰ্ঘ শাসন কালৰ অন্তত দীঘলীয়া স্বাধীনতা সংগ্ৰাম, ত্যাগৰ ফলস্বৰূপে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল।

ভাৰতবৰ্ষৰ সংসদীয় ব্যৱস্থা বৃটিছ শাসনৰ দান। সদনৰ বীজ ভাৰতত ১৯৩৩ চনৰ 'চাৰ্টাৰ আইন'ৰ দ্বাৰা ৰোপণ কৰা হয়। ১৯১৯ চনৰ 'ভাৰত চৰকাৰ আইনে' (The Government of India Act) প্ৰথম বাৰৰ বাবে দ্বি সদনীয় ব্যৱস্থা আৰম্ভ হয় আৰু ৰাজ্য সমূহত দ্বৈত শাসনৰো আৰম্ভ হয়। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে এই সদন সমূহৰ সদস্য সংখ্যা বৃদ্ধি কৰাৰ লগতে ৰাজ্য সমূহৰ সলনি কেন্দ্ৰতহে দ্বৈত শাসনৰ ব্যৱস্থা আৰম্ভ কৰে।

ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে ১৯৪৬ চনত এখন সংবিধান সভাত ড° ভীমৰাও আম্বেদকাৰ আছিল সংবিধান খচৰা সমিতিৰ সভাপতি। সংবিধান সভাখনে দিনে-ৰাতিয়ে কষ্ট কৰি সম্পূৰ্ণ ২বছৰ ১১ মাহ ১৮ দিনৰ পিছত এখন সংবিধান ভাৰতবাসীক উপহাৰ দিয়ে। ১৯৪৯ চনৰ ২৬ নবেম্বৰৰ দিনাখন ভাৰতবৰ্ষৰ সংবিধানখন বলবৎ হয় আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতবৰ্ষৰ সংবিধানখন কাৰ্যকৰী কৰা হয়।

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। আব্ৰাহাম লিংকনৰ মতে, 'গণতন্ত্ৰ হৈছে জনসাধাৰণৰ বাবে, জনসাধাৰণৰ দ্বাৰা আৰু জনসাধাৰণৰ চৰকাৰ'।

সংবিধানৰ ১নং অনুচ্ছেদত ভাৰতক এখন ৰাজ্য সমূহৰ সংঘ (Union of States) বুলি কোৱা হৈছে। ভাৰতবৰ্ষৰ সংবিধানখন এখন লিখিত সংবিধান। ভাৰতৰ সংবিধানখন পৃথিৱীৰ ভিতৰত এখন দীৰ্ঘতম সংবিধান। কেন্দ্ৰীয় আৰু ৰাজ্যিক বিভাজনৰ বাবে সংবিধানৰ সপ্তম অনুসূচীত তিনিখন সূচী- (i) কেন্দ্ৰীয় সূচী, (ii) ৰাজ্যিক সূচী আৰু (iii) সমৱৰ্তী সূচীৰ ব্যৱস্থা আছে। কেন্দ্ৰীয় সূচীৰ অন্তৰ্গত বিষয় সমূহত কেন্দ্ৰীয় চৰকাৰে, ৰাজ্যিক সূচীভুক্ত বিষয়ত ৰাজ্যিক চৰকাৰে আৰু সমৱৰ্তী সূচীৰ ক্ষেত্ৰত উভয় চৰকাৰে আইন প্ৰণয়নৰ ক্ষেত্ৰত প্ৰাধান্য লাভ কৰে।

গণতন্ত্ৰৰ মূল স্তম্ভ তিনিটা হ'ল- কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায় পালিকা। কাৰ্যপালিকাই আইনমতে বিধানমণ্ডলে প্ৰণয়ন কৰা ৰাষ্ট্ৰৰ নীতিসমূহক কাৰ্যকৰী বা বলবৎ কৰে। ভাৰতত কেন্দ্ৰীয় কাৰ্যপালিকা বুলি ক'লে ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু মন্ত্ৰীপৰিষদক বুজা যায়। ৰাজ্যপাল, ৰাজ্যিক মন্ত্ৰী পৰিষদক লৈ ৰাজ্যিক কাৰ্যপালিকা গঠন হয়। ভাতৰত ৰাষ্ট্ৰপতি পাঁচবছৰৰ বাবে জনসাধাৰণৰ দ্বাৰা পৰোক্ষভাৱে নিৰ্বাচিত হয়। ৰাষ্ট্ৰপতি নামমাত্ৰ কাৰ্যপালিকা, আনহাতে মন্ত্ৰীসভাখনত প্ৰকৃত কাৰ্যপালিকাৰ উদাহৰণ।

বিধানমণ্ডল চৰকাৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিভাগ। ই ৰাষ্ট্ৰৰ আইন প্ৰণয়নকাৰী বিভাগ। বিধানমণ্ডল এক সদনযুক্ত আৰু দ্বি সদনযুক্ত। ভাৰতবৰ্ষত এখন উচ্চ সদন অথবা ৰাজ্যসভা আৰু নিম্নসদন বা লোকসভা আছে। ৰাষ্ট্ৰপতি কোনো এখন সদনৰ সদস্য নহয় যদিও তেওঁক ইয়াৰ অবিচ্ছেদ্য অংগ বুলি ধৰা হয়। যিকোনো বিল ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ অবিহনে আইনত পৰিণত হ'ব নোৱাৰে।

ভাৰতীয় সংবিধানত সংসদৰ

ৰাজ্যসভা গঠনৰ কথা উল্লেখ আছে। ৰাজ্যসভাৰ মুঠ সদস্য সংখ্যা ২৫০ জন। ইয়াৰে বেছি সংখ্যক সদস্যই বিধান সভা আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা পৰোক্ষভাৱে নিৰ্বাচিত হয় আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা পৰোক্ষভাৱে নিৰ্বাচিত হয় আৰু বাকী কেইজনমানক ৰাষ্ট্ৰপতিয়ে মনোনীত কৰে। ৰাজ্যসভাৰ প্ৰতিজন সদস্যই ছয় বছৰীয়া কাৰ্যকাল লাভ কৰে। প্ৰত্যেক দুবছৰৰ মূৰে মূৰে এক তৃতীয়াংশ সদস্যই অৱসৰ লয়। ৰাজ্যসভাৰ সদস্য হ'বৰ বাবে কিছুমান অৰ্হতাৰ প্ৰয়োজন।

লোকসভাৰ জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যৰ দ্বাৰা গঠিত হয়। ৫৪৭ জন সদস্যৰে লোকসভা গঠিত। ইয়াৰে বেছিখিনি সদস্যই বিভিন্ন ৰাজ্যৰ জনগণৰ দ্বাৰা পোনপটীয়াভাৱে। কেইজনমান সদস্য কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা আৰু দুগৰাকী সদস্যক ৰাষ্ট্ৰপতিয়ে ইংগ ভাৰতীয় লোকসকলৰ মাজৰ পৰা মনোনীত কৰে। লোকসভাৰ সদস্যসকলৰ মাজৰ পৰা সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ দ্বাৰা জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে ১৮ বছৰৰ ওপৰৰ বয়সৰ প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰ দ্বাৰা গঠিত নিৰ্বাচক মণ্ডলীয়ে প্ৰত্যক্ষভাৱে ভোটদান কৰি নিৰ্বাচিত কৰে। লোকসভাৰ সদস্য হ'বৰ বাবেও কিছুমান বিশেষ অৰ্হতাৰ প্ৰয়োজন। লোকসভাৰ কাৰ্যকাল ৫বছৰ। অৱশ্যে ৰাষ্ট্ৰপতিয়ে ইয়াক যিকোনো সময়তে ভংগ কৰিব পাৰে। ভংগ কৰাৰ ছয়মাহৰ ভিতৰতে নতুন নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে।

সাধাৰণ নিৰ্বাচনৰ পিছত লোকসভাত সংখ্যা গৰিষ্ঠতা লাভ কৰা ৰাজনৈতিক দলৰ নেতাগৰাকীক ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী ৰূপে নিযুক্তি দিয়ে। সংসদৰ সদস্য নোহোৱা ব্যক্তি এজনো প্ৰধান মন্ত্ৰী হ'ব পাৰে, অৱশ্যে তেওঁ নিযুক্তি পোৱাৰ ছয়মাহৰ ভিতৰত যিকোনো এখন সদনৰ সদস্য হ'ব লাগিব। প্ৰধানমন্ত্ৰীৰ নেতৃত্বাধীন মন্ত্ৰী পৰিষদে বিভিন্ন বিভাগত থাকি বিভাগীয় কাম-কাজ পৰিচালনা কৰাত সহায় কৰে।

কেন্দ্ৰীয় চৰকাৰৰ নিচিনাকৈ ৰাজ্যসমূহতো কাৰ্যপালিকা, ন্যায়পালিকা আৰু বিধানমণ্ডল আছে। ভাৰতীয় সংবিধানৰ প্ৰত্যেক ৰাজ্যত একোখনকৈ বিধানমণ্ডল আছে। এই বিধানমণ্ডল এক সদনীয় অথবা দ্বি-সদনীয় হ'ব পাৰে। এক সদনীয় বিধানমণ্ডলক বিধানসভা বোলা হয়। দ্বি-সদনযুক্ত বিধানমণ্ডলৰ উচ্চ সদনৰ নাম বিধান পৰিষদ আৰু নিম্ন সদনৰ নাম বিধানসভা। ভাৰতৰ বিহাৰ, কৰ্ণাটক, জম্মু-কাশ্মীৰ, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰত দ্বি-সদনযুক্ত বিধানমণ্ডল আছে।

ৰাজ্যৰ জনসাধাৰণে প্ৰত্যক্ষভাৱে নিৰ্বাচন কৰা প্ৰতিনিধিৰ দ্বাৰা বিধানসভা গঠিত হয়। অসম বিধানসভাত ১২৬ জন সদস্য আছে। বিধানসভাৰ সদস্য হবৰ বাবেও কিছুমান বিশেষ অৰ্হতাৰ প্ৰয়োজন।

ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ সাফল্যৰ বাবে আটাইতকৈ প্ৰয়োজনীয় উপাদান হৈছে ৰাজনৈতিক দলসমূহ। ভাৰতত বহুদলীয় ব্যৱস্থা আছে। ভাৰতত বিভিন্ন ৰাজনৈতিক দলৰ সৃষ্টি হৈছে। ৰাজনৈতিক নেতাসকলৰ মাজত দলবাগৰা ৰাজনীতিও দেখা যায়। ভাৰতবৰ্ষত প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয় ১৯৫১—১৯৫২ চনত। ভাৰতবৰ্ষৰ প্ৰথম নিৰ্বাচিত ৰাজ্যসভা আৰু লোকসভা গঠিত হয় ১৯৫২ চনৰ মে' মাহত। তেতিয়াৰে পৰা প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হৈ আহি আছে।

বৰ্তমান সময়ত ভাৰতীয় গণতন্ত্ৰ শক্তিশালী কৰি বিশ্বৰ দৰবাৰত উচ্চ শিখৰত প্ৰতিষ্ঠা কৰিবৰ বাবে জনসাধাৰণৰ মাজত বিয়পি থকা নিৰক্ষৰতা দূৰ কৰি গণতন্ত্ৰৰ প্ৰতি সচেতনতা জগাই তোলাৰ লগতে সামাজিক শ্ৰীবৃদ্ধিত বিঘিনি ঘটোৱা কাৰকসমূহক দূৰতে বিদূৰ কৰিবৰ বাবে মাৰ বান্ধি সকলোৱে থিয় হোৱাৰ সময় আহি পৰিছে।

❑❑❑

প্ৰবন্ধ

# ব্ৰেইন ড্ৰেইন

চাজিদ আলম
চতুৰ্থ ষাণ্মাষিক, স্নাতক, কলা

'ব্ৰেইন ড্ৰেইন'— সম্প্ৰতি এই শব্দকেইটাই মানুহৰ মনত বিশেষ ক্ৰিয়া প্ৰতিক্ৰিয়া তথা কৌতুহলৰ সৃষ্টি কৰে। কিয়নো কিছু সংখ্যকৰ বাবে এই শব্দ সমষ্টিটো চিনাকী যদিও গৰিষ্ঠ সংখ্যকৰ বাবেই এই শব্দ সমষ্টি সম্পূৰ্ণ নতুন। প্ৰকৃততে এই 'ব্ৰেইন ড্ৰেইন' নো কি বস্তু? জানিবলৈ মন নাযায়নে বাৰু?

দেখা যায় যে উন্নত মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত সদায়ে উন্নত দেশ সমূহে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে। উন্নত দেশসমূহে এই ক্ষেত্ৰত প্ৰতিযোগিতাৰ উদ্ভৱ কৰা বুলি অভিহিত কৰিলেও ভুল নহ'ব। উন্নত দেশমূহে ভিন্ন ক্ষেত্ৰত আগবঢ়োৱা সা-সুবিধা আৰু ভিন্নজনৰ ব্যক্তিগত আশা-আকাংক্ষাৰ বাবে বিভিন্ন দেশৰ পৰা উন্নত দেশসমূহলৈ মানৱ সম্পদৰ আগমন ঘটা দেখা যায়। এনেদৰে এখন দেশৰ পৰা আন এখন দেশলৈ প্ৰতিভাসম্পন্ন মানৱ সম্পদৰ বৰ্হিগমনৰ প্ৰক্ৰিয়াটোৱেই হৈছে 'ব্ৰেইন ড্ৰেইন'। অভিধানিক অৰ্থত সহজভাৱে ক'বলৈ হ'লে ব্ৰেইন ড্ৰেইন হ'ল মানৱ সম্পদৰ বৰ্হিগমন।

ব্ৰেইন ড্ৰেইনৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। ভাৰতবৰ্ষৰ এক বৃহৎ পৰিমাণৰ প্ৰতিভাসম্পন্ন মানৱ সম্পদৰ ইতিমধ্যেই অন্য দেশলৈ বৰ্হিগমন ঘটিছে আৰু এতিয়াও এই ধাৰা অব্যাহত আছে। অৱশ্যে ইয়াৰ ভাল বেয়া দুয়োটা দিশেই আছে। ভাল দিশটো হ'ল যে ইয়াৰ দ্বাৰা ভাৰতীয় সকলে আজি বিদেশত সমাদৰ তথা স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে যিটো আমাৰ বাবে অত্যন্ত গৌৰৱৰ বিষয় আনহাতে ইয়াৰ বেয়া দিশটো হ'ল যে আমাৰ দেশ এওঁলোকৰ অৱদানৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে, যিটো আমাৰ বাবে অতি দুৰ্ভাগ্যজনক।

দেশ এখনৰ মানৱ সম্পদ সমূহে বেলেগ বেলেগ দেশলৈ গতি কৰিলে নিজ দেশখনত ইয়াৰ যথেষ্ট কু-প্ৰভাৱ পৰে। ইয়াৰোপৰি দেশখনৰ উন্নয়নতো ই বাধাস্বৰূপ হৈ পৰে কাৰণ প্ৰতিভাসম্পন্ন মানৱ সম্পদ অবিহনে এখন দেশৰ উন্নয়ন সাধন কৰা প্ৰায় অসম্ভৱৰ নিচিনাই। ব্ৰেইন ড্ৰেইনৰ ফলত সেই দেশখনৰ উন্নয়নৰ গতি স্থৱিৰ হৈ পৰে। সেয়েহে চৰকাৰে বিভিন্ন ধৰণৰ কাৰ্যসূচী তথা পদক্ষেপ আৰু জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰি ব্ৰেইন ড্ৰেইনক নিয়ন্ত্ৰণ কৰাটো অত্যন্ত প্ৰয়োজনীয়।

জনসাধাৰণৰ সজাগতা আৰু চৰকাৰৰ প্ৰয়োজনীয় পদক্ষেপ অবিহনে ব্ৰেইন ড্ৰেইনৰ পৰা মুক্তি লাভ কৰা সম্ভৱ নহয়। এখন দেশৰ প্ৰতিভাসম্পন্ন মানৱ সম্পদ আৰু দেশখনৰ উন্নয়ন, এটা মুদ্ৰাৰ ইপিঠি সিপিঠি সদৃশ। কাৰণ প্ৰতিভাসম্পন্ন মানৱ সম্পদ এখন দেশৰ উন্নয়নৰ মূল ভেঁটি।

□□□

প্ৰবন্ধ

# সম্ৰাট অশোকৰ ৰাজনীতি ঃ এক আলোকপাত

জুৰিআনা চুলতানা আহমেদ
চতুৰ্থ ষাণ্মাসিক, স্নাতক, কলা

স্বাধীন ভাৰতবৰ্ষৰ জাতীয় পতাকাখন ১৯৪৭ চনৰ ২২ জুলাই তাৰিখে সংবিধান প্ৰস্তুতি সমিতিৰ এখন বিশেষ সভাত গ্ৰহণ কৰা হৈছিল। এই পতাকাখনৰ মাজভাগত ২৪ দণ্ডযুক্ত নীলা বৰণৰ চক্ৰটো হ'ল অশোক চক্ৰ। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰতীক অশোক স্তম্ভটো ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে প্ৰথম প্ৰজাতন্ত্ৰ দিৱসৰ পৰা গ্ৰহণ কৰা হৈছিল। যিসকল লোকে জাতীয় পতাকাখনৰ আৰ্হি প্ৰস্তুত কৰি মাজভাগত অশোক চক্ৰটো সংযোজন কৰিছিল আৰু ৰাষ্ট্ৰীয় প্ৰতীক হিচাপে অশোক স্তম্ভটো গ্ৰহণ কৰিছিল তেওঁলোকৰ এই বাছনিৰ আঁৰত থকা গভীৰ অন্তৰ্দৃষ্টিয়ে দেশৰ ইতিহাস তথা ঐতিহ্য সচেতনতাৰ কথা বুজায়। অশোক চক্ৰ তথা অশোক স্তম্ভটিয়ে বহন কৰা ভাৰতীয় সভ্যতাৰ প্ৰাচীনত্ব; সাংস্কৃতিক তথা ৰাজনৈতিক ঐতিহ্যৰ মহত্বৰ কথা উপলব্ধি কৰিবলৈ হ'লে এই চিহ্ন দুটাৰ উৎপত্তিৰ সময়লৈ আৰু সম্ৰাট অশোকে কিয় এই ভাস্কৰ্য দুটা নিৰ্মাণ কৰিছিল সেই সময়লৈ উভতি যাব লাগিব।

আমি আটায়ে অৱগত যে সম্ৰাট অশোকে কলিংগ যুদ্ধৰ পিছত যুদ্ধৰ সংঘটিত হোৱা ব্যাপক নৰসংহাৰ, ৰক্তপাত, পংগু হোৱা সৈনিক, সৈনিকৰ পৰিয়াললৈ নামি অহা দুৰ্দশা তথা শোক আদি দেখি অনুশোচনাত ভুগিবলৈ লয়। এই অনুশোচনাত ভুগি থকাৰ সময়তে অহিংসাক মূল বাণী হিচাপে লৈ আত্মপ্ৰকাশ কৰা বৌদ্ধ ধৰ্মৰ প্ৰতি তেওঁ আকৰ্ষিত হ'ল আৰু বৌদ্ধ ধৰ্মত দীক্ষিত হয় আৰু বৌদ্ধ ধৰ্মৰ অহিংসা আৰু শান্তিৰ জলধাৰাত অৱগাহন কৰি তেওঁ তেওঁৰ অনুশোচনাৰ নিদান বিচাৰিলে। তেওঁ সংঘটিত কৰা ৰক্তপাতৰ ক্ষতিপূৰণ তথা প্ৰায়শ্চিত্ত কৰিব বিচাৰিলে নিজ ৰাষ্ট্ৰত অহিংসাৰ বাণীৰ প্ৰচাৰেৰে, বিশ্ব মৈত্ৰীৰ বাণীৰে সমগ্ৰ মানৱ জাতিক প্ৰেৰিত কৰি বিশ্বত শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াসেৰে। তেওঁ ঘোষণা কৰিলে- তেওঁ নিজে ভৱিষ্যৎ সাম্ৰাজ্য বিস্তাৰৰ বাবে যুদ্ধ পৰিহাৰ কৰাৰ কথা। ৰাষ্ট্ৰৰ শক্তি, ৰাজকোষৰ ধন তেওঁ বিনিয়োগ কৰিবলৈ ধৰিলে মানুহৰ মংগলৰ নিমিত্তে। ৰজা হিচাপে, ৰাষ্ট্ৰৰ সাৰ্বভৌম শক্তিৰ নিয়ন্ত্ৰক হিচাপে থাকি ৰাজকোষৰ ধন আৰু ৰাষ্ট্ৰৰ সম্পদ নিজৰ, বংশ-কুটুম্বৰ আৰু অনুচৰ সামন্তসকলৰ ভোগ-বিলাসৰ বাবে, ক্ষমতা বিস্তাৰৰ বাবে ব্যৱহাৰ কৰাৰ সলনি দেশৰ প্ৰজাৰ কল্যাণৰ কামত তথা বিশ্ব শান্তিৰ বাবে ব্যৱহাৰ কৰিবলৈ ধৰিলে। দেশৰ এই পৰিবৰ্তিত গৃহনীতি তথা বৈদেশিক নীতিক কাৰ্যকৰী কৰাৰ উদ্দেশ্যে, প্ৰচাৰ কৰাৰ উদ্দেশ্যে, তেওঁ নিজে পৰিব্ৰাজকৰ দৰে দেশৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিলে; দেশৰ গুৰুত্বপূৰ্ণ চৰকাৰী বিষয়া যুতঃ আৰু ৰজ্জুক সকলক এই কামত নিযুক্ত কৰিলে; নতুনকৈ ধৰ্মমহামাত্ৰ নামৰ এটা পদবীৰ সৃষ্টি কৰিলে। নিজ পুত্ৰ আৰু কন্যা ক্ৰমে মহেন্দ্ৰ আৰু সংঘমিত্ৰাক এই কামত নিযুক্ত কৰিলে। তেওঁ বাট-পথ সমূহৰ দাঁতিত বৃক্ষৰোপণৰ আঁচনি গ্ৰহণ কৰিলে, পথাচাৰিৰ বাবে জিৰণি ঘৰ নিৰ্মাণ কৰালে; মানুহৰ খোৱাপানী, কৃষিক্ষেত্ৰত জলসিঞ্চন, জীৱ-জন্তুৰ খোৱাপানী আদিৰ বাবে বিভিন্ন ঠাইত পুখুৰী খন্দালে; জীৱ-জন্তুৰ চিকিৎসাৰ বাবে পশু চিকিৎসালয় নিৰ্মাণ কৰালে। ৰাজকীয় ভোজ-ভাত আৰু অন্য ৰাজকীয় সভা-সমিতিত ভোজ-ভাতত মাংস খোৱাটো নিয়ন্ত্ৰণ কৰিলে যাতে তাৰ

বাবে প্ৰয়োজন হোৱা চিকাৰ তথা জীৱহত্যা হ্ৰাস কৰিব পাৰি।

ৰজা হিচাপে দৈনন্দিন জিৱণি তথা বিলাসী কাৰ্যকলাপবোৰ হ্ৰাস কৰি তেওঁ ঘোষণা কৰিলে দেশৰ চোৰাংচোৱা সকলে যিকোনো সময়তে তেওঁক সাক্ষাৎ কৰিব পাৰিব। এই খিনিতে এটা কথা উল্লেখনীয় যে, বৌদ্ধ ধৰ্মক সবল আৰু এক আন্দোলনৰ ৰূপত প্ৰচাৰ কৰিবলৈ লোৱা অহিংসাৰ বাণী; মানৱ প্ৰেম; প্ৰকৃতি প্ৰেম আৰু অশোকে অনুসৰণ কৰিবলৈ লোৱা প্ৰজাহিতকৰ কল্যাণকামী ৰাজতন্ত্ৰৰ আদৰ্শ ভাৰতৰ বাবে নতুন কথা নাছিল। "অহিংসা পৰম ধৰ্ম" এই বাণী "মহাভাৰত"তে পোৱা যায়। অনুৰূপ ধৰণে প্ৰকৃতি প্ৰেমৰ বাণী "বসুধৈৱ কুটুম্বকম্" মহোপনিষদত পোৱা যায় আৰু কৌটিল্যই আদৰ্শ ৰজাৰ কৰ্তব্যৰ বিষয়ে অৰ্থশাস্ত্ৰত উল্লেখ কৰিছিল— "প্ৰজাৰ সুখতেই ৰজাৰ সুখ, প্ৰজাৰ দুখেই ৰজাৰ দুখ; ৰজাৰ কোনো ব্যক্তিগত সুখ নাই, ব্যক্তিগত দুখ নাই।"

সাধাৰণতে দেখা যায় নতুনকৈ ধৰ্মান্তৰিত হোৱা লোক এজনে তেওঁ অনুসৰণ কৰা পূৰ্বতে ধৰ্মটোৰ প্ৰতি অথবা অন্য ধৰ্মৰপ্ৰতি নিষ্ঠুৰ আচৰণ কৰিবলৈ লয়। সম্ৰাট অশোকে এই দুৰ্ভাৱনা, দুৰাবেগৰ পৰা নিজকে আঁতৰত ৰাখিব পাৰিছিল। তেওঁ ব্ৰাহ্মণসকলক, জৈন নিৰ্গ্ৰন্থ সকলক, আজীৱক সন্যাসীসকলক বৌদ্ধ শ্ৰমণ সকলৰ দৰেই দান-দক্ষিণা কৰিছিল। তেওঁলোকৰ বাবে বিভিন্ন নিৰ্মাণ কাৰ্য কৰিছিল আৰু প্ৰশাসকসকলকো তেনে ভাৱনাৰে প্ৰেৰিত কৰিছিল।

আধুনিক যুগৰ বহু লোকে প্ৰায়ে ভুল বশতঃ এটা কথা কোৱা দেখা যায় যে— ৰাজনীতিত ধৰ্ম নিৰপেক্ষতাৰ ধাৰণা পশ্চিমীয়া সভ্যতাৰ অৱদান আৰু ভাৰতৰ সংবিধানত ঘোষিত ধৰ্ম নিৰপেক্ষতা পশ্চিমৰ পৰা আমদানী কৰা এক দিশ। কিন্তু সেয়া এই ভ্ৰান্তি। বিভিন্ন ধৰ্মপন্থাৰ উৎপত্তি তথা আশ্ৰয় স্থল হ'ল ভাৰতবৰ্ষ। ভাৰতৰ ইতিহাসত ভাৰতীয় শাসক তথা প্ৰজাগণ ধৰ্মীয় দমন, নিস্পেষণ আৰু পৃথিৱীৰ অন্য ঠাইত দেখিবলৈ পোৱা ধৰ্মযুদ্ধৰ দৰে ঘটনাত জড়িত হোৱা কোনো কালে দেখা নাযায়। সম্ৰাট অশোকে খোদিত কৰোৱা গিৰ্ণাৰ শিলালিপিতো এই আদৰ্শ সুন্দৰভাৱে পৰিস্ফূত হৈছে। ইয়াত তেওঁ ঘোষণা কৰিছিল—ধৰ্মৰ কথা আলোচনা কৰোঁতে মানুহে বাক সংযম ৰক্ষা কৰিব। কোনেও একমাত্ৰ নিজৰ ধৰ্মটোকেই প্ৰশংসা নকৰিব। প্ৰত্যেকে আনৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব আৰু সকলো ধৰ্মৰ সাৰমৰ্মবোৰ অনুসৰণ কৰিবলৈ সচেষ্ট হ'ব।

অশোকে ৰাজশক্তি প্ৰয়োগ কৰি তেওঁ নিজে উচিত বুলি ভবা কথাবোৰ প্ৰজাৰ ওপৰত জাপি দিব বিচৰা নাছিল। প্ৰজাৰ মাজলৈ তেওঁ গৈছিল, তেওঁ প্ৰজাৰ অংশ গ্ৰহণ বিচাৰিছিল; প্ৰজাকো তেওঁ প্ৰেৰিতহে কৰিব বিচাৰিছিল। বৌদ্ধ ধৰ্মৰ পবিত্ৰ স্থান সমূহ তেওঁ ভ্ৰমণ কৰিছিল। উত্তৰ প্ৰদেশৰ সাৰনাথতেই গৌতম বুদ্ধই দিব্যজ্ঞান পোৱাৰ পিছত প্ৰথম ধৰ্মৰ বাণী বিলাই ছিল। এই সাৰনাথলৈও সম্ৰাট অশোকে ভ্ৰমণ কৰিছিল আৰু এই ভ্ৰমণ স্মৰণীয় কৰিবলৈ সম্ৰাট অশোকে স্তম্ভটো নিৰ্মাণ কৰিছিল। ৰাষ্ট্ৰৰ সাৰ্বভৌম শক্তিৰ দ্বাৰা সুৰক্ষিত ধৰ্ম আৰু ইয়াৰ গতিশীলতা তথা বিশ্বজনীনতাক চাৰিদিশে মুখ কৰি থকা চাৰিটা সিংহৰ দ্বাৰা সুৰক্ষিত "ধৰ্মচক্ৰ"ৰ জৰিয়তে প্ৰতীকী ৰূপত ঘোষণা কৰা হৈছিল। আধুনিক যুগত পৃথিৱীৰ বিভিন্ন প্ৰান্তত যিবোৰ নৃশংস নৰসংহাৰী যুদ্ধ বিগ্ৰহে দেখা দিছে সেইবোৰৰ আঁৰত পৰস্পৰৰ ধৰ্মীয় শ্ৰেষ্ঠতা প্ৰতিষ্ঠা কৰাৰ হাবিয়াস, গোড়ামী, বৈষয়িক ভোগ বিলাসৰ বাবে মানুহৰ মাজত ক্ৰমবৰ্দ্ধিত লিপ্সা, ৰাষ্ট্ৰনায়কসকলৰ ব্যক্তিগত ক্ষমতা বিস্তাৰৰ বাবে ৰাষ্ট্ৰীয় সম্পদ ব্যৱহাৰ কৰাৰ প্ৰতিযোগিতা আদি কাৰকে ক্ৰিয়া কৰিছে। ইয়াৰ সমুখত লুণ্ঠিত হৈছে মানৱতা।

এই সকলোবোৰ সমস্যাৰ নিদান আমি অশোকৰ আভ্যন্তৰীণ তথা বৈদেশিক নীতিত দেখিবলৈ পাওঁ।

আধুনিক ভাৰতৰ প্ৰায় সমগ্ৰ অংশ অশোকৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত

হৈছিল। যুদ্ধ নীতি পৰিহাৰ কৰাৰ পিছতো এই বিশাল সাম্ৰাজ্যখনৰ অখণ্ডতা অটুট আছিল।

ৰাষ্ট্ৰীয় অখণ্ডতা, অহিংসা, ধৰ্মীয় সহিষ্ণুতা তথা নিৰপেক্ষতা; উশৃংখল ভোগবাদৰ বিপৰীতে মানৱ কল্যাণৰ দৰ্শনেৰে প্ৰেৰিত শাসকৰ দাৰ্শনিক দৃষ্টিভংগী; শাসকৰ নিৰলস শ্ৰম; প্ৰকৃতি প্ৰেম; অস্ত্ৰৰ ভাবুকিৰ সলনি প্ৰেম-কৰুণা, ধৰ্মৰ প্ৰেৰণাৰে দেশ শাসন, সংস্কৃতিৰ গতিশীলতা, বিশ্বজনীনতাৰ আদি আদৰ্শ ভাৰতীয় সংস্কৃতিৰ আত্মাত প্ৰোথিত বুলি ক'ব পাৰি। এই আদৰ্শ সমূহত কেৱল ভাৰতৰেই কল্যাণ নিহিত হৈ আছে এনে নহয়, সমগ্ৰ বিশ্বৰ বাবে এই আদৰ্শ সমূহ শিক্ষাপ্ৰদ, অনুসৰণীয়। এই আদৰ্শ সমূহৰ সৈতে ভাৰতীয় লোকৰ আত্মিক সম্পৰ্ক আছিল বাবেই সম্ৰাট অশোকৰ নামটোৱে আজিও ভাৰতীয় লোকক মোহাচ্ছন্ন কৰি ৰাখিবলৈ সক্ষম হৈছে। বিশ্বৰ দূৰদৰ্শী সুধী সকলেও অশোকৰ আদৰ্শৰ মাজত মানৱ সভ্যতালৈ বিভিন্ন সময়ত অহা ভাবুকিবোৰৰ নিদান পৰিত্ৰাণৰ উপায় দেখা পাইছে যিয়ে আমাক আজিও মোহাচ্ছন্ন কৰি ৰাখিছে।

❑❑❑

- সম্ৰাট অশোকৰ শাসন কাল হ'ল ২৭৩—২৩২ খ্ৰীষ্টপূৰ্ব।
- তেওঁৰ পিতৃ আছিল সম্ৰাট বিন্দুসাৰ আৰু মাতৃৰ নাম আছিল ধৰ্মা।
- এতিয়ালৈ আবিষ্কৃত হোৱা ভাৰতীয় শিলা লিপি সমূহৰ ভিতৰত অশোকে খোদিত কৰা লিপিসমূহেই আটাইতকৈ প্ৰাচীন। এই লিপিসমূহৰ অধিকাংশ ব্ৰাহ্মী লিপি আৰু প্ৰাকৃত ভাষাত ৰচিত। এতিয়ালৈ মুঠ ৩৩ খন এনে শিলালিপি আবিষ্কৃত হৈছে। এই লিপিসমূহৰ পাঠ উদ্ধাৰ কৰিছিল প্ৰথমে জেমছ প্ৰিঞ্চেপে ১৮৩৭ চনত।
- সম্ৰাট অশোকে নিৰ্মাণ কৰা অজস্ৰ বৌদ্ধ স্তুপৰ ভিতৰত সাঁচীৰ স্তুপটোও এটা।
- তেওঁ নিৰ্মাণ কৰা বিভিন্ন পশুমূৰ্ত্তিযুক্ত শিলাস্তম্ভসমূহ প্ৰাচীন ভাৰতীয় ভাস্কৰ্য্য শিল্পলৈ অনবদ্য বৈপ্লৱিক সংযোজন আছিল।

যুৱ চেতনা

# আধুনিকতাত ডুব যোৱা যুৱ সমাজ

মৃন্ময় নাৰায়ণ কলিতা
ষষ্ঠ ষাণ্মাসিক, স্নাতক, কলা

আধুনিকতাই বিদেশৰ পৰা আচহুৱা বেশ-ভূষা, আচাৰ, ব্যৱহাৰ, কথা-বতৰা, খাদ্যভ্যাস আৰু জীৱন ধাৰণৰ নতুন নতুন পদ্ধতি গ্ৰহণ কৰাকে নুবুজায়। আধুনিকতা মানে হ'ল পুৰণি সমাজ ব্যৱস্থাৰ ৰূপান্তৰ।

কিন্তু বৰ্তমান সমাজ ব্যৱস্থাক হত্যা, লুণ্ঠন, নিৰ্যাতন আদি নিয়মীয়া ঘটনাত পৰিণত হৈছে। ছাত্ৰ সমাজে শিক্ষকক সন্মান নজনোৱা, অবৈধ যৌন সম্পৰ্ক, মাদক দ্ৰব্য আদিয়ে যুৱ সমাজত এক অস্থিৰতাৰ সৃষ্টি কৰিছে। আজি উঠি অহা যুৱ চামৰ মাজত সহনশীলতা, ধৈৰ্য্য, দয়া, করুণাৰ অভাৱ ঘটিছে। আমি জানো যে সমাজ পৰিবৰ্তনশীল কিন্তু সেই পৰিবৰ্তন হ'ব লাগিব জনসাধাৰণৰ জীৱনৰ লগত খাঁপ খোৱা বিধৰ।

আধুনিকতাত ডুব গৈ নিজৰ সভ্যতা সংস্কৃতি পাহৰি আন সভ্যতা সংস্কৃতিৰ অন্ধ অনুকৰণ কৰিবলৈ গৈ পথভ্ৰষ্ট হোৱা যুৱসমাজক যদি প্ৰকৃত পথৰ সন্ধান কৰি নিদিয়ে যুৱ শক্তি অচিৰেই ধ্বংস হ'ব। আধুনিকতাৰ নামত আমি পশ্চিমীয়া দেশৰ বেশ-ভূষা, সাজ-পাৰ, গাড়ী, মটৰ, খাদ্যভ্যাস আদি গ্ৰহণ কৰি নিজৰ সভ্যতা, সংস্কৃতি পাহৰি গ'লে নহ'ব।

তেওঁলোকৰ পৰা আমি গ্ৰহণ কৰিব লাগিব নিয়মানুবৰ্তিতা, কৰ্মস্পৃহা, কৰ্তব্যনিষ্ঠা, স্পষ্টবাদিতা, উদাৰতা ইত্যাদি গুণবোৰ কিন্তু সেইবোৰ শিকিব পাৰিছো আমি কেইজনে? শিকিছো কেৱল বেয়া খিনি।

যুৱ সমাজ যেন এতিয়া সম্পূৰ্ণৰূপে আধুনিকতাৰ বিশাল সাগৰত ডুব গৈ কক্‌বকাই আছে। তেওঁলোকক তাৰ পৰা উভতাই অনাৰ দায়িত্ব সম্পূৰ্ণ অভিভাৱকসকলৰ। তেওঁলোকে পৰিস্থিতিৰ সম্পূৰ্ণ আন্তৰিকতাৰে হৃদয়ংগম কৰি বৰ্তমান যুৱ সমাজক পথৰ সন্ধান দিয়া উচিত যাতে যুৱ সমাজ ধ্বংসৰ মুখৰ পৰা উভতি আহে।

যদিও যুৱ সমাজ আধুনিকতাত ডুব গৈছে তাৰে কিন্তু এচামে নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰি সুনাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

❑❑❑

যুৱ চেতনা

# মাদক দ্ৰব্য আৰু যুৱ প্ৰজন্ম

চুমন ডেকা
দ্বিতীয় ষাণ্মাসিক, স্নাতক, কলা

"মাদক দ্ৰব্য স্বাস্থ্যৰ পক্ষে হানিকাৰক" এই আপ্তবাক্যশাৰী প্ৰায়বোৰ মাদক দ্ৰব্যতে পৰিলক্ষিত হয় যদিও আজিৰ যুৱ প্ৰজন্মই পঢ়ি-শুনি শিক্ষিত হৈয়ো নিৰক্ষৰ আৰু অন্ধৰ দৰে আচৰণ কৰিছে। মাদক দ্ৰব্য স্বাস্থ্যৰ পক্ষে হানিকাৰক বুলি জানি শুনিও ইয়াক চকু মুদি সেৱন কৰে। মাদক দ্ৰব্যৰ কৱলত পৰি যুৱচামে হিতাহিত জ্ঞান হেৰোৱাৰ লগতে মাদক দ্ৰব্যৰ চিকাৰ হৈ পৰিছে। আজিকালি বিভিন্ন অপৰাধ, অনৈতিক কাৰ্য আৰু কাজিয়া-পেচাল আদিত মাদক দ্ৰব্য ব্যাধিৰ ফলস্বৰূপ।

যি এচাম যুৱকে মাদক দ্ৰব্যৰ ভয়ংকৰ ব্যাধিৰ সময়ত সমাজ ৰক্ষাৰ অৰ্থে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণৰ জৰিয়তে সজাগ তথা সচেতন কৰি আগন্তুক প্ৰজন্মক এই ব্যাধিৰ পৰা মুক্ত কৰা দায়িত্বত আছিল, সেই চাম যুৱকেই এই ব্যাধিৰ মূল কাণ্ডাৰী স্বৰূপ হৈ পৰিছে; যাৰ ফলত আজিৰ সমাজত প্ৰায়ে বিশৃংখল বাতাবৰণৰ সৃষ্টি হোৱা দেখা যায়। আজিকালি কৈশোৰ, যৌৱনৰ প্ৰাক্ সন্ধিক্ষণত উপনীত হোৱা যুৱক লগতে কিছু সংখ্যক যুৱতীও ৰাগিয়াল দ্ৰব্যৰ দোকানৰ গ্ৰাহক হোৱা দৃশ্যটো সুলভ হৈ পৰিছে; কিন্তু যি সময়ত তেওঁলোকে নিজকে দেশ এখনৰ সু-মানৱ সম্পদ হিচাপে গঢ় দিয়াহে যুগুত আছিল। তাতে আকৌ কিছু সংখ্যকে ভুল ধাৰণাৰ বশৱৰ্তী হৈ ৰাগিয়াল দ্ৰৱৰ চিকাৰ হোৱা দেখা যায়। তেওঁলোকে ভাৱে যে ৰাগিয়াল দ্ৰব্য সেৱনে তেওঁলোকক মানসিক অশান্তিৰ পৰা মুক্ত তথা অৱসাদ দূৰ কৰে, কিন্তু তেওঁলোকে নাভাৱে যে অন্ধ অনুকৰণেৰে ভুল ধাৰণাৰ বশৱৰ্তী আৰু আবেগিক হৈ নিজৰ জীৱনটো ধ্বংসৰ পথলৈ আগুৱাই লৈ গৈ আছে। তেওঁলোকে নাভাৱে যে লাহে লাহে তেওঁলোক শাৰীৰিক আৰু মানসিকভাৱে মাদক দ্ৰব্যৰ চিকাৰ হৈ পৰিছে। এটা সময়ত এওঁলোক এনেদৰে নিচাত আসক্ত হৈ যায় যে সমাজত তেওঁলোকে ভাল-বেয়া, বিচাৰ-বিবেচনাৰ ক্ষেত্ৰত অন্ধ হৈ পৰে বা বিবেকৰ অভাৱ ঘটা পৰিলক্ষিত হয়। পৰাধীনতাৰ কালছোৱাত ভাৰতবৰ্ষত তথা অসমত ইংৰাজসকলে কানিৰ প্ৰচলন ঘটাই মানুহবোৰক অকামিলা কৰিছিল আৰু তেওঁলোকে নায্য স্বাৰ্থ লাভৰ বাবে সেই সুযোগ গ্ৰহণ কৰিছিল। তৎ স্বত্বেও স্বাধীনতাৰ ইমান বছৰ পিছতো সেই কথা জানিও সেইবোৰ ৰাগিয়াল দ্ৰব্যকে সেৱন কৰি দেশ তথা সমাজৰ অস্তিত্বক বিপদাপন্ন কৰি তুলিছে। আনকি এইবোৰৰ কৱলত পৰি সমাজ এখনত শান্তি ভংগ কৰি বিশৃংখল কৰাৰ লগতে নিজৰ পূজনীয় পিতৃ-মাতৃকো শাৰীৰিক আৰু মানসিকভাৱে অত্যাচৰেৰে ঘৰ এখনত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা দেখা যায়। এয়াটো মাদক দ্ৰব্যৰেই প্ৰভাৱ যাৰ ফলশ্ৰুতিতেই আজিৰ মানৱ সম্পদ ধ্বংসৰ দিশে ধাৱমান হৈছে আৰু সমাজত এই অৱনতিৰ দিশত পৰিলক্ষিত হৈছে।

এক কথাত ক'বলৈ গ'লে সুস্থ শৰীৰতহে সুস্থ মন এটাই বাস কৰিব পাৰে। কোনো এজন সুস্থ সৰল মনৰ যুৱকে কেতিয়াও সাধাৰণ কথাত অৱসাদ বা ক্লান্তি অনুভৱ নকৰে আৰু কৰিলেও কোনো নিচাৰ প্ৰতি আগ্ৰহী হৈ নপৰে। এজন শিক্ষিত যুৱক হিচাপে মাদক দ্ৰব্য ব্যৱহাৰ কৰাৰ আগতে ইয়াৰ উপকাৰিতা আৰু অপকাৰিতাৰ দিশত জ্ঞাত হোৱা উচিত আৰু লগতে এজন দায়িত্বশীল

যুৱক হিচাপে আন দহজনকো ইয়াৰ বিষয়ে সজাগ আৰু সচেতন কৰি তোলা উচিত।

সমাজৰ এই ব্যাধিবোৰ দূৰ কৰাৰ অৰ্থে চৰকাৰী, বেচৰকাৰী, বিভিন্ন সামাজিক সংস্থা আদিয়ে এক উল্লেখযোগ্য ভূমিকা পালন কৰিব লাগে। চৰকাৰে জাৰি কৰা নিয়মাৱলী বা পদক্ষেপসমূহক দোকান-পোহাৰ, কোম্পানীসমূহে মানি চলি আজিৰ যুৱ চামক দেশ এখনৰ ভৱিষ্যতৰ সু-সম্পদ হিচাপে গঢ়ি তোলাত সহায় সহযোগিতা আগবঢ়াব লাগে। লগতে দায়িত্বশীল যুৱক হিচাপে আমিও সকলোৱে চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপক ৰূপায়ণ কৰাৰ লগতে বিভিন্ন সময়ত চৰকাৰ, সামাজিক সংস্থা, তথা পুলিচ প্ৰশাসনৰ সৈতে সহযোগিতা আগবঢ়াব লাগিব। তেতিয়াহে সুস্থ সবল মানসিকতাৰে এখন শৃঙ্খলাবদ্ধ সমাজ গঢ় দিয়াৰ লগতে মানৱ সম্পদৰ কল্যাণ তথা দেশ এখন প্ৰগতিৰ দিশে আগুৱাই যাবলৈ সক্ষম হ'ম।

❑❑❑

যুৱ চেতনা

# মোৰ হাৰ্টথ্ৰব

**হিমাংশু শৰ্মা**
**চতুৰ্থ ষাণ্মাসিক, স্নাতক, কলা**

"জোনাক গলা জাৰৰ নিশা
মূৰ থৈ শেতা শেতেলী।"

ক'ৰ পৰা আৰম্ভ কৰো, ক'ত শেষ কৰিম সীমাহীন এক ব্যক্তিত্ব। যাৰ গীতত প্ৰাণ পায় উঠে হৃদয়, যাৰ কবিতা, কবিতা লগা কণ্ঠত নিগৰে সেই জনপ্ৰিয় গীতবোৰ। হয়, সেইজনা মোৰেই নহয় সমগ্ৰ অসমৰে নয়নৰ মণি 'জুবিন দা'। তেওঁৰ ভাষাত ক'ব গ'লে "মই এটা আলু"। মোক দাইলৰ লগতে হওঁক, মাছ-মাংসতে হওঁক অন্যথা আলু পিটিকা কৰিও খাব পাৰে। গতিকে জুবিন দা হৈছে এটা নাৰিকল যাৰ বাহিৰখন টান কিন্তু ভিতৰখন অৰ্থাৎ অন্তৰখন বৰ কোমল।

জনা বুজা হোৱা দিন ধৰি আজিলৈকে তেওঁৰ গীত শুনি মন্ত্ৰমুগ্ধ। কি সেই অনামিকা, মায়া, পাখি আদিৰ দৰে বহুতো কালজয়ী গীত। সেই গীত সমূহো চিৰ সেউজ হৈ থাকিব। হয়! এদিন তেওঁ ভাবিছিল ইউক্লিপটাচৰ দৰে ওখ হ'বলৈ। অৱশেষত তেওঁ আজি সমগ্ৰ ভাৰতবৰ্ষৰে হাৰ্টথ্ৰব। যিয়ে নিজৰ গীতৰ লহৰত সকলো অনুৰাগীক নচুৱাই। এই বিষয়ত হয়তো বহুতো আলোচনা-সমালোচনা হৈছে। সেয়া স্বাভাৱিক, বাস্তৱত কিন্তু জনপ্ৰিয়তা বিৰ্তকই নেৰে। জুবিন হৈছে এটা মুদ্ৰা। যাৰ এপিঠিত জনপ্ৰিয়তা আৰু আনটো পিঠিত বিতৰ্ক। আপোনালোকে জানেনে যে এজন শিল্পী বিৰ্তকিত কিয় হ'ব লগা হয়? নাজানে, এটা কথা কিন্তু ভালদৰে জানে যে, জুবিনে মঞ্চত বহুতো অস্বাভাৱিক আচৰণ কৰে। ইয়াৰ কাৰণ এইটোৱে যে কিছু সংখ্যক মঞ্চত কমিটিৰ কাৰণে কৰিবলগীয়া হয় আন কিছুমান দৰ্শক বা তেওঁৰ অনুৰাগীৰ বাবে কৰিব লগা হয়।

পাঠক সকলে কওকচোন বাৰু এজন শিল্পীক গীত গাব আমন্ত্ৰণ কৰি আনি দুই-তিনিঘণ্টা বহাই থয় নেকি? তাৰ পৰিণতিতে যদি জুবিনে অদ্ভুত আচৰণ দেখুৱাই ৰাইজে সেইজনক বেয়া বুলিবই কিন্তু সঁচা কাৰণটো পোহৰলৈ নাহে। সংবাদ মাধ্যমৰ

অপপ্ৰচাৰৰ বলি জুবিন। সংবাদ মাধ্যমেও ব্যক্তিগত চেনেলৰ মুনাফাৰ লোভত জুবিনক ব্যৱহাৰ কৰে তাতে যদি কেনেবাকৈ জুবিনে অলপ টানকৈ কয় তেতিয়া জুবিনক সমালোচনা কৰে। আমি সাধাৰণ মানুহৰ এইটো এটা ডাঙৰ সমস্যা কাৰণ বা কথাটো ভালদৰে নজনাকৈয়ে আমি বহুত কিবাকিবি ভাবিব পাৰো। কিন্তু তাৰ ৰহস্য উৎঘাটন নকৰো।

অন্য এক প্ৰসংগত জুবিনক কোনে প্ৰৰোচিত কৰে? এই কথাষাৰৰ খুটি-নাটি মাৰি কোৱা টান। কিন্তু মই এজন সঁচা অনুৰাগী হিচাপে কিছু কথা আয়ত্ব কৰিছো। সেয়া হ'ল তেওঁৰে লগত থকা কিছুমান ব্যক্তিয়ে এই কাম কৰে। গতিকে এই সমাজখন বহুতো বেলেগ। এই সৰু সৰু কথাবোৰত জুবিনে মুৰ নঘমাই নিজৰ কাম সুচাৰুৰূপে কৰে। তেওঁৰ অন্তৰখন বৰ খোলা, কোনো কথা লুকুৱাই নাৰাখে সকলো কথা খোলাখুলিকৈ কৈ দিয়ে। যোৱাবেলি তেখেতে বহুতো কাম কৰিছে সমাজৰ কাৰণে। তেখেতে বহুতো ল'ৰা-ছোৱালীক নিজে পঢ়ুৱাই আছে, বান পীড়িতৰ সাহায্য বাবে লৈ ৰাস্তাত চান্দা উঠাইছে। হয় তেওঁ সঁচা হৃদয় এখনৰ গৰাকী। তেওঁক এটা interview ত সোধা হৈছিল যে, "আপুনি অসমৰ বাহিৰত বা Bollywood ত গীত গাব আমন্ত্ৰণ জনালে, নাহে নেকি? তেওঁ ক'লে যে, "অসম এৰি যাবই নোৱাৰো। কিবা এটা অসমখনত কৰিব পাৰিলে একেবাৰেই গুচি যাম।"

তেখেতৰ মতে অসমত সকলো আছে। আমি ব্যৱহাৰ কৰিব লাগিব। গতিকে তেখেতে অসমতে সুন্দৰ সৃষ্টিৰাজি জীয়াই ৰাখিব। তেওঁ বাহিৰত থাকি গীত গোৱাৰ কোনো দৰকাৰ নাই বুলি কৈছে। তেওঁ অসমতে থাকিব, অসমৰ হৈ কাম কৰি যাব। তেওঁৰ কথা কৈ বা ক'বলৈ গ'লে যেন অন্তই নপৰিব।

শেষত তেখেতৰ দীৰ্ঘায়ু আৰু তেখেতৰ সুস্বাস্থ্য কামনা কৰিলো। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাও যে তেখেতে যাতে আৰু ধুনীয়া ধুনীয়া গীত আমাক উপহাৰ দিয়ে। জুবিন দাৰ এজন সঁচা অনুৰাগী হিচাপে শেষত কওঁ যে "জয় জুবিন দা"। আপোনাৰ লগত গোটেই অসমৰ ৰাইজ আছে।

❑❑❑

- জুবিন গাৰ্গৰ জন্ম তাৰিখ ঃ ১৮ নবেম্বৰ, ১৯৭২।
- জন্ম স্থান ঃ টুৰা, পশ্চিম গাৰো পাহাৰ জিলা, মেঘালয়।
- শৈশৱৰ তেওঁৰ প্ৰথম নাম আছিল- জীৱন বৰঠাকুৰ।
- তেওঁৰ পিতৃ মোহিনী বৰঠাকুৰ এগৰাকী কবি তথা গীতিকাৰ আছিল।
- তেওঁৰ মাতৃ ইলি বৰঠাকুৰ নৃত্য শিল্পী, অভিনেত্ৰী তথা গায়িকা আছিল।
- তেওঁৰ গীতৰ প্ৰথম এলবাম 'অনামিকা' ১৯৯২ চনত বাণীবদ্ধ হৈছিল।
- জুবিন গাৰ্গে অসমীয়া ভাষাৰ উপৰিও তামিল, তেলেগু, কানাড়া, মালায়ালম, মাৰাঠী, উৰিয়া, বড়ো, কাৰ্বি, নেপালী, বিষ্ণুপ্ৰিয়া মণিপুৰী, গোৱালপৰীয়া (অসমীয়া লোক গীত), হিন্দী আৰু ইংৰাজী ভাষাতো গীত গাইছে।

যুৱ চেতনা

# মোৰ ভৱিষ্যত পৰিকল্পনা মতে নহ'লে "কোনে ৰিস্ক ল'ব?"

ৰাকেশ ডেকা
চতুৰ্থ ষাণ্মাসিক, স্নাতক, বিজ্ঞান

মই এজন কলেজীয়া ছাত্ৰ। এই লেখাত মোৰ মন মগজুত হেঁচা দি থকা কিছুমান ভাৱক শব্দৰ ৰূপ দিবলৈ চেষ্টা কৰিছো যিবোৰ ভাৱে হয়তো মোৰ দৰে মোৰ কলেজীয়া বন্ধুবৰ্গকো হেঁচা দি আছে। যদিও মই লিখনিৰ শীৰ্ষত ভৱিষ্যত পৰিকল্পনাৰ কথা কৈছো তথাপিও মই বাৰে বাৰে ভয় খাইছো মোৰ হাতত যে সুস্থিৰ পৰিকল্পনা নাই, মোৰ যে পৰিকল্পনাৰ অভাৱ। চাৰিওফালৰ প্ৰতিযোগিতাৰ এই যুগত ভৱিষ্যৎ সম্পৰ্কে সিদ্ধান্ত লোৱাটো কিন্তু তেনেই সহজ নহয়। কিয়নো মোৰ এটা সিদ্ধান্তত মোৰ গোটেই জীৱন প্ৰভাৱিত হ'ব। বহুজনৰ মতে, আমি কলেজীয়া ছাত্ৰ-ছাত্ৰীবোৰৰ জীৱন সৰল। আমি ছাত্ৰ-ছাত্ৰীবোৰে মুক্ত মনেৰে কোনো চিন্তা নোহোৱাকৈ জীৱন-যাপন কৰি আছো কিন্তু আমাৰ ওপৰত কিমান হেঁচা সেয়া আমিহে উপলব্ধি কৰিব পাৰো।

আজিৰ পৰা 12-15 বছৰ আগত যেতিয়া মই প্ৰথম শিক্ষাৰ দুৱাৰখনত ভুমুকি মাৰিছিলো, তেতিয়া মোক বহুতে সুধিছিল, 'তুমি ডাঙৰ হৈ কি হ'বা'?ময়ো আন বহুতৰ দৰে কোনো চিন্তা নকৰাকৈয়ে বহুত কিবা-কিবি কৈ দিছিলো, ডাক্তৰ, ইঞ্জিনীয়াৰ, পাইলট, শিক্ষক, প্ৰবক্তা, ডাঙৰ বিষয়া, অভিনেতা আৰু বহুত কিবা-কিবি। যিমানে দিন বাগৰিল সিমানে মোৰ ভৱিষ্যৎ সম্পৰ্কে ভয় দিনে দিনে বাঢ়ি গ'ল। কাৰণ মই ডাঙৰ হ'লো। ৰাস্তাত অকলে ওলাব নিদিয়া মায়ে আজি মোক সুধিহে ক'ৰবালৈ ওলাই যায়, খুহুতীয়া কথা কৈ মোক সদায় জোকোৱা দেউতায়ো দেখোন আজি মোক বহুত Serious কথা কয়, ঘৰৰ বহু সিদ্ধান্ত মোৰ মতে লয় আৰু দুদিন মান আগত হাতত এশ টকা গুজি দি কিবা এটা খাবি বুলি কোৱা মামাই আৰু আন সম্বন্ধীয়বোৰে আজি মোক সোধে, "এতিয়া পিছে কি কৰিম বুলি ভাবিছা?" সকলোৱে দেখোন মোক অকলশৰীয়া কৰিছে আৰু কৈছে এজন টকা-পইচা থকা ডাঙৰ মানুহ হ। কিন্তু কাৰ্যক্ষেত্ৰত সেয়া কিমান সহজ সাধ্য। আৰু যদি বহুক্ষেত্ৰত সহজো তথাপিও সেয়া জানো মোৰ ভৱিষ্যৎ পৰিকল্পনাৰ সমাধান।

আমিবোৰ আজি যৌৱনে ভুমুকি মৰা 20-22 বছৰীয়া। যি বয়সত আমাৰ বহুত কিবা-কিবি কৰিব মন যায়। মন যায় বগলীৰ শুভ্ৰ ডেউকাত উঠি কোনোবা অজান দেশলৈ উৰি গুছি যাবলৈ। শাৰীৰিক-মানসিক বলেৰে গোটেই বিশ্বক হাতৰ মুঠিত ৰাখি সমাজত বহুত কিবা-কিবি কৰি দেখুৱাব মন যায়। কোনোবা নিৰ্দিষ্ট জনক হিয়া উজাৰি ভাল পাব মন যায়। "মন যায়, বহুত কিবা-কিবি কৰিব মন যায়"। গোটেই জগতখনক নিজকে দেখুৱাব মন যায়, হয়তো সেয়া দাড়ি-চুলি কাটি বা ৰাখিয়েই হওক, পোছাকৰ বিভিন্ন ৰূপ দিয়েই হওক নাইবা 'Bike' ৰ কঁপনিতেই হওক। বহুত কিবা-কিবি কৰিব মন গ'লেও মই কিন্তু ভৱিষ্যতক লৈ ভয় খাওঁ, বাৰে বাৰে আশা-নিৰাশাৰ মাজত বন্দী হৈ ৰও। সেইবাবেই হয়তো মোৰ শৈক্ষিক ক্ষমতা, প্ৰতিভা, ইচ্ছা আৰু লক্ষ্যৰ বিষয়ে জানিও এইবোৰক ত্যাগকৰি উদ্দেশ্যহীনভাৱে গৈ আছো। যি যাত্ৰাৰ উদ্দেশ্য কেৱল এয়েই যে মই যেন জীয়াই থকাৰ উদ্দেশ্য বিচাৰি পাওঁ। নিজৰ যোগ্যতা খিনি জানিও জীৱনত ৰিস্ক লব ভয় খাইছো। মোৰ দেউতা-মা, মোৰ আত্মীয়, মোৰ প্ৰিয়জন সকলোৱে অকলশৰীয়া কৰি মোক কাণে কাণে কৈছে "কোনে ৰিস্ক ল'ব?" দেউতাই যেন মোৰ যোগ্যতা প্ৰতিযোগিতাৰ এই জগতখনত মোক নিজৰ সিদ্ধান্তৰে আগবাঢ়িব দিব বাৰে বাৰে ভয় খাইছে। প্ৰতিজন অভিভাৱকে বিচাৰে তেওঁলোকৰ সন্তান জুবিন গাৰ্গ হওক, তেণ্ডুলকাৰ হওক, কিন্তু আমাৰ

মা-দেউতাই জুবিন গাৰ্গ হওতে হোৱা কষ্টখিনিলৈ ভয় কৰে। অকলশৰে আগুৱাই যাব দিব নিবিচাৰে সেয়াই কিন্তু বহুতৰ বাবে প্ৰেৰণাৰ অভাৱ হৈ দেখা দিয়ে। কাৰণ যি সময়ত কোনো ব্যক্তিক নিজ পৰিয়ালৰ উদ্‌গনিৰ প্ৰয়োজন তেতিয়া তেওঁলোক পিছুহুহকি যোৱাটো জানো ঠিক?

মই কোনো অভিজ্ঞতাশীল ব্যক্তি নহয়, মনৰ ভিতৰত গুজৰি গুমৰি থকা কথাখিনিহে ব্যক্ত কৰিছো। মই নিজকে সুধিব লাগে মই কি কৰিম, কেনেকৈ কৰিম? যেতিয়াই মোক মোৰ হৃদয়ে ক'ব "তই এইটো কৰ", তেতিয়াই মই সেই বিষয়ত আগবাঢ়ি যাব লাগিব আৰু মোৰ মা-দেউতাক মই বিশ্বাস দিব লাগিব আৰু তেওঁলোকেও মোক সাহস দিব লাগিব। মই কিন্তু কেতিয়াও মোৰ কামক লৈ মানুহে কি ক'ব তাৰ বিষয়ে চিন্তা নকৰো, কিয়নো কোনোবা এজন সফল ব্যক্তিয়ে তেখেতৰ বক্তৃতাত কোৱা শুনিছিলো "सबसे बड़ा रोग किया कहेगें लोग" গতিকে আমি নিজৰ বিবেকক সুধি মা-দেউতাৰ লগত আলোচনা কৰি আগবাঢ়ি যাব লাগে। মানুহেটো আমাক সদায় ক'ব ভৱিষ্যত, পৰিকল্পনা মতে নহ'লে "কোনে ৰিস্ক লব।" তেতিয়া মোৰ পৰিয়াল, মোৰ ব্যক্তিত্বই সহজে কব পাৰিব লাগিব- "অ মই ৰিস্ক ল'ম।" মোৰ ভৱিষ্যৎ পৰিকল্পনাত মই মোৰ ৰিস্ক ল'ম।

❑❑❑

যুৱ চেতনা

# ব্যৰ্থতাই সফলতাৰ সপোন

চাজিদুল আক্ৰম
চতুৰ্থ ষাণ্মাসিক, স্নাতক

পৃথিৱীৰ প্ৰতিজন সফল মানুহেই অতীত জীৱনত ব্যৰ্থতাৰ সন্মুখীন নোহোৱাকৈ থকা নাই। মই ভাবো জীৱনৰ পথ কোনো ক্ষেত্ৰতেই মসৃণ নহয়। মানুহে ফলাফললৈ নাচাই কেৱল কৰ্ম কৰি যাব লাগে কিয়নো তুমি যেনেকুৱা কৰ্ম কৰা ঠিক তেনেকুৱা ফল নিবিচাৰিলেও পাবা।

**মানুহৰ জীৱনৰ মূল কথা হৈছেঃ** নিষ্কাম কৰ্ম কৰি জীৱন পথত আগবাঢ়ি যোৱা। নিষ্কাম কৰ্ম কৰি গৈ থাকিলে মানুহৰ জীৱনৰ ব্যৰ্থতাৰ কলিয়া ডাৱৰ আঁতৰি সাফল্য অহাতো ধ্ৰুৱসত্য। মানুহে অতীতৰ জীৱনৰ দুৰ্ভাগ্যজনক ঘটনাবোৰ মনৰপৰা মচি পেলালেহে সময়ৰ যাদুকৰী শক্তিৰ দ্বাৰা বৰ্তমান জীৱন সুখ-সমৃদ্ধিত পৰিণত হ'ব।

ব্যৰ্থতাৰ মাজতেই যে সফলতাৰ বীজ লুকাই থাকে ইয়াৰ এটা উদাহৰণ স্বৰূপে নৰৱেৰ "নাট হামছুন" নামৰ ব্যক্তিজনৰ জীৱনৰ কথা উল্লেখ কৰিব বিচাৰিছো। "নাট হামছুনে" যি কামতেই হাত দিয়ে তাতেই ব্যৰ্থ হয়। শেষত তেওঁ হতাশ হৈ সিদ্ধান্ত গ্ৰহণ কৰিলে যে বৰ্তমান তেওঁ জীৱনৰ দুৰ্ভাগ্যজনক ঘটনাবোৰ গল্প আকাৰত লিখি প্ৰকাশ কৰিব। সেইমতে তেওঁ "হাংগাৰ" নামৰ গল্প কিতাপ এখন প্ৰকাশ কৰিলে আৰু সেইখনৰ যোগেদি তেওঁ পৃথিৱী বিখ্যাত ন'বেল পুৰস্কাৰ পাবলৈ সক্ষম হ'ল। এনেদৰে হামছুনক ব্যৰ্থ জীৱনৰ অভিজ্ঞতাবোৰে চহকী আৰু বিখ্যাত ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰিলে।

জীৱনত সফলতা অৰ্জন কৰিবলৈ হ'লে মানুহে নিজকে ইতিবাচক মনৰ অধিকাৰী কৰি তোলা অতি প্ৰয়োজন। এজন মানুহৰ সফলতাৰ কাৰণ তেওঁ নিজেই। যিদৰে মানুহে সফলতাক গঢ় দিব পাৰে, ঠিক সেইদৰে, সফলতাক ধ্বংসও কৰিব পাৰে। মানুহে কেতিয়াওঁ কোনো কাৰণতে আনৰ ওপৰত ভৰসা কৰিব নালাগে কিয়নো ভৰসা আৰু অপেক্ষাৰ ফল সদায় দুখজনক হয়। মানুহৰ জীৱনত কিছুমান অদৃশ্য শত্ৰু আছে যেনেঃ লোভ, মোহ, ভয়, কাম, ক্ৰোধ, অহংকাৰ, প্ৰবঞ্চনা, নিষ্ঠুৰতা ইত্যাদি এই অশুভ শক্তিবোৰক পৰাজয় কৰিব পাৰিলেহে মানৱ জীৱনত সফলতাই পূৰ্ণ ৰূপ পায়।

❑❑❑

ভ্ৰমণ কাহিনী

# বাঙ্গালোৰত এভুঁমুকি

জীমণি ডেকা
তৃতীয় ষাণ্মাসিক, স্নাতক, কলা

ঘন কুঁৱলীৰ আবৰণ ফালি ট্ৰেইনখনে দ্ৰুত গতিত আগবাঢ়িছে। সময় তেতিয়া ৫ বাজি ৩৫ মিনিট। মালিগাঁও ষ্টেচনৰ পৰা বাঙ্গালোৰ অভিমুখে যাত্ৰা কৰিছে ট্ৰেইনখনে। সেইদিনা আছিল জানুৱাৰী মাহৰ ৮তাৰিখ, ২০১২ চন। বাঙ্গালোৰৰ এখন চহৰ মাঙ্গালোৰত অনুষ্ঠিত ১৭ তম ৰাষ্ট্ৰীয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰিবলৈ মঙলদৈৰ এটি আগশাৰীৰ বিহুদলৰ লগত ময়ো এগৰাকী প্ৰতিযোগী হিচাপে যাত্ৰা কৰিছিলো। মঙলদৈৰ এগৰাকী বিহুৱা দ্বীপজ্যোতি নাথদেৱৰ নেতৃত্বত আৰু গুৱাহাটী ৰবীন্দ্ৰ ভৱনত কৰ্মৰত দুগৰাকী ব্যক্তিৰ তত্ত্বাৱধানত আমি ১৫-১৬ জনীয়া দলটো ৰাওনা হৈছিলো মাঙ্গালোৰলৈ প্ৰচণ্ড শীতকো নেওচি। আমি অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰিম আৰু অসমৰ নাম উজ্বলাম বুলি দৃঢ় প্ৰতিজ্ঞ হৈ পৰিছিলো। সেইবাবে আমি দৈহিক কষ্ট অনুভৱ নকৰি মানসিকভাৱে সম্পূৰ্ণ সাজু হৈ উঠিছিলো। যিহেতু আমাৰ টিকটবোৰ ৰিজাৰ্ভেচন হোৱা নাছিল সেইবাবে আমি ট্ৰেইনত যথেষ্ট কষ্ট খাইছিলো তথাপিও মনৰ উদ্যমেৰে আমি কেনে ধৰণে প্ৰতিযোগিতাত ভাগ ল'ম সেই বিষয়ে সকলো আলোচনা কৰিছিলো। আমাৰ প্ৰতিযোগিতাৰ মূল বিষয়বস্তু আছিল লোকনৃত্য বা থলুৱা নৃত্য। আমাৰ দলটোৰ বাহিৰেও থলুৱা গীত-মাতৰ প্ৰতিযোগিতা কৰিবলৈ যোৰহাটৰ দল এটিয়েও একেলগে যাত্ৰা কৰিছিল। ট্ৰেইনত আমি সকলোৱে খুব স্ফূৰ্তি কৰিছিলো, পত্তাক্ষৰী খেলিছিলো।

অসম এখন সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰত যথেষ্ট উন্নত ৰাজ্য। এই ৰাজ্যখনৰ সুনাম কঢ়িয়াবলৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰ সাংস্কৃতিক দলৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আৰু জয়ী হৈ আহিবলৈ আমি সকলোৱে যথেষ্ঠ কষ্ট কৰিছিলো। আৰু আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছিলো যেন আমি অসমৰ সুনাম কঢ়িয়াবলৈ সক্ষম হওঁ। ইয়াৰ পিছত, অতি আকাংক্ষিত আমাৰ গন্তব্য স্থান মাঙ্গালোৰত ১১ জানুৱাৰী, ২০১২ তাৰিখে দুপৰীয়া প্ৰায় ১২-০০ মান বজাত প্ৰতিযোগিতাস্থলীত উপস্থিত হৈছিলো। তাৰপিছত আমাক এটা প্ৰকাণ্ড হলঘৰলৈ দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিবলৈ লৈ গৈছিল। সেই হল ঘৰটোত বিভিন্ন দেশী-বিদেশী খাদ্য, আমিষ, নিৰামিষ খাদ্যৰে উভৈনদী হৈ আছিল। সঁচাকৈ সেই খাদ্যৰ কথা মনত পৰিলে আজিও জিভাত লুনীয়া পানীৰ সঞ্চাৰ হয়। সেই হলঘৰটোত থকা প্ৰত্যেকজন সদস্য-সদস্যাৰ নম্ৰ-ভদ্ৰ ব্যৱহাৰে আমাক সকলোকে বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। আমাৰ খাদ্য গ্ৰহণৰ পিছত সকলোকে অন্য এটা হলঘৰলৈ লৈ যোৱা হ'ল আৰু তাতে আমাক ১৭ তম্ ৰাষ্ট্ৰীয় যুৱ মহোৎসৱত অংশগ্ৰহণকাৰী হিচাপে একোখনকৈ পৰিচয় পত্ৰ প্ৰদান কৰিলে আৰু লগতে আমাৰ প্ৰয়োজনীয় সামগ্ৰী যেনে- বিছনা চাদৰ, চাবোন, তেল ইত্যাদিৰ এটাকৈ বেগ প্ৰদান কৰিলে। ইয়াৰ পিছত মাঙ্গালোৰৰ এখন ইঞ্জিনীয়াৰিং কলেজৰ গাৰ্লছ হোষ্টেল আৰু বয়জ হোষ্টেলত সম্পূৰ্ণ সুকীয়াকৈ আমাৰ দলটোৰ থকাৰ ব্যৱস্থা কৰিলে। গাৰ্লছ হোষ্টেলত তিনিটা কোঠা আমাৰ বাবে সাজু কৰি ৰখা হৈছিল। আমাৰ দলত ছজনী ছোৱালী ভূপালী বা, নমিতা বা, প্ৰণমিকা বা, প্ৰিয়ংকা বা, পাশা বা আৰু মই আছিলো। যিহেতু মই তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰী আছিলো আৰু সকলোতকৈ সৰু আছিলো সেইবাবে মোৰ লগত যোৱা মোৰ

মা প্ৰয়াত ডিম্বলতা ডেকা আৰু মই এটা কোঠাত আৰু আন দুটা কোঠাত তিনিজনী-দুজনীকৈ ছোৱালী থকাৰ ব্যৱস্থা কৰা হৈছিল। এই ছাত্ৰী নিৱাসত আমি কোনো কষ্ট অনুভৱ নকৰাকৈ খুব সুন্দৰকৈ আছিলো। ওচৰৰ কোঠাত থকা ভাৰতৰ বিভিন্ন ৰাজ্যৰ ছোৱালী বিলাকৰ লগত খুব সুন্দৰকৈ মিলিব পাৰিছিলো আৰু তেওঁলোকেও আমাৰ লগত চিনাকী হ'বলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। আমাৰ কাৰ্যক্ৰম আৰম্ভ হৈছিল ১২ জানুৱাৰীৰ পৰা। সেইদিনা আছিল সাংস্কৃতিক শোভাযাত্ৰা। সেইদিনা ৰাতিপুৱা গা-পা ধুই আমি সকলোৱে মুগাৰ সাজ পিন্ধি, গামখাৰু, জোনবিৰি পিন্ধি নাচনী হৈ সাজু হ'লো। প্ৰতিযোগিতাস্থলীলৈ লৈ যাবৰ বাবে আগৰেপৰা এখন বাছ সাজু হৈ আছিল। সেই বাছত সকলোৱে গন্তব্য স্থানলৈ গ'লো। তাত উপস্থিত হৈ আমি অভিভূত হৈ পৰিলো। ভাৰতৰ সকলো ৰাজ্যৰ প্ৰতিযোগীসকলে থলুৱা সাজ-পোছাক পৰিধান কৰি শৃংখলাবদ্ধভাৱে নিজৰ স্থানত থিয় হৈ আছে। আমিও আমাৰ ক্ৰম অনুসৰি নিজৰ ঠাইত থিয় হ'লো। তাৰপিছত স্থানীয় মন্ত্ৰী আৰু ডাঙৰ বিষয়াই শোভাযাত্ৰাৰ উদ্বোধন কৰিলে। আমি সকলোৱে একেলগে পদপথত খোজ আগবঢ়ালো। আকাশৰ পৰা হয়তো চালে এডাল সুসজ্জিত মালাৰ দৰে দেখা গ'লহেঁতেন আমাক। ইয়াৰ পিছত একেলগে সকলোৱে ৰাস্তাই ৰাস্তাই খোজকাঢ়ি গ'লো। মাজে মাজে নাচিলো, বহুত ফটো উঠিলো। অসমৰ যিবোৰ মানুহ সেইখন চহৰত অস্থায়ী বা স্থায়ীভাৱে আছিল, তেওঁলোকে আমাৰ লগত চিনাকী হ'বলৈ আগবাঢ়ি আহিল। লগতে চহৰখনৰ আন মানুহবোৰেও অসমৰ থলুৱা নৃত্য চাই বাৰুকৈয়ে আকৰ্ষিত হ'ল। ইয়াৰ পিছত গোটেই চহৰখনত এপাক ঘূৰাই আমাক সকলোকে এটা বিশাল ষ্টেডিয়ামলৈ লৈ যোৱা হ'ল। এই ষ্টেডিয়ামত অসংখ্য মানুহ আছিল। সকলোৱে উচ্চস্বৰে হাত চাপৰি বজাইছিল। তাৰপিছত আমাক পানী, চৰবত আদিৰ যোগান ধৰা হৈছিল। বিদেশী পৰ্যটক সমূহে আমাৰ পাট-মুগা কাপোৰবোৰ লিৰিকি-বিদাৰি চাইছিল। আৰু সেইবোৰ কেনে ধৰণে তৈয়াৰ কৰা হৈছিল তাক জানিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। লগতে ঢোল, পেঁপা, গগণা আদি কিহেৰে, কেনেদৰে নিৰ্মাণ কৰা হয় সেইবোৰ জানিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। আমি তেওঁলোকৰ কথা-বতৰাৰ পৰা অনুমান কৰিছিলো যে তেওঁলোকে অসমৰ কলা-সংস্কৃতি খুব ভালপায়।

সি যি কি নহওক, ইয়াৰ পিছত আমাক সকলোকে আহাৰ গ্ৰহণ কৰিবলৈ লৈ যোৱা হ'ল। আহাৰ খাবলৈ গৈ আমি সকলো আচৰিত। কাৰণ মানুহবোৰে এনেধৰণৰ আচৰণ কৰিলে যেন আমি একোগৰাকী চেলিব্ৰেটি। সকলোৱে ইমান ফটো উঠালে আৰু উঠিলে আমি কি খালো গমেই নাপালো। শেষত সেই অডিটৰিয়ামৰ কেঁচা ঘাঁহনিত আহি অলপ বহিলো, জিৰণি ল'লো। আৰু হোষ্টেললৈ উভতি আহিলো।

তাৰপিছদিনা ১৩ জানুৱাৰী, যিহেতু অসমত মাঘবিহুৰ আয়োজন চলি আছিল। আমাৰ মনবোৰ খুউব বেয়া লাগিছিল। ঘৰলৈ বৰকৈ মনত পৰিছিল। তথাপিও ৰাতিপুৱা গা-পা ধুই আমি ওচৰৰ মন্দিৰ এটালৈ গ'লো। তাৰপিছত আকৌ সাগৰৰ পাৰৰ অলপ উচ্চতাত থকা আন এটা মন্দিৰলৈ গ'লো। তাতে সেৱা-সৎকাৰ কৰি আমি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো অডিটৰিয়ামত। অলপ জিৰণি লৈ আমি বজাৰ কৰিবলৈ ওলালো। ডাঙৰ শ্বপিং মলবোৰত সোমালো। ইমান ভাল লাগিছিল যেতিয়া একেলগে বহুত বস্তু দেখিছিলো। সকলো বস্তু কিনিব মন গৈছিল। তথাপিও কাপোৰ অলপ, চেণ্ডেল, ভাইটি, দেউতা আৰু পৰিয়ালৰ আন মানুহৰ বাবে সৰু সুৰা বজাৰ কৰি আমি হোষ্টেললৈ উভতি আহিলো। হোষ্টেলত অলপ জিৰণি লৈ আকৌ ৰাতিৰ আহাৰ খাবলৈ গ'লো। উভতি আহি নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিলো। পিছদিনা ৰাতিপুৱা গা-পা ধুই ব্ৰেকফাষ্ট কৰিলো। আৰু নিজকে সাজু কৰিলো মহাসমৰলৈ যোৱা সৈনিকৰ দৰে। কাৰণ যি উদ্দেশ্যেৰে আমি মাংগালোৰলৈ গৈছিলো, তাৰ

সময় আহি পৰিছিল। অৰ্থাৎ সেইদিনা আছিল প্ৰতিযোগিতাৰ দিন, ১৪ জানুৱাৰী, ২০১২ চন। খুউব সযতনে আমি মুগাৰ সাজেৰে নিজকে সজাইছিলো। আৰু আমাৰ বাবে সাজু কৰি থোৱা বাছত উঠি গন্তব্য স্থানলৈ ৰাওনা হৈছিলো। যিটো অডিটৰিয়ামত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল তাত বিশাল আয়োজন কৰা হৈছিল। আৰু ভাৰতৰ সকলো ৰাজ্যৰ লোক-সংস্কৃতি ভৰি পৰিছিল অনুষ্ঠান খন যিহেতু সকলোতকৈ শেষত আমাৰ লোকনৃত্যৰ অনুষ্ঠান আছিল। সেই বাবে আমি অন্য ৰাজ্যৰ লোকনৃত্য সমূহ উপভোগ কৰিলো। আৰু এই নৃত্য সমূহ চাই খুউব ভাল লাগিল লগতে ভিতৰি বহুত ভয় লাগিল। যিহেতু প্ৰতিযোগিতা আছিল, আমাৰ কেনেকুৱা হ'ব, ভুল হ'ব নেকি এই সমূহ প্ৰশ্নই মনত বাহ ল'বলৈ ধৰিলে।

অৱশেষত বহু আকাংক্ষিত সময় আহি পালে, আমাৰ অৰ্থাৎ অসমৰ লোকনৃত্য পৰিৱেশনৰ বাবে নাম মতা হ'ল। আমি সকলো ষ্টেজত উঠিলো। যিহেতু অডিটৰিয়ামত নৃত্যানুষ্ঠান অনুষ্ঠিত হৈছিল আমি নৃত্য পৰিৱেশন কৰিলো। জাপি, বাঁহী লৈ একেৰাহে আধা ঘণ্টা আমি নাচিলো। ভাগৰ নামৰ বস্তুটো সেইখিনি সময়ৰ বাবে আমি পাহৰি পেলালো। অনুষ্ঠানৰ শেষত দৰ্শকৰ পৰা জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পালো। যেতিয়া বাহিৰলৈ ওলাই আহিলো সকলোৱে আমাক অভিনন্দন জনালে লগতে বহুত ফটো উঠালে। ভাৰতৰ অন্য ৰাজ্যৰ প্ৰতিযোগী সকলে আমাৰ নৃত্য চাই খুউব ভাল লগা বুলি ক'লে। পিছদিনা আমি ৰাতিপুৱাই সাগৰৰ পাৰলৈ গ'লো। সাগৰৰ পাৰত বহিলো। ঢৌবোৰ আহিলে পিছলৈ দৌৰ মৰা, ফটো উঠা লগতে সাগৰৰ পানীত উঠি অহা কড়ি, শংখ, ঝিনুক আদি বুটলিলো। সাগৰৰ মনোৰম দৃশ্যই সঁচাকৈয়ে আমাৰ মনবোৰ শান্ত কৰি তুলিলে। ইয়াৰ পিছত আমি আহাৰ গ্ৰহণ কৰিবলৈ আহিলো। তাৰপিছত গম পালো যে আগদিনা হৈ যোৱা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ'ব। তাৰবাবে আমাক সকলোকে সাজু হ'বলৈ ক'লে আৰু ষ্টেডিয়াম খনলৈ লৈ যোৱা হ'ব বুলি ক'লে। যিখন ষ্টেডিয়ামলৈ শোভাযাত্ৰাৰ দিনা লৈ যোৱা হৈছিল। সেইবাবে আমি লৰালৰিকৈ হোষ্টেললৈ উভতি আহি আকৌ মুগাৰ সাজ পিন্ধি সাজু হ'লো। আৰু গাড়ীৰে যাত্ৰা কৰিলো ষ্টেডিয়ামলৈ। তাত গৈ আমি অভিভূত হৈ পৰিলো। তাত অসংখ্য মানুহৰ সমাগম হৈছিল। ফলাফল ঘোষণা হোৱালৈ আমি অন্য ৰাজ্যৰ প্ৰতিযোগীসকলৰ লগত বহি অপেক্ষা কৰি ৰ'লো। অনুষ্ঠানত কৰ্ণাটকৰ মন্ত্ৰী আৰু ডাঙৰ বিষয়ববীয়াসকল উপস্থিত আছিল। তেওঁলোকে নিজৰ ভাষণসমূহ দিবলৈ আৰম্ভ কৰিছিল। আমিও অন্য ৰাজ্যৰ প্ৰতিযোগী সকলৰ লগত ফটো উঠাত ব্যস্ত হৈ পৰিলো।

যথা সময়ত বহু আকাংক্ষিত সময় আহি পৰিল। অৰ্থাৎ ফলাফল ঘোষণা কৰাৰ সময়। আমাৰ সকলোৰে হৃদস্পন্দন বৃদ্ধি হ'বলৈ ধৰিলে। অৱশেষত ফলাফল ঘোষণা কৰিলে। আমি অসমৰ নাম ৰাখিবলৈ সক্ষম হ'লো। অৰ্থাৎ প্ৰতিযোগিতা খনত আমি দ্বিতীয় স্থান লাভ কৰিলো। প্ৰথম স্থান লাভ কৰিলে মণিপুৰ আৰু তৃতীয় স্থান লাভ কৰিলে উৰিষ্যাই। সেইদিনটো আজিও আমাৰ বাবে স্মৰণীয়। ইয়াৰ পিছত আমাক মঞ্চলৈ আমন্ত্ৰণ জনোৱা হ'ল। আমি বিহুনৃত্য প্ৰদৰ্শন কৰি মঞ্চত প্ৰৱেশ কৰিলো। মঞ্চত ৰাজ্যখনৰ মন্ত্ৰী আৰু অন্যান্য বিষয়ববীয়া সকলে আমাক অভিনন্দন জনালে আৰু আমাক প্ৰত্যেককে মেডেল, চাৰ্টিফিকেট আৰু নগদ ধনেৰে পুৰস্কৃত কৰিলে। সেইদিনা আমি সকলোৱে বহুত স্ফূৰ্তি কৰিলো. আৰু পিছদিনা ঘৰলৈ উভতি আহিলো। আজিও সেই স্মৃতি মনৰ মাজত সজীৱ হৈ ধৰা দিয়ে। যদিও বৰ্তমান সময়লৈ ভাৰতৰ বিভিন্ন ঠাইত বিহু নৃত্য প্ৰদৰ্শন কৰিবলৈ গৈছো তথাপিও সেই অনুষ্ঠানটোৰ কথা আজিও স্মৃতিৰ মণিকোঠাত সজীৱ হৈ পৰে।

❐❐❐

ভ্ৰমণ কাহিনী

# সোঁৱৰণীৰ পাতত ছিকিম ভ্ৰমণ

মনালিছা শৰ্মা
চতুৰ্থ ষাণ্মাসিক, স্নাতক, কলা

ক্ষেত্ৰ অধ্যয়ন হৈছে আমাৰ জীৱনৰ এক অপূৰ্ব মুহূৰ্ত। এইক্ষেত্ৰত অধ্যয়নৰ কাৰণেই আমি মঙ্গলদৈ মহাবিদ্যালয়ৰ ৩৩ জনীয়া দল এটাই ২০১৬ খ্ৰীষ্টাব্দৰ ১২ অক্টোবৰ তাৰিখে শ্ৰদ্ধাৰ শিক্ষক হৰিমন ডেকা ছাৰ আৰু পৱিত্ৰ নাথ ছাৰৰ তত্ত্বাৱধানত যাত্ৰা কৰিছিলো বৰফৰ ডাঠ তৰপেৰে ঢাক খাই থকা মেঘে লুকা-ভাকু খেলা প্ৰকৃতিৰ পৱিত্ৰ কোলা ছিকিম 'গেংটক'লৈ।

গুৱাহাটীৰ পৰা 'Garib Rath' নামৰ ৰে'ল গাড়ীখনত নিউ জলপাইগুৰিলৈ যাত্ৰা, আৰু তাৰ পৰা 487 Km. ছিকিম গেংটকলৈ যাত্ৰা কৰি এনে লাগিছিল যেন আমি ভূ-স্বৰ্গত আছো। উৰ্বৰ সেউজ অৰণ্যানি, গুৰু গম্ভীৰ পৰ্বতমালা, আশ্চৰ্য সুন্দৰ নৈসৰ্গিক দৃশ্যৰাজিৰ ভাৰতৰ উত্তৰ প্ৰান্তৰ এই ৰাজ্যখন পৰ্যটকৰ বাবে এক গোপন ভাণ্ডাৰ। এটা দীঘলীয়া ৰাতিৰ টোপনী খতিৰ অন্ততো আমি চকু বন্ধ কৰিব পৰা নাছিলো ভূ-স্বৰ্গৰ অপূৰ্ব ৰূপ দেখি।

**গেংটক ঃ** সু-উচ্চ হিমালয়ে আগুৰা ৰং-বিৰঙৰ ফুলেৰে উপচি থকা এই ঠাইখন চীন সীমান্তত অৱস্থিত। গেংটকৰ মাজ মজিয়াত অৱস্থিত হোটেল 'কাবুলিয়াম'ত আমি আশ্ৰয় লৈছিলো। নিৰৱিচ্ছিন্ন পৰিৱেশ, চেঁচা-সতেজ বতাহ। বৰফ আৰু ওপঙি থকা মেঘেৰে মনোৰম হৈ থকা গেংটক নবেম্বৰ মাহৰ পৰা পৰ্যটকক আদৰে।

পাহাৰীয়া নদীৰ ওপঙা দলংবোৰত উৰি থকা বৌদ্ধ ধৰ্মীয় প্ৰাৰ্থনাৰ পতাকাবোৰেৰে ৰং-বিৰঙী হৈ থকা ছিকিমৰ ৰাজধানী চহৰখন উত্তৰ-পূৰ্বাঞ্চলৰ এখন অন্যতম জনপ্ৰিয় পৰ্যটনস্থলী। এই চহৰখনত আমি দেখিব পাইছিলো বৌদ্ধ সংস্কৃতি আৰু অধ্যয়নৰো কেন্দ্ৰস্থলসমূহ। বিদেশৰ চহৰৰ বজাৰৰ দৰে ছিকিমৰ এম. জি. ৰোডৰ বজাৰত বিভিন্ন সামগ্ৰী কিনা-কূটা কৰাৰ মজাই সুকীয়া। আমি প্ৰত্যেকজনী ছোৱালীয়ে দুজনী হৈ ৰাতি ৯-১০ লৈ বজাৰত অকলে ঘূৰিছিলোঁ আৰু সম্পূৰ্ণ নিৰাপদ অনুভৱ কৰিছো। আমি চহৰখনৰ ৰুমটোক বৌদ্ধ মঠ, অনছেট মঠ, দুমগো হ্ৰদ, গণেশ চ'ক, ফুল প্ৰদৰ্শনী কেন্দ্ৰ আদি দৰ্শন কৰিছিলো।

সপোনৰ অগোচৰ পাহাৰৰ মাজৰ অকোৰা-পকোৰা পথেৰে আমি গেংটকৰ পৰা 56 দূৰত্বত অৱস্থিত 'নাঠুলাত' পদাৰ্পণ কৰিছিলোঁ। য'ত আমাৰ এনেকুৱা লাগিছিল হয়তো পৃথিৱীৰ সৰ্বোচ্চ ঠাণ্ডা যেন সেই ঠাইডোখৰতে বিৰাজ কৰে। এই ঠাণ্ডাৰ বাবে ওচৰতে থকা আৰ্মিৰ কেম্পটোৰ পৰা আমাৰ বন্ধু-বান্ধৱী সকলে অক্সিজেন গ্ৰহণ কৰিব লগাও হৈছিল। বৰফে আগুৰা নাঠুলাৰ সৌন্দৰ্য অপৰিসীম। আমি ঘূৰি আহোতে হ্ৰদৰ পাৰত য়াক ছাফাৰী কৰিছিলো আৰু প্ৰকৃতিৰ উচ্চ শিখৰত অৱস্থিত শিৱ মন্দিৰ তথা মৃত সৈনিক হৰবন সিংহৰ স্মৃতিত বনোৱা ঠাইখন দৰ্শন কৰিছিলো।

প্ৰায় আঠ দিনৰ অন্তত আমি অনিচ্ছা স্বত্বেও প্ৰকৃতিৰ অপূৰ্ব শীতল কোলা ছিকিম গেংটেকক পাহৰণীৰ গৰ্ভত এৰি আহিছিলো আৰু ঘূৰি আহিছিলো অসম মাতৃৰ কোলাৰ কৰ্মব্যস্ত জীৱনলৈ।

□□□

প্ৰবন্ধ

# আধুনিক ভাৰতবৰ্ষ নিৰ্মাণত চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদান

**বিকাশ শৰ্মা বৰুৱা**
**প্ৰথম ষাণ্মাসিক, স্নাতক, কলা**

পৃথিৱীত মাজে-সময়ে এনে কিছুমান বিৰল প্ৰতিভাসম্পন্ন অসাধাৰণ মনীষীৰ জন্ম হয়- যি সকলৰ মহান কৰ্মৰাজিয়ে সমগ্ৰ মানৱ সমাজৰ কল্যাণ সাধন কৰে। সেই অমূল্য কৰ্মৰাজিৰ বাবেই তেওঁলোক হৈ পৰে সমগ্ৰ মানৱ জাতিৰ বাবে আদৰ্শ আৰু তেওঁলোকে দেখুৱাই যোৱা বাটেদিয়ে তথা পদচিহ্নৰেই আগবাঢ়ি যায় পিছৰ ছাম মানুহ। তেওঁলোকৰ মহান আদৰ্শৰ গাত ভেজা দিয়েই মানুহে সফলতা লাভ কৰে। সেয়েহে এই মনীষীসকল আমাৰ মাজত আজিও অমৰ হৈ আছে। যদিও তেওঁলোক আজি আমাৰ মাজত নাই, তথাপি তেওঁলোকে দি যোৱা অনবদ্য অৱদানসমূহে আমাক তেওঁলোকৰ কথা সোঁৱৰাই দিয়ে। বিশেষ বিশেষ দিনত আমি তেখেতৰ লগতে তেখেতৰ অতুলনীয় কৰ্মৰাজি তথা অৱদানসমূহক শ্ৰদ্ধাৰে স্মৰণ কৰো। কাৰণ তেওঁলোকৰ অবিস্মৰণীয় অৱদানসমূহ সদায়েই উল্লেখনীয়। তেনে এগৰাকী মহান ব্যক্তিত্বৰ অধিকাৰী, স্বাধীনতা আন্দোলনৰ অন্যতম পুৰোধা, আধুনিক ভাৰতবৰ্ষৰ অন্যতম প্ৰবক্তা হৈছে চৰ্দাৰ বল্লভ ভাই পেটেল।

৩১ অক্টোবৰৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষৰ বাবে এটা গুৰুত্বপূৰ্ণ দিন। কাৰণ ১৮৭৫ চনৰ এই দিনটোতে জন্ম হৈছিল ভাৰতবৰ্ষৰ 'লৌহ মানৱ' নামে খ্যাত, আধুনিক ভাৰতবৰ্ষ নিৰ্মাণৰ দ্ৰষ্টা তথা স্ৰষ্টা চৰ্দাৰ বল্লভ ভাই পেটেলৰ। ভাৰতীয় জাতীয় কংগ্ৰেছৰ অন্যতম গুৰি ধৰোতা এই গৰাকী স্বনামধন্য ব্যক্তিয়ে শিক্ষা সমাপ্ত কৰিয়েই মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ কাণ্ডাৰী সংগ্ৰামী চৰ্দাৰ বল্লভ ভাই পেটেল স্বাধীন ভাৰতৰ প্ৰথম গৰাকী উপ-প্ৰধানমন্ত্ৰী তথা গৃহমন্ত্ৰী পদত অধিষ্ঠিত হয়। জৱাহৰলাল নেহৰু চৰকাৰৰ এওঁ আছিল সফল মন্ত্ৰী। বাৰডোলী সত্যাগ্ৰহৰ নেতৃত্ব প্ৰদান কৰা পেটেলৰ সত্যাগ্ৰহৰ সফলতাৰ অন্তত তাৰ মহিলাসকলে তেওঁক 'চৰ্দাৰ' উপাধি প্ৰদান কৰিছিল। স্বাধীনতাৰ পিছত বিভিন্ন ৰাজ্যত ভাগ হৈ পৰা ভাৰতৰ ভূ-ৰাজনীতিক একত্ৰীকৰণ কৰাত কেন্দ্ৰীয় ভূমিকা পালন কৰাৰ কাৰণে পেটেলক ভাৰতৰ 'বিস্মাৰ্ক' আৰু 'লৌহ পুৰুষ' বুলি কোৱা হয়।

চৰ্দাৰ পেটেলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আৰু উল্লেখনীয় অৱদান আগবঢ়োৱা ১৯১৮ চনৰ খেড়া আন্দোলনত তেওঁ প্ৰথমটো সফলতা লাভ কৰিছিল।

**খেড়া সংঘৰ্ষ ঃ** ১৮৯৬-৯৭ চনৰ পৰাই গুজৰাটৰ খেড়া অঞ্চলত ধাৰাবাহিক ভাৱে কেবাবছৰো খৰাং, দুৰ্ভিক্ষ আৰু প্লেগ মহামাৰীয়ে দেখা দিছিল। তাৰ খেতিয়কসকলে ব্ৰিটিছ চৰকাৰক এই বিষয়ে জনাই খেতিয়কক সহায় কৰিবলৈ আহ্বান জনাইছিল। ব্ৰিটিছ চৰকাৰে এই কথাত গুৰুত্ব দিয়া নাছিল আৰু গান্ধীজীৰ লগতে অন্য লোকসকলে খেতিয়ক সকলক নেতৃত্ব দি তেওঁলোকক কৰ আদায় নিদিবলৈ আহ্বান জনাইছিল। শেষত চৰকাৰ সলনি হোৱাত খেতিয়সকলক কৰৰ পৰা ৰেহাই দিয়া হৈছিল।

সমগ্ৰ দেশ জুৰি চলা আন্দোলন, প্ৰতিবাদ, ধৰ্মঘট, বিভিন্ন দীৰ্ঘদিনীয়া ধৰ্ণা কাৰ্যসূচী, শোভাযাত্ৰাৰ অন্তত ব্ৰিটিছ চৰকাৰে

ভাৰতবৰ্ষক স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিলে আৰু ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰে। মূলত গান্ধীৰ নেতৃত্বত পৰিচালিত আৰু নিয়ন্ত্ৰিত মুখ্য আন্দোলনৰ ভিতৰত উল্লেখযোগ্য আন্দোলন সমূহ হৈছে- অসহযোগ আন্দোলন (১৯২০-২২), আইন অমান্য আন্দোলন (১৯৩০-৩৪), ভাৰত ত্যাগ আন্দোলন (১৯৪২-৪৪)। এই আন্দোলনসমূহত পেটেলে সক্ৰিয় অংশগ্ৰহণ কৰিছিল আৰু তেওঁ কাৰাবৰণ খাটিবলগীয়া হৈছিল।

স্বাধীনতা লাভ কৰাৰ পিছত এখন চৰকাৰ গঠনৰ উদেশ্যে ১৯৫০ চনত নিৰ্বাচন আয়োগ গঠন কৰা হৈছিল। অধিকাংশ প্ৰান্তীয় কংগ্ৰেছ সমিতি, কৰ্মীসকল চৰ্দাৰ পেটেলৰ পক্ষতে আছিল যদিও গান্ধীজীৰ ইচ্ছাৰ আদৰ কৰি পেটেলে প্ৰধানমন্ত্ৰী পদৰ পৰা নিজক দূৰত ৰাখি জৱাহৰলাল নেহৰুক সমৰ্থন কৰে। চৰ্দাৰ পেটেলক স্বাধীন ভাৰতৰ প্ৰথম খন চৰকাৰৰ উপ-প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী পদৰ কাৰ্যৰ দায়িত্ব দিয়া হয়। কিন্তু ইয়াৰ পিছতো নেহৰু আৰু পেটেলৰ সম্বন্ধত পাৰ্থক্য থাকি যায়। এইদৰে চলি থকাৰ সময়তেই দুয়োগৰাকী নেতাই নিজে নিজৰ পদ ত্যাগ কৰাৰ ধমকি দিছিল।

এইদৰে পেটেলে ১৫ আগষ্ট ১৯৪৭ চনৰ পৰা ১৫ ডিচেম্বৰ ১৯৫০ চনলৈ দুয়োটা বিভাগৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰে।

**গৃহ মন্ত্ৰী হিচাপে পেটেল ঃ** গৃহ মন্ত্ৰীৰ ৰূপত পেটেলৰ প্ৰথম কাম আছিল বাহিৰা ৰাজ্যসমূহৰ লগত ভাৰতৰ সু-সম্পৰ্ক স্থাপন কৰা তথা ভাৰতবৰ্ষৰ লগত চামিলকৰণ কৰা। কেৱল মাত্ৰ হায়দৰাবাদক চামিলকৰণৰ সময়ত তেওঁ সেনা প্ৰেৰণ কৰিব লগা হয়। বাকী তেওঁ কোনো যুদ্ধ তথা ৰক্তাক্ত নোহোৱাকৈ এই কাৰ্য সম্পাদন কৰে। হায়দৰাবাদ চামিলকৰণৰ বাবে চলোৱা ভাৰত চৰকাৰৰ এই অভিযানটোৰ সাংকেতিক নাম দিয়া হৈছিল 'অপাৰেশন পোলো'। গৃহমন্ত্ৰী হিচাপে তেৱেঁই যিয়ে "ভাৰতীয় অসামৰিক সেৱা" (I.C.S.) ৰ ভাৰতীয়কৰণৰ অৰ্থাৎ আধুনিকীকৰণ কৰি 'ভাৰতীয় প্ৰশাসনিক সেৱা' (I.A.S.) লৈ পৰিবৰ্তন কৰিছিল।

ইংৰাজসকলক সেৱা আগবঢ়োৱা ভাৰতীয় সকলৰ মনত তেওঁ দৃঢ় বিশ্বাস জগাই তুলি দেশভক্তিৰ কাৰণে অনুপ্ৰাণিত কৰিছিল। নিজৰ দেশৰ সম্পদৰাজিক নিজে ব্যৱহাৰ কৰিববৈলে তেওঁ আহ্বান জনাইছিল।

**ৰাজ্য একত্ৰীকৰণ ঃ** চৰ্দাৰ পেটেলে স্বাধীনতাৰ ঠিক আগতেই পী বী মেননৰ লগ লাগি কেইবাখনো ৰাজ্য ভাৰতৰ লগত অন্তৰ্ভুক্ত কৰাৰ কাম আৰম্ভ কৰিছিল। পেটেল আৰু মেননে বাকী ৰাজ্যৰ ৰজা বিলাকক সকলোকে স্বায়ত্বতা দিব নোৱাৰা কথা ঘোষণা কৰাত কিছুসংখ্যক ৰাজ্যৰ ৰজাইহে ভাৰতৰ লগত চামিলকৰণৰ প্ৰস্তাৱ স্বীকাৰ কৰিছিল। মাত্ৰ তখন ৰাজ্যৰ ৰজাইহে এই কথা অস্বীকাৰ কৰিছিল। সেই ৰাজ্যকেইখন হৈছে— জম্মু আৰু কাশ্মীৰ, জুখাগড়, হায়দৰাবাদ। জুমাগড়ৰ নবাবৰ বিৰুদ্ধে যেতিয়া বিৰোধ আৰম্ভ হয় তেতিয়া তেওঁ পাকিস্তানলৈ পলাই যায় আৰু জুমাগড় ভাৰতৰ সৈতে চামিল হয়। ঠিক হায়দৰাবাদৰ নিজামেও প্ৰস্তাৱ অস্বীকাৰ কৰাত পেটেলে তালৈ সেনা প্ৰেৰণ কৰি নজামক আত্মসমৰ্পণ কৰায়। ১৯৪৭ চনৰ ১৩ নবেম্বৰত পেটেলে ভাঙি যোৱা সোমনাথ মন্দিৰ পুনৰ নিৰ্মাণৰ সংকল্প লয়। পেটেলে প্ৰায় ৫৬২ খন ৰাজ্য একত্ৰীকৰণ কৰি বিশ্ব ইতিহাসৰ এটা আশ্চৰ্যকৰ সৃষ্টি কৰিলে। ভাৰতবৰ্ষৰ তেওঁ এজন ৰক্তহীন ক্ৰান্তিকাৰী আছিল। মহাত্মা গান্ধীয়ে পেটেলক ৰাজ্য একত্ৰীকৰণৰ বিষয়ে লিখি কৈছে যে- "ৰাজ্যসমূহৰ একত্ৰীকৰণ আৰু সীমা নিৰূপণৰ কামটো ইমান জটিল যে একমাত্ৰ তুমিহে এইটো সমাধান কৰিব পাৰিলা হয়।" বিদেশ বিভাগ সমিতিৰ লগতো তেওঁ জড়িত আছিল। চৰ্দাৰ পেটেল পাকিস্তানৰ চল-চক্ৰান্ত আৰু বিঘটনৰ তত্ত্বৰ পৰা সতৰ্ক, সাৱধান আৰু সজাগ আছিল। পেটেল কৌটিল্যৰ কূটনীতি আৰু মহাৰাজ শিৱাজীৰ দূৰদৰ্শিতাৰ আদৰ্শৰে অনুপ্ৰাণিত

আছিল। যি কি নহওক, চৰ্দাৰ পেটেলে ঐকান্তিক প্ৰচেষ্টাৰে অমূল্য বৰঙণি আৰু অৱদান আগবঢ়াই থৈ গ'ল সেয়া সম্পূৰ্ণকৈ শব্দৰে ব্যাখ্যা কৰিব নোৱাৰি। তেওঁৰ আদৰ্শক অনুসৰণ কৰিলে সকলো দিশৰ উৎকৰ্ষ সাধনৰ লগতে এখন সুস্থ সৰল সমাজ গঢ়া আৰু একো একোজন সু-নাগৰিক হ'ব পাৰি। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেক বছৰৰ ৩১ অক্টোবৰৰ দিনটো চৰ্দাৰ পেটেলৰ জন্মদিনৰ সৈতে সংগতি ৰাখি "ৰাষ্ট্ৰীয় একতা দিৱস" হিচাপে পালন কৰাৰ কথা ঘোষণা কৰে। এই ৰাষ্ট্ৰীয় একতা দিৱসৰ মূল উদ্দেশ্য হ'ল- এই দিনটোত দেশৰ প্ৰতিখন চহৰ আৰু জিলাত অনুষ্ঠিত হোৱা একতাৰ দৌৰত নাগৰিকৰ অংশগ্ৰহণ, প্ৰত্যেক গৰাকী নাগৰিকে নিজৰ গাঁও আৰু চহৰত ৰাষ্ট্ৰীয় একতাৰ শপত গ্ৰহণ কৰা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে চৰ্দাৰ পেটেলৰ জন্ম দিনত 'ৰাষ্ট্ৰীয় একতা দিৱস' পালন কৰাৰ কাৰণে ব্যাখ্যা কৰি কৈছে, "চৰ্দাৰ পেটেলে দেশমাতৃৰ কাৰণে যি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ালে সেয়া কোনো শব্দৰে সম্পূৰ্ণকৈ ব্যাখ্যা কৰিব নোৱাৰি।" যদি আমি শান্তি, একতা, ভ্ৰাতৃত্ববোধ আৰু সম্ভাৱনাৰে আগবাঢ়ি যাওঁ তথা ভেদভাৱহীন আৰু ন্যায়নিষ্ঠ এখন ভাৰত গঠন কৰিব পাৰো তেতিয়া সেয়া চৰ্দাৰ পেটেলৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি হ'ব। সাম্প্ৰতিক সময়ত ৰাষ্ট্ৰীয় একতা দিৱস পালনৰ প্ৰাসংগিকতা অতি গুৰুত্বপূৰ্ণ। যিটো সময়ত সমাজখনত সাম্প্ৰদায়িক ...সংঘৰ্ষ আৰু শান্তিৰ এনাজৰীত ব্যাঘাত জন্মিছে সেইটো সময়ত "ৰাষ্ট্ৰীয় একতা দিৱস পালনৰ তাৎপৰ্য অধিক হৈ পৰিছে। ভাৰতৰ স্বাধীনতা আন্দোলনত পেটেলৰ অৱদান আৰু দেশবাসীক ঐকবদ্ধ কৰি ৰখাৰ বাবে তেওঁৰ যি অক্লান্ত প্ৰচেষ্টা সেয়া আমি অৰ্থাৎ নৱ প্ৰজন্মই ভালদৰে নাজানো ব্ৰিটিছ ৰাজতন্ত্ৰত প্ৰচলিত দমননীতি নিষ্পেষণৰ কাৰণে চৰ্দাৰ পেটেলে গুজৰাটৰ খেড়া, বাৰডোলীত কৃষকসকলক জাগ্ৰত কৰি ব্ৰিটিছ, উপনিৱেশী শাসনৰ বিৰুদ্ধাচৰণ কৰিছিল। ব্ৰিটিছৰ এই কঠোৰ শাসনৰ প্ৰতিবাদ জনাই ভাৰত স্বাধীন আৰু বিভাজনৰ সময়ত ঐক্য-সংহতিৰ বাণী প্ৰচাৰ কৰিছিল।

যি কি নহঁওক, গণতান্ত্ৰিক ভাৰতৰ প্ৰতিষ্ঠাপক নেতা এই গৰাকী মনীষীৰ মৃত্যু হয় ১৯৫০ চনৰ ১৫ ডিচেম্বৰত তেওঁ যদি আৰু কেইবছৰমান জীয়াই থাকিলহেঁতেন ভাৰতবৰ্ষৰ অধিক উন্নতিৰ পথত অগ্ৰসৰ হ'লহেঁতেন। তেওঁ কেৱল চৰ্দাৰ নহয় ভাৰতীয়সকলৰ হৃদয়ৰো চৰ্দাৰ। শেষত তেওঁৰ এই মহান আদৰ্শক সাৱোগত কৰি দেশবাসী যেন সত্য, একতা, সংহতি স্থাপন কৰিবলৈ উদ্বুদ্ধ হয় তাৰে কামনা কৰি তেওঁৰ এই ১৪১ সংখ্যক জন্ম জয়ন্তীৰ শুভ মুহূৰ্তত সশ্ৰদ্ধ প্ৰণিপাত জনাই শ্ৰদ্ধাৰে সোঁৱৰিছো। পুনৰ দুৰ্নীতিমুক্ত সমাজ প্ৰতিষ্ঠা হোৱাৰ কামনাৰে—

"মহা মহা পুৰুষৰ
চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো
জীৱন গঢ়িত,
অভিনয় শেষ হ'লে
আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ
সময় বালিত।।"

(৫/১১/২০১৬ তাৰিখে চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকী উপলক্ষে (ৰাষ্ট্ৰীয় একতা দিৱস) অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)

❏❏❏

প্ৰবন্ধ

# স্বদেশ প্ৰেম

ৰাজিবুল আলি
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

যিখন দেশৰ ধূলি-বালিৰ বুকুত উমলি-জামলি, যাৰ হাৱা পানী খাই, প্ৰকৃতিৰে পৰিৱেষ্টিত সেউজীয়া বুকুত ডাঙৰ-দীঘল হ'লো, যাৰ পশু-পক্ষীয়ে আমাক সদায় পুৱা-সন্ধ্যা অস্পষ্ট ৰাগিণীৰে আদৰণি জনায়, যাৰ আকাশ, বতাহে, বনানিয়ে, পৰ্বতে কন্দৰে, গুহাই-পাহাৰে আমাৰ জন্ম জন্মান্তৰৰ স্মৃতি বিজড়িত হৈ আছে, সেইখনে আমাৰ দেশ, আমাৰ স্বদেশ। এই দেশৰ লগত জন্ম জন্মান্তৰৰ সম্বন্ধ আমাৰ। ইয়াৰ বুকুলৈ কতবাৰ আহি কতবাৰ ইয়াৰ পৰা ফিৰি গলো। কিন্তু আচৰিত এই যাত্ৰাৰ অন্ত নাই। সেয়েহে আমাৰ হিয়াৰ স্তৰে স্তৰে, ৰন্ধ্ৰে ৰন্ধ্ৰে, মৰ্মে মৰ্মে গাথা আছে ইয়াৰ প্ৰতি নিবিড় ভালপোৱা, অন্তহীন মমতা, আমাৰ হৃদয়ে হৃদয়ে জাগ্ৰত হৈ আছে দেশ মাতৃৰ বিতোপন চিন্ময়ী মূৰ্ত্তি। এইখন দেশৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশৰ মাজতে আমি জন্মিছো, ইয়াৰ মাজতে ডাঙৰ-দীঘলো হৈছো। সেয়েহে এই দেশখনৰ প্ৰতি, ইয়াৰ মানুহ, পশু-পক্ষী, ধূলি-বালি, প্ৰকৃতি সকলোৰে প্ৰতি এক মমতা, গভীৰ ভালপোৱা আৰু প্ৰাণৰ নিবিড় টান আছে। এয়ে স্বদেশ প্ৰেম। দেশৰ প্ৰতিজন লোকৰ অন্তৰত স্বদেশপ্ৰেম আছে। সেয়ে ই কেতিয়াবা সুপ্ত হৈ থাকে আৰু কেতিয়াবা জাগ্ৰত হয়। দেশৰ স্বাধীনতা যেতিয়া বিপদাপন্ন হয়; দেশ যেতিয়া বহিঃ শত্ৰুৰ দ্বাৰা আক্ৰান্ত হয়; তেতিয়া সমগ্ৰ দেশ, সমগ্ৰ জাতি প্ৰাণপণ কৰি আগবাঢ়ি আহে দেশ ৰক্ষাৰ কাৰণে। স্বাধীনতাৰ কাৰণে। আনকি হাতৰ, কাণৰ অলংকাৰ পাতি, গাঁঠিৰ ধন দেশৰ নামত আগবঢ়াই, যথাসৰ্বস্ব দেশৰ নামত উচৰ্গা কৰি দেশবাসী একজাতি, এক প্ৰাণ হৈ জীৱন উচৰ্গা কৰে স্বাধীনতা ৰক্ষাৰ বাবে। তেতিয়াই প্ৰকাশ পায় স্বদেশপ্ৰেম মানুহৰ স্বদেশপ্ৰেম অনুভূতি তেতিয়া আমি কৈ উঠো "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী" আৰু কৈ উঠো সুজলাম সুফলাম মলয়জ শীতলাম, শস্য শ্যামলাম মাতৰাম্। আৰু তেতিয়া মাতৃভূমি মহিমা মণ্ডিত হৈ, গৰিমাময়ী হৈ চিন্ময়ী হৈ আমাৰ দৃষ্টিত জীৱন্ত হৈ ভাহি উঠে। পৰাধীনতাই যেতিয়া জীৱন দুৰ্বিসহ কৰি তোলে, বিদেশী শাসকৰ অকথ্য অমানুযিক নিৰ্যাতনে যেতিয়া মানুহৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰে, তেতিয়া স্বদেশ প্ৰেম জীৱন্ত হৈ উঠে। স্বাধীনতাৰ কাৰণে মানুহে হাঁহাকাৰ কৰি বিদ্ৰোহী হৈ উঠে। হাজাৰ হাজাৰ লোকে কাৰাবাস খাটে। হাজাৰ লোকে বুকু পাতি গুলী লৈ শ্বহীদ হয়। এয়ে স্বদেশপ্ৰেম, ইয়াৰ বাবে ফাঁচী কাঠত ওলমো, প্ৰাণ দিওঁ। আত্মসন্মানবোধৰ পৰা উদ্ভৱ হয় স্বদেশপ্ৰেমৰ। যি জাতিৰ আত্মসন্মানবোধ বেছি সেই জাতিৰ স্বদেশপ্ৰেম প্ৰৱল। মানুহে তেতিয়া ব্যক্তিগত লাভ, কল্যাণৰ কামনা পৰিহাৰ কৰি দেশৰ জনগণৰ বৃহৎ লাভ আৰু কল্যাণৰ কাৰণে জীৱন আহুতি দিবলৈ কুণ্ঠাবোধ নকৰে। ৰাণা প্ৰতাপ সিংহই হলদীঘাটৰ ৰণত পৰাজিত হৈ, দূৰণিৰ নিৰ্জন বনবাসৰ পৰাই অশ্ৰুসিক্ত নয়নেৰে জন্মভূমিলৈ চাই চাই মৃত্যু বৰণ কৰিছিল। শিৱাজীয়ে দেশৰ গৌৰৱ ৰক্ষাৰ কাৰণে প্ৰৱল প্ৰতাপী মোগলৰ লগত আজীৱন যুঁজ কৰিলে। সেইদৰে শ্বহীদ ক্ষুদিৰাম, শ্বহীদ ভগত সিং, শ্বহীদ ৰাম মহম্মদ সিং আজাদ, শ্বহীদ কুশল কোঁৱৰ স্বদেশৰ বাবে ডিঙিত ফাঁচী ললে।

সেইদৰে শ্বহীদ তিলক ডেকা,

শ্বহীদ (পৰমবীৰ চক্ৰ) আব্দুল হামিদ, শ্বহীদ বালা সূত, শ্বহীদ কনকলতা আদিয়ে বুকু পাতি গুলি ল'লে। লাচিতে নৰীয়া গাৰে লুইতৰ বুকুত শত্ৰু সৈন্যৰ মাজত মুক্ত অসি লৈ জঁপিয়াই পৰিছিল স্বদেশ আৰু স্বজাতিৰ গৌৰৱ ৰক্ষাৰ বাবে। দেশৰ দুৰ্যোগ আৰু বিপৰ্যয়ৰ সময়ত আৰু যে কিমান দেশপ্ৰেমিকে দেশ ৰক্ষাৰ কৰিবলৈ প্ৰাণ আহুতি দিছে তাৰ হিচাপ কোনে ৰাখিছে? অথচ তেওঁলোকৰ আত্মাই আমাক চিঞৰি চিঞৰি কৈছে, "We love our to-day for your before tomorrow" সেইদৰে হীৰুদাই একেষাৰ বাৰ্তা দিছিল যে, 'দেশ বুলি ক'লে নালাগে আদেশ'। আকৌ সুভাষ চন্দ্ৰ বসুৱে কৈছিল, মোক তেজ দিয়া মই তোমালোকক আজাদী দিম আৰু বহুতো বহুত শ্লোগান দিছিল। দেশখন ৰক্ষাৰ বাবে বা জাতিক ৰক্ষাৰ বাবে বহুতে নিজৰ জীৱন বলিদান দিছে। ইত্যাদি— এইয়াই স্বদেশ প্ৰেমৰ উদাহৰণ।

❑❑❑

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰু ইয়াৰ তাৎপৰ্য

**নিশান্ত নিয়ৰ বৰা**

আৰম্ভণি ঃ নোবেল বঁটাক পৃথিৱীৰ সকলো বঁটাৰ ভিতৰতে জ্যেষ্ঠ বুলি গণ্য কৰা হয়। জনহিতকৰ কামৰ বাবে ব্যক্তি এজনৰ জীৱিত কালৰ সৰ্ব্বোচ্চ স্বীকৃতি হৈছে নোবেল বঁটা। শান্তি, সাহিত্য, অৰ্থনীতি, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান এই ছয়টা বিষয়ত ছুইডেনৰ বিজ্ঞানী আলফ্ৰেদ নোবেলৰ সঞ্চিত ধনৰপৰা ছুইডেনৰ ছুইডিছ একাডেমীৰ উদ্যোগত ১৯০১ চনৰ পৰা প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি অহা হৈছে। নোবেল বঁটা পোৱা প্ৰথমজন ভাৰতীয় কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। তেখেতে ১৯১৩ চনত 'গীতাঞ্জলী' পুথিৰ বাবে সাহিত্যত নোবেল বঁটা পায়। ১৯৩০ চনত ভাৰতীয় পদাৰ্থ বিজ্ঞানী চন্দ্ৰশেখৰ ভেঙ্কট ৰমণে নোবেল বঁটা পায়। তেওঁ দ্বিতীয় গৰাকী নোবেল বঁটা পোৱা ভাৰতীয়। বিজ্ঞানী ভেঙ্কট ৰমণে ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰীত পোহৰৰ বিচ্ছুৰণৰ এটা পৰিঘটনা ধৰা পেলাইছিল। এই পৰিঘটনাটোক ৰমণ প্ৰভাৱ (Raman Effect) বুলি কোৱা হয়। পোহৰৰ বিচ্ছুৰণৰ প্ৰভাৱ আৱিস্কাৰৰ বাবেই তেওঁক নোবেল বঁটা প্ৰদান কৰা হয়। ভাৰতৰ 'জাতীয় বিজ্ঞানী' সন্মানেৰে বিভুষিত এই গৰাকী মহান বিজ্ঞানীৰ প্ৰতি শ্ৰদ্ধা জনাই ২৮ ফেব্ৰুৱাৰী তাৰিখটো প্ৰতি বছৰে আমাৰ দেশত 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' হিচাপে পালন কৰা হয়। তেখেতক ১৯৫৪ চনত দেশৰ সৰ্ব্বোচ্চ অসামৰিক সন্মান 'ভাৰতৰত্ন' বঁটা প্ৰদান কৰা হয়।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য ঃ মানৱ সভ্যতাৰ বিকাশত বিজ্ঞানৰ অৱদান অসামান্য। বিজ্ঞানে মানুহৰ জীৱন যাত্ৰা সহজসাধ্য কৰিছে। অষ্টাদশ শতাব্দীৰ পৰাহে আধুনিক বৈজ্ঞানিক প্ৰগতিৰ সূচনা হোৱা বুলিব পাৰি। সেইফালৰপৰা চাবলৈ গ'লে বিজ্ঞানৰ চৰ্চা বহু পুৰণি নহয়। এই দুই তিনিটা শতিকাত বিজ্ঞানৰ বিভিন্ন দিশত অভাৱনীয় অগ্ৰগতি হৈছে। চিকিৎসা বিজ্ঞান, তথ্য-প্ৰযুক্তি, শক্তি উৎপাদন, মহাকাশ অভিযান,

পাৰমানৱিক ক্ষমতা, ক্ষেপণাস্ত্ৰ আদি ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য লভিছে। তথাপিও মানুহৰ প্ৰয়োজনীয় বহুতো দিশত বিজ্ঞানে এতিয়াও আশানুৰূপ প্ৰগতি আনিব পৰা নাই। ইয়াৰ মুখ্য কাৰণ হৈছে সৰ্বসাধাৰণ মানুহক বিজ্ঞানে এতিয়াও প্ৰভাৱান্বিত কৰিব পৰা নাই। ফলস্বৰূপে আমাৰ সমাজত প্ৰচলিত কৌটিকলীয়া কিছুমান অন্ধবিশ্বাস, কু-সংস্কাৰ আজিও আঁতৰ হোৱা নাই। বিজ্ঞান শিক্ষা বাদেই সাধাৰণ মৌলিক শিক্ষাৰ অভাৱত সমাজৰ পিচপৰা এচাম লোকে সামান্য কাৰণতেই কিছুমান মানুহক ডাইনী সজাই অভাৱনীয় শাস্তি প্ৰদান কৰা, হত্যা কৰা আদি বৰ্বৰ কাৰ্য কৰি আছে। অন্ধবিশ্বাসৰ বাবেই গড় হত্যা কৰি আছে। স্বাস্থ্যৰক্ষাৰ জ্ঞানৰ অভাৱত আধুনিক চিকিৎসাৰ পৰিৱৰ্তে বেজ তান্ত্ৰিক আদিৰ কু-চক্ৰান্তত পৰি অনেক, নিৰীহ লোকৰ মৃত্যু ঘটি আছে। চিকিৎসকৰ পৰামৰ্শ নিবিচৰাৰ ফলত ভাৰতবৰ্ষত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ চিন্তনীয় হৈ পৰিছে। আমাৰ ৰাজ্যখনো এইক্ষেত্ৰত বহু পিছপৰা। এনে ধৰণৰ বহুতো সমস্যা আছে। অশিক্ষিত মানুহে বৈজ্ঞানিক ধ্যান-ধাৰণাৰ অভাৱত প্ৰগতি লাভ কৰিব পৰা নাই। আকৌ, শিক্ষিত মানুহে বিজ্ঞানৰ আহিলাৰ অত্যাধিক ব্যৱহাৰ কৰি সমগ্ৰ মানৱ জাতি তথা পৃথিৱীৰ ক্ষতিসাধন কৰি আহিছে।

সামৰণি ঃ বিজ্ঞান দিৱস উদ্‌যাপনৰ প্ৰধান উদ্দেশ্য হৈছে বিজ্ঞানক জনপ্ৰিয় কৰা, সৰ্বসাধাৰণ মানুহৰ অধিক ওচৰ চপাই নিয়া। বিজ্ঞানৰ সুফলবোৰৰ প্ৰতি অৱগত হ'লে লাভান্বিত হ'ব আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰিব।

আমাৰ দেশত বিজ্ঞান বিষয়টো অধ্যয়ন কৰা লোকৰ সংখ্যা ১০% হোৱা নাই। ইয়াৰ অৰ্থ এই ধৰণেও দিব পাৰি যে ভাৰতবৰ্ষৰ ৯০% ৰ অধিক মানুহৰ বৈজ্ঞানিক মানসিকতা এতিয়াও গঢ় লৈ উঠা নাই। বোধহয় এই কাৰণেই প্ৰচুৰ প্ৰাকৃতিক সম্পদত সমৃদ্ধ আৰু প্ৰায় ১৩০ কোটি মানৱ সম্পদশালী হৈও ভাৰতবৰ্ষ এখন পিছপৰা দেশ। বিজ্ঞানৰ অধ্যয়নে মানুহৰ ক্ৰমবৰ্দ্ধমান প্ৰয়োজনীয় শক্তি, সুস্বাস্থ্য, খাদ্য, আশ্ৰয় আদি মৌলিক সমস্যাবোৰ সমাধান সম্ভৱ কৰিব। বৈজ্ঞানিক মানসিকতা গঢ়ি উঠিলেহে প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি, আপুৰুগীয়া প্ৰাণী-উদ্ভিদ ধ্বংসৰ দৰে মানৱসৃষ্ট ভয়াবহ সমস্যাসমূহ ৰোধ কৰা সম্ভৱ হ'ব। সেয়েহে বিজ্ঞান দিৱসৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজৰ সকলো স্তৰৰ মানুহক বিজ্ঞানৰ প্ৰতি আকৃষ্ট কৰিব লাগে।

প্ৰতিবছৰে "ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস"ৰ এটা সংকল্প থাকে। এই বছৰ ২০১৭ চনৰ বাবে সংকল্প হৈছে "বিশেষভাৱে সক্ষমসকলৰ বাবে বিজ্ঞান"। উল্লেখযোগ্য যে, বিশেষভাৱে সক্ষম তথা স্নায়ুবিক ৰোগত আক্ৰান্ত ষ্টিফেন হকিন্স এই শতিকাৰ শ্ৰেষ্ঠ বিজ্ঞানী। আজিৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসত তেখেতলৈ শ্ৰদ্ধা জনালোঁ।

(ছায়েন্স ফ'ৰামৰ ৰচনা প্ৰতিযোগিতাত নিম্ন শাখাত প্ৰথম স্থান প্ৰাপ্ত এই নিৰন্ধকাৰ জাতীয় বিদ্যালয় অসম, হাজৰিকাপাৰাৰ নৱম শ্ৰেণীৰ ছাত্ৰ)

❑❑❑

গল্প

# শৰবিদ্ধ হিয়াৰ সেন্দুৰীয়া ডায়েৰী

আৰলিন চিবলীনা
দ্বিতীয় ষাণ্মাসিক, স্নাতক, কলা

(১)

— দেউতা, এইখন কি পালো চোৰা।— অৰুণাভে নিজৰ কোঠাটোত কিতাপ এখন পঢ়ি থাকোতে জীয়েক জয়িতাই আহি কাণৰ কাষত ফুচফুচাই ক'লে।

— আজি আকৌ কি পালা। — অৰুণাভে জয়িতাৰ ফালে মুখ কৰি হাঁহি এটা মাৰি সুধিলে।

জয়িতাই ৰঙা ডায়েৰীখনৰ ফালে আঙুলি টোৱালে। মুখত এমোকোৰা দুষ্ট হাঁহি।

— মাৰ আলমাৰিটোত পাঁচখন মান ডায়েৰী আছে। মায়ে সদায় সদায় ডায়েৰী লিখে জানা। এনেইয়ো চুব নিদিয়ে, আজি মা ঘৰত নাইতো চাঞ্চ পায় এইখন উলিয়াই আনিলো।— জয়িতাই ডায়েৰীখন অৰুণাভৰ হাতত তোমাৰ ঘৈণীৰ ডায়েৰী তুমি পঢ়া বুলি দি চিত পখিলাটোৰ দৰে ৰুমটোৰ পৰা ওলাই গ'ল। ১৫ বছৰীয়া জয়িতা হয়তো অৰুণাভ-অপৰাজিতাৰ মৰমৰ সান্নিধ্যত বয়সতকৈ এতিয়াও বহুত সৰু হৈয়ে আছিল।

আনৰ ডায়েৰী! মেলি চাব নাপায়! কিন্তু মানৱীয় প্ৰৱণতা (Human tendency) ! সি ৰঙা ডায়েৰীখনৰ প্ৰথম পৃষ্ঠাটো মেলি চালে। কলেজীয়া জীৱনৰ স্মৃতি বিজৰিত ডায়েৰী। প্ৰথম পৃষ্ঠাটো লুটিয়াই দ্বিতীয়তো পঢ়িলে। এইদৰে প্ৰায় ভালেকেইটা পৃষ্ঠা লুটিয়াই আজিৰ পৰা ১৭ বছৰ আগৰ ঘটনা এটাৰ সাক্ষী বহন কৰা সেই বিশেষ পৃষ্ঠাটোত তাৰ চকু থৰ হ'ল।

ক'ব নোৱাৰাকৈয়ে অৰুণাভে নিজৰ কোঠাৰ পৰা ওলাই অপৰাজিতা আৰু জয়িতাৰ কোঠাৰ ফালে খোজ লৈছিল।

ঃ—ঃ—ঃ

(২)

অপৰাজিতা শইকীয়া। মাক-বাপেকৰ সংসাৰলৈ অপাৰ আনন্দ বোৱাই অনা পুৰন্দৰ শইকীয়াৰ প্ৰথম সন্তান। স্থানীয় হাইস্কুলৰ অধ্যক্ষ পুৰন্দৰ শইকীয়াৰ জী বুলি তাই হয়তো দহজনৰ পৰা বেছি মৰম-আদৰহে পাইছিল। জীৱনৰ দুটা বছৰ মাক-দেউতাকৰ আলাসতে ডাঙৰ হোৱা অপৰাজিতাৰ জীৱনতলৈ হঠাতে এচপৰা ক'লা মেঘে আচন্ন কৰিছিল। বজাৰৰ পৰা উভতাৰ পথত গাড়ীৰ খুন্দাত নিহত হৈছিল পুৰন্দৰ শইকীয়াৰ পত্নী অৰ্থাৎ অপৰাজিতাৰ মাক। ইচ্ছাৰ বিৰুদ্ধে হ'লেও ২ বছৰীয়া অপৰাজিতাৰ কথা চিন্তা কৰিয়েই অপৰাজিতাৰ দেউতাক দ্বিতীয় বিবাহত বহিছিল। অপৰাজিতাই মাহী মাকৰ পৰা নিজৰ মাকৰ দৰেই মৰম পাইছিল। কিন্তু কেতিয়ালৈ। এবছৰ পিছত যেতিয়া মাকৰ কোলালৈ অপৰাজিতাৰ ভনীয়েক বৰ্ণালী আহিল, হঠাতে যেন মাকৰ আচৰণ তাইৰ প্ৰতি সলনি হৈ পৰিল। সেয়া ঠিক অত্যাচাৰ নহয়, কিন্তু মাকৰ আওকণীয়া আচৰণত ৩ বছৰীয়া অপৰাজিতাই নিজৰ ধ্যান নিজে ৰাখিব পৰা হ'ল। ৩বছৰীয়া অপৰাজিতা যেন হঠাতে ডাঙৰ হৈ পৰিল।

দেউতাকে কিন্তু তাইক এতিয়াও আগৰ দৰে মৰম কৰিছিল। দেউতাকৰ মৰম আৰুচেষ্টাত তাই পঢ়া-শুনাত যথেষ্ট আগৰণুৱা হৈ পৰিছিল আনহাতে মাকৰ তাগিদাত ঘৰুৱা কামত। ৰূপে-গুণে যেন তাই সঁচাকৈয়ে অপৰাজিতা হৈ পৰিল।

ঃ—ঃ—ঃ

(৩)

যথা সময়ত তাই সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। জীৱনৰ ১৯ টা বসন্ত গৰকা

অপৰাজিতাই কলেজত ভৰি দিলে। তেতিয়া তাইৰ দেহত ভৰ যৌৱনৰ পৰশ। নিজৰ স্বভাৱ সুলভ হাঁহি আৰু আকৰ্ষণীয় ব্যক্তিত্বৰে সকলোৰে লগত তাই অতি সোনকালেই সহজ হ'ব পাৰিছিল। কলেজীয়া জীৱনৰে দুটা বছৰ ভালদৰে পাৰ হ'ল। তাৰ মাজতে ভনীয়েক বৰ্ণালীৰ মেট্ৰিকৰ ৰিজাল্ট ওলাল। সিমান ভাল হোৱা নাছিল যদিও গোটেই বেয়াও হোৱা নাছিল। তাই নিজৰ স্নাতক তৃতীয় বৰ্ষৰ আটাইখিনি বন্ধুকে সৰুকৈ এটা পাৰ্টি দিছিল ভনীয়েকৰ ৰিজাল্টৰ বাবে। সেইদিনা আছিল শনিবাৰ। তাই উভতাৰ পথত অৰুণাভে তাইক লগ কৰিছিল।

অৰুণাভ, তাইৰ সম্পৰ্কীয় বৌৱেক এজনীৰ ভায়েক। তাই চিনি পাইছিল তাক। ভালো লাগিছিল ল'ৰাটোৰ ব্যক্তিত্ব। সেইজন অৰুণাভেই তাইক কৈছিল- অপু, মই তোমাক ভাল পাওঁ।

ইটো সিটো কথা পাতি অৰুণাভৰ পৰা দুদিনৰ সময় লৈ তাই বিদায় লৈ ঘৰলৈ উভতিছিল।

ঃ—ঃ—ঃ

(৪)

যোৱা দুটা বছৰে তাই কিমান যে প্ৰেমৰ প্ৰস্তাৱ পালে, কিন্তু প্ৰেমৰ সেই সুবাস নোপোৱাত প্ৰতিটো তাই অগ্ৰাহ্য কৰিছিল। কিন্তু অৰুণাভ! তাইৰ মনত যেন অৰুণাভৰ বাবে কিবা এটা আছে। এক বুজাব নোৱাৰা ভাল লগা অনুভূতিয়ে তাইক আৱৰি ৰাখিছে। তাইৰ আবেলিটো মায়াসনা, গধুলিটো উমাল আৰু ৰাতিটো জীপাল কৰি ৰাখিছে। তাই সেই সুবাস অৰুণাভৰ মাজত বিচাৰি পাইছে।

ঃ—ঃ—ঃ

(৫)

আজি দুদিন হৈ গ'ল। সোমবাৰে অপৰাজিতা কলেজলৈ গ'ল। কিন্তু ক্লাছত তাইৰ অকণো মন নবহিল। কলেজৰ পৰা ওভতাৰ পথত আশাকৰা ধৰণে তাই অৰুণাভক লগ পাইছিল।

—কি ভাবিলা অপু!— অৰুণাভে অপৰাজিতাৰ মুখৰ ফালে আশাৰে চালে।

—মই তোমাক ভাল নাপাও।— অপৰাজিতাই উত্তৰ দি অকণো পলম নকৰাকৈ লৰালৰিকৈ অৰুণাভৰ কাষৰ পৰা আঁতৰি আহিল।

ঃ—ঃ—ঃ

(৬)

কলেজৰ পৰা আহি হাত-মুখ ধুই খাই-বৈ আনদিনাৰ দৰেই মাকক পাকঘৰত সহায় কৰি দিলে। বৰ্ণালীৰ ৰুমলৈ সোমাই গৈ বিচনাত বাগৰি নিজৰ কল্পনাৰ ৰাজ্যত মচগুল ভনীয়েকক জোকালে। স্কুলৰ পৰা ওভতা দেউতাকৰ লগত দৈনন্দিন কথা পতাৰ দৰে কথা পাতিলে। মুঠৰ ওপৰত মনৰ ভিতৰৰ সেই ধুমুহা জাকৰ কথা তাই কোনোৱে গম নোপোৱাকৈ নিজৰ মাজতে ৰাখিলে।

কিন্তু ৰাতি গাৰুটোত মূৰ গুজি পাৰ ভাঙি গ'ল তাইৰ মনৰ। চকুপানীৰে তিতি গ'ল শিতানৰ গাৰুটো। অৰুণাভক তাই ভাল পাইছিল। মনে-প্ৰাণে ভাল পাইছিল। হয়তো সম্পৰ্কটো আগোবাঢ়িলহেঁতেন। কিন্তু ৰবিবাৰে আবেলি তাই মনটো শিল কৰি লৈছিল।

অৰুণাভৰ বায়েক অৰ্থাৎ সম্পৰ্কীয় বৌৱেকজনী অপৰাজিতাহঁতৰ ঘৰলৈ আহিছিল। কথাই কথাই বৌৱেকে ভায়েকৰ কথা উলিয়াইছিল।

— আমাৰ অৰুই যোৱা বছৰে বি. কম. পাছ কৰিলে নহয়। এতিয়া দেউতাৰ ব্যৱসায়ত যোগ দিছে।— বৌৱেকে ক'লে। পিছে তাৰ বাবে ছোৱালী বিচাৰি আছো।

— অ' হয় নেকি! পিছে ছোৱালী পাইছেনে?— মাকে সুধিলে।

— ছোৱালী এজনীৰ কথা ভাবিয়েই আহিছো বৰমা আপোনাৰ ওচৰলৈ। বৰ্ণালীৰ বিয়াৰ কথা কিবা ভাবিছে নেকি?— বৌৱেকে অৰ্থাৎ অৰুণাভৰ বায়েকে ক'লে।

মাকৰ পৰা এটা সঁহাৰি মূলক সুৰ ভাহি আহিল— নভবা নহয়! কিন্তু তাইটো এতিয়া সৰু হৈয়ে আছে।

আমিও নো ক'ত আজিয়েই নিম বুলি কৈছো। সকলো সকাম হয় মানে এবছৰ পাৰেই হ'ব তায়ো হায়াৰছেকেণ্ডাৰী পাছ কৰিব।— বৌয়েকে হাঁহি এটাৰে কৈছিল।

মাকে আৰু দেউতাকে কথাটো আলোচনা কৰাও সেইদিনা ৰাতি অপৰাজিতাই শুনিছিল। দেউতাকে প্ৰথমতে মাকক ধমক দিছিল যদিও বৰ্ণালী সন্মত হোৱাত আপত্তি কৰা নাছিল।

অপৰাজিতায়ো বৰ্ণালীক লক্ষ্য কৰিছিল। তাইৰ মুখত অৰুণাভক জীৱন সংগী হিচাপে পোৱাৰ চিকমিকণি এটা আছিল।

যথা সময়ত দুয়োখন ঘৰৰ সন্মতিত বৰ্ণালী আৰু অৰুণাভৰ বিয়াখন বৰ্ণালীৰ হায়াৰছেকেণ্ডাৰী ৰিজাল্ট দিয়াৰ পিছতে হৈ গৈছিল।

ঃ—ঃ—ঃ

(৭)

অপৰাজিতাৰ স্নাতক মহলাৰ পঢ়াৰ সমাপ্তি পৰিছিল। ৰিজাল্ট ওলোৱাৰ দিনা ৰাতি দেউতাক অপৰাজিতাৰ ৰুমলৈ গৈ তাইৰ মূৰত হাত থ'লে।

—অপু এতিয়া তই কি কৰিম বুলি ভাবিছ'? আগলৈ পঢ়িবি নে বিয়াত বহিবি? তেৌলৈও ল'ৰা আহি আছে— দেউতাকে সুধিলে।

—দেউতা বিয়া হৈ ঘৰ এখন চম্ভালাও অতি ডাঙৰ কথা। কিন্তু মই এতিয়া আৰু পঢ়িব খোজো। এতিয়াই বিয়াত বহিবলৈ মই প্ৰস্তুত নহয়।— উত্তৰ দিলে অপৰাজিতাই।

—হ'ব! তঁহতৰ ইচ্ছাৰ বিৰুদ্ধে মই একো নকৰো। বৰ্ণাই সংসাৰী হ'ব খুজিছে মই তাতেও সন্মত, তই পঢ়িব খুজিছ' তাতো সন্মত।— এইবুলি দেউতাক তাইৰ কোঠাৰ পৰা ওলাই গ'ল।

তাইৰ বিয়া আৰু পঢ়া ইয়াকে লৈ মাক-দেউতাকৰ মাজত কাজিয়া। তাৰে মাজতে দেউতাকে তাইৰ স্নাতকোত্তৰৰ নামভৰ্তিৰ সকলো ঠিক কৰি দিলে। মাকৰ ওন্দোলিত ক'লা মুখখনৰ সৈতে তাই মাকৰ সেৱা এটা ল'লে। হোষ্টেললৈ যোৱাৰ সকলো যা-যোগাৰ তাই আৰু দেউতাকে মিলি কৰিলে। বৰ্ণালী আৰু অৰুণাভেও সহায় কৰিলে। বাছত তুলিবলৈও দেউতাক, অৰুণাভ আৰু বৰ্ণালীয়েই গ'ল। তাই বাছত উঠিল। সকলোৰে ফালে চালে। দেউতাকৰ মুখত বিষাদ, ভনীয়েকৰ মুখত চিন্তা। আৰু অৰুণাভ! তাৰ মুখ ভাব-লেষহীন।

ঃ—ঃ—ঃ

(৮)

স্নাতকোত্তৰৰ ক্লাছ সমূহ আৰম্ভ হ'ল। কলেজ, হোষ্টেল, বন্ধু আৰু নিতৌ দেউতাক আৰু বৰ্ণালীলৈ ফোন। যোৱা এটা বছৰে অপৰাজিতাৰ দৈনিক কৰ্মসূচী এইখনেই। বেলেগ কোনো বস্তুই তাইৰ এই কৰ্মসূচীত ঠাই পোৱা নাছিল। নাই! অপৰাজিতাই ইচ্ছা কৰিয়েই ঠাই দিয়া নাছিল। বিশেষকৈ প্ৰেম। প্ৰেমক তাই বন্ধুত্বৰ প্ৰেমতকৈ বেছি প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে সজীৱ হৈ পৰিছিল তাইৰ মনত অৰুণাভ। হাঁহিমুখেই তাই সকলো প্ৰস্তাৱ নাকচ কৰিছিল। লগৰ বান্ধৱীবোৰে তাইক জোকাই—

—ঐ বুঢ়ী হৈ মৰিবি ঐ।— এজনীয়ে কয়।

—খট্ খট্ খট্ .... ৰাজকুমাৰলৈ বাট চাইছ' নেকি তই। নে কোনোবা ৰাজকুমাৰে ৰৈ আছে তোলৈ?

— বেলেগ এজনীয়ে কয়। এনেকৈ হাঁহি ধেমালিৰ মাজেৰে দিনটো পাৰ হয়।

ঃ—ঃ—ঃ

(৯)

—হেল্ল, পাগলী ক'!— অপৰাজিতাই বৰ্ণালীৰ দৈনিক ফোনটো উঠালে।

—বা তই বুঢ়ীৰ শাৰীত পৰিবি ৰহ্ !— বৰ্ণালীৰ উত্তৰ। লগতে খুক্-খুকীয়া হাঁহি।

—কি কৈছ বুজাই নকৱ কিয়! —অপৰাজিতাই সুধিলে।

—অহ্ , মানে তই জেঠাই হ'বলৈ ওলাইছ।— সিফালৰ পৰা বৰ্ণালীৰ আনন্দৰে ভৰা উত্তৰ।

তাৰমানে বৰ্ণালীজনী ........বৰ্ণালীজনী ইমান ডাঙৰ হ'ল, আজি তাই মা হ'ব ওলাইছে। অপৰাজিতাৰ গাটো সিয়ৰি উঠিল।

—বা কি হ'ল!— বৰ্ণালীয়ে

চিঞৰিলে ফোনৰ সিটো পাৰৰ পৰা।

— ৰহ্ পাগলী মোৰ আৰু মোৰ আৰু ছমাহহে আছে এম. এ.ৰ শেষৰটো ছেমেষ্টাৰৰ বাবে। পৰীক্ষাটি মই গৈ আছো তোৰ আৰু তোৰ সন্তানৰ ধাই মা হ'ব। তাৰ পিছত ইটো সিটো কথা পাতি সিহঁতে ফোন ৰাখিলে।

হ'লেও অপৰাজিতাৰ আজি অৰুণাভৰ মুখখন চাবলৈ বৰ মন গ'ল। আজি চাগে সি খুব সুখী। অপৰাজিতাৰ মনটোত অৰুণাভৰ মুখখনে দোলা দি থাকিল।

ঃ—ঃ—ঃ

(১০)

স্নাতকোত্তৰ চূড়ান্ত ষাণ্মাসিকৰ পৰীক্ষা দিয়েই তাই বাহিৰে বাহিৰে বৰ্ণালীৰ ঘৰ পালে। দৰ্জা অৰুণাভে খুলিলে। অপৰাজিতা সামান্য অপ্ৰস্তুত হৈ পৰিল। অৰুণাভো কিছু পৰিমাণে হৈ পৰিছিল কিজানি। কিন্তু দুয়োটায়ে হাঁহিৰে ইটোৱে সিটোক সম্ভাষণ জনালে। ভিতৰত সোমাই তাই বৰ্ণালীক দেখি তাই পোনতে তাইক জোকালে। ভালদৰে লক্ষ্য কৰিলে বৰ্ণালীক। মাতৃত্বৰ গৌৰৱৰ এক বুজাব নোৱাৰা স্বৰ্ণীল আভা বৰ্ণালীৰ মুখত।

সেই দুমাহ তাই বৰ্ণালীৰ সকলো কথা এটা এটাকৈ মন দিলে। অপৰাজিতাই বৰ্ণালীৰ যি আলপৈচান ধৰিলে, মাকেও এবাৰলৈ হ'লেও নিজকে ধিক্কাৰ দিলে যে জীৱনৰ ক্ষণে ক্ষণে এই ছোৱালীজনীক মাকে অনুভৱ কৰাইছিল তাই যে মাকৰ নিজৰ সন্তান নহয়।

ঃ—ঃ—ঃ

(১১)

অপাৰেশ্যন থিয়েটাৰ সন্মুখত অৰুণাভ, অপৰাজিতাকে ধৰি দুয়োটা পৰিয়ালৰ সকলো সদস্য উদ্বিগ্ন ভাৱে থিয় হৈ আছে।

হঠাৎ কেঁচুৱাৰ কান্দোন।

— আই এম ছ'ৰি। মাকক বচাব পৰা নগ'ল। কিন্তু বেবি সম্পূৰ্ণ ছেফ।

সকলোৰে মূৰত সৰগ ভাঙি পৰিল। আৰু অৰুণাভ! তাৰ যেন সমগ্ৰ পৃথিৱীয়েই থান-বান হৈ গ'ল।

বগা কাপোৰেৰে ঢাকি ৰখা বৰ্ণালীৰ উকা শিৰত অন্তিমবাৰৰ বাবে সেন্দুৰ বোলালে অৰুণাভে।

ঃ—ঃ—ঃ

(১২)

বৰ্ণালীৰ সন্তানটোক বুকুত সাৱটি ল'লে অপৰাজিতাই। প্ৰত্যেকতো সময়তে তাইৰ একমাত্ৰ কাম বৰ্ণালী আৰু অৰুণাভৰ প্ৰেমৰ প্ৰতীক, সিহঁতৰ সন্তান জয়িতা। অপৰাজিতাৰ বাবে সেই কণমাণিজনীয়েই সমগ্ৰ পৃথিৱী হৈ পৰিছিল।

তেনেদৰেই দুমাহ পাৰ হ'ল। অৱশেষত দুয়োটা পৰিয়ালৰ হেঁচাত অপৰাজিতা আৰু অৰুণাভ বিয়াত বহিল। বিদায়ৰ পৰত মাকে তাইক কৈছিল— অপু, মই নিশ্চিত যে তই বৰ্ণাৰ সন্তানটোৰ সম্পূৰ্ণৰূপে ধ্যান ৰাখিব পাৰিবি। যোৱা দুমাহত মই তাৰ প্ৰমাণ পাইছো। মাত্ৰ তোৰ প্ৰতি মই যি অপৰাধ কৰিলো তাৰ বাবে মোক ক্ষমা কৰিবি।

— মা! মাক-দেউতাকে নিজৰ সন্তানক ক্ষমা নোখোজে আশীৰ্বাদহে দিয়ে। —এইবুলি মাকৰ ভৰি চুই সেৱা ল'লে।

মাকৰ দুচকু চকুলোৰে ভৰি পৰিল। অশ্ৰুসিক্ত নয়নেৰে মাক-দেউতাকে অপৰাজিতাক বিদায় দিলে।

ঃ—ঃ—ঃ

(১৩)

—অপু, তোমাক মই কেতিয়া মোৰ মনত মোৰ জীৱন সেই ঠাই দিব নোৱাৰো যি বৰ্ণাক দিছিলো। তেনে কৰিলে বৰ্ণাৰ পক্ষে মই অপৰাধ কৰা হ'ব। তাইৰ প্ৰেমক অপমান কৰা হ'ব।— ফুলশয্যাৰ নিশা কথা কেইষাৰ কৈ অৰুণাভ ওলাই গৈছিল ৰূমটোৰ পৰা।

পিছদিনা অপৰাজিতাই নিজৰ আৰু জয়িতাৰ বাবে বেলেগকৈ কোঠা এটা সজাই লৈছিল আৰু ব্ৰেকফাষ্টত অৰুণাভক উদ্দেশ্যি কৈছিল— অৰু, তোমাৰ পৰাও মই বন্ধুত্বতকৈ বেছি একো নিবিচাৰো। এই বিৰহ কেৱল জয়িতাৰ মা হ'বৰ বাবেহে, তোমাৰ পত্নী হ'বৰ বাবে নহয়।

ঃ—ঃ—ঃ

(১৪)

যোৱা ৬ ঘণ্টাই অৰুণাভে যেন এখন বেলেগ জগতত বিচৰণ কৰি ফুৰিছে। অপৰাজিতা আৰু জয়িতাৰ ৰুমটো আজি তাৰ অচিনাকী অচিনাকী লাগিল। অপৰাজিতাক তাৰ অচিনাকী লাগিল। যি যোৱা ৬ ঘণ্টাত অপৰাজিতাৰ আটাইকেইখন ডায়েৰী পঢ়ি শেষ কৰিলে। তাৰ মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে।

ঃ—ঃ—ঃ

(১৫)

দেউতা, মা আহি পালে।— জয়িতাৰ চিঞৰত সি ৰুমটোৰ পৰা ওলাই আহিল।

—আইতাৰ খবৰ কি মা।— জয়িতাই চক্‌লেট দুটা হাত পাতি লৈ সুধিলে।

—এতিয়া যথেষ্ট ভাল পাইছে মাজনী।— এইবুলি কৈ অপৰাজিতা নিজৰ ৰুমলৈ গ'ল। হাত-মুখ ধুই বাথৰুমৰ পৰা ওলাই আহি অৰুণাভক থিয় হৈ থকা দেখি সুধিলে— কি হ'ল অৰু!

অপু, মিছা কথাবোৰ ইমান ধুনীয়াকৈ কেনেকৈ ক'ব পাৰিছিলা তুমি?— অৰুণাভে তাইৰ ফালে এক তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰিলে।

অপৰাজিতাই অৰুণাভৰ ফালে প্ৰশ্নবোধক দৃষ্টিৰে মুখখন ঘূৰালে। অৰুণাভৰ তৰ্জ্জনী আঙুলিটোৱে তেতিয়া অপৰাজিতাৰ ডায়েৰী কেইখনৰ ফালে ইংগিত দি আছিল।

—তাৰমানে তুমি সেইকেইখন পঢ়িলা!— অপৰাজিতাৰ হতভম্ব চিঞৰ।

তাৰ পিছত বহু সময় অপৰাজিতা-অৰুণাভে কাৰো মুখত একো ভাষা নাছিল। কোনোৱে একো ক'ব পৰা নাছিল। মাত্ৰ দুধাৰি চকুলোৱে দুয়োটাৰে মনৰ ভাষা চকুৰে নিগৰাইছিল।

—কাইলৈৰ পৰা অপৰাজিতা অৰুণাভৰ পত্নী হ'ব। জয়িতাৰ মা, বৰ্ণালীৰ বায়েক সকলোৰে কৰ্তব্য কৰিলা। কিন্তু নিজৰ প্ৰেমক দুবাৰকৈ হাতত পায়ো!— তাৰ পিছত আৰু অৰুণাভে একো ক'ব নোৱাৰিলে। সি ৰুমটোৰ পৰা ওলাই গ'ল।

পশ্চিমত ডুবিব লোৱা সূৰ্যটোৰ সেন্দুৰী আভাই অপৰাজিতাৰ মুখত সেন্দুৰীয়া আবিৰ সানিছিল। তাইৰ মুখত পূৰ্ণতা পোৱাৰ এক বুজাব নোৱাৰা আনন্দ আৰু কাণত দোলা দি আছিল অৰুণাভৰ সেই শব্দকেইটাই "কাইলৈৰ পৰা অপৰাজিতা অৰুণাভৰ পত্নী হ'ব!"

"কাইলৈৰ পৰা অপৰাজিতা অৰুণাভৰ পত্নী হ'ব!"

❑❑❑

গল্প

# হেৰোৱা অতীতৰ সুবাস ....

নাজৰিন ইয়াচমিন
ষষ্ঠ ষাণ্মাসিক, স্নাতক, বিজ্ঞান

পাখি পাখি এই মন,
পাখি লগা মোৰ মন
পাখি মেলি যায় উৰি.....

গাড়ীত বাজি থকা এই গানটো অৰুণাভৰ খুবেই প্ৰিয়। বাহিৰত কিন্‌কিনিয়া এজাক বৰষুণ। এনেকুৱা বতৰত নিজৰ প্ৰিয় গীতটিৰ সৈতে গাড়ী চলাই যোৱাৰ মজাই বেলেগ। তাতে আকৌ সি আজি তাৰ আপোন চহৰলৈ আহিছে। কৰ্মজীৱনৰ তাগিদাত তাৰ ঠিকনা এতিয়া বিদেশত। কিন্তু ব্যস্ত কৰ্মসূচীৰ পৰা অলপ বিৰতি লৈ আজি সি উভতি আহিছে তাৰ আপোন চহৰখনলৈ, চিনাকি মাটিৰ সুবাস বিচাৰি। লক্ষ্য তাৰ মঙলদৈ মহাবিদ্যালয়। য'ত সি তাৰ জীৱনৰ আটাইতকৈ ভাল লগা এটা বসন্ত পাৰ কৰিছে।

কিমানদিনৰ নো কথা। সৌ সিদিনাখন এডমিচন লবলৈ যোৱাৰ কথা তাৰ এতিয়াও স্পষ্টকৈ মনত আছে। যেন দুদিন মান আগতহে হৈ গৈছে। গম নোপোৱাকৈয়ে হাঁহি-ধেমালি, খং অভিমানৰ মাজত, ক্লাচৰুমৰ ব্লেকবোৰ্ডত তিনিটা বছৰ বৰ সোনকালেই পাৰ হৈ গৈছিল। ভেবাৰঘাট পোৱাত সি গাড়ীখন ৰখালে। গাড়ীৰ পৰা নামিয়েই এক বেলেগ অনুভূতিয়ে জোকাৰি গ'ল তাক। চিনাকি চিনাকি লগা এক সুবাস। তেতিয়ালে বৰষুণ এৰিছিল। কিন্তু সেই বৰষুণ জাকে যেন আৰু অধিক জীপাল কৰি তুলিছিল তাৰ স্মৃতিবোৰ।

ঠাইখন যথেষ্ট সলনি হ'ল। সৰু সৰু পান দোকানবোৰ ডাঙৰ হ'ল। বেছ ভাল লগাও হৈছে চ'কটো। চাহ একাপ খাও বুলি সি হোটেল শাণ্ডিল্যত সোমাল। হোটেলখন আগৰখনেই, কিন্তু সকলোবোৰ এতিয়া অপৰিচিত। সকলোবোৰ নতুন। চিনাকি মুখ এখনো নেদেখিলে সি তাত। চাহ আৰু চিঙৰা লৈ সি টেবুল এখনত বহিলগৈ। চাহ কাপত মুখ দিয়েই সি ৰৈ গ'ল কিছু মুহূৰ্তৰ বাবে। সেই একেই চিনাকী সুবাস। য'ত মিহলি হৈ আছে বন্ধুত্বৰ বহু উমাল কাহিনী। কলেজৰ শেষত এই চাহ কাপ নোখোৱাকৈ ঘৰলৈ যোৱাটো তেতিয়া যেন এক অপৰাধ হে আছিল। লগত চিঙৰা লৈ গোটেই জাক বহি লৈছিল, ঘূৰণীয়া মেজ মেলত। কত ৰকমৰ যে কথা। সৌৰভে মুখ খুলিলেই সকলোৰে পেটৰ নাড়ী ডাল ডাল হৈছিলগৈ হাঁহিত। আকাশ, মৃণাল, হৃদয়, চিৰাজ, বিকাশহঁতৰ গোটেই জাকৰ হাঁহিত হোটেলখন কিছু সময়ৰ বাবে গিজগিজাই আছিল। শেষত পুনৰ পিছদিনাখন লগ হোৱাৰ কথাৰে সকলোবোৰ ঘৰমুৱা হৈছিল।

স্মৃতিৰ সাগৰখনিত ডুব গৈ থাকোতে কেতিয়া চাহ-চিঙৰা শেষ হ'ল সি গমেই নাপালে।

"আজি কিন্তু তামাম জমনি হ'ল দেই। মোক ফটো কেইখন চেন্ত কৰচোন আজিৰ।"

এজাক কলেজীয়া ল'ৰাৰ কোলাহলতহে সি বৰ্তমানলৈ ঘূৰি আহিল। সি মনতে ভাবিলে, "এদিন ইহঁতৰ ঠাইত আমি আছিলো। সময়ো কি নিষ্ঠুৰ! ভাল লগা সময়বোৰ বৰ সোনকালেই পাৰ হৈ যায়।"

হোটেলৰ পৰা ওলাই সি গাড়ীত বহিলগৈ আৰু তাৰ গন্তব্য স্থানলৈ গতি কৰিলে। মাথো কেইটামান মুহূৰ্তৰ পাছতেই সি মহাবিদ্যালয়ৰ সন্মুখত ৰ'লগৈ। নিৰ্দিষ্ট পাৰ্কিং প্লেচত গাড়ীখন ৰখাই সি সোমাই গ'ল তাৰ আপোন 'কৃষ্ণচূড়াৰ দেশলৈ'।

আগতকৈ বহুত সলনি হ'ল সকলোবোৰ। চাৰিওফালে ডাঙৰ ডাঙৰ বিল্ডিং হ'ল। কিন্তু সলনি হোৱা নাই আমলখি গছ কেইজোপা। বুকুত অলেখ স্মৃতি বান্ধি আজিও ৰৈ আছে একেঠাইতেই। আজিও ছাগে ইহঁতৰ ছাঁত জীপাল হৈ উঠে বন্ধুত্বৰ উমাল আড্ডা!! এতিয়াও ছাগে ই কঢ়িয়াই গাভৰুৰ জাকৈয়া হাঁহিৰ জোৱাৰ!! মৰমৰ বৰষুণ!! ছেহ আকৌ এবাৰ জীয়াব পৰা হ'লে জীৱনৰ সেই তিনিটা বসন্ত!!!

সি গৈ 6 নং ৰুমৰ কাষ পালেগৈ। 6 নং ৰুম!! এইটো ৰুমতেই আৰম্ভণি হৈছিল সিহঁতৰ কলেজীয়া শিক্ষাৰ। কম কাহিনী জড়িত হৈ থকা নাই এই ৰুমটোৰ সৈতে। পাছ ক'ৰ্চৰ ক্লাচবোৰৰ এটা এটা মুহূৰ্ত তাৰ মনলৈ আহি আছে এতিয়া। সিহঁতে কৰা উৎপাত বিলাক, হাঁহিৰ মুহূৰ্ত বিলাক! বহুদিন বাংক ও কৰিছিল সিহঁতে। সেইখিনি সময়ত সিহঁতে গছৰ তলত গৈ আড্ডা দিছিল। তেতিয়া হয়তো কোনেও ভবাই নাছিল এদিন সেই সময়বোৰে বৰকৈ আমনি কৰিব বুলি। অৱশ্যে মেজৰৰ ক্লাচকেইটা কিন্তু ঠিকেই কৰিছিল সিহঁতে।

এইবাৰ সি গৈ ৰ'লগৈ তাৰ অতি মৰমৰ 'পদাৰ্থ বিজ্ঞান' বিভাগৰ সন্মুখত। য'ত এৰি থৈ গৈছিল সি তিতা-মিঠা অলেখ স্মৃতি আৰু লৈ গৈছিল লগত শিক্ষাগুৰুৰ মৰম-আশীৰ্বাদ আৰু বন্ধুত্বৰ কেইবাখনো আপোন হৃদয়।

স্মিতা, তৃষ্ণা, মিনাক্ষী, বিকাশ, পৱন, ৰাহুল, উৎপল আটাইকেইজনেই আপোন আছিল। সিহঁতৰ লগত একেলগে প্ৰজেক্ট কৰা, প্ৰেক্টিকেল কৰা, কেণ্টিনত গৈ হুলস্থূল কৰি চাহ খোৱা, সকলোতে একেলগেই আছিলো গোটেইবোৰ।

ডিপাৰ্টমেন্টৰ ভিতৰলৈ সোমাব খোজোতেই কোনোবাই অস্পষ্ট স্বৰেৰ কোৱা শুনিলে সি, "ঐ, কলেজ নাযাৱ নেকি?" হঠাৎ এই কথাযাৰ শুনি সি আচৰিত হ'ল। কোনেনো কৈছে বুলি ইফালে-সিফালে চাওঁতে এক প্ৰচণ্ড জোকাৰণি অনুভৱ কৰিলে সি।

চকুকেইটা জোৰ কৰি মেলিয়েই সি মাকৰ মুখখন দেখা পালে।

"কোনটো পঢ়া ল'ৰাই ইমান দেৰিলৈ শুই থাকে, ছাগৈ যাচোন।"

❑❑❑

গল্প

# এইবাৰ লগ পালে নিশ্চয় মাতিম....

অৰ্পণা বড়া
ষষ্ঠ ষাণ্মাসিক, স্নাতক, বিজ্ঞান

'কিৰিং', 'কিৰিং' কৈ মৃদুসুৰত সুস্মিতাৰ মোবাইলৰ এলাম ট'ন বাজি ৬-৩০ বজাৰ সংকেত দিলে। কিন্তু যোৱা ৰাতিয়ে তাই Major ৰ 'Practical note book' লিখি থকাত টোপনি যোৱাত কিছু পলম হ'ল। তাই মোবাইলৰ এ'লাম অফ বাটনত থৈ পুনৰ বাগৰ সলালে। প্ৰায় ১৫-২০ মিনিট পাছত 'মানু' মানে তাইৰ ৰুমমেট জনীয়ে আহি তাইক জগাই দিলে যদিও তাই টোপনিৰ পৰা বাহিৰৰ জগতখনত উপস্থিত হ'বই নোৱাৰিলে। "যদি উঠিবই নোৱাৰ, থাক কিয় তই ৰাতিলৈ ........" অৰ্ধচেতন অৱস্থাত মানুহৰ ভোৰভোৰণি সুস্মিতাৰ কাণত পৰিল। প্ৰায় ১০-১৫ মিনিট পিছত তাই টোপনিৰ পৰা উঠি চুলিকেইডাল পকাই লৈ ক্লাটচাৰেৰে মূৰৰ ওপৰত বান্ধি ল'লে। এইপিনে মানুৰ মুখখন দেখি তাই ভয়ত একো নোকোৱাকৈয়ে নিজৰ বিছনাৰ পৰা নামি তাইৰ প্ৰয়োজনীয় সামগ্ৰীখিনি লৈ বাথৰুমত সোমাল। মানুয়ে তাইলৈ কেৰাহিকৈ চাই আছিল। লাজে ভয়ে তাই হাঁহি মাৰি বাথৰুমত সোমাল। 'মানু' মানে 'মানসী' সকলোৱে মৰমতে 'মানু' বুলি মাতে। বৰ সহজ-সৰল ছোৱালী। Complex শব্দটো যেন তাইৰ তাত বিচাৰি পাবলৈ বৰ টান। একে সমবয়সীয়া মানসী আৰু সুস্মিতা। দুয়োৰে চিনাকী প্ৰথম এই হোষ্টেলৰ '036' ৰুমটিয়েই, যেতিয়া দুয়ো আহিছিল দুধনৈ কলেজলৈ স্নাতক ডিগ্ৰী ল'বলৈ। কেনেকৈ অচিনাকী ছোৱালী দুজনী অতি কম সময়ৰ ভিতৰত ইমান আপোন হৈ গ'ল ভাবিবলৈ আচৰিতেই লাগে। মানসী শিক্ষা বিভাগৰ ৫ম ষাণ্মাষিকৰ ছাত্ৰী আৰু সুস্মিতা ৰসায়ন বিভাগৰ ছাত্ৰী। সুস্মিতাই মানসীক নিজৰ বান্ধৱী বুলি ভবাৰ আগতে তাইৰ এজনী অভিভাৱক হিচাপেহে প্ৰথমে গণ্য কৰে। সেয়ে মানুই কেতিয়াবা গালি দিলেও তাই আপত্তি নকৰে।

— তোৰ আজি ক্লাচ কেতিয়া আছে? মানুৰ প্ৰশ্নত তাই অতীতৰ পৰা বাস্তৱত স্থান ল'লে।

—মোৰ আজি ৯ বজাত আছে, দেৰিয়েই হয় নেকি!! তোৰ কেতিয়া আছেনো'.... বাথৰুমৰ পৰাই মৃদুসুৰত সুমুৰ উত্তৰ মানুৰ কাণত পৰিল।

—দেৰিলৈ শুই থাকিলে দেৰি হ'বই দে, মোৰো ৯ বজাতেই আছে, তোৰ কাৰণে ৰখি থাকিব নোৱাৰো।

—গৈছোৱেই ৰ', অলপ সময়, সুমুৱে উত্তৰ দিলে।

সুমুৱে জানে মানুই তাইক এৰি কেতিয়াও নাযায়, যেতিয়া তাইৰ ক্লাচ সুমুৰ সৈতে একেলগে থাকে, লাগিলে তাইৰেই ক্লাচ খতি নাযাওঁক কিয়!! সুমুই মানুৰ এনেকুৱা কিছুমান আদৰ পাবলৈ জানি বুজিও কিছুমান ভুল কৰে। তেতিয়া প্ৰায় ৮ বাজি পাৰ হৈছিল। হোষ্টেলত ৰাতিপুৱাৰ আহাৰৰ সংকেত বাজিল। দুয়োয়ে তলৰ ফ্লৰলৈ নামি আহিল আৰু ততাতৈয়াকৈ ভাত নাকে কাণে গুজি ললো। কলেজলৈ গাড়ীৰে প্ৰায় ১০ মিনিটৰ বাট। কলেজৰ সন্মুখত গাড়ীৰ পৰা নামি দুয়ো নিজৰ নিজৰ লক্ষ্যৰ দিশে গতি কৰিলে।

কলেজৰ পৰা ৰসায়ন বিজ্ঞান বিভাগলৈ অহা বাটটিৰ পৰিবেশ অতি মনোৰম। বাটটিৰ দুয়োপিনে আমলখি, শিলিখা আৰু কৃষ্ণচূড়াৰ গছ। ল'ৰা-ছোৱালীবোৰে প্ৰায়েই আমলখিৰ গছ কেইডালৰ তলত বহি সমনীয়াৰ সৈতে কথাৰ মচগুলত ব্যস্ত হৈ থকা

দেখিবলৈ পোৱা যায়। আমলখি গছ কেইডালৰ মাজে মাজে আছে নাহৰৰ গছ। তাই প্ৰথম যেতিয়া কলেজত নামভৰ্ত্তি কৰিব আহিছিল তেতিয়া এই নাহৰৰ গছকেইডাল প্ৰায় পুলি অৱস্থাত আছিল। আজি কিছুদিনৰ পৰা এই গছকেইডালে নিজৰ সৌগন্ধি বিয়পাই ফুৰিছে। সময়ৰ লগে লগে যেন সিহঁতো আগবাঢ়ি গৈছে তাৰে ইংগিত দিছে। এই নাহৰৰ গোন্ধে যেন তাইক কিছু সময়ৰ কাৰণে সেই ঠাইতহে আৱদ্ধ কৰি দিলে। এই গোন্ধটি ক'ত পাইছিল বাৰু তাই মনত পেলাব বহুত চেষ্টা কৰি আছে যদিও মনত পেলাব পৰা নাই দেখোন তাই অতীতৰ এই গোন্ধটিয়ে বৰকৈ আমনি কৰি আছে। ক'ত পাইছিল, ক'ত পাইছিল......? এই গোন্ধটি........!!! ভাবি ভাবিয়েই তাই তাইৰ ক্লাচ ৰুমৰ সন্মুখ পাইছিল। তেতিয়া সিহঁতক N. D. ছাৰে ক্লাচ লবলৈ সাজু হৈছে। তাই ততাতৈয়াকৈ গৈ 2nd বেঞ্চখনত বহি বহীখন উলিয়াই ল'লে। N. D. ছাৰে ব'ৰ্ডত কিছুমান molecule ৰ bonding structure বুজাই আছিল। কিন্তু তাই আজি ক্লাচত একেবাৰেই মন বহাব পৰা নাই, ইতিমধ্যে নাহৰৰ গোন্ধে যে তাইক বৰকৈ আমনি কৰি থৈ গ'ল। তথাপিও মনত পেলাব পৰা নাই তাই বহুসময় পিছত তাইৰ মনত পৰিল সেই অচিনাকী হৈ পৰা তাইৰ অতি চিনাকী ঠাইখন।

আজিৰ পৰা প্ৰায় চাৰিবছৰ আগৰ কথা যেতিয়া তাই মেট্ৰিক পৰীক্ষাৰ ফলাফলৰ পিছত হায়াৰ চেকেণ্ডাৰী শিক্ষাৰ বাবে তেজপুৰ কলেজলৈ আহিছিল। যিহেতু তাই ঘৰৰ অতি মৰমৰ ছোৱালী সেয়ে হোষ্টেলত মিলি চলিব অসুবিধা হ'ব বুলি তাইক দেউতাকে ভাড়াঘৰত থোৱাৰ সিদ্ধান্ত লৈছিল। এড্‌মিছনৰ দিনাই তাইৰ দেউতাকে এসপ্তাহ আগতে ঠিক কৰি থোৱা 'ভাড়াঘৰ'টি চাবলৈ আহিছিল। মালিক মানে অৰুণিমা খুড়ী আৰু যোগেন খুড়াৰ ঘৰৰ সন্মুখত থকা নাহৰৰ গছ কেইডালেও ঠিক আজিৰ দৰেই সুগন্ধি বিয়পাই ফুৰিছিল। তাই ভাড়াঘৰটিৰ পৰিবেশটি ভাল পায়েই তাত দুবছৰ কটোৱাৰ সিদ্ধান্ত লৈছিল। সেই নাহৰৰ গছ কেইডালৰ তলত থকা সমূহীয়া বেঞ্চ কেইখনত কিমান যে শৰৎ কালৰ সন্ধ্যাত কথাৰ আড্ডা বহিছিল, আড্ডাত কেনে ধেমালি কথাবোৰ, তাৰ মাজে মাজে বাটেৰে যোৱা মানুহবোৰক জোকোৱা, বিভিন্ন কথাবোৰে সিহঁতক বহুদিনলৈ হহুঁৱাই আছিল। কেতিয়াবা দুখৰ দিনটোতো সেই আড্ডাবোৰলৈ মনত পৰিলে সুমুৰ মনটো বৰ ফৰকাল লাগিছিল। এদিন টিউচনৰ পৰা ভাড়া ৰুমলৈ আহি থকাত, এই নাহৰৰ তলতেই এজাক ল'ৰাৰ মাজৰ পৰা এজনে তাইক 'বগা মেকুৰী' বুলি জোকাইছিল। নাক-কাণ ৰঙা হৈ পৰিছিল সুমুৰ। বাকী ল'ৰাবোৰে উচ্চ স্বৰত হাঁহিছিল। কম লাজ পাইছিল নে সুমুই সেইদিনা। সেই ল'ৰাৰ জাকৰ মাজতেই আছিল প্ৰণয়দা। 'প্ৰণয়দা'- তেজপুৰ বিশ্ববিদ্যালয়ৰ B. Tech. ৰ তৃতীয় বৰ্ষৰ ছাত্ৰ। পঢ়া-শুনাত অতি চোকা আছিল। সুমুহঁত থকা মালিকৰ ঘৰতেই সৰু ৰুম এটাত আছিল। অৰুণিমা খুড়ীয়ে তাক বহুত মৰম কৰিছিল, একেবাৰে নিজৰ ল'ৰাৰ দৰে। যিহেতু খুড়া-খুড়ীৰ নিজাকৈ কোনো ল'ৰা-ছোৱালী নাছিল সেয়ে ভাড়াঘৰলৈ অহা ল'ৰা-ছোৱালীবোৰকে নিজৰ ল'ৰা-ছোৱালীৰ দৰে মৰম-স্নেহ কৰিছিল। প্ৰণয়দাইও অৰুণিমা খুড়ীক বৰ সন্মান কৰিছিল। কিন্তু সুমুই প্ৰণয়দাৰ লগত কোনো দিনেই সহজ হ'ব নোৱাৰিলে, হয়তো নাহৰৰ তলত হোৱা ঘটনাই এক কাৰণ। প্ৰণয়দাই কেতিয়াবা তাইক ছেগ বুজি মাতিবলৈ চেষ্টা কৰিছিল যদিও তাই কোনো গুৰুত্ব নিদিয়াকৈয়ে আঁতৰি আহে। তাই বেলেগ ছোৱালীবোৰৰ মুখৰ পৰা প্ৰণয়দাৰ গুণানুকীৰ্ত্তন শুনে যদিও কোনো কথাত কেতিয়াও মাত নিদিয়ে। সুমুক তাইৰ বান্ধৱী হিমাশ্ৰীয়ে প্ৰায়েই কৈছিল- "তইনো এদিন জোকোৱা কথাটো পাহৰিব পৰা নাই নে....?" কিন্তু কিয়বা তাই প্ৰণয়দাক সহজভাৱে লব নোৱাৰিলে, হয়তো প্ৰথম ঘৰৰ পৰা ওলোৱা ছোৱালী ভয়, লাজ, সংকোচ সকলো খিনিয়ে তাইক আগুৰি আছিল।

— সুমু এই structure টো কি লিখিলে, বুজি নাপালো দেখোন-লগৰ পৰিস্মিতাৰ কথাত সুমুই অতীতৰ পৰা বাস্তৱত স্থান ল'লে। তাই দেখিলে যে আজি ক্লাচ শেষেই হ'ল। তাই আজি ক্লাচটোত মনেই বহাব নোৱাৰিলে। তাৰ পিছত তাই দিনটোত কৰিবলগীয়া ক্লাচ কেইটা কৰি হোষ্টেল অভিমুখে গতি কৰিলে। তেতিয়া প্ৰায় ৩ বাজি পাৰ হৈছিল। ভাত খাই তাই নিজৰ বিছনাখনত বহিল। দেখিলে আনখন বিছনাত মানুই গভীৰ নিদ্ৰাত বুৰ গৈ আছে। আনদিনা প্ৰায় এই সময়খিনিত তাই টেবুলতেই অলপ বহে। কিন্তু আজি তাইৰ একো কামতেই মন নবহিল, এইপিনে নাহৰৰ সুবাসে তাইক ৰাতিপুৱাৰ পৰাই আমনি কৰি আছিল। তাৰ পিছত তাই বিছনাত বাগৰ দি আকৌ অতীতত বুৰ গ'ল।

এনেকৈয়ে তাই কোনোদিন প্ৰণয়দাক নমতাকৈয়ে থাকিল, এসময়ত ফাইনেল পৰীক্ষা অহাত পঢ়িবলৈ তাই নিজৰ ঘৰলৈ গুচি আহিল। পৰীক্ষাৰ প্ৰায় দু-সপ্তাহ মান আগত তাই পুনৰ নিজৰ ভাড়াৰুমলৈ গ'ল। ভাড়াঘৰলৈ গৈয়ে গম পালে যে প্ৰায় ১৫ দিনমান আগতে প্ৰণয়দাই ৰুম এৰিলে। কথাষাৰে তাইৰ অন্তৰত একো প্ৰভাৱ নেপেলালেও যেন ক'ৰবাত তাইৰো অলপ বেয়া লাগিছিল, হ'লেও নিজকে সান্তনা দি কৈছিল- "এইবাৰ যদি তোমাক ক'ৰবাত লগ পাওঁ, নিশ্চয় ময়েই আগতে মাতিম প্ৰণয়দা...."

পিচে "বগা মেকুৰী" নামটো ইমানো বেয়া নাছিল, মুখত এক মৃদু হাঁহি লৈ মুখৰ ভিতৰতেই উচ্চাৰণ কৰি সুমুৱে বাগৰ সলালে।

❑❑❑

# মহৎ লোকৰ বাণী

শ্ৰীপাৰ্থ সৰকাৰ।
শ্ৰেণী— উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

১। সফল মানুহ হোৱাতকৈ গুণী মানুহ হ'বলৈ চেষ্টা কৰা বেছি ভাল— এলবাৰ্ট আইনষ্টাইন।
২। শিক্ষক হৈছে এডাল মমবাতি যি নিজে জ্বলি আনক পোহৰ দিয়ে— প্লেটো।
৩। জন্মৰ দ্বাৰা নহয়, কৰ্মৰ দ্বাৰাহে মানুহ মহান হয়— মহাবীৰ।
৪। ভুল জনাতকৈ একো নজনাই ভাল।— শেক্সপীয়েৰ।
৫। নজনাটো যিমান লাজৰ কথা নহয়, শিকিবলৈ ইচ্ছা নকৰাটোহে বেছি লাজৰ কথা।— বেঞ্জামিন ফ্ৰেংকলিন।
৬। আজিৰ কাম কাইলৈ কৰিম বুলি ভাবি নাথাকিবা কাৰণ কালি তোমাৰ কি অৱস্থা হ'ব তুমি নাজানা— হজৰত মহম্মদ।
৭। সকলোকে জয় কৰিব পাৰে একমাত্ৰ পৰিশ্ৰমে—— থমাচ হাৰ্ডি।
৮। উঠা জাগা লক্ষ্য প্ৰাপ্তি নোহোৱালৈকে ন'ৰবা—— স্বামী বিৱেকানন্দ।
৯। ধৈৰ্য তিতা কিন্তু তাৰ ফল মিঠা—— ৰুছো।
১০। ভয়ৰ জৰিয়তে জন্ম হোৱা ভক্তি কচুপাতৰ পানীৰ দৰে ক্ষন্তেকীয়া।— হেম বৰুৱা।
১১। কৰ্তব্যৰ পথ নিচেই ওচৰতে থাকে, কিন্তু মানুহে তাক বিচাৰে বহু দূৰত— মেনচিয়াচ।
১২। মানুহৰ শক্তিৰ অভাৱ নাই, অভাব হ'ল ইচ্ছা শক্তিৰ—— ভিক্তৰ হিউগো।
১৩। সত্যৰ সদায় জয়—— মহাত্মা গান্ধী।

গল্প

# সোণাৰুৰ হালধীয়া হাঁহি

জেমিমা চৌধুৰী
ষষ্ঠ ষাণ্মাসিক, স্নাতক, কলা

যদিওবা প্ৰয়োজন নাই বন্ধুত্বক উদ্‌যাপন কৰিবলৈ কোনো বিশেষ দিনৰ। তথাপি বন্ধুত্বৰ নামত উৎসৰ্গিত 'Friendship day' নামৰ এই দিনটোৰেই সুযোগ দিয়ে বহুত দিন খবৰ নোপোৱা বা যোগাযোগ নথকা হৃদয়ৰ অতি আপোন বন্ধুজনক মনত পেলাবলৈ, এটা মাথো শুভেচ্ছা জনাবলৈ।

ল'ৰালিৰ দিনৰ কথাবোৰকেই মনত জুকিয়াই বহি আছে জীমণি। স্কুল, কলেজৰ দিনবোৰ। তাৰ লগতে সম্বন্ধিত প্ৰতি এটা দিন, মৰমৰ সঁফুৰা, বন্ধুত্বৰ প্ৰতিশ্ৰুতি। কলেজীয়া যেন লগা মাদকতা লৈ প্ৰথমবাৰৰ বাবে মঙলদৈ কলেজত ভৰি থোৱা। বৃহৎ কলেজখনৰ কৃষ্ণচূড়া, সোণাৰু, ফ্ৰণ্ট গেইটৰ আমলখি গছকেইজোপা আৰু সময় সুবিধা মিলাই তাৰ তলত থিয় হৈ কলেজীয়া আড্ডাত ভাগ লোৱা। কেন্টিনত বহি চিঙৰা-চাহ খোৱা। পইচা নিমিলিলে ইজনে সিজনৰ পৰা টনাটনি কৰি খুচুৰা উলিওৱা। 'কলেজ উইক'ৰ নামৰ ব্যস্ততা। প্ৰেক্টিকেল ক্লাছক লৈ উজান দিয়া। ৰিজাল্টৰ দিনটো লৈ অপেক্ষাৰত সেই ভয়লগা দিনকেইটা।

প্ৰথম আনন্দৰ নিজৰা জানো কোনোবাই পাহৰিব পাৰে? কলেজ জীৱনতে যৌৱনত ভৰি থোৱা এহাল ল'ৰা-ছোৱালীৰ চঞ্চলতা, হাঁহি-ধেমালি আৰু তাৰ মাজেৰেই চলি থকা ৬ টা চেমিষ্টাৰৰ ক্লাছসমূহ। এইবোৰৰ লগে লগেই বহুতো বন্ধু বান্ধৱী গোটাইছিল জীমণিয়ে।

তাৰ মাজতেই তাই লগ পাইছিল অবিনাশক 'অবিনাশ দত্ত'। অত্যাধিক স্মাৰ্ট আৰু বহিৰাগত জ্ঞানক লৈ বেছি উৎসুক ল'ৰাজন। ল'ৰা-ছোৱালী আৰু শিক্ষকবৃন্দৰ মাজত জনপ্ৰিয় আছিল অবিনাশ। ক'বলৈ গ'লে জীমণিহঁতৰ বহিৰাগত জগতখনক চাবৰ বাবে 'পাছপৰ্ট' আছিল অবিনাশ। খুব সোনকালে বন্ধুত্ব গঢ়ি উঠিছিল জীমণিৰ অবিনাশৰ লগত। সদায়েই হাঁহিমুখীয়া আৰু প্ৰাণোচ্ছল।

জীমণি বা, মই যে আপোনাক কৈছিলো College Magazine ৰ নামত কিবা এটা লিখিবলৈ! অবিনাশ দাৰ খবৰেই নাই চোৱাচোন। দাদাই নিঃসন্দেহে ভাল Subject এটা লৈ লিখিব পাৰিব। কিয়নো নিদিয়ে; তুমি এবাৰ কৈ দিয়ানা Please! আলোচনী সম্পাদিকা মেঘাই আহি জীমণিক কৈছিলহি। জীমণিহঁতৰ গ্ৰুপটোত অবিনাশ জনপ্ৰিয়। গতিকে ইহঁতে ক'লে সি একো এটা নকৰাকৈ নাথাকে।

'প্ৰেমৰ বালিচৰত বহি অপেক্ষাৰত মই!'

অবিনাশৰ কবিতাটো খুউব ধুনীয়াকৈ College Magazine ত ছপা হৈছিল। সকলোৰেই অবিনাশক প্ৰেমিকাৰ নাম সুধি ব্যতিব্যস্ত কৰি তুলিছিল। সঁচা বুলি বহুতৰে ঈৰ্ষা জাগিছিল। অবিনাশে উত্তৰ হিচাপে মাথোন এমোকোৰা হাঁহি দিছিল।

জীমণি, অবিনাশ, শুভংকৰ, অনুৰাগ, নীলা আছিল এডাল এনাজৰীৰ ডোল। 'বন্ধুত্ব' যাৰ নাম। ইজনক এৰি সিজন যেন সম্পূৰ্ণ নহয়। কলেজৰ সকলো কামত উছাহেৰে সহায় কৰিছিল সিহঁতে। অবিনাশে প্ৰায়েই কৈছিল কলেজ শেষ হোৱাৰ পিছতো সম্পৰ্ক ৰাখিবি দেই। সকলোৱে হয়ভৰ দিছিল। কিন্তু সেই অবিনাশেই এদিন আঁতৰি গৈছিল সকলোৰে পৰা।

জীমণি এতিয়া Project এটা লৈ খুউব ব্যস্ত। কলেজীয়া জীৱনৰ

পৰিসমাপ্তৰ পিছত সকলোৱেই নিজক লৈ ব্যস্ত হৈছিল। নিজৰ বাবে এটা ঠিকনাৰ প্ৰয়োজন হৈছিল। এদিন পঢ়া সাং কৰি জীমণিয়ে আগশাৰীৰ NGO এটাত সোমাইছিল। মানুহক তাই বেছি ওচৰৰ পৰা চোৱাৰ সুযোগ পাইছিল, ঠিক অবিনাশে চোৱাৰ দৰে। মৰম, ভালপোৱাৰ পৰা বঞ্চিত এজাক শিশুক ওচৰৰ পৰা চাইছিল তাই। সময়ে হাত বাউল দি মাতিলেও আঙুলিত ধৰি দৌৰ দিবলৈ নোৱাৰা এজাক মানুহ। এই মানুহবোৰৰ কথা মাজে মাজে শুনিছিল অবিনাশৰ মুখত। কিন্তু লগ পোৱা নাছিল।

অবিনাশে শিকাইছিল— "কেতিয়াবা আউসীৰ এন্ধাৰে আগচি ধৰিলে, জীৱনে যদি মুখৰ হাঁহি কাঢ়ি নিব খোজে, হেৰোৱা অতীতে যদি কণ্ঠ ৰুদ্ধ কৰি দিব খোজে; তেন্তে হতাশ নহ'বা। কাৰণ এন্ধাৰৰ পিছতে পোহৰ আছে।"

আৰু এদিন অবিনাশ সিহঁতৰ বাবে কণ্ঠ ৰুদ্ধকাৰী অতীত হৈ পৰিছিল। ব্ৰেইন কেঞ্চাৰ হৈছিল অবিনাশৰ। তথাপি সি সাহসী হ'ব শিকিছিল। হাঁহিব পাহৰা নাছিল। জীমণিহঁতে তাক এটা দিনো বিৰতি নিদিয়াকৈ লগ পাই থাকিছিল। কিছুমান ক্ষণত জীমণিয়ে অবিনাশক অকলশৰে লগ কৰিছিল।

হঁাহি গুচাব নোখোজা ল'ৰাজন আৱেগবিহ্বল হৈ পৰিছিল। মনত লৈ থকা আশাবোৰৰ কথা খুলি কৈছিল জীমণিক। নিজৰ সপোন আৰু ভালপোৱাৰ কথা কৈছিল। মানুহৰ বাবে ভাল কিবা এটা কৰিব খোজা মনটোৱে হাঁহাকাৰ কৰি উঠিছিল। কোনোবা ক্ষণত এবাৰ কবিতা নহৈ শৰীৰি আত্মা এটাক প্ৰাণখুলি ভাল পাবৰ মন আছিল অবিনাশৰ। সময়ে সেই অভাৱ পূৰণ কৰিব নোৱাৰে বুলি সি বুজি উঠিছিল। আকৌ এবাৰ কবি প্ৰেমী হৈছিল সি। কবিতা লিখিব লৈছিল জীমণিৰ প্ৰেৰণাত, নতুন উদ্যম আৰু হেঁপাহ আগত ৰাখি।

এনেকৈয়ে এদিন অবিনাশৰ কবিতা শেষ হৈছিল। দেহৰ পৰা আত্মাক কাঢ়ি নিছিল। শৰীৰটো উদং হৈ গৈছিল। কিন্তু হাঁহিটো হেৰাই যোৱা নাছিল। একোণত লাগি আছিল। মৃত্যুক যেন জয় কৰিছিল। ঠাট্টা কৰি কৈছিল- চোৱা মই এতিয়াও হাঁহিব জানো। এতিয়াও মোলৈ চাই কবিতা লিখিব পৰাকৈ প্ৰস্তুত কৰিছো।

জীমণিৰ চকুলো নিগৰিছিল কিন্তু হতাশ হোৱা নাছিল। পোৱা-নোপোৱাৰ বেদনা লগত লৈ তাই আগবাঢ়িছিল অবিনাশৰ সপোনৰ বাট বিচাৰি। নীলা, শুভংকৰ, অনুৰাগহঁতক তাইৰ হাত খামুচিছিল। অবিনাশক জীয়াব খুজিছিল বৃহৎ NGO এটাৰ গঢ় লৈ উঠিছিল আপ্ৰাণ চেষ্টাৰ ফলত। সময়ে সকলোৰে মুখত হাঁহি বিৰিঙাইছিল। সোণাৰু পুলাৰ দিনবোৰলৈ অপেক্ষা কৰিছিল।

"জীমণি বা, আজি সাধু নুশুনোৱা?" তৰাই আহি জীমণিৰ হাতত ধৰিছিল। অকলশৰে বাহিৰৰ শাৰী শাৰী সোণাৰুৰ মাজত ৰৈ আছিল তাই অতীত ৰোমন্থন কৰি। হাঁহিমুখে কোলাত তুলি লৈছিল তৰাক।

"কিয় নুশুনাম তৰা। ব'লা ভিতৰলৈ যাওঁ"।

আকাশখনলৈ চাইছিল জীমণিয়ে। উজ্জ্বল জ্যোতিষ্কটোলৈ চাই কৈছিল, "আজি বৰকৈ মনত পৰিছে অ' অভি। তই কৈছিলি যে সোণাৰু ভাল পাব নহয়, সোণাৰু ফুলিলে মোলৈ এবাৰ হ'লেও মনত পেলাবি। "Happy friendship day Abinash Dutta"....... ৰাতি সপোনত আহিবিচোন!!"

□□□

গল্প

# বৰ্তমান

নচিবা বেগম
দ্বিতীয় ষাণ্মাসিক, স্নাতক, কলা

মা, অ' মা, মই যাওঁ বুলি খৰধৰকৈ পপী স্কুললৈ ওলাই গ'ল। তাই স্কুললৈ যাওঁতে সদায় লক্ষ্য কৰে যে এজন আদহীয়া ব্যক্তিয়ে এটা ঘৰৰ সন্মুখত বৈ কিবা ভাবি থাকে। এনেদৰে তাই কেইবাদিনো ধৰি পাৰ হৈ গ'ল। এদিন তাই থিৰাং কৰিলে যে মানুহজননো সেই ঠাইত কিয় বৈ থাকে, তাই সুধিব। ভবা মতেই তাই কাম কৰিলে। এদিন পপীয়ে ৰাতিপুৱা সোনকালে গা-পা ধুই স্কুললৈ ওলাল। তাই মনত কিবা কথা ভাবি গৈ থাকোতে কেতিয়া সেই নিৰ্দ্দিষ্ট ঠাইখন পালে গমকে নাপালে। সেইদিনাও মানুজজন তাত বৈ আছে। পপীয়ে লাহে লাহে মানুহজনৰ ফালে আগবাঢ়িল। তেওঁৰ পিন্ধনত আছিল এটা লংপেণ্ট আৰু এটা চাৰ্ট। দেখাত ভদ্ৰ ঘৰৰ লোক যেন লাগিছিল। তাই প্ৰথমে মানুহজনক কি বুলি ক'ব ভাবিবই পৰা নাছিল। কিন্তু তাই কোৱাৰ আগতেই মানুহজনে কৈ উঠিল, "সি আহিব। সি নিশ্চয় আহিব। সি মোক এৰি থৈ যাব নোৱাৰে। ইহঁতে কয়, সি হেনো মোক এৰি থৈ গ'ল।" পপীয়ে মানুহজনক সুধিলে, "সি কোন?" "নাই নাই, হ'বই নোৱাৰে। সি মোক কেতিয়াও এৰি যাব নোৱাৰে।" এনেদৰে মানুহজনে পুনৰ ক'লে। তেনেতে এগৰাকী মহিলাই পপীক সুধিলে তুমি কাৰ লগত কথা পাতিছা? কিন্তু এওঁ তোমাৰ কোনো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে। কাৰণ তেওঁ মানসিক ক্ষমতা হেৰুৱাই পেলাইছে। তেতিয়া পপীয়ে বুজি পালে মানুহ গৰাকী মানহজনৰ সম্পৰ্কীয়। তাই মহিলা গৰাকীক সুধিলে যে, এখেতে কাক 'সি' বুলি কৈছে আৰু সদায় এনেকৈয়ে কিয় ঘৰৰ সন্মুখত বৈ কাৰোবালৈ বাট চাই থাকে? তেতিয়া মহিলা গৰাকীয়ে এফালৰ পৰা কৈ গ'ল। এয়া বহুদিনৰ আগৰ কথা। এওঁ মোৰ ককাইদেউ। এওঁ সাংবাদিকতা কৰিছিল। ককাইদেউৰ সংসাৰ খন ভালেই চলিছিল। ককাইদেউৰ এজন ল'ৰা আছিল। তাক ককাইদেৱে খুব মৰম কৰিছিল। ককাইদেউ কিন্তু এজন বেলেগ ধৰণৰ সাংবাদিক আছিল। যিটো সঁচা বুলি জানিছিল সেইটোক সাহসেৰে লিখিছিল। সেই কাৰণে দুষ্ট, কপট মানুহ বিলাকে সদায় ককাইদেউৰ বেয়া হোৱাটো বিচাৰিছিল। এদিন ককাইদেউ অফিচৰ পৰা উভতি আহি দেখে, নবৌৰ নিস্প্ৰাণ দেহটো ভূ-লুণ্ঠিত হৈ আছে আৰু তেওঁৰ মৰমৰ পোনাক কোনোবাই ধৰি বান্ধি লৈ গৈছে। বহুদিন গ'ল কিন্তু তাৰ কোনো খবৰ নাপালে। তাৰ লগতে পত্নীৰ মৃত্যুৰ দুখত ভাগি পৰিল। তথাপিও কিন্তু তেওঁ নিজ কৰ্তব্য পালন কৰি গৈছিল। সঁচা কথাবোৰ বৰ সাহসেৰে প্ৰকাশ কৰে বাবে তেওঁক কোনোবাই বেয়া ধৰণেৰে আঘাত কৰিলে, যাৰ বাবে তেওঁ এদিন মানসিক ভাৰসাম্য হেৰুৱাব লগা হ'ল। সেইদিন ধৰি আজিলৈকে প্ৰতি মুহূৰ্ততে মনত আশা লৈ ইয়াতে পুতেকলৈ বাট চাই থাকে। তাই মনতে কৈ উঠিল 'ইমান অন্যায়?' কি অধিকাৰ তেওঁলোকৰ, কাৰোবাৰ সুখৰ সংসাৰত জুই জ্বলাবলৈ? তাই থিৰাং কৰিলে যে তাই এই সমাজৰ পৰা দুৰ্নীতি, অন্যায় আঁতৰাবলৈ যথাসাধ্য চেষ্টা কৰিব। পপীয়ে কথাখিনি শুনি ঘড়ীটোলৈ চাই মানুহজনীক ধন্যবাদ দি লৰালৰিকৈ স্কুললৈ গ'ল।

❑❑❑

গল্প

# আবেলিৰ হেঙুলীয়া আভা

জয়শ্ৰী দেৱী
চতুৰ্থ ষাণ্মাসিক, স্নাতক, বিজ্ঞান

দিনটোৰ ব্যস্ততাৰ অন্তত ভাগৰুৱা অলস দেহটো বিছনাখনত পেলাই দিয়াৰ সময়ত মোবাইলটো বাজি উঠিল বৃষ্টিৰ। অনিচ্ছা স্বত্বেও ফোনটো লৈ ক'ৰ পৰা কলটো আহিছে চালে। বৃষ্টিৰ দাদাক হিমাংশুৰ কল। লৰালৰিকৈ তাই ফোনটো ৰিচিভ কৰি খা-খবৰ ল'লে। দাদাকে ইমান ব্যস্ততাৰ মাজতো সদায় তাইৰ খা-খবৰ লয়। কথাষাৰ ভাবিয়ে বৃষ্টিৰ মনটো ভৰি পৰিল। লগে লগেই মনত পৰিল আজি দেখোন ৭ আগষ্ট, শুক্ৰবাৰ। ছেহ, তাৰিখটো তাই এনেকৈ পাহৰি থাকিব লাগেনে! এৰা, আজিৰ দিনটো তাই কেতিয়াও পাহৰিব নোৱাৰে। লৰালৰিকৈ তাই বিছনাৰ পৰা উঠি বিছনাখন ঠিক ঠাক কৰি ওলাই গ'ল সেই নিৰ্দিষ্ট ঠাইডোখৰলৈ।

নদীখনৰ পাৰৰ আওহতীয়া ঠাইখিনি নীৰৱ নিস্তব্ধ হৈ আছে। মাথো সেই নিস্তব্ধতা কাঢ়ি নিয়ে মাজে মাজে জিৰজিৰকৈ বলা বতাহ জাকে। ভাল লাগিল বৃষ্টিৰ, শৈশৱ কৈশোৰৰ স্মৃতি গলিত এই ঠাইডোখৰ। আজন্ম চিনাকী নদীৰ পাৰতে থকা গছডালৰ মূঢ়াত বহি ল'লে তাই। আকাশত উৰি থকা চৰাইজাকৰ লগে লগে তাইৰ মনটোও উৰা মাৰিলে অতীতলৈ, সেই নিৰ্দ্দিষ্ট দিনটোলৈ।

পুত্ৰ-কন্যাদ্বয় হিমাংশু আৰু বৃষ্টিৰে ৰজত চলিহা আৰু মাধৱী চলিহাৰ সংসাৰ পৰিপূৰ্ণ। বৃষ্টিৰ দাদাক হিমাংশু অতি অমায়িক আৰু বুদ্ধিমান ল'ৰা। দাদাকৰ দৰে বৃষ্টিও একে চৰিত্ৰৰ। দুয়ো ইমান নলে গলে লগা আছিল যে সিহঁতক দেখিলে বহুতৰে ঈৰ্ষা ওপজিছিল। বৃষ্টি দাদাকৰ অতি মৰমৰ। একেলগে ফুৰি, খেলা-ধূলা কৰি সিহঁত দুয়ো ডাঙৰ হৈছিল। সিহঁতৰ আটাইতকৈ প্ৰিয় ঠাইডোখৰ আছিল নদীৰ পাৰৰ এই আওহতীয়া ঠাই খিনি। গল্প, কবিতা লিখি ভালপোৱা দাদাকে গল্প, কবিতাবোৰ ইয়াতেই বহি বৃষ্টিক শুনাইছিল। দাদাকৰ লিখনীবোৰৰ প্ৰথম শ্ৰোতা আছিল বৃষ্টি।

কিন্তু লাহে লাহে দুয়োৰে মাজৰ এনাজৰীডালৰ যেন বতাহ এছাটি লাগিল। লাহে লাহে হিমাংশু অন্যমনস্ক হ'বলৈ ধৰিলে। সি ঘৰৰ পৰিয়াল, বৃষ্টিৰ পৰা আঁতৰি থাকিবলৈ ধৰিলে। বৃষ্টিয়ে বুজিছিল ক'ৰবাত কেনা লাগিছে। কিন্তু ক'ত? দদায়েকক সুধিছিল বহুদিন, বহুবাৰ। কিন্তু দদায়েক নিমাত।

৭ আগষ্ট, সেই দিনটোতো ওলাই গৈছিল হিমাংশু। বৃষ্টিয়ে দেখিছিল। তায়ো গৈছিল তাৰ পিছে পিছে। তাই দেখিলে সি নদীৰ পাৰৰ শিল এছটাত বহি শিল নদীলৈকে দলিয়াই আছে। তাই দেখিলে দাদাকৰ চকুত চকুলো।

—'দাদা' বৃষ্টিয়ে মাত লগালে।

হিমাংশু উচপ খাই উঠিল।

—'কি হৈছে তোৰ? কিয় কান্দি আছে'?

ভনীয়েকৰ কথাত সি হুকহুকাই কান্দি দিলে। কিছু সময় পিছত নিজক চম্ভালি ক'লে—

"তই জান নহয় আমাৰ লগৰ চিম্পীৰ কথা।"

বৃষ্টিয়ে গম পালে দাদাকে কাৰ কথা কৈছে। চিম্পীৰ দাদাক এজন উগ্ৰপন্থী সংগঠনৰ সদস্য। আৰু বৃষ্টিয়ে জানে চিম্পীৰ প্ৰতি থকা দাদাকৰ দুৰ্বলতাৰ কথা।

—'অ' জানো, বৃষ্টিয়ে ক'লে।

হিমাংশুৱে ক'বলৈ ধৰিলে—

" আজি কেইমাহমানৰ পৰা চিম্পীৰ

দাদাকে মোক তাৰ সংগঠনত যোগ দিবলৈ কৈ আছে। মই বাৰে বাৰে মানা কৰি আহিছো। সি কালিও আহিছিল। কালিও মই না কৰাত সি কৈছে এইবাৰ না কৰিলে মই হেনো চিম্পীক চিৰদিনৰ বাবে হেৰুৱাব লাগিব। বৃষ্টি তয়ে এতিয়া ক' মই কি কৰো! এফালে তহঁত আৰু এফালে চিম্পী। কাকো মই হেৰুৱাব নিবিচাৰো।"

বৃষ্টিয়ে অলপ ৰৈ দাদাকক ক'লে—

—"দাদা তই এই নদীখনলৈ চাচোন, বহু ঠাইৰ মাজেৰে বৈ অহা নদীটোৱে কিমান কথা বুকুত বান্ধি লৈ আহে। নদীখনে আমাৰ কথাবোৰো শুনিছে কিন্তু শুনি বৈ থকা নাই। বৈয়ে আছে তাৰ শেষ সীমা নোপোৱালৈ। আমাৰ জীৱনটোও তেনেকুৱাই নহয় জানো, বৈ থাকিলে একো লাভ নাই। তই মোক যিদৰে ভাল পাৱ চিম্পীকো দাদাকে তেনেদৰেই ভাল পায়। মই জানো যে সি চিম্পীক একো কৰিব নোৱাৰে। কিন্তু তই চিম্পীৰ লগত থাকিলে সি তোৰ দুৰ্বলতাৰ সুযোগ ল'ব। নৈত ভাহি অহা বস্তুবোৰ নৈয়ে পাৰত এৰি থৈ যোৱাৰ দৰে তয়ো তাইক ইয়াতেই এৰি গুছি যা। তদুপৰি তই স্কলাৰশ্বিপটোও পাইছ। গতিকে তই দিল্লীলৈ গুছি যা। তই যদি বিচাৰ চিম্পীৰ কাৰণে ওভতি আহিবও পাৰিবি। কিন্তু এতিয়া নহয়। চিম্পীৰ দাদাকহঁতৰ সংগঠনৰ যি লক্ষ্য তাৰ পৰা সিহঁত কেতিয়াবাই লক্ষ্যভ্ৰষ্ট হৈছে। মাথো অ'ত ত'ত ডোঙা বান্ধি আছে, সেয়াও অচিৰেই শেষ হ'ব। তই দেশ জয় কৰিব নালাগে, মানুহৰ মন জয় কৰ। মানুহবোৰ এক কৰ। এয়াও এটা সংগঠন বুলি ধৰি ল'।"

বৃষ্টিৰ কথা শুনি হিমাংশুৱে হাততে সৰগ ঢুকি পালে আৰু ক'লে—"তই পৃথিৱীৰ সকলোতকৈ ভাল ভনী আৰু বান্ধৱীও। মই আজিৰ পৰা জীৱনৰ আৰু এটা কেঁকুৰি ঘূৰিলো। আজিৰ দিনটো সদায় মনত ৰাখিবি; ময়ো ৰাখিম।"

এতিয়া হিমাংশু দিল্লীত বহুজাৰ্তিক কোম্পানী এটাত কৰ্মৰত আৰু বৃষ্টিয়ে শিক্ষকতা বৃত্তি লৈ এখন সুন্দৰ সমাজ গঢ়াত প্ৰতিশ্ৰুতিবদ্ধ।

এনেতে কাৰোবাৰ কিৰিলিত বৃষ্টি উচপ খাই উঠিল। কিমান সময় তাই তাত তেনেকৈ বহি আছিল গমেই পোৱা নাছিল। দূৰত ৰমেন দাইটিৰ ল'ৰা-ছোৱালী হালে খেলি আছে। সিহঁতক দেখা পাই বৃষ্টিৰ হাঁহি উঠি গ'ল। দাদাক আৰু তায়ো তেনেকৈ নদীৰ পাৰত লৰা ধপৰা কৰিছিল। সেইখিনি সময়ত আবেলিৰ অস্তগামী সূৰ্যটোৱে গোটেই ঠাইখন আৰু সিহঁতৰ মুখবোৰ ৰাঙলী কৰি তুলিছিল।

(২০১৬ ৰ মহাবিদ্যালয় সপ্তাহৰ গল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

❑❑❑

গল্প

# পদবী বিহীন চিপাহী

নীলোৎপল বড়া
তৃতীয় ষাণ্মাসিক, স্নাতক, বিজ্ঞান

সিদিনা মাজৰাতি প্ৰায় ১২-৪৭ মান হৈছিল। দুৱাৰখন বাহিৰৰ পৰা জোৰ জোৰকৈ ধকিয়াই আছিল। চিল মিলকৈ অহা টোপনিটো হঠাৎ যেন ভাঙিল। এক ভয়াত্ত কণ্ঠই ভিতৰৰ পৰা মাত দিছিল। "কোন, কোন নো ইমান ৰাতি" বাহিৰৰ পৰা কোনোৱাই গহীন মাতেৰে ক'লে, ময়েই মই বিপ্লৱ দুৱাৰখন খুলি দে-ছোন"। ভিতৰৰ পৰা দুৱাৰখন খুলি দিয়া হ'ল।

বিপ্লৱ ঃ "ঐ মই বৰ বিপদত পৰিছো কিবা কৰি ৰক্ষা কৰ বন্ধু।"

ৰাজীৱ ঃ কি হৈছে বুজাই ক'ছোন মই একো ধৰিব পৰা নাই তই ইমান বছৰৰ মূৰত এনেকৈ ক'ৰপৰা আহিলি। ক'ত আছিলি ইমান দিনে?

বিপ্লৱ ঃ ঐ বন্ধু মোক দুদিন ধৰি পুলিছে বিচাৰি আছে। কোনোৱাই থানাত খবৰ দিছে মই চকলীয়া গাঁৱত আছো বুলি।

ৰাজীৱ ঃ কিন্তু কিয়? "ইমান দিন ক'ত আছিলি তই"?

বিপ্লৱ ঃ কম, সকলো কথা কৈ আছো ৰ'হ আগতে পানী এগিলাছ দেচোন।

পানী গিলাছ খাই লৈ বিপ্লৱে কৈ গ'ল- সিদিনা ১৯৯৯ চনৰ ১৩ জানুৱাৰী মাঘ বিহুৰ উৰুকাৰ নিশা। বহুতৰ ঘৰত আনন্দৰ লহৰ উঠি আছিল। কিন্তু তইতো চাগে জানা আমাৰ অৱস্থাটোৰ কথা। পিতাইয়ে দিন হাজিৰা কৰি বিহুৰ যোগাৰ কৰিব নোৱাৰিলে। মনৰ দুখত মই নদীৰ পাৰত বহি আছিলো গৈ। সন্ধিয়া প্ৰায় ৮ বজাত মোৰ পিছফালৰ পৰা কোনোবা এজন দৌৰি আহিছিল। ঘূৰি চাই দেখিলো এখন অচিনাকী মুখ এযোৰ পখৰা পেণ্ট চাৰ্ট পিন্ধা এজন মানুহ মুখত এখন ক'লা কাপোৰ বন্ধা। মোক ক'লে, "ঐ ল'ৰা তই বেগটো ৰাখি থ আৰু কোনোবাই সুধিলে একো নকবি মই দুদিন পিছত ঠিক এই খিনিতে আহি বেগটো লৈ যাম। চাবি যাতে বেগটো খুলিবলৈ চেষ্টা নকৰা। এপলকত মানুহজনে কথাখিনি কৈ তাৰ পৰা আঁতৰি গ'ল। মই ভয়তে তাৰ কথা মতে আমাৰ ঘৰৰ খেৰৰ পুঁজিটোৰ মাজত বেগটো লুকুৱাই থ'লো। তাৰ ১৫ মিনিট মান পিছত এখন জীপ গাড়ী আহি আমাৰ নঙলা মুখত ৰ'লহি। জীপৰ পৰা নামি আহিল খাকী কাপোৰ পিন্ধা অসম ৰক্ষক তিনিজন। আহি মোক সুধিলে "ঐ ল'ৰা অলপ আগত এইপিনেৰে কোনোবা এজন অহা দেখিছ নেকি?"

মই ভয়াৰ্ত্ত কণ্ঠৰে ক'লো- নাই ছাৰ কাকো দেখা নাই। কাগজ এখনত টেলিফোন নম্বৰ লিখি দি পুলিচ জনে মোক ক'লে যদি কাৰোবাক দেখা পাৱ এই নম্বৰটোত ফোন কৰি জনাই দিবি। এতিয়া আমি আহো আগলৈ আকৌ আহিম।

জীপখন আঁতৰি গ'ল। সেই মুহূৰ্তৰ পৰাই মোৰ মনত এটা প্ৰশ্নই খু-দুৱনি কৰি আছিল। মানুহজনে মোক লুকাই থব দিয়া বেগটোত কি আছিল?

বাৰে বাৰে মোৰ বেগটো খুলি চাবলৈ মন গ'ল। মই অৱশেষত বেগটো খুলি চালো, খুলি চাই মই নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিলো।

ৰাজীৱ ঃ "কি আছিল বেগটোত"? কৌতুহলী কণ্ঠৰে।

বিপ্লৱ ঃ বেগটোৰ ভিতৰত দহটা পাঁচশ টকীয়া বান্দল আৰু পাঁচটা এহেজাৰৰ বান্দল আছিল।

ৰাজীৱ ঃ "কি কি ..... তাৰ পিছত তই টকাবোৰ কি কৰিলি"? এক চঞ্চল কণ্ঠৰে ৰাজীৱৰ প্ৰশ্ন।

বিপ্লৱ ঃ মই মানুহ জনলৈ ভয়

কৰি বেগটো বন্ধ কৰি আগৰ ঠাইতে পুনৰ থৈ আহিলো।

উৰুকাৰ তিনিদিন পিছত নদীৰ পাৰত সন্ধিয়া বহি আছিলো। প্ৰায় ৭-১৫ মান বজাত তিনিদিন আগৰ সেই একোটা উদাত্ত কণ্ঠই মোক পিছফালৰ পৰা মাত দিছিল।

"ঐ ল'ৰা মোৰ বেগটো ক'ত থৈছিলি উলিয়াই দে" মই বেগটো তেওঁৰ হাতত দিছিলোঁ। তেওঁ বেগটো হাতত লৈয়েই মোৰ মূৰত বন্দুকটো লগাই ক'লে, "বেগটো তই কিয় খুলিছিলি"? মই কঁপি কঁপি উত্তৰ দিলো- "মনটোক বুজাব নোৱাৰি খুলিছিলো কিন্তু বেগৰ পৰা মই এটকাও লোৱা নাই। আমি দুখীয়া হ'ব পাৰো চোৰ নহয়"। মোৰ এষাৰ কথাই যেন কিবা মনত পেলাই দিছিল। বন্দুকটো পকেটত সোমাই থৈ মোক কৈছিল, "মোৰ লগত কাম কৰিবি?" মই সুধিলো, "কি কাম"। তেওঁ ক'লে, "কৰিবি নে নকৰ সেইটো ক"। মই কোনো সন্দেহ নোহোৱা কৈ স্পষ্ট উত্তৰ দিছিলো- "কৰিম"। মোৰ লগত ব'ল তেন্তে। "মই পিছলৈ ঘূৰি নাচাই তেওঁৰ খোজত খোজ মিলাই আগবাঢ়ি গ'লো। আমাৰ গাঁৱৰ পৰা প্ৰায় চাৰি দিন তিনি ৰাতি খোজকাঢ়ি অৰুণাচল আৰু চীন সীমান্তৰ এখন ডাঠ হাবি পাইছিলো। আমি হাবিৰ মাজেৰে গৈ থাকোতে তেতিয়া সূৰ্য-উদয় হ'ব হৈছিল। আমি সৰু জুপুৰি ঘৰ এটাত সোমাইছিলো। মই তেতিয়া অনুভৱ কৰিছিলো মই এনেকুৱা এটা ৰাষ্টাত সোমাই পৰিলো যিটোৰ পৰা সহজত ওলাই অহা সম্ভৱ নহয়।"

এনেতে হঠাৎ শিৱ মন্দিৰৰ ঘড়ীটো বাজি উঠিল টং ....টং....টং তিনি বাজিছিল ৰাতিপুৱা। হঠাৎ দুখন জীপ গাড়ী ৰাজীৱৰ ঘৰৰ ওচৰৰ বকুল জোপাৰ ওচৰত ৰ'লহি। ৰাজীৱে খিৰিকি খন অকণমান খুলি চালে।

ৰাজীৱ ঃ ভয়াৰ্ত্ত কণ্ঠত, "ঐ ঐ বিপ্লৱ চব শেষ হ'ল, সৰ্বনাশ পুলিচে আমাৰ ঘৰটো ঘেৰি ধৰিছে কি কৰিম এতিয়া"।

বিপ্লৱে ৰিভলভাৰৰ মেগজিনটো খুলি চাই দেখিলে দুটা গুলী আছে। সি কিবা কৰাৰ আগতে পুলিচে আহি দুৱাৰত টোকৰ দিলে।

"ঐ দৰ্জা খোল আমি জানো ইয়াত বিপ্লৱ মৰাণ লুকাই আছে। পলাবলৈ চেষ্টা কৰি লাভ নাই তঁহতক চাৰিওপিনৰ পৰা ঘেৰি ধৰা হৈছে।

এনেতে এছ. পি. দেৱব্ৰত দত্তই দৰ্জা খনত গোৰ এটা মাৰি ভিতৰলৈ সোমাই আহিল। আৰু বিপ্লৱৰ মূৰত বন্দুক লগাই দিলে।

"হেন্দচ্ আপ এক কদম লৰচৰ নকৰিবি"। এনেতে ঠিক সেই মুহূৰ্ততে দত্তৰ মবাইল ফোনটো বাজি উঠিল।

দত্ত ঃ "হেল্ল, হয় ছাৰ, আপুনি হয় ছাৰ তাক বন্দী বনাই ৰাখিছো, মোৰ গান পইণ্টত আছে ছাৰ"

সেই পিনৰ পৰা উচ্চ বিষয়াই অৰ্দাৰ দিলে—

দত্ত ঃ "হয়, ঠিক আছে ছাৰ"।

ফোনটো কাটি দি দেৱব্ৰত দত্তই ৰিভলভাৰৰ ট্ৰিগাৰ দাল টানি ধৰিলে এক মুহূৰ্তত এটা গুলিয়ে বিপ্লৱৰ মূৰৰ মাজেৰে পাৰ হৈ গ'ল। চাৰিওপিনে তেজবোৰ চিটিকি পৰিল। অন্ত পৰিল এটা ৰহস্যময়ী বৈপ্লৱিক জীৱনৰ। অন্ত পৰিল এটি পদবী বিহীন সৈনিকৰ জীৱন।

আধৰুৱা হৈ পৰিল ৰাজীৱক কৈ থকা সেই সংগ্ৰামী জীৱনটোৰ কথা।

❒❒❒

গল্প

# পৰাজেয়-অপৰাজিতা

মাহমুদুল হাচান
তৃতীয় ষাণ্মাসিক, স্নাতক, কলা

গমি পাইছিলো এয়া মোৰ নতুন জীৱন। শাওন মাহৰ কুমলীয়া বৰষুণ জাকত তিতি থকা কলেজখনৰ অচিনাকী নাহৰৰ তলত মোৰ থৰক-বৰক খোজ। কেৱল খোজ আৰু ভয় আছিল মোৰ লগৰী। সকলোবোৰ নতুন মোৰ বাবে; নতুন পৰিৱেশ, নতুন বিল্ডিং, শ্ৰেণীকোঠা, আওঁ-ভাওঁ নোপোৱা ৰুটিন, নাহৰ আৰু কৃষ্ণচূড়া। জানিছিলো সকলো নতুন বস্তুৰে আৰম্ভণী এনেকৈয়ে হয়। এদিন এই অচিনাকী কৃষ্ণচূড়া আৰু নাহৰৰ মাজে মাজে মোৰ চিন্তা আৰু সপোনবোৰে পোখা মেলিব।

প্ৰতিটো খোজতে এপলক সময় গুচি যায়। আমি বাঢ়ি যাওঁ, আয়ুস কমি আহিব ধৰে। আমি মাথো পৰিভ্ৰমণ কৰো সময়ৰ লগত কিছুমান সপোন, কিছুমান আশা বোকোচত বান্ধি। কোনেও নিবিচাৰে নিজৰ হেঁপাহবোৰ এৰি পলায়ন কৰিবলৈ। মইয়ো নিবিচাৰো, মই মোৰ আপোন, হেঁপাহবোৰ আপোন। মোৰ আপোন আমলখি তলত জিৰাই থকা কাজল সৰা চকু যুৰি, কপালৰ এফাল পৰি থকা চুলিখিনি, গোলপীয়া গালদুখন, সামান্য ক্ষীণ আৰু সামান্য দীঘল নাকটোৰ গৰাকী। মোৰ মন মাথো দোমোজাৰ সাক্ষী।

অপৰাজিতা— তাইৰ নাম মোৰ প্ৰতিটো কবিতাৰ শব্দত— অপৰাজিতা

মোৰ কলেজৰ প্ৰতিখন দেৱালত লিখা আছে— অপৰাজিতা

মোৰ চিনাকী প্ৰতিজনী ছোৱালীৰ নাম— অপৰাজিতা

অপৰাজিতা — মোৰ হেঁপাহবোৰৰ নাম।

অপৰাজিতা— এটি হাঁহিৰ নাম।

ক্ৰমান্বয়ে পৰিৱেশটো আপোন হৈ আহিছিল। ভাল লাগি আহিছিল দেৱদাৰু অথবা পুৰণি ডেস্ক-বেঞ্চৰ কেৰ্‌কেৰণি। কিন্তু বন্ধুমহলত থাকি ভালপোৱা ছোৱালীজনী অকলশৰে থাকিবলৈ লৈছিল, মোৰ চকুত পৰিছিল। সাধাৰণতে ভাল লগা মানুহৰ পৰিবৰ্তনবোৰ সহজে চকুত পৰে। নাই, মই তাইৰ প্ৰেমত পৰা নাছিলো। কিন্তু এনে তড়িৎ পৰিবৰ্তনে মোৰ মনটোক উৎসুক কৰি তুলিছিল। তাইৰ বিষয়ে মোৰ জানিবলৈ মন গৈছিল। মই তাইৰ আৰু পৰিৱেশৰ দূৰত্ব ক্ৰমান্বয়ে উপলব্ধি কৰিবলৈ গৈছিলো।

ঃ হাই'

ঃ হেল্ল'

তাইৰ মৌনতাত মই ইতিৰেখা টানিছিলো।

ঃ ক্লাছ কৰি বহুত ভাগৰ লাগিছে। তোমাৰ স'তে অলপ সময় ৰও ৰ'বা।

ঃ উস্ বহা বহা।

তাই যদিও বহিবলৈ কৈছিল, মুখত এটা বিৰক্তিৰ চিন স্পষ্ট আছিল। মই মাথো আওকাণ কৰিছিলোঁ। আমি দুয়ো পুথিভঁৰালৰ দ্বিতীয় খট্‌খটিটোতে বহি দিছিলোঁ।

ঃ এজনী ছোৱালী বহুত আগৰ পৰাই লক্ষ্য কৰি আছিলো ঠিক কলেজৰ আৰম্ভণীৰ পৰাই। ছোৱালীজনী হাঁহি মাতি থকা দেখিছিলোঁ, ভাল লাগিছিল। কিন্তু সেই ছোৱালীজনীক হঠাৎ বেলেগ ৰূপত দেখিবলৈ ল'লো। হাঁহি মাতি আনন্দ কৰি থকা ছোৱালীজনী আজি-কালি আনমনা হৈ থাকে, অকলশৰে থাকে।

মই প্ৰায় একে উশাহতে কথাখিনি কৈছিলোঁ। তাই মূৰ দাঙি চাইছিল। মই কৈছিলো— উস্

অপৰাজিতা, মই তোমাৰ কথাই কৈছো। তাই যে একেবাৰে আগ্ৰহী নহয়, মোক তেনেকুৰা দেখাইছিল। আকৌ তলমূৰ কৰিছিল।

ঃ বাৰু কোৱাচোন, কি কাৰণে তুমি ভাবা যে মই মোৰ সকলো কথা তোমাক ক'ম?— কিছু সময় নিৰৱতাৰ পিছত তাই কৈছিল।

ঃ মই ভাবো যে, আনে বিশ্বাস কৰিব পৰাকৈ মোৰ যোগ্যতাখিনি আছে। —মোৰ স্পষ্ট উত্তৰ।

ঃ কিমান যোগ্যতা থাকিলে বিশ্বাস শব্দটো প্ৰতিপন্ন হয়? বিশ্বাসৰ আচল অৰ্থ কি? কিমান দিনত এজন মানুহ, এটা সম্পৰ্কক বিশ্বাসত ল'ব পাৰি?

ঃ এইখিনি তোমাৰ মনৰ কথা। ইয়াৰ উত্তৰ মোৰ হাতত নাই।

মই জানিছিলো অযথা তাই মোৰ সুবিধাখিনি নষ্ট কৰিব। মই পুনৰ কৈছিলো—

ঃ কোৱা, মনৰ ভিতৰত থকা কথাবিলাক পুতি থব নালাগে, কেতিয়াবা সেইবোৰে শেলুৱৈ বান্ধিব আৰু তুমি পিছলি যাবা।

ঃ মোৰ এতিয়া ক্লাছ আছে, যাওঁগৈ।

কথাখিনি কৈয়ে তাই উঠি গৈছিল। মই ভাবিছিলো মোৰ কথাখিনিয়ে তাইৰ মনত ক্ৰিয়া কৰিছিল, সেয়ে তাই উঠি গৈছিল। কাৰণ সেইদিনা বাকী ক্লাছবোৰ কেন্‌চেল কৰা হৈছিল।

ঃ কাইলৈ লগ পাম নিশ্চয়— মই প্ৰায় চিঞৰি কৈছিলো।

মই ঘটনাৰ একো গমেই নাপালো। মই জানিবলৈ প্ৰায় 'বেতাৱ' হৈ আছিলো। তাইৰ প্ৰতিক্ৰিয়াই মোক আৰু উত্তেজিত কৰি তুলিছিল। তীব্ৰ গৰমত ক্লাছ কৰি তিতি গৈছিলো। কলেজৰ জেনেৰেটৰতো কিয় নচলায় কোনেও উত্তৰ নিদিছিল। যিয়েই নহওক মই প্ৰায় দৌৰ দিছিলো লাইব্ৰেৰীৰ ফালে। অপৰাজিতাক তাতে দেখা নাছিলো, তাই তাত নাছিল। ইফালে সিফালে মূৰ ঘূৰাওতে জিৰণী চ'ৰাত বহি থকা দেখিছিলো।

ঃ হিয়েৰ আই কাম— মোৰ কথাত তাই ওপৰ মূৰ কৰিছিল।

ঃ কালি তেনেকৈ কোৱাৰ বাবে মই দুঃখিত। বেছি কথা নকও বুলি অৱশ্যে বন্ধুমহলত মোৰ এটা বদনাম আছে— মই আত্মস্বীকাৰোক্তি দিছিলো।

ঃ নাই বেয়া পোৱা নাই, বেদনা-আঘাত এইবোৰ মানুহৰ লগৰীয়া। তাত তোমাৰ আৰু মোৰ কোনো হাত নাথাকে।

ঃ তোমাৰ ফিল'চফিত মেজৰ নেকি বাৰু?

ঃ উমম, কিয়?

ঃ তোমাৰ তত্ত্বগধূৰ কথাবোৰ মোৰ মূৰৰ ওপৰেৰে উৰি গৈছে সেয়ে— পৰিৱেশটো পাতলাবলৈ মই ৰসিকতা কৰি কৈছিলো। হাঁহিৰ খুজিও তাই ৰৈ দিছিল।

ঃ কি জানা, হায়াৰ ছেকেণ্ডাৰী ছেকেণ্ড ইয়েৰত পঢ়ি থাকোতে মোৰ এজন টিউচন চাৰ আছিল, ইংৰাজীৰ চাৰ। চাৰৰ লগত মই বহুত ফ্ৰী আছিলো। ধেমালী কৰিছিলো, চাৰে মৰম কৰিছিল। চাৰৰ ঘৰৰ লগতে এটা ডাঙৰ ৰুম আছিল। তাতে আমাক পঢ়াইছিল। পৰীক্ষাৰ সময়ত ফোন কৰি খবৰ লৈছিল। আমি সকলোৱে চাৰক বহুত ভাল পাইছিলো। শিক্ষক দিৱসত আমি উপহাৰ দিছিলো। থুঁতৰিত সামান্য দাড়ীৰে চাৰক বহুত ধুনীয়া দেখিছিল। পৰীক্ষা দিলো, ৰিজাল্ট দিলে। ইংৰাজীৰ টিউচন লোৱা সকলৰ ভিতৰত মই সকলোতকৈ বেছি নম্বৰ পাইছিলো। চাৰে ফোন কৰি আনন্দ প্ৰকাশ কৰিছিল। বহুত ভাল লাগিছিল। জানাই নহয়, শিক্ষক এজনে যেতিয়া "Proud of you" বুলি কয় তেতিয়া কেনেকুৱা লাগে। মোৰো ঠিক তেনেকুৱা লাগিছিল।

তাই আৱেগিক হৈ গৈছিল। মই কেৱল শুনি গৈছিলো। তাই কৈ গৈছিল— বহুত দিনৰ মূৰত চাৰে মোক ফোন কৰিছিল। মই ইয়াত এড্‌মিশ্বন লোৱাৰো পিছৰ কথা। চাৰে কৈছিল মোৰ কাৰণে কিবা উপহাৰ আনিছিল। মোক আনিব মাতিছিল। চাৰক ভাল পোৱাৰ খাটিৰতে মই না কৰিব নোৱাৰিলো। এদিন আবেলি চাইকেল খন লৈ চাৰৰ ঘৰলৈ বুলি ওলালো। ঘৰ পাই দেখিলো নিজান

পৰি আছে। মানুহ থকাৰ চিন চাপ নাই। কলিং বেল টিপি দিয়াত কিছুসময় পিছত চাৰ ওলাই আহিছিল। মই ভিতৰলৈ সোমাই গ'লো। ৰুমটোত সোমায়ে নাকত এটা উৎকট গোন্ধ লাগিছিল। চাৰৰ বন্ধু এজন তাত বহি আছিল আৰু ভালকৈ চকু ফুৰাওতে টেবুলৰ ওপৰত এটা মদৰ বটল দেখা পাইছিলো। পৰিৱেশটো মোৰ আচহুৱা লাগিছিল। চাৰে মোক চোফা এখনৰ ফালে আঙুলিয়াই বহিব কৈছিল আৰু আদেশ অনুসৰি মই বহিছিলো। কথাবোৰত মদ্যপানৰ স্পষ্টতা ফুটি উঠিছিল। হঠাৎ চাৰৰ বন্ধুজনে দুৱাৰখন বন্ধ কৰিছিল আৰু পিছফালৰ পৰা মোৰ মুখত চেপা মাৰি ধৰিছিল।

ঃ তাৰ পিছত- আমৰলিয়ে কামোৰা মানুহে চক্‌খাই উঠাৰ দৰে মই শুধিছিলো।

ঃ তাৰ পিছত, তাৰ পিছত মই ক্ৰমে সম্যক জ্ঞান হেৰুৱাই পেলাইছিলো। যেতিয়া স্তম্ভিত ঘূৰাই পাইছিলো গাটো বিষ যেন অনুভৱ হৈছিল। মই লেবেজান হৈ পৰিছিলো। চাৰে মোক এটা সুন্দৰ উপহাৰ দিছিল। চাৰ আৰু তেওঁৰ নৰপিশাচ বন্ধুজনে মোৰ সতীত্ব কাঢ়ি নিছিল। "You know, I lost my virginity with my teacher and he raped me to take it away."

কেতিয়া ঘৰ পালো নিজে কব নোৱাৰো। মাৰ মাতত টোপনি ভঙাৰ দৰে হ'ল। খোজ দিব পৰা নাছিলো। কেনেবাকৈ ঘৰ সোমাই বিছনাত বাগৰ দিলো। পেণ্টৰ কিছু অংশত তেজ লাগিছিল। মাৰ পৰা লুকুৱাই ৰাখিছিলো। চাৰৰ ওপৰত মোৰ প্ৰচণ্ড ঘৃণা উপজিছিল। কিন্তু যিমান ঘৃণা কৰিলেও মই ক্ষোভ প্ৰকাশ কৰিব নোৱাৰো সমাজৰ ভয়ত। ছোৱালীয়ে সমাজত এনে কথা ক'ব নাপায় বোলে। তেতিয়াৰ পৰা মই এনেকৈ থাকো। মানুহৰ পৰা, সমাজৰ পৰা দূৰত। তুমি মোৰ বিষয়ে জানিব বিচাৰিছিলা নহয়। এয়াই মোৰ কাহিনী। সতীত্ব ভংগৰ কাহিনী।

ঃ তাৰ পিছত চাৰে আৰু কেতিয়াও ফোন কৰা নাই?

ঃ কৰিছিল দুবাৰমান। এবাৰ ফোন কৰি চ'ৰি কৈছিল। কিবা প্ৰবলেম হ'লে মোক বিয়া কৰাম বুলি কৈছিল। চাৰৰ কথাবোৰৰ পৰা বুজি পাইছিলো চাৰ বহুত অনুতপ্ত। মদৰ নিচা কৰা কামৰ বাবে তেওঁ নিজকে ক্ষমা কৰিব পৰা নাই। মই একো কোৱা নাছিলো আৰু ফোন কাটি দিছিলো। তাৰ পিছত কেতিয়াও ফোন ৰিচিভ কৰা নাই।

মই বিজুঁলী পৰা মানুহৰ দৰে থৰ লাগি ৰৈছিলো। কথাবোৰৰ মাজত সংযোগ বিচাৰি পোৱা নাছিলো। আচলতে সেয়া ষড়যন্ত্ৰ আছিল নে মদৰ নিচাত কৰা কাম আছিল। চাৰ সঁচাকৈয়ে অনুতপ্ত নে তেওঁ ভয় কৰি অভিনয় কৰিছে। মই কেৱল শিপা বিচৰাত মগ্ন আছিলো।

ঃ মই ঘৰত যাওঁ। তুমি থাকিবা, পিছত লগ পাম। ৰুমালৰ কোণেৰে চল্‌চলিয়া হোৱা চকুকেইটা মচি তাই যাবলৈ লৈছিল। মই আৰু একো নকই তাইক বিদায় দিছিলো।

ঘৰলৈ আহি মনটো কেনেবা লাগি গ'ল। ভাত-পানী নাখাই বিছনাত বাগৰ দিলো। সন্ধিয়া অনিৰুদ্ধ চাৰক ফোন কৰিলো। লগ পোৱা বেছিদিন হোৱা নাই যদিও আমাৰ ডিপাৰ্টমেণ্টৰ সকলোৱে তেওঁক বহুত ভাল পায়। হাঁহি মুখে ক্লাছ কৰে। ধেমালী কৰে। ৰসাল মানুহজন। তেওঁক সকলো কথা সমূলি ক'লো। ব্যস্ততাৰ মাজতো তেওঁ সকলো কথা মন দি শুনা যেন লাগিল। মোৰ কথাখিনি শেষ হোৱাৰ পিছত তেওঁ এটা দীঘল হুমুনিয়াহ এৰি দিলে। তেওঁৰ হুমুনিয়াত উপায়হীনতা ভাহি আহিল।

ঃ কিয় চাৰ? কিয়? শিক্ষক, যাক সকলোৱে সন্মান কৰে, শ্ৰদ্ধা ভক্তি কৰে। যাক সকলোৱে "Guide, Friend and Philosopher" বুলি কয় তেৱেঁই আকৌ এনে বৃত্তিত কিয়? এনেকুৱা হ'লে গুৰু-শিষ্যৰ সম্পৰ্কৰ মাদকতা ক'ত থাকিব? মোৰ চিধা প্ৰশ্ন।

ঃ থাকে, এনেকুৱা বিকৃত মানসিকতাৰ মানুহ থাকে। যি আচলতে নিজে কলুষিত হোৱাই নহয় গোটেই শিক্ষক সমাজখনক কলুষিত কৰি আহিছে।— চাৰৰ

কথাত স্পষ্ট লজ্জাবোধ।

ঃ এনেকুৱা পৰিস্থিতি হৈছে যে তাই নিজৰ মাককো এইবোৰ ক'ব নোৱাৰে। মাকৰ ভয়ত, সমাজে হঁহাৰ ভয়ত।

ঃ আমাৰ সমাজ, আমাৰ সংস্কৃতিয়ে এনেকুৱা। আমাৰ সংস্কৃতি অনুসৰি এইবোৰ কথা পাতিব নোৱাৰি। সমাজৰ পৰম্পৰাৰ বাহিৰত। যৌন উত্তেজনাৰ কথা নিজৰ ল'ৰা-ছোৱালীজনীক কোৱাটো যেন একধৰণৰ পাপ। এনেবোৰ কাৰণতে আমাৰ সমাজত এনে ঘটনা বাঢ়ি আহিছে। আমি উন্নতি কৰিব পৰা নাই। চাৰিজন মানুহ একেলগে বহি যেতিয়া কিবা সিদ্ধান্ত লয় সেইটোকে আমি সমাজৰ সিদ্ধান্ত বুলি ভাবি লওঁ।

ঃ ইয়াৰ উপায় বা সমাধান ক'ত? মোৰ পোনপটীয়া প্ৰশ্ন।

ঃ চোৱা, ইয়াৰ সমাধান বুলিবলৈ বহু বাট আছে। মাথো আমি কিছু সাহস দেখুৱাব লাগিব। সমাজৰ পৰম্পৰাগত সিদ্ধান্তবোৰৰ বিৰুদ্ধে মনত সাহস বান্ধি ৰখা ক'ব পাৰিব। চাৰৰ অভিজ্ঞ উত্তৰ।

ঃ আৰু কিবা উপায়— মই যেন উত্তেজিত।

ঃ যৌন শিক্ষা— চাৰৰ পোনছাতে উত্তৰ। যৌন শিক্ষা যাক ইংৰাজীত "Sex Education" বুলি কওঁ। এই শিক্ষা বিভিন্ন ধৰণে দিব পাৰি। পাঠ্যক্ৰম, সহ-পাঠ্যক্ৰম, ছেমিনাৰ নাইবা মা-দেউতাৰ পৰাও আমি লাভ কৰিব পাৰো। পশ্চিমীয়া দেশবোৰ সৰুৰে পৰাই দিয়া হয়। এই ক্ষেত্ৰত পৰিয়ালে আগ ভাগ লয়। সেয়ে এনে দেশত ধৰ্ষণৰ লগতে "Child abousement" কম হয় আৰু কিছু দেশত নাই। তেওঁলোক এই ক্ষেত্ৰত সংবেদনশীল। আমিহে কেৱল আমাৰ সংস্কৃতি আৰু পৰম্পৰাক খামুচি বহি থাকো। বয়সস্থ মানুহ এজনৰ আগত যৌনতাৰ কথা পতাটো যেন আমাৰ সমাজত পাপ।

ঃ চাৰ তাই যে এতিয়া অকলশৰে থাকে, অনবৰতে কেৱল মনটো মাৰি থাকে।

ঃ নামটো কি কৈছিলা ছোৱালীজনীৰ? অ' অপৰাজিতা, কাইলৈ অফ ক্লাছত মোৰ সতে এবাৰ কথা পতাই দিবা।

ঃ হয় চাৰ, গুড নাইট।

ঃ গুড নাইট।

ফোনটো কাটি দিয়াৰ পিছত মনটো কিছু পাতল অনুভৱ কৰিছিলো। কথা পতা হোৱা দেখি মায়ে ভাত খাবলৈ মাতিছিল আৰু খাই লৈ শুই পৰিছিলো। পুৱা খৰধৰকৈ উঠি গা-পা ধুই কলেজ পালোগৈ। ক্লাছ দেৰিকৈ আছিল বাবে "Conference Hall" ৰ বাৰান্দাতে বহি দিছিলো। কিয়বা নাজানো অপৰাজিতা নিজে আহি মোৰ স'তে বহিছিল। কিবা কিবি কথা পতাৰ পিছত মই চাৰৰ কথাখিনি তাইক কৈছিলো। তাই খং কৰিছিল। সৰু ল'ৰাৰ দৰে তাইক মই মনাবলৈ চেষ্টা কৰিছিলো। তাই যদিও মান্তি হৈছিল তথাচ কপালৰ শিৰকেইডাল কোচ খাই আছিল। চাৰক লগ কৰাৰ প্ৰতিশ্ৰুতি লৈ মই ক্লাছলৈ বুলি উঠি গৈছিলো। মনটো ফৰকাল হৈছিল।

ঠিক তিনি মান বজাত তাইক মই লগ কৰিছিলো। চাৰে আমাক কেন্টিনলৈ যাবলৈ কৈছিল। তিনিটা চিঙৰা আৰু দুই কাপ চাহ অৰ্ডাৰ দি আমি বহি দিছিলো। মই চাহ নাখাও বাবে মিনাৰেল ৱাটাৰ এটাৰ কথা ক'লো। কিছু সময় মৌনতা বিৰাজ কৰাৰ পিছত চাৰ হঠাৎ ক'বলৈ আৰম্ভ কৰিলে।

ঃ এজন "Motivation Speaker" আছে গৌৰ গোপাল দাস। তেওঁ এদিনাখন এটা কাহিনী কৈছিল। জিৰাফৰ পোৱালী এটা জন্ম পোৱাৰ পিছত বহু ওপৰৰ পৰা তলত পৰে। মাত্ৰ জন্ম পোৱা পোৱালীটোক মাকে বহু জোৰে লাঠি মাৰি দিয়ে। পোৱালীটো চিটিকি পৰে। এনেতে আৰু এটা লাঠি দিয়ে। পোৱালীটো এইবাৰ উঠি থিয় হয়। এনেতে আকৌ এবাৰ মাৰি দিয়ে। এইবাৰ পোৱালীটো থিয় হয় আৰু দৌৰিবলৈ ধৰে। তেতিয়া মাকে পোৱালীটোৰ ওচৰলৈ যায় আৰু চুমা খায়, মৰম কৰে। মাকে এনেকুৱা কৰে কাৰণ জিৰাফৰ পোৱালী কোমল আৰু সুস্বাদু হয় যিটো সিংহৰ বহু প্ৰিয়।

চাহ কাপত এচুমুক দি চাৰে

আকৌ ক'বলৈ ল'লে— আমাৰ জীৱনটো তেনেকুৱা। জীৱনে আমাক বহুবাৰ দলিয়াব; কিন্তু আমি প্ৰতিবাৰে থিয় দিব লাগিব আৰু দৌৰিব শিকিব লাগিব। কাৰণ আমি সফল হ'ব লাগিব। দুজনৰ আগত চিনাকী দিব পাৰিব লাগিব। তোমাক জীৱনে এবাৰ দলিয়াইছে। সেইবুলি ভাঙি পৰিবা নেকি? তোমাৰো কিছুমান সপোন আছে, সেইবোৰ কিয় পুৰি পেলাবা? Just go and run।

চাৰৰ কথা শুনাৰ পিছত চিংৰাটোত কামোৰ মাৰি ভাল লাগিছিল। চাৰৰ ঘনিষ্ঠ হ'বলৈ পায় নিজকে গৌৰৱ কৰিছিলো। অপৰাজিতাৰ ফালে চোৱাত দেখিছিলো তাই কেৱল মূৰ দুপিয়াই আছিল। চাহৰ কাপত শেষ শোহা মাৰি চাৰে কৈছিল—

ঃ এসপ্তাহ পিছত কলেজৰ মুকলি সভা। তুমি পাৰিবা মুকলি সভাত নিজৰ কথা ক'ব?

চাৰৰ কথা আমি দুয়ো চাৰৰ ফালে চাইছিলো। মোৰ চকুকেইটা হিচাপতকৈ বেছি ডাঙৰ হৈ মেল খাই গৈছিল। চাৰে পুনৰ কৈছিল-

ঃ তুমি ভয় কৰিবা নেকি? কাক ভয় কৰিবা? সমাজ নে মানুহক? অপৰাজিতা তুমি যিমান ভাল কাম নকৰা কিয় সমাজে তোমাৰ দোষ খুচৰিবই। If you want change, be charged।

ঃ সকলোৰে আগত ক'লে মোৰ কি লাভ হ'ব?— অপৰাজিতাৰ আচৰিত প্ৰশ্ন।

ঃ সকলো কামতে লাভ লোকচানৰ হিচাপ নহয় অপৰাজিতা। অ' তোমাৰ একো লাভ নহয়। এনেকি কিছুমানে তোমাক হাঁহিবহে। কিন্তু তোমাৰ কথাবোৰৰ পৰা আন দহজনী ছোৱালীয়ে শিক্ষা পাব। আন দহজনীয়ে সিহঁতৰ আসন্ন বিপদৰ পৰা ৰক্ষা পাব। আমাৰ এইটো বহুত ডাঙৰ ভুল যে আমি কথাবোৰ ক'বলৈ সাহস নকৰো। তুমি ভাবা নেকি যে বিবাহিত মহিলাৰ ধৰ্ষণ নহয়। বহু মহিলাৰ প্ৰতিটোৰ ৰাতি নিজৰ গিৰীয়েকৰ হাতত ধৰ্ষিতা হয়। কিন্তু আনৰ আগত ক'ব নোৱাৰে, সংসাৰ ভগাৰ ভয়ত। এয়া এক আন্দোলন হ'ব লাগে অপৰাজিতা। ইয়াৰ আৰম্ভণী তুমি কৰা।

চাৰৰ কথাবোৰত তেজৰ মাজেৰে শিহঁৰণ পাৰ হৈ গ'ল। চাৰে বহু ধুনীয়াকৈ কথা ক'ব জানে। বহু সময় বিৰতিৰ পিছত অপৰাজিতাই বুকুত হাত দি কৈছিল—

ঃ চাৰ মই ক'ম। বেলেগৰ কাৰণে নহয় নিজৰ কাৰণে ক'ম। আপুনি মাথো সহায় কৰিব লাগিব।

ঃ তুমি চিন্তা নকৰিবা। মই তোমাৰ লগত আছো। আৰু এইজনটো আছেই।

মোৰ ফালে চাই চাৰে কৈছিল, মই জানিছিলো তাইৰ কথাত চাৰে সুখ পাইছে। অপৰাজিতাই নিজৰ মনটো ডাঠ কৰি লৈছিল।

সেইদিনা চাৰক জোৰ কৰি কেন্টিনৰ বিলটো মই দিছিলো। মনটো ভাল লাগি গৈছিল এটা নতুন যাত্ৰাৰ নিজকে এজন যাত্ৰী বুলি ভাবি। পিছদিনাৰ পৰা মহাবিদ্যালয় সপ্তাহ আছিল আৰু মনৰ উছাহতে সকলোতে আগভাগ লৈছিলো। পুৰস্কাৰ পোৱাটো ডাঙৰ কথা নহয়। আগভাগ লোৱাটোহে ডাঙৰ কথা। দেউতাই কৈছিল এদিনাখন।

সেইদিনাখন মুকলি সভা আছিল। মনটো উগুল-থুগুল লাগি আছিল। ততাতৈয়া কৰি ভাত কেইটা মুখত গুজি কলেজলৈ ওলালো। সেইদিনা মই দেউতাৰ পুৰণি BSA চাইকেলখন লৈ ওলাইছিলো। আনে মোক কি ক'ব মই সেইদিনাখন খাতিৰ কৰা নাছিলো। অজান আনন্দত মনটো নাচি আছিল। মই এক পৰিবৰ্তনৰ বাবে চাইকেলৰ পেডেল ঘূৰাইছিলো। হঠাৎ পিছফালৰ পৰা এক প্ৰচণ্ড খুন্দা অনুভৱ হ'ল। মই ৰাস্তাতে চিটিকি পৰিলো। তাৰ পিছত একো মনত নাই। কিজানিবা মই অচেতন হৈ পৰিছিলো। যেতিয়া সম্বিৎ ঘূৰাই পাইছিলো তেতিয়া চিকিৎসালয়ৰ বিছনাত নিজকে আৱিস্কাৰ কৰিছিলোঁ।

❑❑❑

গল্প

# এটি নীলা চৰাই

গোলাম নবী আজাদ
চতুৰ্থ ষাণ্মাসিক, স্নাতক, কলা

কেতিয়াবা হঠাতে নীৰৱ হৈ পৰে মনটো, ঠুনুকা হৈ যায়, কেতিয়াবা আকৌ উচুপি উঠে। উভতি চাওঁ আকৌ সেই দিনবোৰলৈ, যেতিয়া শুষ্ক জীৱনৰ বিয়লি বেলাত বৈ আছিলো সতেজতাৰ সন্ধানত তেতিয়াই পশ্চিমৰ ফালৰ পৰা এজাক মলয়া বতাহৰ সৈতে, তাই আনিছিল কিছু আনন্দৰ বতৰা। সেমেকিব ধৰা জীৱনটো যেন আকৌ মৰমৰ বাগিচাত দুলিব ধৰিলে। নতুন আশা, নতুন জীৱন, আগতকৈ জীৱনটো অধিক মধুময় হৈ পৰিল।

কিছুদিনতেই তাই মোৰ হৃদয়ত এটি চিনাকী সম্পৰ্ক গঢ়ি তুলিছিল। দুয়ো মনৰ মিলনে বহু ৰঙীণ সপোন ৰচিব ধৰিলে। প্ৰতিটো বসন্তত হৃদয়ৰ কোঠালীৰ চাৰিওফালে জীয়াই থকাৰ প্ৰেৰণাৰ বন্তি জ্বলিছিল। কত যে আশাৰ বালিঘৰ সাজিলো। ফাগুনৰ বতৰত দুয়ো হৃদয়ৰ ডালত মৰমৰ কুঁহিপাত ফুলিছিল। এখোজ-দুখোজকৈ জীৱনৰ পৰিকল্পনাবোৰ আগবাঢ়িছিল, জিলিকি উঠিছিল আকাশৰ তৰাবোৰ হৃদয়তো। দুচকু মুদিলেই যেন এপাহ ফুলৰ সৈতে তাই মিচিকিয়াই থিয় দি ৰৈছিল মোৰ আগত। কেতিয়াবা আকৌ তাই বৰষুণ হৈ মোক চুই গৈছিল, মোক মাতাল কৰি দিছিল তাইৰ মৰমৰ সুবাসে।

কিন্তু........কিন্তু হঠাতে যেন এজাক দুখৰ বৰষুণে ভাঙি থৈ গ'ল সমস্ত সুখ-শান্তি তথা মৰমৰ বালিঘৰ। তাইক যে এতিয়া কাষত নাপাও, উপলব্ধি কৰিব নোৱাৰো তাইক। তাই নিমাত হৈ কোনোবা নিজানলৈ গুচি গ'ল। অসহায় বুকুখনে যেন চিঞৰি চিঞৰি কান্দিছে তাইৰ মৰম পাবলৈ, কাক দেখুৱাম মোৰ এই বেদনা, কোনে বুজিব! হৃদয়খন ফাটি যেন ৰক্ত বৈ আছে, প্ৰতিটো দিন মোৰ কাৰণে একো একোটা বছৰ হৈ পৰিছে। মইতো মৰমৰ নদীত বৰশী বাব যায় তাইক আঘাত দিয়া নাই........., কিয় পিছে তাই মোক এন্ধাৰ কোঠালীত বন্ধ কৰি থৈ গ'ল। দুখৰ জুইত যেন মই ভস্মীভূত হৈ আছো....

এইবোৰ বাৰু তাই শুকুলা মেঘৰ আঁৰত লুকাই জুমি জুমি চাই আছে নেকি! তাইৰ অনুপস্থিতিয়ে যেন মনত বহু বেদনাৰ উন্মোচন কৰিছে, কেনেকৈ পাহৰো তাইৰ কণ্ঠৰ মাদকতা।

আজিও যেন তাইৰ স্মৃতিবোৰে বৰকৈ আমনি কৰে মোক........

❒❒❒

# নীলা খামৰ চিঠি

মিৰ চাহিল ইৰফান
পঞ্চম ষান্মাষিক

মৰমৰ কাজল প্ৰিয়া,

বুকুৰ কেঁচা অনুভৱৰ ৰং সানি কিয় বাৰু বাৰে বাৰে নীলা কৰোঁ উকা কাগজৰ দেৱাল? ৰক্ত তৰুণ তোমাৰ প্ৰতি ভালপোৱা আৰু অনুভৱৰ আকাশত নীলাৰ নৈ বৈ এতিয়া যে এখনি চিঠিৰ সাগৰ হৈছেগৈ। শেষত সদায় এটি মাথো প্ৰশ্নই মোৰ কাষত থিয় দি ৰয় "কিয় বাৰু বাৰে বাৰে নীলা কৰোঁ উকা কাগজৰ দেৱাল?"

হোৱাট্‌চ্‌আপ, ফেচবুকবোৰ আছে, কিন্তু অনুভৱী নহয়; অনুভৱ আছে, কিন্তু ভৱিষ্যতৰ কোনোবা এটি দিনত সোঁৱৰণীও হৈ নৰয়। আকাশখন বিশাল, ৰংগো নীলা; তোমাৰ প্ৰতি মোৰ অনুভৱো বিশাল, যি অনুভৱে নীলা পোছাক ধাৰণ কৰি সদায় আউজি দিয়ে বগা কাগজৰ দেৱালত।

আবেলিবোৰ বৰ ধুনীয়া হয় হেঙুলীয়া আকাশখনেৰে। মোৰ অনুভৱৰ আকাশত তুমি সদায় এটি আবেলিৰ দৰেই ধুনীয়া। যি অনুভৱে মোক দি যায় এটি নতুন দিনৰ প্ৰতিশ্ৰুতি। তুমি বিহীন সময়বোৰ পাৰ হৈ যায় কেৱল তোমাৰ অনুভৱত।

এনেদৰেই এদিন তুমি আহি মোৰ হৃদয়ত ভুমুকি মাৰিছিলা, মোৰ প্ৰাক্‌যৌৱন কালত। প্ৰেমৰ শীতল ছাঁয়া হৈ ৰৈছিলা এডাল বট বৃক্ষৰ ৰূপত। এই শীতল ছাঁয়াৰ বিনে যেন আজি মই আধৰুৱা। জীৱনৰ চালি হৈ থকাৰ প্ৰতিশ্ৰুতিবোৰ, তুমি বাৰু কিয় পাহৰিব বিচৰা...?

তোমাৰ বাবেই এদিন মই আকাশখন চুব বিচাৰিছিলো। মানৱতাৰ গান, বাস্তৱৰ সৈতে যুঁজাৰ পণ শিকিছিলো। তুমি মোক শিকোৱা নাছিলা তোমাৰ সুখত মই সুখী হ'বলৈ, স্বাৰ্থৰ বাবে কাম কৰিবলৈ। শিকাইছিলা বিপ্লৱী হ'বলৈ। আৰু আজি মোৰ বাবেই তুমি আঁতৰি যাব বিচাৰিছা কিয় বাৰু....? চালিখনেই যদি নাথাকে, মই বাৰু জিৰাম ক'ত.....? তোমাৰ বাবেই মোৰ স্তব্ধ হৈ ৰয় আজিৰ সময়বোৰ। প্ৰমাণ লাগিলে চাব পৰা সেই নীলা ৰংবোৰ, যি ভালপোৱাই নীলা পোছাক ধাৰণ কৰি নীৰৱে শুই আছে বগা কাগজৰ বুকুত আৰু খুচৰি চাব পৰা সেই অনুভৱবোৰ যাৰ ৰং আজিও সেউজীয়া।

ইতি—

তোমাৰ শুভাকাংক্ষী
'সমীৰ'

(২০১৬ৰ মহাবিদ্যালয় সপ্তাহৰ নীলাখামৰ চিঠি লিখা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)

# নীলাখামৰ চিঠি

ধৰিত্ৰী বৰুৱা
দ্বিতীয় ষাণ্মাসিক,
স্নাতক, বিজ্ঞান

মৰমৰ এনি (Ani)

হৃদয়ত সযতনে সাঁচি ৰখা আৰু কঢ়িয়াই ফুৰা মৰমবোৰ গ্ৰহণ কৰিবা। তোমাৰ খবৰ ছাগে ভালেই। মইহে ককবকাই ফুৰিছো এসাগৰ জলৰাশিত। তুমি হয়তো বুজিব নোৱাৰিবা মই কেনেকৈ জীয়াই আছো তুমি অবিহনে। মোৰ লগত তুমি এনে কিয় কৰিলা? মোৰ মৰমত জানো কিবা ত্ৰুটি আছিল? নে কিহবাৰ অভাৱ দিছিলো? মোৰ হৃদয়ৰ সমস্ত মৰমবোৰেও তোমাক মোৰ কাষত ৰাখিব নোৱাৰিলে, সেই বান্ধোন ছিঙি তুমি আঁতৰি গ'লা দূৰলৈ, বহু দূৰলৈ....।

মই মাথো অপেক্ষা কৰিছো তোমাৰ বাবে। তুমি ঘূৰি আহি আমাৰ ছিগি যোৱা বান্ধোনৰ জৰীডাল গাঠি মৰমবোৰেৰে দুয়োৰে জীৱন পুৰাই পেলাবা তাৰা আশাৰে.......। অলপমান মৰমৰ আশাত অলপমান বিশ্বাসৰ আশাত মই বৈ আছো, মাথো তোমাৰ বাবে......।

মোৰ অৱস্থা যিয়েই নহওঁক, তুমি ভালে থাকিলেই মোৰ ভাল। তোমাৰ সুখেই মোৰ সুখ জানা। মই হয়তো তোমাক তুমি বিচৰাৰ দৰে মৰমবোৰ দিয়া নাছিলো, এতিয়া তুমি হয়তো তোমাৰ নতুন প্ৰেয়সীৰ লগত খুউব সুখী ন? সেইদিনা তোমালোকক একেলগে দেখি তোমাক সুখী যেনেই লাগিছে।

এতিয়া নিসংগতা আৰু নিৰৱতাৰে মোৰ প্ৰতিটো দিন আৰম্ভ হয়। নিসংগতাত ডুব গৈ থকা মনটোক তোমাৰ স্মৃতিবোৰে বৰকৈ আমনি কৰে। তোমাক মই একো দিব নোৱাৰিলেওটো মৰমবোৰ দিছিলো। তুমি কিয় আঁতৰি গ'লা, কিয় মোৰ জীৱন বিষময় কৰিলা অ'?? তথাপিও বৈ আছো মই তোমাৰ বাবে.......। মই তোমাৰ, মাথো তোমাৰ.........।

ইতি—
কেৱল তোমাৰ
Banu

(২০১৬ৰ মহাবিদ্যালয় সপ্তাহৰ সপ্তাহত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত)

কবিতা

# ইপ্সিত

ড° আঙ্গিৰস
অধ্যাপক, ইতিহাস বিভাগ

উমলি জামলি
ঘাটটোৰ পানী যুঁৰলিত
সযতনে সাঁচি থ'লো
অলপ জোনাক

তাৰ পিছত বহু সময় পাৰ হৈ গ'ল
বৈ থকা নৈখনৰ স'তে
সেই মানুহবোৰো আৰু নাই
অথচ জোনটো ৰৈ গ'ল
দায়িত্বশীলতাৰে ...

এজন বিশ্বস্ত বন্ধুৰ দৰে
সহচৰ
জোনাকৰ ৰুণুক জুণুক

ত্রিভূৱন বিয়পি
ৰামধেনুৰে সাজি ল'লো তোৰণ

ইপ্সিত দেশলৈ যোৱা
এটা গোপন বাট
নৈখনৰ এটা স্থবিৰ ঘাটত
নিসংগ কবিৰ উল্লাস!!


□□□



# Solicitous Monsoon

**Dr. Pabitra Kr. Nath**
**Assistant Prof., Dept. of Geography**

It's me Monsoon,
A moisture- laden cool breeze,
A mass of dense cloud in dark tone.
Yes, I am the "Meghdutam" of Mahakavi Kalidas
Many eras, Many years gone by,
Completely I'm mesmerized by "Bharat Bhumi"
Every time I'm drawn to splash upon this "Punya Bhumi"



Coming from a far away ocean,
Crossing the equator,
Passing through hundreds of miles,
I turn to you dear!
Once in a year.
Listen, in the first week of June
Keep looking towards south-west

Irrespective of high and low; up and down,
Perching on hills and valleys;
large metros and tiny hamlets
I shower blessings upon you all.
Like the resonance of a string
nature filled with ecstasy.
Blisseful life wake up for festivity,
Rythm of life goes on
Celebrating unity in diversity.
Oh! solicitous monsoon
Blessed is the soil!
Blessed are the souls!



# দেউতাৰ ঘোষা

প্ৰশান্ত কুমাৰ নাথ
ষষ্ঠ ষাণ্মাসিক
স্নাতক, বিজ্ঞান

সাঁথৰ হৈ ৰয়
দেউতাই গোৱা নটা ঘোষা
"মই দুৰাচাৰ কেৱল তোমাৰ অপৰাধী
নাৰায়ণ"—

সময়ৰ ৰসায়নত বিচাৰি নাপাও
দেউতা অপৰাধ
যি আছিল পৃথিৱীৰ প্ৰেমিক
আঘোনৰ খনিকৰ
শাওণমহীয়া শিল্পী
দেউতা অ' ঘামচি নহবলৈ
তই যে খুৱাইছিলি সৰুতে
পানী দিয়া ভাত
পৃথিৱীৰ খোলাটো দেখোন বৰ কঠিন
ঘহনি খাই খাই মনত মোৰ পানীজ্বলা
ফুটিছে
এতিয়া কি কৰো মই?
শৈশৱৰ দিনবোৰ ভাল আছিল
মোৰ চকুৰ পতাত লাগি ধৰা
দোকমোকালিৰ এটা এটা লহমা
আৰু তোৰ জলদ গভীৰ কণ্ঠৰ
আদৰুৱা
মাত...............।
দুটা ছাগলী পোৱালীৰ দৰে
জপিয়াই
আমাৰ চোতাল পাৰ হৈ যোৱা আবেলি
এটা.........।

আৰু বাঁহৰ আগলিত ভৰ দি নামি অহা সেই
সন্ধিয়া........।
চোতালত শুই শুই তোৰ সতে গণিছিলো
এটি দুটি এঘাৰটি তৰা
তাৰ মাজত মা আছিল এটা
গাঁৱৰ বাটত বোকা ফেনেকি
মই জী উঠিবলৈ শিকিছিলো
সৰু সৰু জানৰ পানীৰ কেনভাছ
তাতেই আঁকিছিলো জীৱন
শৈশৱৰ দিনবোৰ ভাল আছিল
এখন আকাশ আছিল তাত
বতাহ আৰু পোহৰৰ উপস্থিতিত
মই হেপাঁহ পলুৱাই উশাহ লৈছিলো
দেউতা সময় সলনি কিয় হয়?
প্ৰৌঢ় কিয় হয় মানুহ?
মই ভাবি নাপাওঁ
ৰোগে কোঙা কৰা তোৰ মলিন মুখলে চাই
স্তব্ধ হৈ যাওঁ
ঘড়ীৰ কাটাত জোঁট লাগি
বৈ যাই পঙ্কিল সময়
আমাৰ বহল পথাৰখনে কান্দে
নাৰ্চিংহোমৰ বিছনা?
তোৰ হাতৰ বেকা এডাল এছাৰিৰ ভয়ত
পোন হ'ল জীৱনৰ পথৰুৱা বাট
দুখন খহতা হাতৰ আদৰত
মইও হৈ পৰিলো ঠিক নাঙলৰ মুঠি তোৰ
দৰে মসৃন






চিনি পালো মানুহ, পৃথিৱী
চিনি পালো মাটিৰ সুৰ
তোৰ ঘামত তিতি বাঢ়ি আহিল
মোৰ স্বপ্নৰ অৱসাদৰ উদ্যম
দেউতা মোৰ খোজবোৰ
থৰক-বৰক নহয় নেকি এতিয়া?
তই যে এৰুৱাব খুজিছ মোৰ
হাতখন
তোৰ তৰ্জনী আঙুলিৰ পৰা?

❑❑❑

# বিদায়

লভিতা কাকতি
চতুৰ্থ ষাণ্মাসিক
স্নাতক, কলা

সন্ধ্যা আকাশৰ পৰা নামি আহিব ধৰিছে আন্ধাৰ
এটা দিনৰ এটা যুগৰ এটা সপোনৰ
যেন সামৰণিৰ ইংগিত।
অত দিনে আপোন হোৱা মানুহবোৰ
কাইলৈ অন্য এক পথত
আৰু মই ???
মইও অন্য এক পথৰেই যাত্ৰী।
সৰুতে আইতাৰ কোলাত বহি
নেওঁতা আওৰাইছিলো
একৰ এক গ'ল থাকিল শূন্য
আজিচোন সঁচাকে শূন্য
এই বিদায় বেলাত।
কাইলৈ শূন্যতাৰ আকাশত
ডেউকা কোবাই বিলীন হ'ব
সকলো।
মাথো ৰৈ যাব বেদনাই আৱৰা
কিছুমান স্মৃতি।
বিদায়ৰ বেলাত
চকুৱেদি বৈ অহা অশ্ৰুৱেও কব
বিদায় এক যন্ত্ৰণা।।
হে জ্ঞানদাত্ৰী মঙলদৈ মহাবিদ্যালয়
দিয়া হে আশিষ আমাক
উচ্চৰ পৰা উচ্চতৰলৈ বগাই
ভৱিষ্যতৰ সোণোৱালী সপোন
বাস্তৱায়িত কৰিবলৈ।

❑❑❑



# আই অসমী

ৰূপজ্যোতি হাজৰিকা
ষষ্ঠ ষাণ্মাসিক
স্নাতক, কলা

মহান স্রজনকৰ্তাৰ অপূৰ্ব কল্পনাৰে
তোমাক স্রজিছিল উপমাহীন ভাৱে
তোমাৰ বুকুত জিলিকিছিল শংকৰ-মাধৱ,
জ্যোতি-বিষ্ণু এটি এটি নক্ষত্ৰ হৈ
সেই নক্ষত্ৰৰ উজ্জ্বল জ্যোতিয়ে আলোড়িত
কৰিছিল তোমাৰ হিয়াৰ প্ৰতিটো চুক,
ফকিৰৰ বাণীয়ে হৃদয়ত ৰচিছিল
শান্তি-সম্প্ৰীতিৰ একতাৰ এনাজৰী,
নাছিল ভেদা-ভেদৰ কণা,
বুৰঞ্জীত তুমি আছিলা জিলিকি!

আজি তোমাৰ গৌৰৱময় ডায়েৰীৰ
পৃষ্ঠাবোৰ কলুষিত,
কলীয়া ডাৱৰে ছানি ধৰিছে আকাশ
কেঁচা মাটিৰ সলনি গোন্ধ পাওঁ
বোমা বাৰুদৰ,
সিহঁতে উৰুৱাই নিয়ে তোমাৰ ৰঙীণ
ভৱিষ্যতৰ সোণালী সপোন,
চৌদিশে কেৱল হত্যা-হিংসাৰ চিৎকাৰ।

জন্মিছে কিছুমান মুখা পিন্ধা ভদ্ৰলোক
কৰিছে অপমান,
অপৰিপক্ক ৰাজনীতিবিদৰ কাৰ্যত
বাৰে বাৰে লজ্জিত তুমি।
বানত খহিছে তোমাৰ বুকু
খৰাংত তৃষ্ণাতুৰ কণ্ঠ;
মূল্যবৃদ্ধিৰ প্ৰতিবাদ আৰু প্ৰাপ্য নোপোৱাত
চলিছে অনশন, ধৰ্ণা আৰু কত কি।
কেউফালে অৰাজকতাৰ প্ৰতিচ্ছবি।

হে মহান অসমীয়াসকল
আজি আহা আগুৱাই
কেঁচা মাটিৰ তোমাৰ চেনেহৰ সাদৰি আইক
নতুনকৈ গঢ়া,
উৰুওৱা শান্তিৰ পতাকা,
বিলোৱা ভাতৃত্বৰ বাৰ্তা,
লাগিলে তুমি লোৱা ত্যাগ নামৰ অস্ত্ৰপাত,
তেতিয়া কব পাৰিম....
এইখন শংকৰ-মাধৱ আৰু আজান ফকিৰৰ দেশ
এইখন বীৰ লাচিতৰ দেশ।
এইখন শত শত ত্যাগবীৰৰ দেশ।।

❑❑❑

# নিসংগতা মোৰ প্ৰথম প্ৰেমিক

সংগীতা তামুলী
দ্বিতীয় ষাণ্মাসিক
স্নাতক, কলা

ফাগুণৰ পছোৱাজাক মোৰ বৰ প্ৰিয়,
প্ৰিয়জনে ক'লে, 'তুমি বিষাদৰ প্ৰেমত নপৰিবা'।
দুখৰ পৰা নিলগাই ৰাখিবলৈ
তেওঁৰ আপ্ৰাণ চেষ্টা।
নিশাৰ আৱৰণ গুছি দিনটো মুকলি হ'ব নৌপাওঁতেই
দোকমোকালিতে মোৰ পদূলিত
তেওঁৰ হৃদয় জুৰুৰা উকি।
কুমলীয়া গোলাপী কবিতাৰ এটি কলি
মোৰ কলমত দি যায় নিঃশব্দে,
মই নিলিখি নোৱাৰো।
পূৰ্ণিমাৰ ৰাতি নিজৰেই ছাঁৰ সতে মোৰ ধেমালি,
বেলিটো ৰাঙলী হৈ মাৰ যোৱাৰ পৰত
তেওঁ মোক লৈ যায়
পাহাৰৰ দাঁতিলৈ, নৈৰ পাৰলৈ।
নৈৰ পাৰত বহি থাকোঁতে,
তেওঁৰ প্ৰেমে মোৰ সৰ্বস্ব বুৰালে,
এতিয়া, এতিয়া মোৰ হৃদয়ত ভৰ-বাৰিষা
অথচ, ইজনে সিজনৰ হাত ধৰিব নোৱাৰো,
আলিংগন! আলিংগনটো আমাৰ বাবে অবাস্তৱ সপোন,
দুয়োৰে মাজত বৰণৰ প্ৰাচীৰ,
কাৰণ, আমি একেবৰণীয়া নহওঁ।
এতিয়া তেজৰঙী গোলাপৰ লেখীয়া এক সুকোমল স্বীকাৰোক্তি
"নিসংগতা মোৰ প্ৰথম প্ৰেমিক।"

❑❑❑



# ফাগুনৰ পছোৱাজনী

চুমন ডেকা
দ্বিতীয় ষাণ্মাসিক
স্নাতক, কলা

ফাগুনৰ বাউলী পছোৱাজনীৰ
দৰেই তাই আহিছিল,
ধূলিময় কৰি তুলিছিল
মৰমৰ নৈ বোৱা
হৃদয়ৰ শুকান বালিচৰ
তাতেই চেকুৰাইছিল
তাই আশাৰ ঘোঁৰাটি।
সপোনৰ পাপৰিৰে ভৰা
হৃদয়ৰ দোলনাখন
তায়েই দোলাইছিল,
আৰু
ধুমুহা-কোবাল গতিৰে
দূৰ-দূৰণিলৈ
সপোনৰ পাহিবোৰ উৰুৱাই
থান-বান কৰিছিল।
মোৰ এই হৃদয়ৰ ওচৰত
তাইৰেই আশাৰ ঘোঁৰাটি
চেকুৰিছিল মাথো চেকুৰিছিল।

❑❑❑

# পলাশ

গাৰ্গী বৰুৱা
দ্বিতীয় ষাণ্মাসিক
স্নাতক, কলা

এজাক উজাগৰী নিশা আৰু
এটি দুটি জোনাক বুটলিছিলো
তোমাৰ ৰ'দকাচলিত বহি।
জোনাকবোৰ আঁতৰি গ'ল
এটি নিমাত বসন্তৰ উজুটিত,
অলিখিত হৈ ৰ'ল মোৰ জীৱন ইতিহাস।
বেদনাৰে ৰিক্ত সিক্ত মোৰ হৃদয়খন
গভীৰ এন্ধাৰ ফালি
কেউদিশে নিসংগতাৰ আৰ্তনাদ।
আজি মোৰ কল্পনাৰ ৰামধেনু যেন
এপাহ গন্ধহীন শুকান পলাশ।
এয়া প্ৰৱঞ্চনা ....
এতিয়া মাথো স্তুপীকৃত জীৱনৰ ৰং
আৰু বাকৰুদ্ধ মই।
এন্ধাৰ নামিছে চোৰাচোন .....
জীৱনৰ চিত্ৰ আঁকিছিলো
সপোনৰ কেঁচা ৰঙেৰে।
ৰংবোৰ হয়তো উৰলি গ'ল
সেয়ে আজি হৃদয়ত
বিষাদৰ ৰঙৰ মেলা . . .
গোপনে, সংগোপনে।।

❐❐❐



# মাতাল ৰাতি

বনশ্ৰী ভট্টাচাৰ্য্য
চতুৰ্থ ষাণ্মাসিক
স্নাতক, কলা

বতাহত সৰা পাত খিলাই
নাওঁ হৈ ওপঙে
বহুতো অশৰীৰী ছাঁৰ স'তে
মাতাল ৰাতিয়ে খেপিয়াই নামে
নিৰ্জনতাৰ সপোন অৰণ্যত টগ্‌বগাই উঠে
এহালি পাহাৰীয়া জিলিয়ে
গছবোৰে তেতিয়া বাউলী হৈ দেওধনি নৃত্যৰ
আখৰা কৰে
পোহাৰ মেলি থোৱা তৰাৰ জিলমিল অলংকাৰবোৰ
ততাতৈয়াকৈ আকাশে সামৰে
ডাৱৰে কলীয়া পোছাকযোৰ পিন্ধি
ৰাউচি জুৰিছে
বুকুত শোকগাঁথা লৈ এখন গাঁও
উচুপি উঠে
বাঢ়ি আহিছে হিম যেন বতাহক
চিৰাচিৰ কৰা আৰ্তনাদ
ৰাতিৰ শেষ প্ৰহৰলৈ এতিয়াও
বহু বাট।

❐❐❐

# Serenade Beside the Way

**Hirdayananda Deka**
**4th Semester**
**B.A.**

Beside this soulful river, souls of blessed spirit come and meet.
In the bemoaned nature, beautiful angels would fly and greet.
Some souls in the stream murmur in their flow revealing their painstaking journey throughout their life.
Evil spirit hardly last here as they only had no strive.
With the Angels blessing the souls on earth to be memorable.
Their fame which last are never forgettable.
Moments of love and happiness filled their souls.
And yet they will be reborn on earth happily and crawl.
Thus their hearts will be filled with pleasure all through their perilous journey.
As to win the hearts of everyone will be their only key.

❑❑❑

# Until We Meet Again



**Saurav Kalita**
**4th Semester**
**B.Sc.**


Those special memories of you
Will always bring a smile,
If only I could have you back
for just a little while,
Then we could sit and talk again
Just like we used to do
You always meant so very much
And always will do too
The fact that you are no longer here,
will always cause me pain
but you are forever in my heart
untill we meet again.

❑❑❑

# নাৱে লৈ ভটিয়াম . . . .

সাগৰ নীল কোঁৱৰ
পঞ্চম ষাণ্মাসিক
স্নাতক, বিজ্ঞান

বাৰিষাৰ প্ৰথমজাক বৰষুণতে
তোক বিচাৰিম লুইতৰ দুপাৰেৰে।
এইবেলি,
টঙিঘৰত বহি
পাৰৰ চাংঘৰৰ মাজে মাজে
আৰু ওখ কঁহুৱাৰ আঁৰত



আকৌ বিচাৰিম তোক
তোৰে শপত অ' দেহাটি .....
ভটিয়াই নাওঁ বাম
তোৰ সোণালী চকুযুৰি
আৰু তোৰ ডিঙিৰ জোনবিৰিৰ কথা ভাবি
ঘৰত আইক কৈ আহিম
মিহিকৈ জেতুকা বটিবলৈ
লগতে মাহ হালধি গোটাবলৈ
আৰু .....
আৰু এবাৰ বুকুত সাৰটি
সযতনে পুনৰ জঁপাত সামৰি থৈ আহিম
তোৰে বুলি ভোগেদৈ বজাৰৰ পৰা অনা
ৰঙা ৰিহাযোৰ।

ভটিয়াই নাওঁ বাম
তোক ৰঙা সাজত প্ৰথমবাৰৰ বাবে
বুকুত সাবটি লোৱা ছবি ভাবি।

তোৰ মুখত জোনৰ জ্যোতি চাবলৈ
সজাত ভৰাই লৈ আহিম
সুখৰ চৰাইটি

দুখৰ আলহী হ'বলৈ তোক আনিব
নোৱাৰো
ন-সাজেৰে সজাই
সেয়ে দূৰলৈ ভটিয়াই নিম নাওঁ
তোৰে সেন্দুৰ সনা কপালত আৰু চকুত
জোনৰ জ্যোতি চাবলৈ ....
সৰগী সুখেৰে তোক নোৱাবলৈ.....।

❑❑❑

# মায়াবী

খনিন্দ্ৰ মোহন নাথ
চতুৰ্থ ষাণ্মাসিক
স্নাতক, কলা

এয়া, নিশা এঘাৰ বাজিছে
এয়া মোৰ বুকুত প্ৰতিধ্বনিত
গোসাঁই পুখুৰী পাৰৰ জয়াল শব্দ
দেওলগা পানীত কাৰ নাৱৰ টুলবুল
কোন মায়াবী পৰীৰ আগমন
কোনে ৰচিছে বুকুত কৌতুহলৰ কাৰচিপ
হাত বাউল দি মাতিছে তমসাবৃত্ত
নিৰ্জন নিস্তব্ধ দুপৰনিশা

নাও চাপিছে পাৰলৈ
ঘন হৈছে মোৰ হৃদস্পন্দন
দেহত বৈছে অজান পুলক
শিহৰণৰ বা-মাৰলি
শিয়ালৰ অস্ফালন নেওচি
আগবাঢ়িছে কম্পিত শীতাৰ্ত মোৰ
জৰাজীৰ্ণ শৰীৰ


ইটো পাৰ জিলিকিছে শলিতাবিহীন চাকিৰে
আৰু সিটো চঞ্চলা কমলাৰ
লাস্যময়ী দেহাৰ বৰণত
দুচকুৰ অম্লান জ্যোতিৰ আলোড়নত
আলোড়িত মোৰ শিৰা উপশিৰা
কাষ চাপি আহিছে
উশাহ মোৰ ঘন হৈছে
মোৰ দুভৰি দুখোজ পিছলৈ
আৰু তাইৰ দুখোজ আগলৈ
খং অভিমানত জ্বলা হৃদয়ৰ পৰা
নিগৰিছে মাথো ইতিকিঙৰ টোপাল
মই গছ হৈ দিব নোৱাৰো
তোমাৰ ভাগৰুৱা কলিজাৰ ছাঁ
গুচাব নোৱাৰো হৃদয়ৰ ভোক
নোহোৱা তুমি মানৱকন্যা
শীঘ্ৰে পৰিত্যাগ কৰা উন্মুক্ত
পুখুৰী পাৰ
নালাগে উজ্জ্বল জেউতিৰ চিকমিকনি
এয়া নাও আঁতৰিছে
পানীত নাৱৰ টুলবুল আৰু
শান্ত মোৰ ভয়াৰ্ত শৰীৰ
এয়া নিশা ১১ বাজিছে
বুকুত প্ৰতিধ্বনিত গোসাই পুখুৰীৰ
জয়াল শব্দ।

□□□



# প্ৰতিচ্ছবি

আদিত্য ৰাভা
ষষ্ঠ ষাণ্মাসিক
স্নাতক, বিজ্ঞান



মনত পৰেনে তোমাৰ
অতীতৰ সেই দুখন হিয়াৰ
মহামিলনৰ সেউজীয়া পথাৰখনৰ কথা?
সেউজীয়া ঘাঁহনিডৰালৈ?
চাৰি চকুৰ মিলনত
হৃদয় ধপধপনিত
আবেগিক হৈ খেলিছিলো
প্ৰেমৰ হিয়া দিয়া আৰু নিয়া।

মনত পৰেনে তোমাৰ
পূৰ আকাশৰ ৰঙা বেলিটিলৈ?
তুমি যে কৈছিলা
নীল আকাশত উৰা
বগলী জাকৰ কথা
ফুলৰ ৰেণু চুহি খোৱা পখিলাটিৰ কথা
তুমিয়েই যে শিকাইছিলা
প্ৰেমৰ বহল ব্যাকৰণ
হৃদয়ত সানিছিলা আনন্দৰ ৰহন
কেৱল মাথো তুমিহে জানিবা
সেউজীয়া বুৰঞ্জীৰ কথা।

পিছে আজি ছাগে তুমি
সকলো পাহৰিলা!
দেখিও নেদেখাৰ ভাও জোৰা হ'লা।
কাৰোবাৰ প্ৰেমৰ অমৃত বাণীত
তুমি চাগে বলিয়া হ'লা।
অচিনাকি মনে তোমাৰ হিয়াত
আশ্ৰয় ল'লে।
তথাপিতো তোমাক পাহৰিব নোৱাৰো
মোৰ হৃদয়ৰ নিৰলা কোণত
গোপনভাৱে সাঁচি ৰাখিছো
আমাৰ ভালপোৱাৰ প্ৰতিচ্ছবি।

❑❑❑

# মাথোঁ অপেক্ষাত মই

ইনাক্ষী আৰ. ডি
ষষ্ঠ ষাণ্মাসিক
স্নাতক, বিজ্ঞান

তোমাক নেদেখা হ'লেই ভাল আছিল
বিৰহৰ উত্তাপত
জ্বলি-পুৰি ছাই নহ'লোহেঁতেন
মন মৰীচিকাৰ পাছত দৌৰি
পালো কি?
তোমাৰ হাতত হাত থৈ
যাবলৈ নাপালোৱেই
সৰ্ব্বস্বান্ত হৈ মোৰ মন
আকৌ নিজৰ পঁজা পালেহি,
প্ৰেম জানো এনেকুৱাই?
সকলো ঠিকেই থাকিল
মাথোঁ তুমি সলনি হ'লা,
তুমি বিহীন প্ৰতি খোজত
মাথোঁ ভৱিষ্যতৰ অনিশ্চয়তা দেখিছো,
দিন, মাহ কৰি বছৰ পাৰ হ'ল
তথাপি অপেক্ষাৰ অন্ত নপৰিল
এনেকৈ আৰু .........
এনেকৈ আৰু কিমান দিন?
মই জানো,
সকলো অপেক্ষাৰ অন্ত পেলাই
এদিন তুমি আহিবা,
আৰু .........
খোজত খোজ মিলাই
আমি আগুৱাই যাম
দূৰলৈ ......
বহুদূৰলৈ ........



❑❑❑

# The Puppet of Dream

**Nabanil Chakravorty**
**4th Semester**
**B.Sc.**



I picked up my piece of creation,
The finishing touch left alone
It faced me in command
to complete the task
Whom to dedicate??
I thought and decided finally
I tried to find her out
Is she roaming in my mind?
Oh! indeed
I can simply feel her presence
Every movement
She is dedicated as Cloud,
But tough as stone,
As she deemed all her at her will.
She is dim as moonlight night
Her eyes dazzle like a twinkling star
In the midnight sky, filled with endless words of affection.
But she puts a shadow,
Over the moments of sorrows and grief
With her sweet and lovely smile
As she expressed her desire
With a shy look, I conveyed with a smile too,
A puppet of dream sheltered in corner of my heart,
Who is none, but you, my dearest one !!!

❏❏❏

# মংগলদৈ মহাবিদ্যালয়

ৰীতুমণি ডেকা
চতুৰ্থ ষাণ্মাসিক
স্নাতক, কলা

মংগলদৈ মহাবিদ্যালয়
প্ৰজ্ঞাৰ সাধনা
প্ৰভাতি সূৰুযৰ ৰেঙণি তুমি।
তোমাৰ আশিষ শিৰত লৈয়ে
হব খোজো জানা ময়ো
দূৰ আকাশৰ উজ্জ্বল নক্ষত্ৰ....।
তোমাৰ বুকুত
প্ৰৱাহিত হোৱা
প্ৰতিটো পল, প্ৰতিটো মুহূৰ্তই
ভৰাই তুলিব মোৰ স্মৃতিৰ মণিকোঠা.....।
সি যে হৈ পৰিব মোৰ
অনাগত ভৱিষ্যতৰ
পথৰ পাথেয়।
আশিষ দিয়া মংগলদৈ মহাবিদ্যালয়;
তোমাৰ আশিষে নেওচিব
কতজনৰ বুকুৰ বেথা, কতজনৰ তমসাৰ আন্ধাৰ।
মই প্ৰতিশ্ৰুতিবদ্ধ মংগলদৈ মহাবিদ্যালয়
তিনিটা বছৰ তোমাৰ সৈতে থাকিম।
মই যোৱাৰ পিছত;
নৱ প্ৰজন্মৰ ধূলিৰে ধূসৰিত হৈ পৰিব
হয়তো দূৰণিৰ কোনোবা এটা কোণত
অস্পষ্ট হৈ দোলা দিব
তোমাৰ বুকুত মোৰ ছবি।
প্ৰজ্ঞাৰ সাধনা, তুমি মংগলদৈ মহাবিদ্যালয়;
চিৰজ্যোতিষ্মান হৈ থাকা।



❑❑❑

# মঙলদৈ মহাবিদ্যালয়

**ফুলেশ্বৰ নাথ**
**দেওমৰনৈ, দৰং (অসম)**

বহু অতীতৰ পৰাই সৌন্দৰ্য্য লহৰী
পৰমা সুন্দৰী অসমী আই,
তাৰে মধ্যভাগ মঙলদৈ নামৰ
যিখন অপৰূপ ঠাই।
পূৰ্বৰ কোনোবা উত্তম পুৰুষে
গঢ়িব জ্ঞানৰ আলয়,
সেয়ে জানো থাপিলে উপহুপাৰাত
মঙলদৈ মহাবিদ্যালয়।
যেন সূৰ্য্যৰ উদয়ে এন্ধাৰ আঁতৰিল
জগত পোহৰ হ'ল,
তেনে অলেখ শিকাৰু যাত্ৰীৰ
জীৱন ধন্য হৈ গ'ল।
সাত্বিক, ধাৰ্মিক বিজ্ঞানী, সাহিত্যিক
আৰু বহুগুণী-জ্ঞানীৰ প্ৰাদুৰ্ভাৱ হৈ,
নিজ লক্ষ্যত উপনীত হৈছে
এই বিদ্যালয়ৰ আলম লৈ।
আহা-আহা-আহা ভাই বন্ধুসকল
নেথাকিবি বাট চাই।
অধ্যৱসায় ধৰি অধ্যয়ন কৰি
যাও সৱে আগুৱাই।
নোৱাৰো কথাটি নভবা কদাপি
নকবা নকবা দুনাই
নোৱাৰো বুলি মনত গুণিলে
জীৱন যাব পিছুৱাই।
নাহে সিটো দিন কদাপিও ঘূৰি
যিটো জীৱনৰ আদি কাল,
সময়ৰ সন্ধি বুজি কৰম কৰিলে
জীৱন হ'বই হ'ব বহু ভাল।
মই অন্ধলাৰ কি কথা কও
শুনোতাও কোনো যে নাই,
কাচত লাগি সুবৰ্ণ বেচিলো
এই খামাৰ বজাৰ পাই।
জীৱন নৌকা আজি যাব পিছুৱাই।।

□□□

# ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভাগীয় বিষয়ববীয়াসকলৰ প্ৰতিবেদন

## সভাপতিৰ প্ৰতিবেদন



যিকোনো কাম এটি আৰম্ভ কৰিবলৈ প্ৰথমে প্ৰয়োজন হয় উদ্যোগ। উদ্যোগৰ লগতে কিছু জ্ঞান আৰু শ্ৰমৰ প্ৰয়োজন। অনুৰাগ হ'ল শ্ৰমৰ প্ৰধান বিষয়বস্তু। স্বাধীনতাৰ ঠিক পিছতে হয়তো মঙলদৈৰ কিছু বিদ্যানুৰাগী ইয়াত উচ্চ শিক্ষাৰ প্ৰভাৱ, অনুভৱ কৰিছিল। সেই হেতুকে তেওঁলোকে মঙলদৈত এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ কথা ভাৱিছিল বা চিন্তা চৰ্চা কৰিছিল। যি সকল কৰ্মোদ্যমী বিদ্যানুৰাগী ব্যক্তিৰ অশেষ প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰি প্ৰাণ পাই উঠিল সেই নমস্য কৰ্মপুৰুষকললৈ মোৰ ফালৰ পৰা আন্তৰিক প্ৰণিপাত জনাইছোঁ। লগতে নিজৰ জাতি, নিজৰ ভাষা ৰক্ষাৰ আন্দোলনত আৰু অসম মাতৃৰ সেৱাৰ অৰ্থে নিজৰ বুকুৰ তেজ দান কৰিলে সেইসকল পৰমপুৰুষলৈ মই শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

বিদ্যায়তনিক দিশটো সুকলমে চলাই নিয়াৰ লগতে মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে সেৱা আগবঢ়াব পৰাটো এক আনন্দময় আৰু গৌৰৱবোধৰ কথা। ই সামাজিক, ৰাজনৈতিক দিশৰ লগতে ব্যক্তিগত জীৱনতো যথেষ্ট সহায় কৰে।

মঙলদৈ মহাবিদ্যালয়ৰ চাৰিবেৰৰ বিশালতাৰ দৰে পৰিৱেশৰ ব্যাপকতা আছে। ইয়াত বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে সকলোৱে অধ্যয়ন কৰে। মহাবিদ্যালয়ৰ পাৰিপাৰ্শ্বিক ব্যৱস্থাটো তৃপ্তি লগা। বৰ্তমান পৰ্যাপ্ত শ্ৰেণীকোঠা, খোৱা পানীৰ ব্যৱস্থা, বিজ্ঞানাগাৰ, বিজুলিবাতি, খেলপথাৰ, জিৰণি চ'ৰা, উন্নতমানৰ পুঁথিভঁৰাল আদি আছে আৰু এইবোৰে মহাবিদ্যালয়ৰ শোভা বৰ্ধন কৰিছে। মহাবিদ্যালয়ৰ সম্পদৰ সঠিক ব্যৱহাৰে ভৱিষ্যতে মহাবিদ্যালয়ক অসমৰ ভিতৰতে শিক্ষাৰ উজ্বল নক্ষত্ৰ হিচাপে গঢ়ি তুলিব পৰা যাব। ইয়াত চাগে কাৰো দ্বিমত নাই।

মহাবিদ্যালয়ৰ সৰস্বতী পূজা আৰু মহাবিদ্যালয় সপ্তাহ লেখত লবলগীয়া। সৰস্বতী পূজাত এইবেলি কিছু পোছাক বিৰ্তকৰ সৃষ্টি হয় যদিও ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ শলাগ ল'বলগীয়া। মহাবিদ্যালয় সপ্তাহখনিও সুকলমে পাৰ হৈ যায়। মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয় ৫ ফেব্ৰুৱাৰী তাৰিখৰ পৰা ১৩ ফেব্ৰুৱাৰী তাৰিখ ২০১৭ লৈ। প্ৰথম দিনাই এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। প্ৰায় ১৪০০ মান ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণৰে শোভাযাত্ৰাখনি মহাবিদ্যালয়ৰ ইতিহাসক শ্ৰেষ্ঠ বুলি ছাত্ৰ একতা সভাই বিবেচনা কৰো। ইয়াৰ লগতে বিভিন্ন খেল-ধেমালী, গীত-মাত, কবিতা, নাটক, নৃত্য আদিয়ে মহাবিদ্যালয় সপ্তাহখনি মনোৰম কৰি তোলে। বঁটা প্ৰদান সভাত সভাপতিত্ব কৰে অধ্যক্ষ ড০ খগেন্দ্ৰ কুমাৰ নাথ ছাৰে আৰু বিশিষ্ট অতিথি হিচাপে থাকে মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক মাননীয় গুৰুজ্যোতি দাসদেৱ। ইয়াৰ লগতে অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে বৰ্তমান অসমৰ এজন জনপ্ৰিয়

কণ্ঠশিল্পী ৰিংকু প্ৰীয়ম ডাঙৰীয়াই।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আৰু সহায়-সহযোগিতা শলাগ ল'বলগীয়া।

আমাৰ কিছু অভাৱ এতিয়াও আছে। যেনে প্ৰস্ৰাৱগাৰত পানীৰ অভাৱ, শ্ৰেণীকোঠাত Mouth speaker ৰ অভাৱ। কাৰ্য্যালয়ৰ উপযুক্ত ব্যৱস্থা কিছুমান শ্ৰেণীকোঠাত অধিক ফেন, জেনেৰেটৰ সংযোগ আদি ইত্যাদিৰ বিষয়ে অধ্যক্ষ মহোদয়ক কাণ চোৰাই থোৱা হ'ল।

মোৰ কাৰ্যকালৰ অন্ত পৰিব। এই কাৰ্যকালত মোকসহায় কৰা মাননীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু মণ্ডলী, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ লগতে সমূহ বিষয়ববীয়াক ধন্যবাদ থাকিল লগতে তেওঁলোকক মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো। তেওঁলোকৰ উপদেশ আৰু উৎসাহে মোক সতেজ কৰি তোলে।

বিগত কাৰ্যকালত মই কৰা ভুল ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো। হয়তো তেওঁলোকৰ প্ৰয়োজনীয় কিছু কাম মোৰ দ্বাৰা কৰা নহ'ল। ছাত্ৰ-ছাত্ৰীসকললৈ জীৱনৰ যুঁজত জয়ী হোৱাৰ অলেখ সু কামনা থাকিল।

সকলোলৈ সেৱা, শ্ৰদ্ধা আৰু মৰমেৰে—
"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"
"জয় আই অসম"

**কুলদ্বীপ নাথ**
সভাপতি, ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



"আয়ে দিয়া বিহু গামোচাৰে
গুলী খোৱা তেজ মুচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাওঁ শলিতা গচি
পুনৰ সইম সাজি হৈছো আই
দিবলৈ জীৱন দান"

— ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

জয় জয়তে পৰমপিতা পৰমেশ্বৰৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ। যাচিছোঁ প্ৰণাম জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী আই সৰস্বতীৰ শ্ৰীচৰণত। প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ স্বাৰ্থ ৰক্ষাৰ সংগ্ৰামত যিসকল বীৰ-বীৰাংগনাই হৃদয়ৰ তপত তেজ ঢালি অসম মাতৃৰ চৰণ ধুৱালে সেইসকল মহান শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনালোঁ। যিসকল মহান জ্ঞানপিপাসু, জ্ঞানসন্ধানী, পূণ্যাত্মাসকলে অশেষ কষ্ট, ত্যাগ আৰু পৰিশ্ৰমৰ মাজেৰে, তাহানিৰ ১৯৫১ চনতে দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ, "মঙলদৈ মহাবিদ্যালয়" গঢ়ি দৰং জিলাত শিক্ষাৰ কামধেনু যুগৰ সূচনা কৰিলে, তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ।

মহাবিদ্যালয়ৰ দৰে মহান অনুষ্ঠান এটিৰ সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি সন্মুখত থকা কৰ্তব্যৰাজি অনুধাৱন কৰি মই কিমান দূৰ আগবাঢ়িছো তাক আপোনালোকে বিবেচনা কৰিব পাৰিব। যিসকল ছাত্ৰ-

ছাত্রীয়ে মোক ২০১৬-১৭ শিক্ষাবর্ষৰ বাবে ছাত্র একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে এই চেগতে তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিতে থকা আমাৰ মহাবিদ্যালয়খনৰ প্ৰাকৃতিক পৰিবেশ অতি মনোমোহা। মহাবিদ্যালয়খনত বিজ্ঞান আৰু কলা শাখাৰ মুঠ ১৬ টা বিষয়ত থকা মেজৰ পাঠ্যক্ৰম; শীত-তাপ নিয়ন্ত্ৰিত এটা চাইন্স গেলেৰী, বায়'টেক হাব, কম্পিউটাৰ পাঠ্যক্ৰম আদি সুবিধাৰে সম্প্ৰতি মঙলদৈ মহাবিদ্যালয় উচ্চ শিক্ষাৰ এক আকৰ্ষণীয় প্ৰতিষ্ঠান হৈ পৰিছে। তাৰ উপৰিও বৃত্তিমূলক বি.ভক (B.Voc) পাঠ্যক্ৰম, 'লেবৰেটৰী টেক্‌নিচিয়ান' আৰু 'ফুড প্ৰচেচিং' প্ৰৱৰ্তন কৰা হৈছে। কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু IDOL ৰ অধ্যয়ন কেন্দ্ৰও আছে। মহাবিদ্যালয়খনৰ পৰ্যাপ্ত শ্ৰেণীকোঠা, খেলপথাৰ, খোৱাপানীৰ সুবিধা, জিৰণি পঁজা, প্ৰতিটো শ্ৰেণীকোঠাত ফেন, বিজুলি বাঁতিৰ সুবিধা, বিজ্ঞানগাৰ, উন্নতমানৰ প্ৰেক্ষাগৃহ আদিৰে মহাবিদ্যালয়খনত এক সুস্থ শৈক্ষিক পৰিৱেশ বিৰাজমান।

যোৱা ইং ২১/১০/২০১৬ তাৰিখে মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ কাৰ্যালয়ত অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰৰ সভাপতিত্বত ২০১৬-১৭ বৰ্ষৰ ছাত্র একতা সভাই শপত গ্ৰহণ কৰে।

উৎসৱ পাৰ্বণ ঃ

সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ গতানুগতিক কৰ্মসূচী কেইটামান নিয়াৰিকৈ পালন কৰা হয়। সংগীতসূৰ্য ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত সোঁৱৰণী অনুষ্ঠান, অন্যান্য বৰেণ্য ব্যক্তিৰ জন্ম তিথি পালন, সৰস্বতীপূজা উদ্‌যাপন, এইবেলি সৰস্বতীপূজাত মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশ অটুত ৰখাৰ স্বাৰ্থৰ লগতে দুখীয়া নিচলা ছাত্র-ছাত্রীক প্ৰভাৱ পেলোৱা কথাকথিত ফেচন চ'ৰ অন্ত পেলাবলৈ মহাবিদ্যালয়ৰ ঐক্য পোছাক বাধ্যতামূলক কৰা হয়। অধিকাংশ ছাত্র-ছাত্রীয়ে ঐক্য পোছাক পৰিধান কৰি মহাবিদ্যালয়ত অন্য এক ইতিহাসৰ সূচনা কৰে। সৰস্বতী পূজাৰ নিউজ চেনেলবোৰে আয়োজন কৰা ফেচন চ'ৰ বিপৰীতে আমাৰ মহাবিদ্যালয়ত "প্ৰজ্ঞা সন্ধানী" অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এইবেলি সৰস্বতী পূজাত কোনো বছৰে পূজাত উপস্থিত নথকা দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে মা-সৰস্বতীৰ আশিষ ল'বলৈ আহে আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ৬ফেব্ৰুৱাৰীৰ পৰা ১৩ফেব্ৰুৱাৰী ২০১৭ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ; ১৩ ফেব্ৰুৱাৰী তাৰিখে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ সমূহ বিভাগৰ ছাত্র-ছাত্রীৰ সহযোগত বাৰেৰহণীয়া সাংস্কৃতিক শোভা যাত্ৰাৰে 'মহাবিদ্যালয় সপ্তাহ'ৰ শুভাৰম্ভণী কৰা হৈছিল। এই শোভা যাত্ৰাত দৰঙীয়া কলা-কৃষ্টি আৰু অসমীয়া লোক-কৃষ্টি, সংস্কৃতি প্ৰদৰ্শন কৰা হয়। ইয়াত সহস্ৰাধিক ছাত্র-ছাত্রীয়ে অংশ গ্ৰহণ কৰে। বঁটা বিতৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰিংকু প্ৰিয়ম উপস্থিত থাকে। ইয়াৰ উপৰিও শংকৰদেৱ তিৰোভাৱ তিথি, ৰাভা দিৱস, নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এইবাৰ আমি সকলো অনুষ্ঠানতে ঘৰুৱা শিপিণীয়ে বোৱা গামোচাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰোঁ।

অভাৱ অভিযোগ ঃ

বিশ্বৰ মানৱ সভ্যতাই প্ৰগতিৰ যিটো স্তৰত অৱতীৰ্ণ হৈছে তাৰ তুলনাত আমি বহু পিছপৰি আছোঁ। ছাত্র সমাজৰ প্ৰতিনিধি হিচাপে, ছাত্র-ছাত্রীৰ বিভিন্ন সমস্যা সূক্ষ্মভাৱে বিশ্লেষণ কৰি তাক অনুভৱ কৰো। সেই সমস্যাবোৰ তলত উল্লেখ কৰা হ'ল—

১) ল'ৰাৰ প্ৰস্ৰাৱগাৰ স্বাস্থ্যসন্মত নহয়। প্ৰস্ৰাৱগাৰত পানীৰ ব্যৱস্থা কৰা।

২) পুথিভঁড়ালত আজি বহুবছৰ ধৰি নতুন কিতাপ পৰ্যাপ্ত পৰিমাণে জমা কৰা হোৱা নাই। গতিকে পৰ্যাপ্ত পৰিমাণৰ কিতাপ সংৰক্ষণ কৰা আৰু উন্নত প্ৰযুক্তি প্ৰয়োগ কৰা।

৩) মহাবিদ্যালয়ৰ খেলপথাৰখন উন্নত কৰা আৰু ইয়াৰ চাৰিবেৰৰ ব্যৱস্থা কৰা।

৪) Indoor Stadium আৰু Swiming pool ৰ কাম

বহুদিন ধৰি বন্ধ হৈ আছে তাৰ কাম আগবঢ়াই নিয়া।
৫) বহু বছৰ আগতেই মহাবিদ্যালয়খনৰ একমাত্ৰ ছাত্ৰাবাসটো সুদক্ষ পৰিচালনাৰ অভাৱত পৰিত্যক্ত হৈ পৰিল। বৰ্তমান তাক শ্ৰেণী কোঠা হিচাপে ব্যৱহাৰ কৰা হৈছে। গতিকে ছাত্ৰাবাসটো পুনৰ প্ৰাণৱন্ত কৰাৰ আৱশ্যকতা আছে।
৬) মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত শিক্ষকৰ পদ খালী হৈ আছে আৰু পৰ্যাপ্ত শিক্ষকৰ অভাৱত প্ৰয়োজনীয় সংখ্যক পাঠদান সম্পন্ন হোৱা নাই। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল কিমান ক্ষতিগ্ৰস্থ হৈছে সেয়া চৰকাৰ প্ৰমুখ্যে সংশ্লিষ্ট কৰ্তৃপক্ষ সচেতন হোৱা প্ৰয়োজন।
৭) মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাবোৰত শব্দ সঞ্চালনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।
৮) স্থায়ীভাৱে এখন এম্বুলেন্সৰ ব্যৱস্থা কৰা।

উক্ত অভাৱ সমূহ সমাধান কৰিবলৈ পৰিবৰ্তনকামী চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশাবাদী।

আমাৰ কাৰ্যকালত সম্পন্ন হোৱা কেইটামান বিশেষ কাম—
১) ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ বাবে নাম ফলকৰ ব্যৱস্থা কৰা হয়।
২) স্থানীয় বিধায়ক গুৰুজ্যোতি দাসৰ উন্নয়ন পুঁজিৰ দ্বাৰা দুটাকৈ জিৰণী চ'ৰা তৈয়াৰ কৰা হয়। এই চেগতে তেওঁলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
৩) মহাবিদ্যালয়ৰ পেক্ষাগৃহ মেৰামতি আৰু অত্যাধুনিক কৰা হয়।
৪) মহাবিদ্যালয়ৰ সন্মুখৰ অট্টালিকাতো আমাৰ কাৰ্যকালতে সম্পূৰ্ণ হয়। ইত্যাদি।

আমাৰ মহাবিদ্যালয়খনক সুন্দৰ, শৃঙ্খলাবদ্ধতা আৰু স্বচ্ছ কৰি ৰখাটো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য। কাৰ্যকালৰ সকলো সময়তে দিহা-পৰামৰ্শৰে আমাক উৎসাহিত কৰা আৰু ছাত্ৰ-একতা সভাৰ তত্ত্বাৱধায়ক ডিম্বেশ্বৰ বৰুৱা ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক ছাৰসকললৈও মোৰ কৃতজ্ঞতা যাচিলোঁ। এওঁলোকৰ উৎসাহ আৰু পৰামৰ্শ অবিহনে মোৰ কাৰ্যকালৰ কৰ্মৰাজী আধৰুৱা হৈ ৰ'লহেঁতেন।

শেষত মঙলদৈ মহাবিদ্যালয়ৰ আকাশচুম্বী উন্নতিৰে এখন সুন্দৰ বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ হোৱাৰ কামনা কৰিলোঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"
"জয় আই অসম"

**অপূৰ্ব ডেকা**, সাধাৰণ সম্পাদক

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল শ্বহীদলৈ যিসকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি স্বৰ্গত বিলীন হ'ল আৰু শুদ্ধ ৰক্তৰ বিনিময়ত আজি আমাক পৰাধীনতাৰ ৰঙা শিকলিৰ পৰা মুক্ত কৰি স্বাধীনতাৰ সোৱাদ দি গ'ল। লগতে যিসকল মহান ব্যক্তিৰ সৎ চিন্তা, উচ্চ ধাৰণা, প্ৰচেষ্টা আৰু দেহৰ-কপালৰ ঘামৰ বিনিময়ৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয়খনত শ শ

ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ জ্ঞানৰ পোহৰ আৰু ভৱিষ্যত হোৱাৰ স্বাৰ্থত এক উজ্বল তৰাৰ আকাৰ গঢ়ি দি গ'ল। সেয়ে সেইসকল মহান ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম যঁচাৰ লগতে স্মৰণ কৰিলোঁ।

নতুন প্ৰজন্মৰ বাবে কিছু অন্তৰংগ বাৰ্তা ঃ

সকলো মানৱ জাতিৰে পৃথিৱীত উচ্চ দীৰ্ঘায়ু লৈ জীয়াই থাকিবলৈ বৰ হেঁপাহ। কিয়নো বিশ্ব-ব্ৰহ্মাণ্ডত এডোখৰহে ঠাই আছে য'ত হেনো মানুহে নিজৰ নিজ ইচ্ছা অনুযায়ী সকলো কাম কৰিব পাৰে, যাক মাতৃভূমি ভূ-গৰ্ভ স্বৰূপ পৃথিৱী বুলি আখ্যা দিছে। কিন্তু বৰ্তমানৰ এই ভূ-গৰ্ভত নানান অত্যাচাৰে আৰু কলি যুগৰ পাতনিয়ে মানৱ জাতিক হাৰাশাস্তি কৰি মাৰিছে, ইতিবাচক পৃথিৱীখনক সময় আৰু পৰিবৰ্তনৰ ঢৌৱে গতি সলনি কৰি কিছুমান নেতিবাচক দিশত বিলীন কৰি দিছে, যাৰ দ্বাৰা নতুন প্ৰজন্মৰ মন-মগজুত ভিন্ন ভিন্ন বাধাৰ দুৱাৰ আঁৰি দিছে। কিন্তু কিয়? কিয় সজাগতা নহয় সমাজ? প্ৰকৃত সমাজত হেনো আদৰ্শৰ শেষ নাই, নৱ-জাতকৰ কষ্ট নাই আৰু কূটনীতিৰ বিশ্লেষণ নাই। কিয় নুবুজে যে ভৱিষ্যতৰ সমাজ এখন প্ৰতিনিধিত্ব হয় একমাত্ৰ নতুন এজাক প্ৰজন্মৰ দ্বাৰা, নতুন নাৰিকৰ চিন্তাৰে। কিন্তু মনত প্ৰশ্নৰ জোঁৱাৰ উঠে যে, "এইজাক নতুন প্ৰজন্মক আমি আদৰ্শৰ সৎ চিন্তাৰ দ্বাৰা বাৰু এজন সুস্থ কৰ্মশীল নাগৰিক গঢ়ি তুলিব পাৰিম নে সঁচাকৈয়ে? নে ভয়াতুৰ কৰি তুলি অশ্লীলতাৰ জগতত এইজাক প্ৰজন্ম নেতিবাচক দিশলৈ হৈ পৰিব এজন দানৱ?"

সেয়ে সজাগ হোৱা নতুন প্ৰজন্ম। টোপনিৰ পৰা সাৰ পোৱাৰ সময় হ'ল। বাস্তৱ জগতত ইতিবাচক সমাধান বিচাৰি যোৱাগৈ আৰু নতুন বীজ ৰোপণ কৰি সকলোকে হাতে হাতে ধৰি নিজৰ সমাজ-সংস্কৃতিক ৰক্ষা কৰা। আত্মবিশ্বাসীৰ পথত বিলীন হৈ যোৱা, অন্যথা এই নতুন নৱ-জাতকবোৰ হৈ পৰিব দানৱৰ দৰে তেজ পি খোৱা অসভ্যলোক।

কাৰ্যকালত ঃ

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখনি দৰং তথা অসমৰ আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ লাভ কৰিবলৈ সক্ষমহৈছিলো ২০১৬ চনৰ ছেপ্তেম্বৰ মাহত। নিৰ্বাচনত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ২১/১০/২০১৬ তাৰিখে শপত গ্ৰহণ কৰাৰ পিছত মোৰ কাৰ্যকাল আৰম্ভ হয়। কাৰ্যকাল আৰম্ভ কৰাৰ পিছতেই ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া, সদস্য আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত 'স্বচ্ছ অভিযান' কৰি মহাবিদ্যালয়খনৰ চৌহদ চাফাই কাৰ্য কৰা হয়। ইয়াৰ পিছতে ০১-০২-২০১৭ তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ সহযোগত উলহ-মালহেৰে সুন্দৰভাৱে উদ্‌যাপন কৰা হয়। তদুপৰি মঙলদৈ মহাবিদ্যালয়ত এই বৰ্ষত সৰস্বতীপূজাখন ছাত্ৰ একতা সভা, ছাত্ৰ-ছাত্ৰী আৰু তত্বাৱধায়ক শ্ৰীডিম্বেশ্বৰ বৰুৱা ছাৰৰ লগতে আন বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীবৃন্দৰ পৰামৰ্শ অনুযায়ী প্ৰস্তাৱ লৈ এক ব্যতিক্ৰমী ৰূপত পূজাখন অনুষ্ঠিত কৰা হৈছিল। কিয়নো মহাবিদ্যালয়ত বাধ্যতামূলক ঐক্য সাজ-পোছাক পৰিধান কৰি বিদ্যাৰ দেৱীক পূজা কৰা হৈছিল। কাৰণ সৌন্দৰ্য প্ৰতিযোগিতাক বাধা প্ৰদান কৰাৰ ক্ষেত্ৰত এই কৰ্তব্য হাতত লোৱা হৈছিল।যাৰ দ্বাৰা পূজাখনত কোনো ধৰণৰ উচ্চ-নীচ দিশৰ সম্পৰ্কৰ বাৰ্তাই ছাত্ৰ-ছাত্ৰীৰ মনত আঘাত প্ৰদান নকৰে। ইয়াৰ পিছতেই ০৬-০২-২০১৭ তাৰিখৰ পৰা ১১-০২-২০১৭ তাৰিখলৈ মহাবিদ্যালয়ৰ আন এক আনন্দময়ী অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাৰ্যসূচী ৰূপায়িত কৰা হয় আৰু সকলো কাৰ্যসূচী সফলতাৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ বিকাশ

ঘটোৱাৰ লগতে মানসিক আৰু আধ্যাত্মিক দিশটো বিশেষ অৰিহণা যোগায়। মহাবিদ্যালয় সপ্তাহৰ শুভ আৰম্ভণিৰ দিনাখন অৰ্থাৎ ৬ ফেব্ৰুৱাৰী তাৰিখে সাংস্কৃতিক শোভাযাত্ৰাত আয়োজন কৰা হয় আৰু শোভাযাত্ৰাত মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অসমৰ সংস্কৃতিৰ সকলো দিশ দাঙি ধৰে।

অৱশেষত, কাৰ্যকালৰ সকলো সময়তে বিভিন্ন দিহা পৰামৰ্শৰে আমাক উৎসাহিত কৰা আমাৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক মাননীয় শ্ৰীডিম্বেৰশ্বৰ বৰুৱা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ লগতে বৰ্তমান মহাবিদ্যালয়খনৰ অধ্যক্ষ মাননীয় ড০ খগেন্দ্ৰ কুমাৰ নাথ ছাৰলৈ মোৰ অফুৰন্ত কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মহাবিদ্যালয়ৰ প্ৰতিজন ছাৰ-বাইদেউ আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো আৰু মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয় আই অসম"

"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**কল্যাণ হিমাংশু নাথ**
সহঃ সাধাৰণ সম্পাদক

# সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিবেদন



প্ৰতিবেদনৰ দোকমোকালিতে আপোনাসৱলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। এইক্ষণতে বিগত বৰ্ষত আমি হেৰুওৱা সাহিত্যৰ কাণ্ডাৰী সকলৰ লগতে যিসকল ব্যক্তিৰ অহোপুৰুষাৰ্থৰ ফলত মহাবিদ্যালয়খনৰ জন্ম হৈছিল তেওঁলোকলৈ অশ্ৰুঅঞ্জলি যাচিছোঁ। এই সুযোগতে এইবেলি নিৰ্বাচনত মোক সাহিত্য আৰু আলোচনী বিভাগত নিৰ্বাচিত কৰি এই গধূৰ দায়িত্ব দিয়া ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সাহিত্য হৈছে এটা জাতিৰ দাপোন। ই জাতি এটাৰ ঐতিহ্য, সুখ-দুখ, হাঁহি কান্দোনৰ বহিঃপ্ৰকাশ। সেয়ে সাহিত্যক জীয়াই ৰখাটো প্ৰতিজন মানুহৰেই কৰ্তব্য। মানুহৰ প্ৰতি মানুহৰ কৰ্তব্য আৰু মানুহৰ প্ৰতি থকা দায়ৱদ্ধতাৰ বাবে আন মানুহৰ দৰে মোৰো কিবা এটা কৰাৰ অফুৰন্ত হেঁপাহ আছে। তেনে এক মনোবল লৈয়েই ইং ২১/১০/২০১৬ তাৰিখে অধ্যক্ষ মহোদয়, বিভিন্ন বিভাগৰ তত্ত্বাৱধায়কৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ উপস্থিতিত শপত বাক্য পাঠ কৰোঁ। সেইদিনাৰ পৰাই মোৰ দায়িত্বৰ আনুষ্ঠানিক আৰম্ভণি হ'ল।

কাৰ্যভাৰৰ দায়িত্বৰ লগে লগে ইং ৬/০২/২০১৭ তাৰিখৰ পৰা ১১/০২/২০১৭ তাৰিখলৈ মহাবিদ্যালয়

সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাৰ প্ৰথম কাৰ্যসূচীৰ বৰ্ণাঢ্য শোভা যাত্ৰা সকলোৰে বাবে এক উৎফুল্লতাৰ বিষয়। মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ অধীনত ১) থিতাতে লিখা গল্প প্ৰতিযোগিতা, ২) থিতাতে লিখা কবিতা প্ৰতিযোগিতা, ৩) নীলা খামৰ চিঠি, ৪) নিৰ্বাচিত কবিতা আবৃতি (ইংৰাজী আৰু অসমীয়া), ৫) স্বৰচিত কবিতা আবৃত্তি (ইংৰাজী আৰু অসমীয়া), ৬) কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এইবেলি বিভিন্ন বিভাগৰ প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লেখতলবলগীয়া আছিল। সকলো প্ৰতিযোগিতাৰ ভিতৰত কুইজ প্ৰতিযোগিতাখনি বৰ আকৰ্ষণীয় কৈ অনুষ্ঠিত কৰা হৈছিল।

ইং ৫/১১/২০১৬ তাৰিখে 'ৰাষ্ট্ৰীয় একতা দিৱস" উপলক্ষে চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকী আৰু ড° ভূপেন হাজৰিকাদেৱৰ মৃত্যু বাৰ্ষিকী অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনত অনুষ্ঠিত এই অনুষ্ঠানৰ মুখ্য অতিথি আছিল সাহিত্যিক ড° নগেন্দ্ৰ নাথ শৰ্মা। মহাবিদ্যালয়খনিৰ এখনি আলোচনী উলিয়াবলৈ আৰম্ভণিৰে পৰা যথেষ্ট গুৰুত্ব দিছিলোঁ। যিহেতু সাহিত্য জীয়াই ৰাখিবলৈ আলোচনীৰ নিত্যান্তই আৱশ্যক। মহাবিদ্যালয়ৰ আলোচনীখনতে শৈক্ষিক আৰু বৌদ্ধিক সকলো দিশৰে প্ৰতিফলন ঘটে।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালৰ প্ৰতিটো দিশতে পৰামৰ্শ আগবঢ়োৱা তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ ড° আংগিৰস চাৰলৈ ধন্যবাদ ওঁ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন প্ৰতিযোগিতা সমূহ চলাই নিয়াত সহায় কৰা চাৰ-বাইদেউ আৰু বন্ধু-বান্ধৱী সকললৈও মই ধন্যবাদৰ শৰাই আগবঢ়াইছোঁ। সদৌ শেষত মোৰ কাৰ্যকালত হৈ যোৱা অজানিত ভুলৰ বাবে মাৰ্জনা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰিলোঁ।

ধন্যবাদ

**শ্ৰীজ্ঞানদ্বীপ বৰুৱা**

সাহিত্য আৰু আলোচনী বিভাগ

# সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



মানৱ জীৱনৰ কৰ্ম প্ৰণালী, সাহিত্য, সংস্কৃতি,ধৰ্ম, দৰ্শন আদি আটাইবোৰেই সংস্কৃতিৰ অন্তৰ্গত। মানৱ জীৱনৰ এই সমস্ত উৎসৰ পৰা আহৰিত হোৱা ধ্যান ধাৰণাই সংস্কৃতিৰ বৰ ভেটি গঢ় দিছে। জন্মৰ পৰা মৃত্যুলৈকে মানুহে যিবোৰ কাম-কাজেৰে জীৱনপঞ্জী সজায় এই আটাইবোৰতে মানুহৰ জীৱন দৰ্শন চিন্তা আৰু ভাৱদৰ্শৰ স্ফুৰণ ঘটে।

মানুহৰ সংস্কাৰ সন্মত কাৰ্যকলাপৰ পৰিস্ফুৰণ সংস্কৃতিৰ অন্তৰ্গত। আজি বাস্তৱিক জীৱনৰ সকলো আহিলাহে সৌন্দৰ্য আৰু উৎকৰ্ষৰ প্ৰয়োগ দেখা গৈছে। আমাৰ সাংস্কৃতিক পৰিমণ্ডলৰ বাবে ই এক শুভ লক্ষণ। সংস্কৃতি এটা জাতিৰ দাপোণস্বৰূপ।

**শ্ৰদ্ধাঞ্জলি ঃ**

এটা জাতি জীয়াই ৰখাৰ মহান সংগ্ৰামত যিসকলে তেজেৰে ইতিহাস লিখিলে সেই বীৰ শ্বহীদসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে যিসকলে আমাক বিশ্বৰ বুকুত এটা জাতি হিচাপে চিনাকি দিয়াৰ বাবে সংস্কৃতিৰ বৰভেটি গঢ়িলে সেইসকল সংস্কৃতিৰ জনক, ধাৰক আৰু বাহকলৈ মই মোৰ শ্ৰদ্ধা নিবেদিছো।

**কাৰ্যকলাপৰ চমু খতিয়ান ঃ**

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত মঙলদৈ চহৰত বৌদ্ধিক বিকাশ চৰ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয়ৰ স্থাপন হ'ল সেই সকল মহান আত্মালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনালো।

মঙলদৈ মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ যৎকিঞ্চিত এই মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ যত্ন কৰিছো তাৰ এটি থূলমূল আভাস দিব বিচাৰিছো।

মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথমখন অনুষ্ঠান ২৩/১১/২০১৬ তাৰিখে মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিছিলো। এই অনুষ্ঠানখন আছিল ৰাষ্ট্ৰীয় সাংস্কৃতিক একতা দিৱস। ইয়াৰ পিছত গুৱাহাটী I.I.T. 'Alcheringa' অনুষ্ঠানত যোগদান কৰা হ'ল। লগতে চাৰুকলা বিভাগৰ অন্তৰ্গত আল্পনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'লো। ইয়াৰ পিছত মঙলদৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হ'ল। এই 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি প্ৰাৰম্ভণিতে সাংস্কৃতিক আৰু চাৰুকলা বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। প্ৰধানকৈ সাংস্কৃতিক বিভাগৰ অন্তৰ্গত সংগীত প্ৰতিযোগিতা যেনে ঃ বৰগীত, লোকগীত, ভজন, বিহুগীত, আধুনিক গীত, ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ উপৰিও বিহুনৃত্য আৰু আধুনিক নৃত্য প্ৰতিযোগিতা, একাঙ্ক নাট প্ৰতিযোগিতা, একক অভিনয়, ভেশচন আদি প্ৰতিযোগিতা লগতে অসমীয়া পৰম্পৰাগত সাজ-পাৰ প্ৰদৰ্শন আদি অনুষ্ঠানসমূহ অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও চাৰুকলা বিভাগৰ অন্তৰ্গত বিভিন্ন প্ৰতিযোগিতাসমূহ যেনে ঃ পোষ্টাৰ অংকন, ক্লে মডেলিং, পেঞ্চিল আৰ্ট, ৱাটাৰ কালাৰ, কলাজ, কাৰ্টুন আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। এই আকৰ্ষণীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ লগতে মই অতিশয় গৌৰৱান্বিত যে এইবেলি প্ৰতিটো প্ৰতিযোগিতাৰ অংশ গ্ৰহণকাৰীৰ সংখ্যা খুবেই উৎসাহজনক আছিল। এইবাৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ আন এটি গৌৰৱোজ্জ্বল কাৰ্যসূচী আছিল বঁটা বিতৰণী সভা, য'ত অসমৰ যুৱ-প্ৰজন্মৰ জনপ্ৰিয় গায়ক ৰিংকু প্ৰিয়মে অনুষ্ঠান পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

ইয়াৰ উপৰিও মোৰ কাৰ্যকালত মহাবিদ্যালয়ত আন কিছুমান সাংস্কৃতিক অনুষ্ঠান যেনে ঃ সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাদেৱৰ মৃত্যু দিৱস, ৰাভা দিৱস, অন্যান্য বৰেণ্য ব্যক্তিৰ জন্ম আৰু মৃত্যু দিৱস পালন কৰা হয়। আৰু আন এটি বিষয়ত মই অতিশয় গৌৰৱান্বিত যে মই মোৰ কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ত স্থায়ীভাৱে বাদ্য যন্ত্ৰ তবলা আৰু হাৰমণিয়ামৰ ব্যৱস্থা কৰিব পাৰিছো। অন্যথা বিগত বহু বছৰ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীত বাদ্যযন্ত্ৰ সমূহ বাহিৰৰ পৰা ভাড়া কৰি আনিব লগা হৈছিল।

মঙলদৈ মহাবিদ্যালয়ে শৈক্ষিক দিশৰ লগতে সাংস্কৃতিক বাতাৱৰণ এটি সুন্দৰভাৱে ছাত্ৰ-ছাত্ৰীৰ মাজত বৰ্তাই ৰাখিছে। পৰিৱৰ্তিত সময়ৰ লগত খোজ মিলাবলৈ সু-সাংস্কৃতিকভাৱে আগবাঢ়িবলৈ আমাৰ আৰু যথেষ্ট কৰণীয় আছে। আশা ৰাখো অনাগত দিনবোৰত আমাৰ সপোনবোৰে দিঠকৰ ৰূপ ল'ব।

মোৰ কাৰ্যকালৰ সময়ছোৱাত সকলো ফালৰ পৰা দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক শ্ৰীঅনুপম ঠাকুৰীয়া ছাৰদেৱৰ লগতে অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ ছাৰ-বাইদেউ তথা কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন প্ৰতিযোগিতাৰ বিচাৰকৰ আসন শুৱনি কৰা সন্মানীয় বিচাৰকসকল তথা বাদ্যযন্ত্ৰী-শিল্পীসকলক আন্তৰিক ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও 'ছাত্ৰ একতা সভাৰ' সমূহ সদস্যবৃন্দলৈ কৃতজ্ঞতা জনাইছো, যিসকলে মোক প্ৰত্যেকটো কামতে সহযোগিতা আগবঢ়াইছে। লগতে ২০১৬-১৭ বৰ্ষত হৈ যোৱা নিৰ্বাচনত মোক সাংস্কৃতিক আৰু চাৰুকলা বিভাগত জয়ী কৰাই কাম কৰাৰ সুবিধা দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে মোৰ সমূহ বন্ধু-

বান্ধৱীলৈ হিয়াভৰা মৰম যাচিলোঁ।

সদৌশেষত, মোৰ কাৰ্যকালত জ্ঞাত বা অজ্ঞাতভাৱে হোৱা ভুল-ক্ৰুটিৰ বাবে সকলোকে ক্ষমা বিচাৰিছো। মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি মোৰ চিৰকাম্য। সংস্কৃতিৰ প্ৰকৃত অৰ্থ সকলোৱে হৃদয়ংগম কৰক দুষ্কৃতি আৰু অপসংস্কৃতিৰ তমসা আঁতৰাই সংস্কৃতিৰ জ্যোতিৰে জ্যোতিষ্মান হওঁক মন, মগজু আৰু হৃদয়। শেষত এই শুভ কামনাৰে।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

**জীমণি ডেকা**
সম্পাদিকা
সাংস্কৃতিক আৰু চাৰুকলা বিভাগ

# ক্ৰীড়া বিভাগৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব। মোৰ প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মই শ্ৰদ্ধাৰে সোঁৱৰিব বিচাৰিছো ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়খনি প্ৰতিষ্ঠাৰ সেনানী সকলক আৰু বীৰ শ্বহীদ সকলক। তেওঁলোকৰ ভূমিকা অবিহনে হয়তো আমি আজিৰ পৰ্যায়ত উপনীত হ'ব নোৱাৰিলোহেঁতেন। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু দাদা-বাইদেউ, ভাইটি-ভন্টিলৈ শ্ৰদ্ধা যাঁচিলো। মঙলদৈ মহাবিদ্যালয়ৰ দৰে মহাবিদ্যালয় এখনিৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ পদৰ যোগ্য বিবেচিত কৰা দাদা-বাইদেউ, সহপাঠী আৰু ভাইটি-ভন্টি সকললৈ মই চিৰ কৃতজ্ঞ।

২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ আগৰ পৰাই হওঁক বা পিছৰ পৰাই, ক্ৰীড়াৰ ক্ষেত্ৰখনৰ লগত মোৰ আছিল অতি ওচৰ সম্পৰ্ক। যাৰ বাবেই হয়তো মনত ইচ্ছা জাগিছিল মহাবিদ্যালয়ৰ ক্ৰীড়াৰ পৰিৱেশটো এটা নতুন ৰূপত চোৱাৰ। আৰু সেই সুযোগটো অৰ্পণ কৰাৰ পিছত প্ৰতিটো দিনতেই চেষ্টা কৰিছিলো ক্ৰীড়া বিভাগটো সুস্থ আৰু সবল নেতৃত্বৰে আগবঢ়াই নিবলৈ।

মোৰ সম্পাদকীয় কাৰ্যকালত অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ'ত খেল-ধেমালিৰ বিভিন্ন প্ৰতিযোগিতা সমূহ বিস্তৃত ৰূপত অনুষ্ঠিত কৰিব চেষ্টা কৰিছিলো, অৱশ্যে এই চেষ্টা কিছু পৰিমাণে সফল হোৱা বুলি ধাৰণা কৰিছিলো তেতিয়া, যেতিয়া প্ৰতিযোগিতাবোৰত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আছিল প্ৰশংসনীয়। "দৈহিক-মানসিক বিকাশৰ বাবে ক্ৰীড়া এক উপযুক্ত ঔষধ" হিচাপে চলোৱা সজাগতা আছিল আমাৰ উল্লেখনীয় দিশ।

মহাবিদ্যালয় সপ্তাহৰ দিনজোৰা অনুষ্ঠানবোৰত আৰু বাকী দিনবোৰত কাৰিকৰী ব্যৱস্থাপনা, সহায়-সহযোগিতা আৰু পৰিচালনাৰে সফলতাৰ দিশত বিভাগটোক আগুৱাই নিবলৈ মোৰ কামত ছাঁৰ দৰে থকা প্ৰণৱ দাস ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। লগতে চাহিল, হাচান,গগণ, চিন্ময়ীহঁত আৰু মোৰ সহ বন্ধু-বান্ধৱী, ভাইটি-ভন্টি, দাদা-বাইদেউক মহাবিদ্যালয়ৰ স্বাৰ্থত ইমানখিনি কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

'মঙলদৈ মহাবিদ্যালয়'ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী বা কৰ্মৰত শিক্ষাগুৰু অথবা কৰ্মচাৰীবৃন্দৰে নহয়, মঙলদৈবাসীৰ এটা সপোনৰ অনুষ্ঠান, প্ৰগতিৰ দিশত মহাবিদ্যালয়খন আগুৱাই দিয়াটো সকলোৰে নিৰপেক্ষ, নিঃস্বাৰ্থ দায়িত্ব হোৱা উচিত।

ক্ৰীড়া ক্ষেত্ৰখনত মঙলদৈ মহাবিদ্যালয়ৰ বহু আন্তঃগাঁঠনিৰ প্ৰয়োজন আছে। ইয়াৰে কিছু কাম অৱশ্যে

নিয়ম মাফিক পৰ্যায়ক্রমে চলি আছে। আৰু কেইটামান বছৰৰ পিছতে সক্রিয় হৈ উঠিব দৰং জিলাৰ ভিতৰতে প্ৰথমটো বাস্কেট বলৰ ক'ট' আৰু সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰ। অত্যাধুনিক কাৰিকৰী ভাৱে নিৰ্মাণৰত ক্রীড়া ক্ষেত্র দুটিয়ে নতুন সম্ভাৱনাৰ সৃষ্টি কৰিব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো জিলিকিব সক্ষম হ'ব খেলুৱৈ সকল।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰতিভাৱান ভলীবল খেলুৱৈ সকলক উলিয়াই আনি 'জাগীৰোড মহাবিদ্যালয়'ত অনুষ্ঠিত হোৱা "আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা"ত অংশ গ্ৰহণেৰে খেলুৱৈ সকলৰ পাৰদৰ্শিতাক বিকশিতকৰাৰ চেষ্টা কৰিছিলো। মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সকলৰ মাজত সম্ভাৱনা বহুত আছে, কিন্তু উপযুক্তভাৱে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ পৰিৱেশ গঢ় লোৱাত আৰু কিছু সময়ৰ প্ৰয়োজন আছে। এজন সম্পাদকৰ এটা কাৰ্যকালত প্ৰতিটো কাম সম্পূৰ্ণকৈ কৰাটো অসম্ভৱ বুলিয়ে ক'ব লাগিব। কিন্তু ভাল পদক্ষেপ সমূহ সম্পূৰ্ণ হৈ উঠাৰ আন্তঃ পৰ্যায়ৰ কামসমূহত এজন সম্পাদকে নিশ্চিতি প্ৰদান কৰিব পাৰে।

শেষত মই সকলোলৈকে ধন্যবাদ জনাইছো, যিসকলে মোৰ ভুল-ক্রটি সমূহ পোনপটীয়াকৈ আঙুলিয়াই দি ক্রীড়া বিভাগটো শুদ্ধ ৰূপত পৰিচালনাৰ সুযোগ দিলে। মোৰ কাৰ্যকালত "মহাবিদ্যালয় সপ্তাহ"কৈ আদি কৰি অন্যান্য সময়ৰ যাৱতীয় খা-খৰচৰ হিচাপ সম্পূৰ্ণ তথ্য প্ৰমাণ সহকাৰে ক্রীড়া বিভাগৰ তত্বাৱধায়কৰ জৰিয়তে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ হাতত জমা দিওঁ। মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্রটি আৰু অজানিতে কাৰোবাৰ আঘাত হনা কাম কৰিছো; তেন্তে আপোনালোকলৈ ক্ষমা বিচাৰিছো, ভৱিষ্যতে তেনে কামৰ পৰা আঁতৰি থাকিবলৈ আশীৰ্বাদ কৰে যেন।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**অনুপ জ্যোতি নাথ**
সম্পাদক, ক্রীড়া বিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণীতে সেই অমৰ শ্বহীদ সকলক সশ্ৰদ্ধে স্মৰণ কৰিছো, যিসকলে জীৱনকো তুচ্ছ জ্ঞান কৰি আত্ম আঁহুতিৰে আমাক পৰাধীনতাৰ পৰা মুকলি কৰি স্বাধীনতাৰ অমূল্য সোৱাদ দিলে। লগতে যিসকল মহান ব্যক্তিৰ মহৎ চিন্তা, প্ৰচেষ্টা আৰু অশেষ কষ্টৰ বিনিময়ত দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয় গঢ় লৈ উঠিছিল তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলো।

এই ছেগতে মোক সৰ্বোচ্চ ভোটেৰে জয়যুক্ত কৰি ২০১৬-১৭ বৰ্ষৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ সেৱাৰ সুযোগ দিয়া বাবে মঙলদৈ মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীক তথা মোৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত বন্ধুবৰ্গক ধন্যবাদ জ্ঞাপন কৰিলো।

২১/১০/২০১৬ তাৰিখে শপত গ্ৰহণ কৰাৰ দিনাৰে পৰা মোৰ কাৰ্যকালৰ আৰম্ভণী হয়। কাৰ্যকাল গ্ৰহণ কৰাৰ এদিন পিছতেই অৰ্থাৎ ২২/১০/২০১৬ তাৰিখে এটি চাফাই অভিযানৰ জৰিয়তে মোৰ বিভাগৰ কাম আৰম্ভ কৰো।

কাৰ্যকাল গ্ৰহণৰ কিছুদিন পিছতেই মহাবিদ্যালয় সপ্তাহৰ যো-জা চলে। বিভিন্ন কলা-কৃষ্টি প্ৰদৰ্শিত সাংস্কৃতিক শোভাযাত্ৰাৰ জৰিয়তে বৰ্ণাঢ্য ভাৱে মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণী হয়।

অধ্যক্ষ মহোদয়ৰ পৰামৰ্শ আৰু ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ তত্বাৱধায়ক সকলৰ পৰামৰ্শ মৰ্মে

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক প্ৰতিভা বিকাশৰ এখন প্লেটফৰ্ম প্ৰদানৰ উদ্দেশ্য আগত ৰাখি মহাবিদ্যালয়ৰ বাহিৰৰ কোনো সাংস্কৃতিক গোট বা দলক আমন্ত্ৰণ জনোৱা নহয়। কিন্তু ছাত্ৰ-ছাত্ৰীৰ ব্যাপক সঁহাৰি আৰু অংশ গ্ৰহণত বাহিৰা বিশেষ সাংস্কৃতিক দলৰ প্ৰয়োজনীয়তা নোহোৱা হৈ পৰিছিল। এই সাংস্কৃতিক শোভাযাত্ৰা আমাৰ কাৰ্যকালৰ এক স্মৰণীয় ঘটনা।

মোৰ কাৰ্যকালত সকলো দিশতে সু-পৰামৰ্শ তথা সহায় আগবঢ়োৱা সমাজসেৱা বিভাগৰ তত্বাৱধায়ক শ্ৰীইছাৰাম নাথ ছাৰক অশেষ ধন্যবাদ তথা শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰিলো।

মানুহৰ জীৱন সফলতা-অসফলতা, ভুল-শুদ্ধ আদিৰেই সংমিশ্ৰণ। হয়তো যিখিনি আশাৰে আপোনালোকে মোক সমাজসেৱা বিভাগৰ সম্পাদিকা পদত অধিষ্ঠিত কৰোৱাইছিল সেই সকলো আশা পূৰণ কৰিব নোৱাৰিলো। মোৰ সকলো ভুল-ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা ভিক্ষা কৰিছো।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয় যেন সকলো দিশৰ পৰা এখন জাকত-জিলিকা শিক্ষানুষ্ঠান হৈ উঠে তাৰেই কামনাৰে প্ৰতিবেদনৰ সামৰণী মাৰিলো।

জয় আই অসম
বন্দে মাতৰম
জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**আৰলিন চিৰলীনা**
সম্পাদিকা, সমাজ সেৱা বিভাগ।

# তৰ্ক আৰু বক্তৃতা বিভাগৰ প্ৰতিবেদন



**জ্ঞান ! চৰিত্ৰ!! একতা!!!**

উঠা, জাগা, লক্ষ্যস্থান নোপোৱালৈকে নৰ'বা—
স্বামী বিবেকানন্দ

প্ৰতিবেদনৰ আৰম্ভণীতে সেইসকল মহান মনিষীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো। যিসকল মহান মনিষীৰ নিৰলস প্ৰচেষ্টা আৰু ত্যাগৰ ফলত শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। যিসকলৰ আত্মবলিদানে সমাজৰ বৰ্তমান আৰু ভৱিষ্যৎ সুৰক্ষিত কৰিলে সেইসকল মহান মনিষীলৈ শ্ৰদ্ধা নিবেদিছো।

অনাগত ভৱিষ্যতৰ ৰঙীণ সপোন উজ্জ্বল কৰাৰ আখৰাস্থলী মঙ্গলদৈ মহাবিদ্যালয়। জীৱনৰ প্ৰতিটো ক্ষণ, য'ত প্ৰস্ফুটিত হয় দেশ মাতৃৰ সেৱাত উৎসগিত অলেখ সপোনত হেজাৰ তৰা।

সেয়ে মই আনন্দিত আৰু গৌৰৱান্বিত যে, মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৬-২০১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হওঁ। সেই হেতুকে মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

যান্ত্ৰিকতাৰ যন্ত্ৰণাত ডুবি আমি সকলোৱে ব্যস্ত হৈ পৰিছো। অন্যান্য প্ৰয়োজনীয় ক্ষেত্ৰসমূহত সময় অতিবাহিত

কৰাৰ পৰিবৰ্তে, সকলো ব্যস্ত আজি কিবা পোৱাৰ আশাত। যাৰ ফলস্বৰূপে বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাত আগ্ৰহ কমি আহিছে। কিন্তু ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ জখলা বগোৱা মূল অস্ত্ৰপাতেই হৈছে 'সাহিত্য'। এই সাহিত্যৰ সৃষ্টি তেতিয়া হ'ব যেতিয়া সুস্থ সঠিক চিন্তা আৰু শুদ্ধ ভাষাৰ প্ৰতিপন্ন হ'ব। সেয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক আৰু সাহিত্যৰ উৎকৃষ্ট সাধনৰ উদেশ্যে তৰ্ক আৰু বক্তৃতা বিভাগটো ৰখা হৈছে।

বিগত বছৰৰ দৰে এই বছৰো কাৰ্যভাৰ গ্ৰহণৰ পিছৰে পৰা ছাত্ৰ একতা সভাই বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। এই সকলোবোৰ কাৰ্যসূচীৰ লগতে এই বছৰো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত তৰ্ক আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হয়। বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আৰু সকলোৰে সহযোগত দুয়োখন প্ৰতিযোগিতা শৃংখলতাৰে অনুষ্ঠিত হয়। আৰু লগতে প্ৰতিবছৰে ২০ ছেপ্টেম্বৰ তাৰিখে তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত সদৌ অসম শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

মোৰ কাৰ্যকালৰ সকলো দিশৰ উপযুক্ত পৰামৰ্শ তথা সহায়েৰে হাত আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, মহাবিদ্যালয় নামভৰ্ত্তি কৰাৰ পাছৰে পৰা তৰ্ক প্ৰতিযোগিতাৰ এই বহল ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ বাবে বিশেষভাৱে প্ৰেৰণা তথা সহায়ৰ হাত আগবঢ়োৱা তত্বাৱধায়ক শ্ৰদ্ধাৰ ড০ বৰ্ণালী ডেকা বাইদেউৰ লগতে বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সঁহাৰি জনোৱাৰ লগতে কাৰ্যকালৰ আৰম্ভণীৰে পৰা পথ-প্ৰদৰ্শক হিচাপে থিয় দিয়া অধ্যাপক শ্ৰদ্ধাৰ ড০ আঙ্গিৰস ছাৰ, অধ্যাপক শ্ৰদ্ধাৰ হৰিমন ডেকা ছাৰ, অধ্যাপক শ্ৰদ্ধাৰ পৰেশ কুমাৰ শৰ্মা ছাৰ, অধ্যাপক শ্ৰদ্ধাৰ ড০ অনুপম ঠাকুৰীয়া ছাৰ, অধ্যাপক শ্ৰদ্ধাৰ ড০ বিজয় কুমাৰ শৰ্মা ছাৰ, অধ্যাপক ড০ মৃদুল ডেকা ছাৰ আটাইলৈ মোৰ অকৃত্ৰিম শলাগ, ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বিচাৰকৰ দৰে এটি গুৰু দায়িত্ব সমাপন কৰা অধ্যাপক শ্ৰদ্ধাৰ পবিত্ৰ কুমাৰ নাথ ছাৰ, অধ্যাপক শ্ৰদ্ধাৰ সন্তোষ বৰকাকতি ছাৰ, অধ্যাপক শ্ৰদ্ধাৰ ইছাৰাম নাথ ছাৰ, অধ্যাপিকা শ্ৰদ্ধাৰ ড০ বৰ্ণালী কলিতা বাইদেউ, অধ্যাপিকা শ্ৰদ্ধাৰ ড০ প্ৰতিভা দেৱী বাইদেউ, অধ্যাপিকা শ্ৰদ্ধাৰ ড০ ৰুণজুন দেৱী বাইদেউক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। আৰু মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা ছাত্ৰ-ছাত্ৰীসকললৈ শলাগৰ শৰাই আগবঢ়াইছো।

শেষত তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ সম্পাদকৰ দায়িত্ব পালনত জ্ঞাত-অজ্ঞাতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে সমূহ ছাৰ-বাইদেউ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো।

আমাৰ পথ প্ৰদৰ্শক মহাপুৰুষসকলে দেখুৱাই দিয়া পথৰেই আগবাঢ়ি যাওঁক আশাৰ এই মহাবিদ্যালয়খন। এই মহাবিদ্যালয়খৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ গুৰু দায়িত্ব হওঁক। আমাৰ অসমখনক শস্য শ্যামলা বিকশিত সোণৰ অসম হিচাপে গঢ়ি তোলাৰ সংগঠিত তথা সামগ্ৰিক প্ৰয়োগ। আগন্তুক দিনত মহাবিদ্যালয়খনৰ শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয় ভাৰত মাতা কি জয়"

"জয়তু মঙ্গলদৈ মহাবিদ্যালয়"

"জয়তু মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"।

শ্ৰদ্ধাৰে

**ৰাজীৱ ডেকা**

সম্পাদক

তৰ্ক আৰু বক্তৃতা বিভাগ

# ছাত্র জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। শপত গ্ৰহণ কৰাৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ"ৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্যাই নিজৰ নিজৰ বিভাগৰ প্ৰতিযোগিতাসমূহৰ প্ৰস্তুতি আৰম্ভ কৰিছিল লগতে ময়ো ছাত্ৰ জিৰণি কোঠাৰ তৰফৰ পৰা কেৰম, বেডমিণ্টন, ডবা খেল, কাবাডী আদি খেলবোৰ অনুষ্ঠিত কৰি উক্ত প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীক প্ৰমাণ পত্ৰ আৰু মেডেল দিয়াৰ ব্যৱস্থা কৰিছিলো।

বৰ্তমানে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠা এটা খুবেই অভাৱ কৰিছিলো যদিও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে ঘোষণা কৰিছিল B.H. ৰ নিৰ্মাণৰত অট্টালিকাৰ ২য় মহলাত ছাত্ৰ জিৰণি কোঠাটো হ'ব। ই মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ বাবে সুখৰ খবৰ। মোৰ কাৰ্যকালত ইয়াৰ কাম সম্পূৰ্ণ হৈছে যদিও আগন্তুক বছৰতহে মুকলি কৰি দিয়াৰ প্ৰস্তুতি চলিছে। তথাপিও মহাবিদ্যালয়ৰ অভাৱ এটি পূৰণ হ'ব।

সৰ্বশেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মোৰ প্ৰতিটো কামত দিহা-পৰামৰ্শ আগবঢ়োৱা তত্ত্বাৱধায়ক দেৱজিত নাথ ছাৰলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে মোৰ কাৰ্যসূচীসমূহ সফল কৰাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সহায় সহযোগ আগবঢ়ালে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো।

**প্ৰণৱ কুমাৰ নাথ**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জয় জয়তে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ সেৱা কৰা সুবিধাকণ দিয়াৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ সহায়-সহযোগ অবিহনে মোৰ এই কাৰ্যকাল সম্ভৱ নহ'লহেঁতেন।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই কিবা কাম কৰাৰ মানসিকতা আছিল যদিও সাংগঠনিক অসুবিধাৰ বাবে সম্ভৱ হৈ নুঠিল। তথাপি মহাবিদ্যালয় সপ্তাহত বেডমিণ্টন, কেৰম, ডবা, আল্পনা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰো। এই প্ৰতিযোগিতাবোৰত ছাত্ৰীৰ অংশ গ্ৰহণ শলাগ লবলগীয়া। তেওঁলোকে একগোট হৈ ভাগ লয়।

আগতে উল্লেখ কৰিছো যে, কাম কৰাৰ মানসিকতা আছিল যদিও বিভিন্ন অসুবিধাৰ বাবে সেয়া হৈ নুঠিল।ছাত্ৰী জিৰণি চ'ৰাত দুখন দাপোন, কিছু আচবাব আদিৰ প্ৰয়োজন আছিল যদিও অনুমোদন নোপোৱা হেতুকে সেয়া সম্ভৱ

হৈ নুঠিল। আশা কৰো পৰৱতী সম্পাদিকা গৰাকীয়ে এই অসুবিধা দূৰ কৰিব পাৰিব।

মোৰ এই কাৰ্যকালত সহায় কৰা সকলো শিক্ষাগুৰু মণ্ডলী, মোৰ বন্ধুবৃন্দ সকলোলৈয়ে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাছিলোঁ। তেওঁলোকৰ উৎসাহে মোক আনন্দিত কৰে।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ দিশৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**সত্যৱতী ডেকা**
ছাত্ৰী জিৰণি কোঠা

# ব্যায়ামশালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সুঁৱৰিছো মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৈ আৰু সুঁৱৰিছো সেই মহান ব্যক্তি সকলক যাৰ প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয় দৰং জিলা তথা অসমৰ ভিতৰত এখন জাকতজিলিকা মহাবিদ্যালয় হৈছে।

কাৰ্যকালৰ প্ৰেক্ষাপট ঃ মঙলদৈ মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ একতা সভাৰ 'ব্যায়ামশালা' বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। সেয়েহে মোক নিৰ্বাচনত নিৰ্বাচিত কৰাৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মই ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতি বছৰৰ দৰে দায়িত্বভাৰ গ্ৰহণ কৰি মঙলদৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ কাৰ্যভাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হাতত আহি পৰে। ইং ০৬/০২/২০১৭ তাৰিখৰ পৰা ১১/০২/২০১৭ লৈ মহাবিদ্যালয় সপ্তাহত ছাত্ৰ একতা সভাৰ 'ব্যায়ামশালা' বিভাগৰ তৰফৰ পৰা শৰীৰ চৰ্চাৰ ওপৰত ভিত্তি কৰি কেৰাটে, ভাৰোত্তোলন, স্কিপিঙৰ লগতে দেহশ্ৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সহযোগে মোক যথেষ্ট উৎসাহ তথা প্ৰেৰণা যোগাইছে।

কৃতজ্ঞতা ঃ কাৰ্যকালৰ সময়ছোৱাত ভিন্ন দিহা পৰামৰ্শ দিয়া মাননীয় তত্বাৱধায়ক ড০ কংকন শৰ্মা ছাৰলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ধন্যবাদ জনাইছো ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া লৈ। সৰ্বশেষত মোৰ কাৰ্যকালত হৈ যোৱা ভুলৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো। লগতে মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বদিশৰ উন্নয়ন কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়।
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰদ্ধাৰে—
**পল্লৱ নাৰায়ণ দেৱ**
সম্পাদক, ব্যায়ামশালা বিভাগ

# Principals of Mangaldai College

**Estd. 1951**

| Sl. No. | Name | From | To |
|---|---|---|---|
| 1. | Sri Purandar Sarma, MA, Bl, | 20.09.1951 | 11.09.1966 |
| 2. | Sri Prabodh Ch. Goswami, MA, BT. | 12.09.1966 | 30.06.1977 |
| 3. | MD. Abdul Mazid, MA, LLB | 01.07.1977 | 17.08.1983 |
| 4. | Dr. Purna Ch. Bora, MA, Ph.D. (in Charge) | 18.08.1983 | 18.03.1988 |
| 5. | MD. Abdul Mazid, MA, LLB | 19.03.1988 | 28.02. 1990 |
| 6. | Dr. Purna Ch. Bora, MA, Ph.D. (in Charge) | 01.03.1990 | 31.03.1992 |
| 7. | Sri Gopi Nath Sarma, MA (in Charge) | 01.04.1992 | 30.06.1992 |
| 8. | Sri Siba Kanta Sarma, MA, LLB | 01.07.1992 | 31.05.1996 |
| 9. | Dr. L Nath, MSc, BT, M. Phil, Ph.D. | 01.06.1996 | 31.03.1999 |
| 10. | Dr. (Mrs.) Amiya Devi, MA, Ph.D. (in Charge) | 01.04.1999 | 31.07.2000 |
| 11. | Dr. G.C. Goswami, MSc., BT, M. Phil, Ph.D. | 01.08.2000 | 31.04.2001 |
| 12. | Dr. H.K. Goswami, MA, Ph.D. (in Charge) | 01.05.2001 | 31.05.2004 |
| 13. | Dr. R.K. Roy, MA, Ph.D. (in Charge) | 01.06.2004 | 30.11.2004 |
| 14. | Dr. J.C. Nath, MA, Ph.D. | 01.12.2004 | 31.08.2007 |
| 15. | Mr. S. Rahman, MSc., LLB (in Charge) | 01.09.2007 | 16.01.2009 |
| 16. | Mr. B.K. Medhi, MSc. (in Charge) | 17.01.2009 | 31.10.2010 |
| 17. | Mr. N. Mudai, MSc. LLB (in Charge) | 01.11.2010 | 06.06.2011 |
| 18. | Mrs. B. Goswami, MSc. (in Charge) | 07.06.2011 | 20.01.2012 |
| 19. | Dr. K.K. Nath, MSc., Ph.D. | 20.01.2012- | |

## ২০১৬-১৭ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | কুলদ্বীপ নাথ |
| সাধাৰণ সম্পাদক | ঃ | অপূৰ্ব ডেকা |
| সহঃ সাধাৰণ সম্পাদক | ঃ | কল্যাণ হিমাংশু নাথ |
| সাহিত্য আৰু আলোচনী বিভাগ | ঃ | জ্ঞানদ্বীপ বৰুৱা |
| সাংস্কৃতিক আৰু চাৰু কলা সম্পাদিকা | ঃ | জীমণি ডেকা |
| খেল সম্পাদক | ঃ | অনুপ জ্যোতি নাথ |
| ছাত্ৰ জিৰণি কোঠা সম্পাদক | ঃ | প্ৰণৱ কুমাৰ নাথ |
| ছাত্ৰী জিৰণি কোঠা সম্পাদিকা | ঃ | সত্যৱতী ডেকা |
| তৰ্ক সম্পাদক | ঃ | ৰাজীৱ ডেকা |
| সমাজ সেৱা সম্পাদিকা | ঃ | আৰলিন চিবলীনা |
| ব্যায়ামশালা সম্পাদক | ঃ | পল্লৱ নাৰায়ণ দেৱ |

❏❏❏

## মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল

(১৯৫৮-১৯৫৯ বৰ্ষৰ পৰা ২০১৬-২০১৭ বৰ্ষলৈকে)

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-১৯৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-১৯৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-১৯৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-১৯৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-১৯৬৪ | শ্ৰীতুৰাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-১৯৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-১৯৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |

| | | | |
|---|---|---|---|
| ৮ম | ১৯৬৬-১৯৬৭ | শ্রীহেমকান্ত ডেকা | শ্রীজীৱন চন্দ্র শৰ্মা |
| ৯ম | ১৯৬৭-১৯৬৮ | শ্রীঅৰুণ চন্দ্র দাস | শ্রীজীৱন চন্দ্র শৰ্মা |
| ১০ম | ১৯৬৮-১৯৬৯ | শ্রীনৰেন হাজৰিকা | শ্রীজীৱন চন্দ্র শৰ্মা |
| ১১শ | ১৯৬৯-১৯৭০ | শ্রীপ্রভাত নাৰায়ণ চৌধুৰী | শ্রীজীৱন চন্দ্র শৰ্মা |
| ১২শ | ১৯৭০-১৯৭১ | শ্রীদীনবন্ধু শৰ্মা | শ্রীজীৱন চন্দ্র শৰ্মা |
| ১৩শ | ১৯৭১-১৯৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্রীভূপেন নাথ কাকতি |
| ১৪শ | ১৯৭২-১৯৭৩ | শ্রীপ্রেমানন্দ নাথ | শ্রীভূপেন নাথ কাকতি |
| ১৫শ | ১৯৭৩-১৯৭৪ | শ্রীভবেশ চন্দ্র ডেকা | শ্রীভূপেন নাথ কাকতি |
| ১৬শ | ১৯৭৪-১৯৭৫ | শ্রীজুৰণ চন্দ্র কলিতা | শ্রীভূপেন নাথ কাকতি |
| ১৭শ | ১৯৭৫-১৯৭৬ | শ্রীদেবেন্দ্র কুমাৰ শৰ্মা | শ্রীভূপেন নাথ কাকতি |
| ১৮শ | ১৯৭৬-১৯৭৭ | শ্রীভৱকান্ত হাজৰিকা | শ্রীভূপেন নাথ কাকতি |
| ১৯শ | ১৯৭৭-১৯৭৮ | শ্রীপৰমানন্দ ৰাজবংশী | শ্রীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-১৯৭৯ | শ্রীশৈলেন্দ্র কুমাৰ শৰ্মা বৰুৱা | শ্রীমহেন্দ্র প্রসাদ বৰুৱা |
| ২১ম | ১৯৭৯-১৯৮১ | শ্রীপংকজ কুমাৰ গোস্বামী | শ্রীবিজয় চন্দ্র গোস্বামী |
| ২২ম | ১৯৮১-১৯৮২ | শ্রীগজেন্দ্র বৰুৱা | শ্রীভাৰত চন্দ্র শৰ্মা |
| ২৩ম | ১৯৮২-১৯৮৩ | শ্রীবিশ্বজিৎ গোস্বামী | শ্রীভাৰত চন্দ্র শৰ্মা |
| ২৪ম | ১৯৮৩-১৯৮৪ | শ্রীদুলাল বৰুৱা | শ্রীভাৰত চন্দ্র শৰ্মা |
| ২৫ম | ১৯৮৫-১৯৮৬ | শ্রীশিৱ প্রসাদ বৰুৱা | শ্রীমতিৰাম মেধি |
| ২৬ম | ১৯৮৬-১৯৮৭ | শ্রীমিনাৰাম হাজৰিকা | শ্রীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-১৯৮৮ | শ্রীভবেশ বৰুৱা | শ্রীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-১৯৮৯ | শ্রীমুক্তানন্দ শৰ্মা | ইদ্রিছ আলি |
| ২৯ম | ১৯৮৯-১৯৯০ | মমতাজ খানম | শ্রীবুদ্ধিন চন্দ্র হাজৰিকা |
| ৩০ম | ১৯৯১-১৯৯২ | শ্রীবৱিতা কুমাৰ মাজুডেকা | ইদ্রিছ আলি |
| ৩১ম | ১৯৯১-১৯৯৩ | মঃ আমিনুল হক | ইদ্রিছ আলি |
| ৩২ম | ১৯৯৩-১৯৯৪ | শ্রীলক্ষ্যধৰ শৰ্মা | শ্রীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-১৯৯৫ | শ্রীজয়ন্ত শৰ্মা | শ্রীডিম্বেশ্বৰ বৰুৱা |

| | | | |
|---|---|---|---|
| ৩৪ম | ১৯৯৫-১৯৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ আলি |
| ৩৫ম | ১৯৯৬-১৯৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-১৯৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-১৯৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড০ বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০১-২০০১ | শ্ৰীপ্ৰবীন বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-২০০২ | শ্ৰীসম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-২০০৫ | শ্ৰীচিন্ময় বৰুৱা<br>শ্ৰীদেৱৰ্ষি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪২ম | ২০০৬-২০০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-২০০৮ | শ্ৰীজয়ন্ত ডেকা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-২০০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-২০১০ | শ্ৰীমানৱজ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪৬ম | ২০১০-২০১১ | মঃ হামিদুৰ ৰহমান | ড০ সৰযুপ্ৰিয়া দেৱী |
| ৪৭ম | ২০১১-২০১২ | শ্ৰীঅবিনাশ বৰুৱা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | ২০১২-২০১৩ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড০ সৰযুপ্ৰিয়া দেৱী |
| | ২০১৩-২০১৪ | শ্ৰীভাস্কৰজ্যোতি ডেকা | |
| ৪৮ম | ২০১৪-২০১৫ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড০ আঙ্গিৰস |
| | ২০১৫-২০১৬ | শ্ৰীলক্ষ্যজ্যোতি দাস | ড০ আঙ্গিৰস |
| ৪৯ম | ২০১৬-২০১৭ | শ্ৰীজ্ঞানদ্বীপ বৰুৱা | ড০ আঙ্গিৰস |

# মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত শোভাযাত্ৰাৰ কেইটামান দৃশ্য















# মহাবিদ্যালয় সপ্তাহৰ কেইটামান দৃশ্য



অধ্যাপক-ছাত্ৰৰ প্ৰীতি ক্ৰিকেট খেলৰ 'অপেনিং চট'



এটি নাট্য মুহূৰ্ত্ত



স্থানীয় বিধায়কৰ সৈতে আমন্ত্ৰিত শিল্পী ৰিংকু প্ৰীয়ম

# যুৱ মহোৎসৱৰ কেইটিমান সাফল্যৰ দৃশ্য



কুইজ প্ৰতিযোগিতাত (জ'নৈল) প্ৰথম স্থান প্ৰাপ্ত দল



একাংকিকা নাটকৰ এটি মুহূৰ্ত



ব্যংগ নাটৰ তৃতীয় পুৰস্কাৰ প্ৰাপ্ত (মূল শাখাত)



মঙলদৈ জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত স্বাধীনতা দিৱস ২০১৭ চনৰ মাৰ্চ-পাছত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত মঙলদৈ মহাবিদ্যালয়ৰ এন.চি.চি. দল (ল'ৰা)



মঙলদৈ জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত স্বাধীনতা দিৱস ২০১৭ চনৰ মাৰ্চ-পাছত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত মঙলদৈ মহাবিদ্যালয়ৰ এন.চি.চি. দল (ছোৱালী)




৫ জুন তাৰিখৰ বৃক্ষৰোপণৰ এটি দৃশ্য




চাইন্স ফ'ৰামৰ জন্মদিনৰ এটি মুহূৰ্ত



২৫ আগষ্ট, ২০১৭ তাৰিখে মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা 'NEWS18' ৰ 'শিপাৰ সন্ধানত' অনুষ্ঠানৰ এটি মুহূৰ্ত



২৬ আগষ্ট, ২০১৭ তাৰিখে মঙলদৈ মহাবিদ্যালয়ত যুব প্ৰজন্মৰ 'হাৰ্টথ্ৰব' শিল্পী জুবিন গাৰ্গ

# ২০১৬-১৭ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ কেইগৰাকীমান খ্যাতিমান ছাত্ৰ-ছাত্ৰী



শ্ৰীহৃদয় সাগৰ শৰ্মা
প্ৰথম শ্ৰেণী প্ৰথম স্থান
ভূগোল বিভাগ (বিজ্ঞান শাখা)



শ্ৰীচিন্ময় ৰাজ শইকীয়া
প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান
ভূগোল বিভাগ (বিজ্ঞান শাখা)



শ্ৰীঅংকিতা তামুলী
প্ৰথম শ্ৰেণী তৃতীয় স্থান
ভূগোল বিভাগ (বিজ্ঞান শাখা)



শ্ৰীনকুল মোদক
প্ৰথম [illegible]ৰেণী দ্বিতীয় স্থান
[illegible] বিভাগ



শ্ৰীপাৰ্থ শৰ্মা
ষ্টাৰ কলেজ পুৰস্কাৰ বিজেতা
ৰসায়ন বিজ্ঞান বিভাগ



মিছ নাজৰিন ইয়াচমিন
ষ্টাৰ কলেজ পুৰস্কাৰ বিজেতা
পদাৰ্থ বিজ্ঞান বিভাগ



শ্ৰীনীলাক্ষি গৌতম
ষ্টাৰ কলেজ পুৰস্কাৰ বিজেতা
উদ্ভিদ বিজ্ঞান বিভাগ



শ্ৰীয্যোতিষ দৈমাৰী
ষ্টাৰ কলেজ পুৰস্কাৰ বিজেতা
প্ৰাণী বিজ্ঞান বিভাগ

# ২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ কেইগৰাকীমান বিজয়ী প্ৰতিযোগী



শ্ৰীজিতুমণি কাশ্যপ
শ্ৰেষ্ঠ অভিনেতা



শ্ৰীজ্যোতিষ্মান শৰ্মা
শ্ৰেষ্ঠ চাৰু কলা শিল্পী



শ্ৰীবৰ্ষা ভাৰতী
শ্ৰেষ্ঠ গায়িকা



শ্ৰীনিশাৰাণী মেধি
শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীৰূপজ্যোতি হাজৰিকা
শ্ৰেষ্ঠ তাৰ্কিক



শ্ৰীৰাজীৱ ডেকা
শ্ৰেষ্ঠ বেডমিণ্টন খেলুৱৈ



শ্ৰীজীমণি ডেকা
তৃতীয় পুৰস্কাৰপ্ৰাপ্ত সংগীত শিল্পী
(যুৱ মহোৎসৱ জোনেল)




Inaugural chorus of the
UGC Sponsored National Seminar (30th & 31st Aug., 2016)
Organised by the Dept. of Chemistry and IQAC, Mangaldai college,



২০১৭-১৮ বৰ্ষৰ নৱাগত আদৰণি সভাত জনপ্ৰিয় কণ্ঠ শিল্পী সীমান্ত শেখৰৰ গীত পৰিবেশনৰ এটি মুহূৰ্ত

